# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Satayendra Nath Sarmah | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saāhitya Sabhaā Patrikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1960 (1882 Sak) | Edition: |
| Size: 23½ cm 78+84+78+5 pages | Genre: Magazine |
| Volumes: 19 - 3 issues | Condition of the original: Brittle |
| Remarks: 1st. vol. was published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম
# সাহিত্য সভা পত্রিকা

২৯৮(ক)
24/2/62
গোৰহাট

উনবিংশ বছৰ ॥ ॥ দ্বিতীয় সংখ্যা

অসম সাহিত্য সভা

১৮৮২

সম্পাদক : শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মা

## সূচীপত্ৰ :


অসমীয়া যাত্ৰাভিনয়—শ্ৰীৰামমল ঠাকুৰীয়া ১
বড়ো সংস্কৃতিত যৌন অৱদান—শ্ৰীমেদিনী চৌধুৰী ১৭
বৰ্মা দেশৰ পুৰণি চিঠি—শ্ৰীদণ্ডিৰাম দত্ত ২০
ভূত-প্ৰেত আৰু অন্ধ বিশ্বাস—শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী ২১
প্ৰাচীন কামৰূপৰ লৌকিক উৎসৱ—শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্য, এম, এ ২৫
অসমীয়া ভাষাত সমাস—শ্ৰীপ্ৰিয়দাস তালুকদাৰ ২৮
ঋগবেদৰ ৰূপৰেখা—শ্ৰীঅৱনীন্দ্ৰ চন্দ্ৰ বৰা ৩৫
গ্ৰীক ট্ৰেজেডি আৰু নাট্যৰস—শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী ৩৯
সাহিত্য সভাৰ সংবাদ ৪৭
প্ৰধান সম্পাদকৰ প্ৰতিবেদন—শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী ৫৭
অসম সাহিত্য সভাৰ বিভিন্ন উৎসৱ ৭৭
পুথি পৰিচয় ৮২
সম্পাদকৰ মন্তব্য ৮৩


**পত্ৰিকা সম্পাদনা উপ-সমিতি :**

(১) শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
(২) শ্ৰীলীলা গগৈ
(৩) শ্ৰীঅৱনীন্দ্ৰ চন্দ্ৰ বৰা
(৪) প্ৰধান সম্পাদক
(৫) শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য
(৬) পত্ৰিকা সম্পাদক


২৯৮ (খ)
১৪/২/৫২
যোৰহাট
নং ২১০৭/৮/৯/৫২
তাং ৯/৩/২০০১
সাহিত্য সভা, যোৰহাট


# অসম সাহিত্য সভা পত্ৰিকা

## ভাষা-জননীৰ সেৱক কেইগৰাকীমান—১৯১৬



( আগশাৰীত বহি বাওঁফালৰ পৰা ) ৺নবীনচন্দ্ৰ বৰদলৈ, শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা, ৺দেবেশ্বৰ চলিহা, শ্ৰীচন্দ্ৰধৰ বৰুৱা।
( পাচফালে থিয় হৈ বাওঁফালৰ পৰা ) শ্ৰীঅম্বিকাগিৰি ৰায়চৌধাৰী, শ্ৰীলক্ষ্মীনাথ ফুকন, শ্ৰীপদ্মধৰ চলিহা,
৺কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মা।

# অসম সাহিত্য সভা পত্ৰিকা

উনবিংশ বছৰ | ১৮৮২ শক, ভাদ—আঘোণ | দ্বিতীয় সংখ্যা

## অসমীয়া যাত্ৰাভিনয়

**শ্ৰীৰামমল ঠাকুৰীয়া**

কামৰূপ জিলাত যাত্ৰাভিনয়ৰ প্ৰচলন বৰ বেছি। কামৰূপৰ এনে কিছুমান অঞ্চল আছে, যিবোৰৰ প্ৰত্যেকখন গাঁওতে এবাৰ নহয় এবাৰ যাত্ৰাদল গঠন নোহোৱাকৈ আছে। অৱশ্যে এই যাত্ৰাদলবোৰৰ আয়ুস বৰ কমদিনীয়া। প্ৰায়ে তিনি বছৰৰ পৰা পাঁচ বছৰৰ ভিতৰত সীমাবদ্ধ থাকে। এই সম্পৰ্কত এটা মাত্ৰ ব্যতিক্ৰম আছে নলবাৰী অঞ্চলৰ মৰোৱা যাত্ৰাপাৰ্টিৰ ক্ষেত্ৰত। ৺অৰুণ কুমাৰ বৈশ্যই স্থাপন কৰা এই নাট্যানুষ্ঠানটো বহুদিনৰ পৰা চলি আছে।

অসমীয়া যাত্ৰাভিনয়ৰ আৰম্ভণি অৰ্ব্বাচীন। কুৰি শতিকাৰ দ্বিতীয় দশকমানত অসমীয়া যাত্ৰাভিনয়ৰ সূত্ৰপাত হয়। অসমত যাত্ৰাভিনয়ৰ প্ৰথম অৱতাৰণা কৰে ৺ব্ৰজনাথ শৰ্ম্মাই। প্ৰথম মহাসমৰত যোগদান কৰি উভতি আহোতে তেওঁ কলিকতাত যাত্ৰাভিনয়ৰ কলা-কৌশল শিকি আহি অসমত যাত্ৰাভিনয়ৰ সূচনা কৰে। তেওঁ গঠন কৰা কোহিনুৰ অপেৰা পাৰ্টিৰ সোঁৱৰণি বয়সস্থ লোকসকলৰ মনত এতিয়াও সেউজীয়া হৈ আছে।

যাত্ৰাভিনয়ৰ উৎপত্তি হয় বঙ্গদেশত। জয়দেৱৰ গীত-গোবিন্দৰ পৰাই যাত্ৰাভিনয়ৰ আবিৰ্ভাৱ হয় বুলি পণ্ডিতসকলে অনুমান কৰে। "In Bengal the Yatras had a firm hold and the elegant *Gita-Govinda* of Joydeva of the twelfth century A. D. probably

contributed to the laterd development of the Bengali Yatras. (১)" ডঃ পি, গুহ ঠাকুৰ্তাৰ মতে যাত্ৰাভিনয়ৰ উৎপত্তি হয় ঊনৈশ শতিকাৰ আৰম্ভণিৰ পিছত।

অসমীয়া যাত্ৰাভিনয় বঙালী যাত্ৰাভিনয়ৰ সম্পূৰ্ণ অনুকৰণত গঢ়ি উঠা। কলা-কৌশলৰ অনুকৰণৰ উপৰিও অসমীয়া যাত্ৰাদলবোৰে আগতে বঙালী নাটকো অভিনয় কৰিছিল। ব্ৰজ শৰ্ম্মাৰ কোহিনুৰ অপেৰা পাৰ্টিয়েও বঙালী নাটকৰে অভিনয় কৰি খ্যাতি অৰ্জ্জন কৰিছিল। পিছলৈ অৱশ্যে বঙালী নাটকৰ অসমীয়া অনুবাদ কৰি যাত্ৰাপাৰ্টিবোৰে অভিনয় কৰিব ধৰিলে। সেই কাৰণে অসমীয়া যাত্ৰাভিনয়ৰ নাটকবোৰৰ গুণাগুণ বহুতখিনি নিৰ্ভৰ কৰে অনুবাদকৰ ওপৰত। অনুবাদক ভাল হলে নাটকৰ সংলাপ ভাল হয় আৰু ভাষাও শুদ্ধ হয়। কিন্তু অনুবাদক কম অৰ্হতাসম্পন্ন হলে সংলাপো ভাল নহয় আৰু ভাষাও বিজতৰীয়া হয়। পিছে, অনুবাদক ভালেই হ'ক বা বেয়াই হক, মূল নাটকবোৰ বঙালী হোৱা কাৰণে অনুবাদবোৰৰ ওপৰত বঙালী প্ৰভাৱ সুস্পষ্ট হৈ থাকে। অসমৰ কিছুমান ঠাইত যাত্ৰাভিনয়ক "বঙালী ভাওনা" বোলে। বঙালী প্ৰভাৱত গঢ়ি উঠা কাৰণেই বোধহয় যাত্ৰাভিনয়ে অসমত বৰ বেছি সমাদৰ লাভ কৰা নাই।

অসমীয়া যাত্ৰাদলবোৰে বঙালী নাটকৰ অনুবাদ কৰি অভিনয় কৰাৰ একমাত্ৰ কাৰণ হ'ল যাত্ৰাভিনয়োপযোগী অসমীয়া নাটকৰ অভাৱ। অসমীয়া নাটকবোৰৰ প্ৰায় ভাগেই থিয়েটাৰৰ উপযোগী কৰি ৰচনা কৰা—যাত্ৰাভিনয়ৰ উপযোগী নহয়। ইয়াতে এটা কথা উল্লেখনীয় যে থিয়েটাৰৰ নাটক আৰু যাত্ৰাৰ নাটকৰ কলা-কৌশলত যথেষ্ট পাৰ্থক্য আছে। যাত্ৰাবোৰ ভ্ৰাম্যমাণ, গতিকে যাত্ৰাৰ নাটকো অস্থায়ী মঞ্চৰ উপযোগীকৈ লিখা। অৰ্থাৎ মঞ্চৰ লগত যাত্ৰাভিনয়ৰ নাটকৰ কোনো সম্বন্ধ নাথাকে। কিন্তু থিয়েটাৰৰ নাটকৰ মঞ্চৰ লগত যথেষ্ট সম্বন্ধ থাকে। অস্থায়ী মঞ্চৰ উপযোগীকৈ লিখা কাৰণে যাত্ৰাৰ নাটকত দৃশ্য-সজ্জাৰ (Stage decoration) কোনো নিৰ্দ্দেশ নাথাকে। তদুপৰি যাত্ৰাৰ নাটকত কিছুমান চৰিত্ৰই দূৰৰ পৰা কৈ কৈ আহিব লগা অৱস্থা থাকে। সেইবোৰ থিয়েটাৰৰ নাটকত দেখুৱা অসুবিধা। এনেকৈ যাত্ৰাভিনয়ৰ নাটক আৰু থিয়েটাৰৰ নাটকত যথেষ্ট পাৰ্থক্য থাকে। অসমীয়া নাটকবোৰ থিয়েটাৰ-উপযোগী হোৱা কাৰণে যাত্ৰাপাৰ্টিবোৰে বাধ্য হৈ বঙালী নাটক বা তাৰ অনুবাদৰ অভিনয় কৰিবলৈ লয়।

অৱশ্যে অসমত যাত্ৰাৰ প্ৰচলন পূৰ্ব্বৰ পৰাই আছিল। মহাপুৰুষ শঙ্কৰদেৱে "গুৰু-গৃহত ছাত্ৰ-ৰূপে যি কাব্য আৰু নাটকৰ জ্ঞান আহৰণ কৰিছিল, আৰু বাৰ বছৰৰ তীৰ্থভ্ৰমণত যি অভিজ্ঞতা লভিছিল তাৰ ওপৰতে ভিত্তি কৰি "চিহ্ন" নামে প্ৰথম অঙ্ক বা নাট লিখি তাৰ যাত্ৰা বা ভাওনা কৰে২।" চিহ্ন-যাত্ৰাৰ উপৰিও অন্যান্য অঙ্কীয়া নাট কিছুমানকো যাত্ৰা বোলা হয়। শঙ্কৰদেৱে তেওঁৰ অঙ্কবোৰক নাট, নাটক বা যাত্ৰা বুলি গৈছে। কিন্তু অঙ্কীয়া নাটবোৰক যাত্ৰা বোলা হয় যদিও ভাওনাৰ লগত আধুনিক যাত্ৰাভিনয়ৰ পাৰ্থক্য বৰ বেছি।

কোনো এটা সাহিত্য-ভঁৰালত অনুবাদ-সাহিত্যৰ যি স্থান, অসমৰ বঙ্গ-জগততো যাত্ৰাভিনয়ৰ সেই স্থান। সেয়ে ইয়াৰ সমূচিত আলোচনা আৱশ্যকীয়। যাত্ৰাভিনয়ৰ দৰে অসমৰ ৰঙ্গমঞ্চ অভিনয়ো (Theatrical performance) অসমৰ স্বকীয় ঐতিহ্য নহয়, আৰু তাৰ আৰম্ভণিও অৰ্ব্বাচীন। অসমৰ ৰঙ্গমঞ্চ সম্পূৰ্ণৰূপে পাশ্চাত্য প্ৰভাৱত গঢ়ি উঠা। যাত্ৰাভিনয় আৰু থিয়েটাৰৰ আগতে অসমীয়া সামাজিক জীৱনত আমোদ-প্ৰমোদৰ যোগান ধৰিছিল ঢুলীয়া, খুলীয়া, ওজাপালি, পুতলা নাচ আদিয়ে। অসমৰ সত্ৰবোৰত পুৰণি কালৰ পৰাই ভাওনাৰ প্ৰচলন হৈ আছে। কিন্তু ভাওনাত সাৰ্ব্বজনীন আবেদন নাই—ধৰ্ম্মৰ শিকলিৰ বান্ধোন তাত কটকটীয়া। আনহাতে ভাওনা সত্ৰৰ চাৰিবেৰৰ ভিতৰৰ বস্তু, সাৰ্ব্বজনীন নহয়। যাত্ৰা আৰু থিয়েটাৰৰ প্ৰচলনৰ লগে লগে মানুহৰ আকৰ্ষণো তাৰ প্ৰতি বাঢ়ি গ'ল। তাৰ ফলত ঢুলীয়া, খুলীয়া, পুতলা নাচ, ওজাপালি, ভাওনা আদিৰ প্ৰভাৱ আমাৰ সমাজৰপৰা লাহে লাহে আঁতৰি যাব ধৰিছে।

(১) K. R. medhi : Anka wali, P XL.

(২) নেওগ—শ্ৰীশ্ৰীশঙ্কৰদেৱ



## গঠন

অসমীয়া যাত্ৰাদলবোৰ উমৈহতীয়া অনুষ্ঠান। কেতিয়াবা একোখন গাঁও আৰু কেতিয়াবা কেবাখনো গাঁও লগহৈ একোটা যাত্ৰানুষ্ঠান গঢ়ি তোলে। এই ফালৰ পৰা যাত্ৰাপাৰ্টিবোৰক দুই ভাগত ভগাব পাৰি—স্থানীয় (Local) আৰু ব্যৱসায়ী (Professional)। এই খিনিতে এটা কথা উল্লেখযোগ্য যে অসমত পূৰ্ণ ব্যৱসায়ী যাত্ৰাপাৰ্টি এটাও নাই। কম বেছি পৰিমাণে আটাইবোৰেই চখৰ (Ameteur) দল। যিবোৰ দলত ভেৰোণীয়া বা বেতনভোগী শিল্পী নিয়োগ কৰা হয়, সেইবোৰকে ইয়াত ব্যৱসায়ী দল বোলা হৈছে। স্থানীয় দলবোৰত কিন্তু ওস্তাদ আৰু দুই এজন শিল্পীত বাহিৰে আনবোৰক কোনো বেতন দিয়া নহয়। শিল্পী আৰু অন্যান্য কৰ্ম্মকাৰক সকলেৰে একোটা দলত প্ৰায় ৪০।৫০ জন মানুহ নিয়োজিত থাকে।

যাত্ৰাদলবোৰ উমৈহতীয়া অনুষ্ঠান হলেও দলৰ খৰচৰ ভাৰ বহন কৰে একোজন মানুহে। তেওঁক মেনেজাৰ বোলে৩। মেনেজাৰ জনেই দলৰ সৰ্ব্বেসৰ্ব্বা। কিছুমান দলত দুজন বা তিনিজনো মেনেজাৰ থাকে। কিছুমান দল আকৌ অংশীদাৰী (Shareholder) হিচাবেও চলোৱা হয়। কিন্তু যি দেখা যায়, একাধিক মেনেজাৰ যুক্ত বা অংশীদাৰী হিচাবে চলোৱা দলবোৰ বেছিদিন নিটিকে।

যাত্ৰাদলৰ হিচাব-পত্ৰ ৰখাৰ কাৰণে একোজন ছেক্ৰেটাৰী থাকে। কোনো কোনো ছেক্ৰেটাৰী শিল্পীৰ ভিতৰৰ পৰাই হয়। কিন্তু কিছুমান ছেক্ৰেটাৰীয়ে অভিনয় নকৰে। ছেক্ৰেটাৰীয়ে তেওঁৰ কামৰ কাৰণে কোনো সুকীয়া বানচ নাপায়। কোনো কোনো দলত অৱশ্যে তেওঁৰ অংশীদাৰ এজন হয়। ছেক্ৰেটাৰী আৰু মেনেজাৰৰ উপৰিও কিছুমান দলত সভ্য কিছুমানো থাকে। অৱশ্যে একনায়কত্ববাদী দলত মেনেজিং কমিটি বা সভাৰ কোনো প্ৰয়োজন নাথাকে।

## ওস্তাদ

প্ৰত্যেক যাত্ৰা পাৰ্টিতে একোজন শিক্ষক নিয়োগ কৰা হয়। তেওঁক ওস্তাদ বোলে। আজি-কালি অৱশ্যে ওস্তাদৰ সলনি মাষ্টাৰ শব্দ হে ব্যৱহৃত হয়। ওস্তাদৰ হাতত অভিনয় আৰু নৃত্য-গীতৰ সম্পূৰ্ণ দায়ীত্ব থাকে। অৱস্থাপন্ন দলবোৰত অৱশ্যে বিভিন্ন বিভাগত বেলেগ বেলেগ শিক্ষক নিয়োগ কৰে। তেতিয়া অভিনয়-শিক্ষকে কেৱল অভিনয়ৰ, সঙ্গীত শিক্ষকে সঙ্গীতৰ আৰু নৃত্য-শিক্ষকে নাচৰ তত্ত্বাৱধান লয়।

(৩) অসমীয়া যাত্ৰাভিনয় বঙালীৰ অনুকৰণত গঢ়ি উঠিলেও, যাত্ৰাপাৰ্টিত অজস্ৰ ইংৰাজী শব্দ ব্যৱহাৰ হয়। যেনে :—প্লেয়াৰ্চ, এক্টৰ, ষ্টেজ, মেনেজাৰ, ছেক্ৰেটাৰী, পাৰ্ট (Role), ৰিহাৰ্চেল, কন্‌চাৰ্ট পাৰ্টি, ড্ৰেছ-ৰুম Green room), পেইণ্টিং (Make-up), ক্ৰছ-বেল্ট, ৰয়েল-ড্ৰেছ, প্লে, চিন, মাষ্টাৰ ইত্যাদি।

ওস্তাদজন সাধাৰণতে গান্ধৰ্ব্ববিদ্যাত পাৰদৰ্শিতা থকা মানুহ হয়। অভিনয়ৰ সকলো বিষয়তে ওস্তাদৰ হাত থাকে। তেওঁ এফালে যেনেকৈ সুঅভিনেতা হব লাগিব, আনফালে তেনেকৈ হব লাগিব সঙ্গীতজ্ঞ আৰু নৃত্য-নিপুণ। তাৰ লগতে যাত্ৰাভিনয়ত ব্যৱহাৰ হোৱা আটাইবোৰ বাদ্য-যন্ত্ৰতে তেওঁৰ বুৎপত্তি থকা বিশেষ প্ৰয়োজনীয়। কিছুমান দলত ওস্তাদবোৰে নিজে অভিনয়ো কৰে। ওস্তাদবোৰক সাধাৰণতে নিৰ্দিষ্ট বছৰ চুক্তিৰ ভেটিত লোৱা হয়। দৰ্মহাৰ উপৰিও তেওঁ প্ৰত্যেক পালাতে একোটা নিৰ্দ্ধাৰিত বানচ (Allawance) পায়। ব্যৱসায়ী যাত্ৰাপাৰ্টিবোৰত প্লেয়াৰ্চবোৰকো ওস্তাদৰ দৰে একে চুক্তিতে লোৱা হয়।

মেনেজাৰৰ অসমীয়া অৰ্থ 'পৰিচালক' যদিও যাত্ৰা-পাৰ্টিৰ পৰিচালনাৰ প্ৰধান দায়ীত্ব থাকে ওস্তাদৰ ওপৰত হে। ৰিহাৰ্চেল আৰু অভিনয় সম্পূৰ্ণ ৰকমে ওস্তাদৰ মতেহে চলে। বহুত যাত্ৰাপাৰ্টিত আকৌ বহুত পালাত মেনেজাৰ নাথাকেই। ওস্তাদেই সকলো চলাই দিয়ে।

ওস্তাদৰ পিছতে যাত্ৰাপাৰ্টিৰ উল্লেখযোগ্য ব্যক্তি হল বায়ন। বায়নে সাধাৰণতে তবলা আৰু ঢোলোক বজায়। নৃত্য-গীতৰ লগত তালৰ প্ৰয়োজন কাৰণে ৰিহাৰ্চেলত ওস্তাদৰ লগতে বায়নো থাকিব লাগে। ৰিহাৰ্চেলতে বায়নে গান আৰু কন্চাৰ্টৰ তাল-মানবোৰ ঠিক কৰি লয়। বায়নক সাধাৰণতে স্থানীয় দলবোৰত ওস্তাদৰ দৰে বছৰ চুক্তিত ৰখা নহয়, কেৱল প্ৰত্যেক পালাতে একোটা বানচ দিয়া হয়।

## প্লেয়াৰ্চ

যাত্ৰাপাৰ্টিৰ শিল্পীবোৰক সামূহিকভাৱে প্লেয়াৰ্চ বোলে। সাধাৰণতে ন-দহ বছৰীয়া লৰাৰ পৰা ৪০।৫০ বছৰ বয়সীয়া মানুহ যাত্ৰাপাৰ্টিত থাকে। নাটকীয় চৰিত্ৰৰ বয়সৰ লগত প্লেয়াৰ্চৰ বয়সৰ সমতা ৰক্ষাৰ চেষ্টা কৰা হয়। ৰজা, মন্ত্ৰী, সেনাপতি আদিৰ ভাওবোৰ বয়সীয়া মানুহক দিয়া হয়। পৌৰাণিক নাটকৰ শিব, ব্ৰহ্মা, নাৰদ, ইন্দ্ৰ আদিৰ ভাওতো বয়সস্থ লোক নিয়োগ কৰা হয়। কিন্তু যেতিয়া উপযুক্ত বয়সীয়া প্লেয়াৰৰ অভাৱ হয়, তেতিয়া কম বয়সীয়া এজনেই মেক আপৰ দ্বাৰা সেই চৰিত্ৰৰ অভিনয় কৰে। ৰাজকুমাৰ, জয়ন্ত আৰু নাৰীৰ চৰিত্ৰবোৰ যুৱকবোৰে ৰূপায়িত কৰে। লৰা-ছোৱালীৰ অভিনয় আৰু ছোকৰাৰ কাজ কৰে সৰুবোৰে।

যাত্ৰাভিনয়ৰ প্লেয়াৰ হবলৈ হলে প্ৰথমতে মানুহজন শুৱনি আৰু নিখুঁট হব লাগে। খোৰা, কণা, কুঁজা, বোবা মানুহ প্লেয়াৰৰ অনুপযুক্ত। দ্বিতীয়তে তেওঁৰ গলা (voice) ডাঙৰ আৰু স্বচ্ছল হব লাগে। যাত্ৰাভিনয়ত মাইকৰ ব্যৱহাৰ নচলে। আনহাতে একোখন অভিনয় চাবলৈ অজস্ৰ দৰ্শকৰ সমাগম হয়। ডাঙৰ গলাৰ প্লেয়াৰৰ বচন অনায়াসে সকলো দৰ্শকৰ কৰ্ণগোচৰ হয়। যিবোৰৰ গলা সৰু সিবোৰে ডাঙৰ সভা-মহোৎসৱৰ অভিনয়ত দৰ্শকক তৃপ্তি দিব নোৱাৰে। তৃতীয়তে প্লেয়াৰৰ উচ্চাৰণ স্পষ্ট আৰু শুদ্ধ হব লাগে। অশুদ্ধ আৰু অস্পষ্ট উচ্চাৰণে দৰ্শকৰ মনত ৰসৰ সলনি বিৰসহে সৃষ্টি কৰে। বীৰৰ পাৰ্ট কোৱা প্লেয়াৰবোৰে দীঘল চুলি, আৰু কেপ, গোফ ৰাখে; 'ছুক্ৰা' আৰু তিৰোতাৰ অভিনয় কৰাবোৰে নাৰাখে।

অসমীয়া যাত্ৰাভিনয়ৰ প্লেয়াৰৰ অৱস্থা সন্তোষ-জনক নহয়। শিক্ষিত মহলে যাত্ৰাভিনয়ক অমাৰ্জ্জিত, গ্ৰাম্য বুলি অৱহেলা কৰাৰ কাৰণে অশিক্ষিত, অৰ্দ্ধশিক্ষিত মানুহেৰেই যাত্ৰাভিনয় চলাবলগীয়া হয়। হেজাৰ চেষ্টা নকৰিলেও, শিক্ষাহীন প্লেয়াৰৰ অভিনয় কেতিয়াও আকৰ্ষণীয় হব নোৱাৰে। অভিনয় নিশাৰ



বস্তু। ৰাতি টোপনি খটিকৰি, সম্পূৰ্ণ উজাগৰে, অনাহাৰে গোটেই নিশা চিঞৰি কটোৱা কথাটো বৰ সহজ নহয়। তাৰোপৰি যাত্ৰাপাৰ্টিবোৰত খোৱা-লোৱাৰ বিশেষ সুবিধা একো নাথাকে। নিমন্ত্ৰণ কৰা সকলৰ অনুগ্ৰহৰ ওপৰতে প্লেয়াৰ্চৰ আহাৰ নিৰ্ভৰ কৰে। ৰাতি টোপনি খটি আৰু উপযুক্ত খাদ্যৰ অভাৱত যাত্ৰাভিনয়ৰ প্লেয়াৰ্চবোৰৰ স্বাস্থ্য খুব সোনকালে ভাঙি পৰে। স্বাস্থ্য হানিৰ ভয়তে বহুতে যাত্ৰাপাৰ্টিত যোগদান নকৰে।

## ছোক্ৰা ঃ

হিন্দী 'ছোক্ৰা' শব্দটো যাত্ৰাপাৰ্টিত 'ছুক্ৰা' হৈ গৈছে। অভিনয়ৰ নৃত্য-গীতাংশ চলোৱা সৰু সৰু লৰাবোৰক 'ছুক্ৰা' বোলে। যাত্ৰাভিনয়ৰ এটা বিশেষ আৰু অপৰিহাৰ্য্য অঙ্গ হল 'ছুক্ৰা'। থিয়েটাৰত 'ছুক্ৰা' নালাগে; কিন্তু 'ছুক্ৰা' নহলে যাত্ৰাপাৰ্টি নচলে। 'ছুক্ৰা'ৰ সংখ্যাৰ কোনো নিৰ্দ্দিষ্ট নাই। ৮ জনৰ পৰা আৰম্ভ কৰি ১৬।২০ জনলৈকে একোটা পাৰ্টিত 'ছুক্ৰা' থাকে। 'ছুক্ৰা'ৰ বয়স সাধাৰণতে ৭।৮ বছৰৰ পৰা ১৪।১৫ বছৰৰ ভিতৰত হয়।

ছুক্ৰা হবলৈ হলে লৰাজন দেখাত শুৱনি হবতো লাগিবই, তাৰ উপৰি তাৰ স্বৰটো তীব্ৰ, আৰু ৰণৰণীয়া হব লাগে। অকল স্বৰ ভাল হলেই নহয়, গান গাবলৈ হলে, তাল-মানো জানিব লাগে। তাল-মানৰ জ্ঞান নথকা লৰাই ভাল মাত হলেও গান গাব নোৱাৰে। গানৰ লগে লগে নাচো থাকে। ককাল সৰু লৰাই সাধাৰণতে ভালকৈ নাচিব পাৰে। গতিকে ভাল ছুক্ৰা হবলৈ হলে নাচ-গান দুয়োটাতে পাৰদৰ্শিতা থাকিব লাগে। কিছুমান নাটকত সৰু লৰা বা ছোৱালীৰ ভাও থাকে। সেই ভাওবোৰ 'ছুক্ৰা'ৰ দ্বাৰায়ে ৰূপায়িত কৰা হয়। গতিকে 'ছুক্ৰা'ই অভিনয়ো কৰিব পাৰিব লাগে।

অভিনয় একোখনৰ ভাল-বেয়া যথেষ্ট নিৰ্ভৰ কৰে 'ছুক্ৰা'ৰ ওপৰত। সাধাৰণতে সকলো দৰ্শকৰে ৰুচি সমান নহয়। "এক চায় নাচন, এক চায় কাচন।" কিছুমান দৰ্শকে অভিনয় (acting) চাই ভাল পায়, কিছুমানে নাটকৰ কাহিনী অনুসৰণ কৰে আৰু কিছুমানে নাচ-গানতে সন্তুষ্ট থাকে। 'ছুক্ৰা' ভাল নহলে দৰ্শকৰ এটা শকত অংশ অসন্তুষ্ট হোৱাৰ সম্ভাৱনা থাকে।

## প্ৰম্'টাৰ (Prompter) ঃ

যাত্ৰাভিনয়ৰ আন এটা উল্লেখযোগ্য অঙ্গ হ'ল প্ৰম্টাৰ। তেওঁ মুখত ৰং সানি মঞ্চত উঠি দৰ্শকৰ আগত অভিনয় নকৰে যদিও, অভিনয়ৰ ভাল বেয়া বহুতখিনি নিৰ্ভৰ কৰে প্ৰম্টাৰৰ ওপৰত। প্ৰম্টাৰ ভালেই অভিনয় ভাল' বুলি যাত্ৰাপাৰ্টিবোৰৰ মাজত এটা বিশ্বাস আছে। প্লেয়াৰবোৰে নিজৰ নিজৰ পাৰ্টবোৰ মুখস্ত কৰে যদিও অভিনয়ৰ মাজত কবলগীয়া বচন পাহৰি যোৱাৰ খুব সম্ভাৱনা থাকে। নাইবা কেতিয়াবা খোকোজা লাগিবও পাৰে। তেতিয়া প্ৰম্টাৰে পাহৰা কথা সোঁৱৰাই দি প্লেয়াৰৰ খোকোজা মাৰি দিয়ে। কেতিয়াবা আকৌ কোনোটো পালাত কোনো প্লেয়াৰ অনুপস্থিত থাকিলে আন প্লেয়াৰৰ দ্বাৰা সেই পাৰ্ট চলোৱা হয়। তেতিয়া সেই সলনি (proxy) দিয়া প্লেয়াৰৰ অভিনয় সম্পূৰ্ণ ৰকমে নিৰ্ভৰ কৰে প্ৰমটাৰৰ ওপৰত।

প্ৰমটাৰৰ উচ্চাৰণ স্পষ্ট, অথচ স্বৰ নিম্ন হব লাগে। নাটকৰ আটাইবোৰ পাৰ্টৰ লগত প্ৰম্'টাৰৰ বিশেষ পৰিচয় থকা অতি প্ৰয়োজনীয় যাতে আটাই-বোৰ বচন অনৰ্গল মাতি যাব পাৰে। যিমান কি ভাল উচ্চাৰণৰ মানুহ নহলেও এদিনাকৈ নতুন নাটকত প্ৰম্ট কৰা বৰ সহজ নহয়। সেই কাৰণে ৰিহাৰ্চেলৰ পৰাই প্ৰম্'টৰে প্ৰম্'ট কৰিবলৈ অভ্যাস কৰা

প্ৰয়োজনীয়। প্ৰম্‌'ট কৰাটো এটা বিশেষ ধৰণৰ কলা (art)। কিতাপ মতা আৰু প্ৰমট কৰাৰ ভিতৰত যথেষ্ট পাৰ্থক্য আছে। প্ৰমটাৰে বিভিন্ন স্বৰত বচনবোৰ মাতি যাবলগীয়া হয়। প্ৰম্‌টাৰে ভাৱৰীয়াৰ নামবোৰ উচ্চাৰণ নকৰে; কেৱল বচনবোৰহে মাতি যায়। কেৰাজন অভিনেতাৰ দৃশ্যত এজনৰ বচন আন এজনে মাতি খেলিমেলি লগাই দিব পাৰে। সেই কাৰণে প্ৰমটাৰে বিভিন্ন বচন অনুযায়ী উচ্চাৰণৰ সমতা ৰাখিব লাগে। যেনে, বীৰৰ বচনত জোৰকৈ, করুণত ঢিলা কৈ আৰু তিৰোতা বা শিশুৰ বচনত সৰু সৰুকৈ কব লাগে। তেতিয়া ভাৱৰীয়াৰ নাম ধৰি নকলেও এজনৰ বচন আন জনে কোৱাৰ সম্ভাৱনা নাথাকে।

সকলোতকৈ প্ৰধান কথা হ'ল যে প্ৰমটাৰৰ বিশেষ প্ৰত্যুৎপন্নমতি (Presence of mind) থাকিব লাগে। বহুত ক্ষেত্ৰত দেখা যায়, কোনো অভিনেতাই হয়তো কবলগীয়া বচন এৰি বেলেগ কিবা এটা কৈ পেলালে, নাইবা বাক্য এটাৰ পিছৰ কথা আগেয়ে উচ্চাৰণ কৰি পেলালে। তেতিয়া প্ৰমটাৰে তৎক্ষণাৎ বাক্যটো নতুনকৈ সাজি শুদ্ধ কৰি কবলগীয়া হয়। কেতিয়াবা নাটকত নথকা বহুত নতুন কথাও প্ৰমটাৰে এক্টৰৰ দ্বাৰা কোৱাবলগীয়া হয়।

প্ৰমটাৰে সাধাৰণতে নাটকৰ নিৰ্দ্দেশবোৰ (Directions) উচ্চাৰণ নকৰে। অভিনেতা অভিনেত্ৰীবোৰৰ প্ৰবেশৰ ক্ষেত্ৰত প্ৰমটাৰৰ যথেষ্ট দায়ীত্ব থাকে। মঞ্চত এজনে এ'ক্টিং কৰি আছে। তেওঁ কিবা এটা কথা উচ্চাৰণ কৰোতে হয়তো আন এজন আহি উপস্থিত হব লাগে। সাজ ঘৰ দূৰত হলে, নাইবা অন্য কিবা কাৰণত মঞ্চত থকা ভাৱৰীয়া-জনৰ কথা সিজনে নুশুনিবও পাৰে। তেতিয়া প্ৰমটাৰে কিবা এটা শব্দ কৰি প্ৰবেশৰ সংকেত দিয়ে। কিছুমানে হুইছেল ব্যৱহাৰ কৰে আৰু কিছুমানে তবলাত চাপৰ মাৰে। কেতিয়াবা আকৌ এনেকুৱা হয়, উপস্থিত হবলগীয়া প্লেয়াৰ আহিয়ে নাপায়। তেতিয়া প্ৰমটাৰে উপস্থিত বুদ্ধিৰে সেই সমস্যা সমাধান কৰিব লগীয়া হয়।

থিয়েটাৰৰ অৱশ্যে এই অসুবিধাটো নাই। থিয়েটাৰৰ সাজ-ঘৰ মঞ্চৰ সৈতে একেলগে থাকে কাৰণে তাত ভাৱৰীয়াবোৰৰ প্ৰবেশ-প্ৰস্থানত বিশেষ অসুবিধা নহয়। থিয়েটাৰত প্ৰমটাৰে দৃশ্য-পটৰ (Scene) পিছতে থিয় হৈ ভাৱৰীয়াৰ একেবাৰে কাণৰ কাষতে প্ৰম্‌ট্ কৰিব পাৰে। সেয়ে কিছুমানৰ মনত এটা বিশ্বাস আছে যে যাত্ৰাভিনয়তকৈ থিয়েটাৰ কৰা সহজ, যেহেতু থিয়েটাৰত পাৰ্ট (বচন) মুখস্থ নকৰিলেও চলে।

## নাটক

যাত্ৰাপাৰ্টিত অভিনয় কৰা নাটকবোৰ ডাঙৰ, ৫ অঙ্কীয়া। প্ৰত্যেক অঙ্কতে পাঁচৰ পৰা আঠ-দহটাকৈ দৃশ্য থাকে। একোখন নাটকৰ অভিনয়ৰ কাৰণে অন্ততঃ ৬।৭ ঘণ্টা সময় লাগে। যাত্ৰাপাৰ্টিত সাধাৰণতে পৌৰাণিক বা বুৰঞ্জীমূলক নাটক লোৱা হয়। বিশুদ্ধ সামাজিক নাটক অভিনয় কৰাৰ সুবিধা যাত্ৰাপাৰ্টিত নাই। তথাপি পৌৰাণিক বা বুৰঞ্জীমূলক পটভূমিত সামাজিক কাহিনী সুমাই ৰচনা কৰা কিছুমান নাটক যাত্ৰাপাৰ্টিবোৰে মাজে-সময়ে লোৱা দেখা যায়। পৌৰাণিক নাটকৰ বেছি ভাগ সংলাপ অমিত্ৰাক্ষৰ ছন্দত থাকে। কিন্তু আজি কালি অমিত্ৰাক্ষৰ ছন্দৰ ব্যৱহাৰ প্ৰায় উঠি গৈছে। বুৰঞ্জীমূলক নাটকবোৰৰ সংলাপ অৱশ্যে প্ৰায়ে সুললিত গদ্য।

যাত্ৰাভিনয়ৰ নাটকবোৰৰ সংলাপ সামাজিক নাটকৰ দৰে যথাৰ্থবাদী নহয়, কৃত্ৰিম। কিন্তু সেই কৃত্ৰিমতাটো বহুত ক্ষেত্ৰত প্ৰয়োজনীয়। অভিনয় কথাটোৱেই



বাস্তৱ নহয়, কৃত্ৰিম। দিনৰ ভিকহু লৰা এটাই ৰাতি মুখত ৰং সানি, ৰজাৰ লৰা হৈ অভিনয় কৰি গুচি যাব। দৰ্শকেও তাক ৰজাৰ লৰা বুলিয়েই ভাবিব। ধাৰ নোহোৱা কৃত্ৰিম তৰোৱালেৰে কৃত্ৰিম যুদ্ধ কৰিয়েই দৰ্শকৰ মনত সন্ত্ৰাসৰ সৃষ্টি কৰে। অভিনয়ৰ সেই আবহমান কৃত্ৰিমতা বজাই ৰাখিবৰ কাৰণে নাটকৰ সংলাপো কৃত্ৰিম হোৱাটো বাঞ্ছনীয়।

যাত্ৰাপাৰ্টিৰ নাটকত মুখ্যভাৱে দুটা বস্তু থাকে—সংলাপ আৰু গীত। নাটকীয় সংলাপ কৃত্ৰিম, কাব্য-সুলভ, চিকুণ শব্দ-যুক্ত আৰু মাৰ্জ্জিত। অৱশ্যে হাস্যৰসৰ সৃষ্টি কৰাৰ কাৰণে ব্যঙ্গ-চৰিত্ৰৰ মুখত মাজে-সময়ে দুই চাৰিটা অমাৰ্জ্জিত শব্দও দিয়া হয়। যাত্ৰাভিনয়বোৰ বিশেষকৈ গ্ৰাম্য-জীৱনৰ আনন্দৰ সামগ্ৰী। গাৱলীয়া মানুহৰ ৰুচি স্বভাৱতে অলপ ৰুক্ষ প্ৰকৃতিৰ। সেয়ে তেওঁলোকৰ মনত ৰস-সৃষ্টি কৰিবলৈ কৃত্ৰিম সংলাপ আৰু অমাৰ্জিত শব্দৰ প্ৰয়োগ প্ৰয়োজনীয় হৈ পৰে।

চৰিত্ৰ একোটাৰ পূৰ্ণ বিকাশৰ কাৰণে যাত্ৰাভিনয়ৰ নাটকত প্ৰায়ে স্বগতোক্তি (soliloquy) আৰু জনান্তিক (aside) থাকে। ভাৱৰীয়াই মনেদি ভবা কথাটো মুখেৰে ফুটাই কোৱা হয়। তেনে নকৰিলে চৰিত্ৰৰ মানসিক চিন্তাধাৰা আৰু কাৰ্য্য-কলাপৰ আঁত ধৰিবলৈ দৰ্শকমণ্ডলীৰ অসুবিধা হৈ পৰে। কিন্তু স্বগতোক্তি বস্তুটো সম্পূৰ্ণ অস্বাভাৱিক; কাৰণ মানুহে মনেৰে ভবা কথা মুখেৰে খুলি নকয়। দুজন ভাৱৰীয়াই হয়তো ওচৰা-ওচৰিকৈ কথা হৈ আছে, এজনে হয়তো চিঞৰি চিঞৰি মনৰ কথাবোৰ খুলি কৈছে, নাইবা সিজনক বধ কৰিবলৈ পাঙিছে—তথাপি ইজন ভাৱৰীয়াই সেই কথা নুশুনাটো অস্বাভাৱিক। কিন্তু অস্বাভাৱিক হলেও যাত্ৰাভিনয়ৰ নাটকত তাৰ প্ৰয়োজন আছে। নাটক দৃশ্য কাব্য। নাটকীয় চৰিত্ৰৰ সকলো ফাল ঠিকমতে ফুটাই তুলিব পাৰিলেহে দৰ্শকে আমোদ পায়। দৰ্শকৰ আমোদেই অভিনয়ৰ প্ৰধান উদ্দেশ্য।

যাত্ৰাভিনয়ৰ নাটকৰ গীত তাল এটা প্ৰধান অঙ্গ। নাটকীয় গীতবোৰক সাধাৰণতে তিনি ভাগত ভাগ কৰিব পাৰি—সমবেত সঙ্গীত (Chorus), 'ছুক্ৰা'ৰ গান আৰু চৰিত্ৰৰ গীত, অভিনয়ৰ আৰম্ভণিতে পুৰুষ-তিৰোতাই মিলি সমবেত সঙ্গীত গায়[৪]। সমবেত সঙ্গীত গোৱা মানুহৰ নিৰ্দ্দিষ্ট সংখ্যা একো নাই। ৫ জনৰ পৰা ১৫।২০ জন পৰ্য্যন্ত থাকিব পাৰে। বহুত ক্ষেত্ৰত নাটকৰ বিষয়-বস্তুৰ লগত সমবেত সঙ্গীতৰ কোনো সম্বন্ধ নাথাকে। ওস্তাদবোৰে নিজ ইচ্ছামতে সমবেত সঙ্গীত ৰচনা কৰে। একোটা গীতকে বেলেগ বেলেগ নাটকতো গোৱা হয়। সমবেত সঙ্গীতৰ সুৰ সাধাৰণতে দীঘল লয়যুক্ত হয়। কিছুমান সমবেত সঙ্গীত দেৱ-দেৱতাৰ আৰাধনামূলক কিছুমান আকৌ স্বদেশহিতৈষণামূলক। আজি-কালি কিছুমান দলে অৱশ্যে সমবেত সঙ্গীতৰ সলনি দীঘলীয়া নৃত্য একোটাৰ পিছতে অভিনয় আৰম্ভ কৰি দিয়ে।

'ছুক্ৰা'ৰ গান যাত্ৰাভিনয়ৰ অপৰিহাৰ্য্য অঙ্গ। থিয়েটাৰত 'ছুক্ৰা' নাথাকে। কিন্তু 'ছুক্ৰা' নহলে যাত্ৰাৰ নাটকৰ অভিনয় সম্ভৱপৰ নহয়। যাত্ৰাৰ নাটকত সখিসকল, নাচনী, বাইজী আদিৰ গীত থাকে। সেই গীতবোৰ 'ছুক্ৰা'ই গায়। এই গীতবোৰৰ লগত নৃত্যও থাকে। বালক, তাপসকুমাৰ, ঋষিকুমাৰ আদিৰ গীতো 'ছুক্ৰা'বোৰেই গায়। বিভিন্ন ভাওৰ লগে লগে 'ছুক্ৰা'বোৰে পোছাক সলনি কৰে। যেনে, বাইজীৰ গীত গাবলগীয়া হলে ফ্ৰক আৰু ব্ৰীচ পিন্ধে, সখিসকলৰ গীত গোৱাৰ সময়ত মেখেলা-চাদৰ পিন্ধে,

(৪) যাত্ৰাভিনয়ৰ নাটকবোৰ বঙালীৰ পৰা অনুবাদ কৰি লোৱা হয় যদিও, গীতবোৰ সাধাৰণতে অনুবাদ কৰা নহয়। ওস্তাদে নিজাকৈ গীত ৰচনা কৰি নিজা সুৰ সংযোজনা কৰে।

আৰু বালকৰ গীত গাবলগীয়া হলে চার্ট-পেণ্ট পিন্ধি মূৰৰ চুলি সোলোকাই থয়।

যাত্ৰাৰ নাটকত নাটকীয় চৰিত্ৰ কিছুমানৰ মুখতো গীত দিয়া হয়। ৰাজকুমাৰী, ৰাজকুমাৰ, ঋষিপুত্ৰ, ভিখাৰী, অন্ধ আদি চৰিত্ৰৰ মুখত গীত দিয়া হয়। এইবোৰৰ উপৰিও কিছুমান নাটকত—বিশেষকৈ পৌৰাণিক নাটকত বিবেক নামৰ চৰিত্ৰ এটা থাকে। সেই চৰিত্ৰটোৱে গীতৰ জৰিয়তে নাটকীয় ছুষ্ট চৰিত্ৰক ভাল পথ দেখুৱাই দিয়ে। মানুহৰ অন্তৰৰ বিবেকটোকে এই চৰিত্ৰৰ মাজেৰে বাহিৰত ৰূপায়িত কৰা হয়। বিবেকৰ গীতবোৰ সাধাৰণতে উপদেশ-মূলক।

এই গীতবোৰৰ উপৰিও অভিনয়ৰ মাজে মাজে বিৰতিৰ সময়ত এজন বা ছুজন 'ছুক্ৰা'ই একোটা গীত গায়। এজনে গোৱাক একাঙ্গী (Single) আৰু ছুজনে গোৱাক ছুৱেট (Duet) বোলে। এই গীতবোৰৰ নাটকৰ লগত কোনো সম্বন্ধ নাথাকে—ই অভিনয়ৰহে বস্তু।

ধৰ্ম্মমূলক দৃষ্টিভঙ্গীৰ ফালৰ পৰা যাত্ৰাৰ নাটক-বোৰক ছুই ভাগত ভগাব পাৰি—মুছলমান চৰিত্ৰ থকা আৰু মুছলমান চৰিত্ৰ নথকা। পৌৰাণিক নাটকবোৰত মুছলমান চৰিত্ৰ নাথাকে। কিন্তু বুৰঞ্জীমূলক নাটক কিছুমান মুছলমান চৰিত্ৰযুক্ত। মোগলৰ দিনৰ কাহিনী লৈ ৰচনা কৰা বহুত নাটক আছে। সাধাৰণতে মুছলমান চৰিত্ৰ থকা নাটকবোৰৰ অভিনয় হিন্দুৰ কীৰ্ত্তনঘৰ বা মন্দিৰৰ ভিতৰত কৰিব নিদিয়ে।

## প্ৰগ্ৰেম ( কাৰ্য্য-সূচী )

দৰ্শকৰ সুবিধাৰ্থে অভিনয় আৰম্ভ হোৱাৰ আগতে প্ৰগ্ৰেম বিতৰণ কৰা যাত্ৰাপাৰ্টিবোৰৰ সাধাৰণ নিয়ম। প্ৰগ্ৰেমত নাটকীয় চৰিত্ৰৰ পৰিচয় আৰু কোন দৃশ্যত কি কি চৰিত্ৰ ওলাব সেই কথা লিখা থাকে। তাৰ উপৰি যাত্ৰাপাৰ্টিৰ নাম-ঠিকনা, মেনেজাৰ, ছেক্ৰেটাৰী, মেম্বাৰ আৰু ওস্তাদৰ নাম-ঠিকনাও থাকে। প্ৰগ্ৰেমৰ পৰা নাটকীয় কাহিনী অনুসৰণ কৰাত দৰ্শকৰ বিশেষ সুবিধা হয়। বহুত দৰ্শকে নাটকৰ কাহিনী বুজিব নোৱাৰিও অভিনয় ভাল নোহোৱা বুলি মত পোষণ কৰে। প্ৰগ্ৰেমে সেই অসুবিধা দূৰ কৰাত যথেষ্ট সহায় কৰে। সেই কাৰণে প্ৰগ্ৰেমক অভিনয়ৰ দিগদৰ্শক যন্ত্ৰ বুলিও কব পাৰি।

পালা নমোৱাৰ লগে লগে একোখন নাটকৰ বহুত প্ৰগ্ৰেম ছপাই অনা হয়। জনসমাবেশ অনুসৰি ৫০।৬০ খনৰ পৰা ২০০।২৫০ খনলৈকে প্ৰগ্ৰেম একোটা অভিনয়ত বিতৰণ কৰা হয়। কিছুমান দলে আকৌ বিতৰণ কৰাৰ পিছতো ব্যক্তিগতভাৱে দিবলগীয়া হলে প্ৰত্যেক প্ৰগ্ৰেমৰ দাম লয়।

দৰ্শকৰ মাজত বিতৰণ কৰা প্ৰগ্ৰেমৰ উপৰিও সাজ ঘৰত হাতে লিখা আন এখন প্ৰগ্ৰেম থাকে। তাক ড্ৰেছ-প্ৰগ্ৰেম বুলি জনা যায়। এই প্ৰগ্ৰেমত চৰিত্ৰসূচী নাথাকে। কেবল কোন দৃশ্যত কি কি চৰিত্ৰ ওলাব লাগিব, আৰু কোন চৰিত্ৰই কি কথা কোৱাৰ পিছত আনটো চৰিত্ৰই মঞ্চত উপস্থিত হব লাগিব, সেই কথা লিখা থাকে। এই প্ৰগ্ৰেমখনৰ কাৰণে ভাৱৰীয়াবোৰৰ প্ৰবেশত কোনো গৰমিল নহয়।

## কন্চাৰ্ট পাৰ্টি ( ঐক্যতানবাদন )

কন্চাৰ্টপাৰ্টি যাত্ৰাভিনয়ৰ আন এটা অপৰিহাৰ্য্য অঙ্গ। কন্চাৰ্টপাৰ্টিত ব্যৱহৃত হোৱা বাদ্য যন্ত্ৰবোৰ হ'ল—হাৰমনিয়াম, তবলা, ঢোলোক, জুৰি ( মন্দিৰা ), কৰ্ণেট, ক্লেৰিওনেট, ড্ৰাম, বেহেলা, বাঁহী ইত্যাদি। এইবোৰৰ ভিতৰত হাৰমনিয়মৰ ব্যৱহাৰ সৰ্ব্বাধিক। গীতত হাৰমনিয়ম, বেহেলা, বাঁহী, তবলা আৰু জুৰি



বজোৱা হয়। কৰ্ণেট, ক্লেৰিওনেটো মাজে মাজে ব্যৱহৃত হয়। যুদ্ধৰ কন্চাৰ্ট, আৰম্ভনিৰ কন্চাৰ্ট আৰু অন্তৰ কন্চাৰ্টত হাৰমনিয়ম, ঢোলোক, ঢাপ-ড্ৰাম, কৰ্ণেট, ক্লেৰিওনেট আৰু জুৰি বজোৱা হয়। একে বাদ্য-যন্ত্ৰ বজোৱা হয় যদিও উক্ত তিনি বিধ কন্চাৰ্ট একে নহয়—বেলেগ বেলেগ। আৰম্ভণি কন্চাৰ্টৰ সুৰ দীঘল, বিলম্বিত লয়ৰ; যুদ্ধৰ কন্চাৰ্টৰ সুৰ ক্ষিপ্ৰতৰ; অন্তৰ কনচাৰ্টৰ সুৰ আপেক্ষিক ক্ষিপ্ৰ। আৰম্ভণি কন্চাৰ্টৰ পিছত আৰু কেতিয়াবা দৃশ্যৰ মাজতো সৰু কন্চাৰ্ট বজোৱা হয়। সেই কন্চাৰ্টত ঢোলোকৰ সলনি তবলা বজোৱা হয়।

আজি-কালি কিছুমান পাৰ্টিত মণিপুৰী নৃত্যবো ব্যৱস্থা ৰখা হয়। মণিপুৰী নৃত্যত তবলাৰ সলনি খোল বজোৱা হয়। পূৰ্ব্বতে মৰোৱাৰ পাৰ্টিয়ে অভিনয় আৰম্ভ কৰাৰ আগতে খোল-তালেৰে গায়ন-বায়নৰ দৰে ধুৱা গাইছিল। কিন্তু পিছত তেওঁলোকে ধুৱা গোৱা প্ৰথা বাদ দিলে আৰু খোলৰ ব্যৱহাৰো এৰিলে।

যাত্ৰাভিনয়ত কন্চাৰ্টপাৰ্টিৰ প্ৰয়োজন অত্যাধিক। সমৰ ক্ষেত্ৰত সামৰিক কন্চাৰ্টে সৈন্যবোৰৰ মনত যেনে প্ৰতিক্ৰিয়া কৰে যাত্ৰাভিনয়ৰ কন্চাৰ্টেও প্লেয়াৰবোৰৰ মনত একে কাজ কৰে। আনহাতে দৰ্শকৰ মনো একীভূত কৰে। কন্চাৰ্ট নাথাকিলে মঞ্চত যুদ্ধ কৰা সম্ভৱ নহয়।

## প্ৰস্তুতি (Preparation)

নাটক একোখন অভিনয়োপোযোগী কৰিবলৈ প্ৰায় ছুই তিনি মাহ আগৰ পৰা নাটকৰ **আখৰা** বা **তালিম** (Rehearsal) দিয়া হয়। আখৰাবোৰ সাধাৰণতে গধূলি আৰম্ভ হয় আৰু ৰাতি ২।৩ বজালৈ চলে। 'ছুক্ৰা'ৰ নাচ-গানৰ আখৰা কিন্তু



ৰাতিপুৱা আৰু আবেলিও চলে। নাটকৰ গুণাগুণ আৰু শিল্পীবোৰৰ অৰ্হতাৰ ওপৰত একোখন নাটকৰ আখৰাৰ কাল ছুটি-দীঘল হয়। যদি নাটকখন সহজ ধৰণৰ আৰু শিল্পীবোৰ শিক্ষিত হয়, তেতিয়া হলে বেছি দিন আখৰাৰ প্ৰয়োজন নহয়। কিন্তু নাটকখন জটিল আৰু শিল্পীবোৰ কম শিক্ষিত হলে দীৰ্ঘকলীয়া আখৰাৰ প্ৰয়োজন হয়।

নাটক এখন নিৰ্ব্বাচন কৰাৰ পিছত নাটকৰ আটাইবোৰ ভাৱৰীয়াৰ বচন (Part role) বেলেগ বেলেগকৈ লিখাই লৈ উপযুক্ত নিৰ্ব্বাচনৰ পিছত শিল্পীবোৰৰ মাজত ভগাই দিয়া হয় মুখস্ত কৰাৰ কাৰণে। কেতিয়াবা একোজন শিল্পীয়ে একাধিক ভাও লবলগীয়াও হয়। বচন মুখস্ত কৰাৰ লগে লগে আখৰা আৰম্ভ হয়। ৰিহাৰ্চেলত ওস্তাদে প্লেয়াৰবোৰক অভিনয়ৰ ভঙ্গী আৰু মুদ্ৰাৰ ব্যৱহাৰ শিকাই দিয়ে। পাটৰ লগে লগে গীতৰ আখৰাও চলে।

নাটকত কিছুমান জটিল পৰিবেশ থাকে। সেই-বোৰ ঠিক কৰি লবলৈ একেটা দৃশ্যকে বাৰে বাৰে কৰা হয়, একেবোৰ বচনৰে পুনৰাবৃত্তি কৰিবলগীয়া হয়। ছুজন ভাৱৰীয়াই হয়তো কথা কৈ আছে, আন এজনে পিছৰ পৰা আহি এজনক হত্যা কৰিব খুজিলে। হত্যাকাৰীক আকৌ অন্য এজনে আহি আঘাত কৰিব লাগে। এই অৱস্থাবোৰ ঠিক কৰি লবলৈ একেটা চিনকে বাৰে বাৰে কৰিবলগীয়া হয়।

যাত্ৰাভিনয়ত ভাৱৰীয়াৰ প্ৰবেশ-প্ৰস্থানৰ কথাটো বিশেষ গুৰুত্বপূৰ্ণ। সেই কাৰণে ৰিহাৰ্চেলত ভাৱৰীয়া সকলৰ প্ৰবেশ-প্ৰস্থানৰ ওপৰত বিশেষ জোৰ দিয়া হয়। যাত্ৰাভিনয়ত সাজ-ঘৰ (Green-room) মঞ্চৰ পৰা বহু দূৰত থাকে সেই কাৰণে ভাৱৰীয়াসকলৰ প্ৰবেশৰ কথাটো বহুত ক্ষেত্ৰত সমস্যাপূৰ্ণ হৈ পৰে।

এজনে হয়তো মঞ্চত বক্তৃতা কৰি আছে। তেওঁৰ কথাৰ মাজতে আন এজনে গৈ কিবা কব লাগে। সেইবোৰ ৰিহাৰ্চেলতে ঠিক কৰি লোৱা হয়।

কিছুমান নাটকত নেপথ্য বাণী থাকে। কোনোৱে হয়তো মঞ্চত বক্তৃতা দি আছে, তেনেতে দূৰৰ পৰা আন কোনোবাই চিঞৰি মাতিব লাগে বা অন্তৰীক্ষৰ পৰা দৈৱবাণী হব লাগে। কোনে কেতিয়া ক'ত মাতিব লাগে, সেইবোৰো ৰিহাৰ্চেলতে ঠিক কৰি লোৱা হয়। সংলাপৰ মাজে মাজে থকা গানবোৰৰো একেলগে আখৰা চলে। যুদ্ধ বিগ্ৰহ, পদাঘাত আস্ত্ৰাঘাত আদি চিনবো বাৰে বাৰে আখৰা চলোৱা হয়।

ৰিহাৰ্চেলত সকলোতকৈ বেছি জোৰ দিয়া হয় তৰোতাৰ ভাওৰ ওপৰত। যাত্ৰাপাৰ্টিত সহ-অভিনয়ৰ প্ৰচলন নাই। লৰা আৰু চুটি-চাপৰ পুৰুষৰ দ্বাৰা তিৰোতাৰ ভাওবোৰ চলোৱা হয়। পুৰুষে তিৰোতাৰ অভিনয় কৰা কথাটো বৰ সহজ নহয়। কাৰণ তিৰোতাৰ আচাৰ ব্যৱহাৰ চাল-চলন, অঙ্গী-ভঙ্গী পুৰুষতকৈ সম্পূৰ্ণ বেলেগ। যেনে, কথা কওতে পুৰুষে সাধাৰণতে সোঁ হাতেৰে মুদ্ৰা দিয়ে, কিন্তু তিৰোতাই বাওহাত বেছিকৈ ব্যৱহাৰ কৰে। কৰবালৈ অগ্ৰসৰ হব লাগিলে পুৰুষে সোঁ ভৰিখন আগবঢ়াই দিয়ে; কিন্তু তিৰোতাই বাও ভৰিখন আগবঢ়াই দিয়ে। এই আটাইবোৰ কথাৰে ৰিহাৰ্চেলত খৰছি মাৰি লোৱা হয়।

একো দিনৰ ৰিহাৰ্চেলত সাধাৰণতে একোটা অঙ্ক শেষ কৰা হয়। কেতিয়াবা অৱশ্যে তাতকৈ বেছিও কৰা হয়, কেতিয়াবা আকৌ এটা বা দুটা দৃশ্যতে ৰিহাৰ্চেলৰ সময় উকলি যায়। ৰিহাৰ্চেল চলি থাকোতে মাজে মাজে একোদিন **ফুল-ৰিহাৰ্চেল** কৰা হয়। ফুল ৰিহাৰ্চেলত অভিনয়ৰদৰেই নাটকখন আগৰ পৰা গুৰিলৈ শেষ কৰা হয়। অভিনয় আৰু ফুল ৰিহাৰ্চেলৰ ভিতৰত পাৰ্থক্য এই খিনিতে যে ফুল ৰিহাৰ্চেলত পেইণ্ট, কৰা নহয় আৰু পোছাকো পিন্ধা নহয় আৰু দৰ্শকো নাথাকে।

## পালা নমোৱা উৎসৱ

যাত্ৰাপাৰ্টিত 'পালা' শব্দটোৰ প্ৰচলন বৰ বেছি। যাত্ৰাপাৰ্টিৰ নাটকক পালা বোলে। যেনে, এইটো পালাত কৈ সেইটো পালা ভাল। অভিনয়কো পালা বোলে। যেনে 'দুৰ্গাপূজাৰ পালাটো বৰ ভাল নহল'। কেতিয়াবা আকৌ পালা শব্দটোৱে যাত্ৰাদলকো বুজায়। যেনে, 'সৰ্বেৰাবীৰ সভাত কেবাপালাও গান একেলগে উঠে'। মুঠৰ ওপৰত পালা শব্দটো যাত্ৰাপাৰ্টিৰ সকলো বিভাগতে বহুলভাৱে ব্যাপ্ত হৈ আছে।

অসমীয়া 'পাল' শব্দটো কামৰূপত 'পালা' হিচাবে ব্যৱহৃত হয়। যেনে, আজি আপোনাৰ গৰুৰ পালা আছিল। এই পালা শব্দটোৱে গৈ যাত্ৰাপাৰ্টিত বহুলভাৱে ব্যৱহৃত হব পাৰে। 'পালা' শব্দটো সংস্কৃত 'পংক্তি' শব্দৰ পৰাও সৃষ্টি হব পাৰে। পংক্তি লগাই একোটা ঘটনা ৰূপায়িত হয়। সেই কাৰণে 'পংক্তি'ৰ পৰা 'পাল' বা 'পালা' হব পাৰে। নাইবা 'পালন' শব্দৰ লগতো সম্পৰ্ক থাকিব পাৰে। কোনো উৎসৱ অভিনয়ৰ যোগেদি পালন কৰা হয়। গতিকে 'উৎসৱ পালন' বুলি চমুকৈ 'পালা' বুলিও কব পাৰে।

ৰিহাৰ্চেল কৰোঁতে কৰোঁতে যেতিয়া দেখা যায় যে নাটক এখনৰ সকলোবোৰ ঠিক হৈছে তেতিয়া ভাল দিন-বাৰ চাই এদিন আনুষ্ঠানিকভাৱে নাটকখনৰ অভিনয় কৰা হয়। এই অভিনয়ক পালা নমোৱা উৎসৱ বুলি কোৱা হয়। যি গাঁৱত যাত্ৰাপাৰ্টি গঠন হয় সেই গাঁৱতে এই অভিনয় কৰা হয় আৰু আৰু সকলো খৰচ মেনেজাৰে বহন কৰে। এই অনুষ্ঠানৰ আচল তাৎপৰ্য্য হ'ল, তাৰদ্বাৰা ৰাইজক জনাই দিয়া হয় যে তেওঁলোকে অভিনয় কৰাৰ কাৰণে উপযুক্ত হৈ উঠিছে। পালা নমোৱাৰ পিছত যাত্ৰা-



দলবোৰে বিভিন্ন ঠাইত পালা কৰি ঘূৰি ফুৰে। এই উৎসৱটো প্ৰত্যেকখন নাটকৰ ক্ষেত্ৰতে কৰা হয়।

## সাজ-পোছাক

পালা নমোৱা উৎসৱৰ আগতে অভিনয়ত প্ৰয়োজনীয় সাজ-পোছাকবোৰ কিনি অনা হয়। অভিনয়ত সাধাৰণতে জাকজমকীয়া, ৰংচঙীয়া, আটক-ধুনীয়া সাজ-পাৰ ব্যৱহাৰ কৰা হয়। এই সাজ-পোছাকবোৰ অভিনয়ৰ কাৰণেই তৈয়াৰ কৰা হয়। যাত্ৰাভিনয়ৰ সাজ-পাৰৰ ভিতৰত বিশেষ মূল্যবান হ'ল ৰাজ-পোছাক বা ৰয়েল ড্ৰেছ। কলা বা ৰঙা মখমল কাপোৰৰ ওপৰত বালিছন্দাৰ বুটাম আৰু নানা ৰকমৰ গুণাৰ কাম কৰি ৰাজ-পোছাক তৈয়াৰ কৰা হয়। ৰজাৰ মুকুটবোৰো গুণা আৰু মণিৰে তৈয়াৰ কৰি পিছ পিনে কাঠ বকলা মাৰি দিয়া হয়। ৰাজকুমাৰ বা সেনাপতিবোৰে পোছাকৰ ওপৰত ক্ৰছ-বেল্ট মাৰি লয়। পুৰুষ অভিনেতাবোৰে ৰঙীণ ধূতি পৰিধান কৰে। তিৰোতাবোৰে গাত ফুলাম মেখেলা চাদৰ আৰু মূৰত কৃত্ৰিম চুলি পিন্ধে; কিছুমানে শাৰীও পিন্ধে। ঋষি-মুনিবোৰে গাত গেৰুৱা বস্ত্ৰ পৰিধান কৰে, হাতত কমণ্ডলু লয়, মূৰত জট আৰু মুখত দাড়িগোফ পিন্ধে। ব্ৰাহ্মণ ভাৰবীয়াই গাত নামাৱলী লয়। মহাদেৱ আৰু কৃষ্ণৰ সাজ পাৰ অৱশ্যে সম্পূৰ্ণ বেলেগ। মহাদেৱ হওতাজনে কঁকালত বাঘৰ ছালৰ দৰে কাপোৰ পিন্ধে, মূৰত ইটা ৰঙৰ জট পিন্ধে। জটৰ আগফালে এটা খোপা থাকে আৰু তাত কিছুমানে অৰ্দ্ধচন্দ্ৰ একোটাও লয়। মহাদেৱৰ বাহু আৰু খোপাত কেবাডালো কৃত্ৰিম সৰ্প থাকে আৰু হাতত থাকে ত্ৰিশূল আৰু ডম্বৰু। শ্ৰীকৃষ্ণৰ ভাও লওঁতাজনে হালধীয়া চুৰিয়া পিন্ধে; কিন্তু গাত কোনো ছোলা নাথাকে। তাৰ সলনি গুণাৰ কাম কৰা আচলা পিঠি আৰু বুকুৰ পিনে লয়। বুকুৰ ফালৰখন কঁকাললৈকে থাকে; কিন্তু পিঠিৰখন কলাফুললৈকে থাকে। শ্ৰীকৃষ্ণৰ কিৰীটিত ময়ূৰৰ পাখি থাকে আৰু হাতত কেতিয়াবা বাঁহী আৰু কেতিয়াবা সুদৰ্শন চক্ৰ থাকে।

এই খিনিতে এটা কথা উল্লেখযোগ্য যে যাত্ৰাপাৰ্টিবোৰে পৌৰাণিক নাটকত পুৰাণৰ বৰ্ণনা অনুযায়ী চৰিত্ৰৰ মেক-আপ কৰাৰ চেষ্টা কৰে। কিন্তু বুৰঞ্জীমূলক নাটকত আনুমানিক ভাৱে চৰিত্ৰৰ মেক আপ কৰা হয়। মুছলমান চৰিত্ৰৰ সাজ-পাৰত সাধাৰণতে লংপেণ্ট, মুখত চাব-দাড়ি আৰু মূৰত ফেজ দিয়া হয়।

'ছুক্ৰা'বোৰে মূৰত কৃত্ৰিম চুলি পিন্ধে আৰু গাত বিভিন্ন সময়ত বিভিন্ন পোছাক পৰিধান কৰে। অৱস্থাবান দলবোৰত দৃশ্য অনুসৰি অভিনেতাবোৰে সাজ পাৰ সলনি কৰে। যেনে, ৰাজদৰবাৰত ৰজাই যি পোছাক পিন্ধে, উদ্যানৰ দৃশ্যত হয়তো বেলেগ পিন্ধে, ৰণক্ষেত্ৰত আকৌ যুজাৰুৰ সাজ পিন্ধে। কিন্তু অৱস্থাহীন যাত্ৰাপাৰ্টিৰ ভাৰবীয়াই একেটা পোছাকেৰেই অভিনয়ৰ আৰম্ভণিৰপৰা শেহলৈ চলাই দিয়ে।

দূত, প্ৰহৰী, দুৱৰী, সৈন্য আদিৰ ভাও সাধাৰণ পোছাকেৰেই কৰা হয়।

যাত্ৰাপাৰ্টিৰ কমদামী পোছাকবোৰ, যেনে মেখেলা চাদৰ, উৰ্ণা, শাৰী, ব্লাউজ ইত্যাদি বছৰে বছৰে নতুনকৈ কিনিবলগীয়া হয়। কিন্তু ৰাজ-পোছাকবোৰ কেবা বছৰলৈ ভালে থাকে।

যাত্ৰাভিনয়ত **অলঙ্কাৰ** বহুলভাৱে ব্যৱহৃত হয়। 'ছুক্ৰা' তিৰোতা আৰু বীৰসকলে নানা ধৰণৰ অলঙ্কাৰ পৰিধান কৰে। তিৰোতাবোৰে ডিঙিত কাচৰ মণি, হাতত বালা আৰু কাণত ইয়াৰিং পিন্ধে। পুৰুষ ভাৰবীয়াবোৰে কাণত একো নিপিন্ধে, কিন্তু বাহু আৰু হাতত বালা আৰু ডিঙিত মালা থাকে। কিছুমানে

কিৰীটিতো একোধাৰ মণি লয়। সাধাৰণ পুৰুষ ভাৱৰীয়াবোৰে কোনো অলঙ্কাৰ পৰিধান নকৰে। ছুক্ৰাবোৰে তিৰোতাই পিন্ধা অলঙ্কাৰ পৰিধান কৰাৰ উপৰিও ভৰিত জুনুকা পিন্ধে। নাচৰ তাল ৰখাত জুনুকা বিশেষ সহায়ক হয়।

অলঙ্কাৰৰ উপৰিও মেক-আপত নানা ধৰণৰ পিন ব্যৱহাৰ হয়। তিৰোতা আৰু ছুক্ৰাবোৰে চুলিত হেয়াৰ-পিন আৰু কাপোৰত চেফ্‌টি পিন ব্যৱহাৰ কৰে। কিছুমান ছুক্ৰাই নানা বৰণৰ বিৰনো ব্যৱহাৰ কৰে।

## পেইণ্ট

মেক-আপৰ বিশেষ উল্লেখযোগ্য বস্তু হল পেইন্টিং। নাটকীয় চৰিত্ৰ কিছুমানৰ অভিনয় উকা পোছাকেৰে কৰিব পৰা গলেও পেইণ্ট নকৰাকৈ পাৰ্টিৰ কোনো ভাৱৰীয়াই মঞ্চত উঠিব নাপায়। পাৰ্টিৰ যিবোৰ মানুহৰ অভিনয়ত অংশ নাথাকে (কনচাৰ্ট পাৰ্টিৰ মানুহ বা প্ৰমটাৰ), সিবোৰে পেইণ্ট নকৰিলেও অন্ততঃ এটা সৰু ফোঁট লৈহে মঞ্চলৈ ওলাই যায়। প্ৰেয়াৰবোৰে পেইণ্ট বা মেক-আপ কৰি উঠাৰ পিছত এবাৰ মঞ্চত উঠি নহালৈকে বাহিৰলৈ ওলাই যাব নাপায়।

পেইণ্টত সাধাৰণতে এই কেইটা বস্তু ব্যৱহৃত হয়—জিঙ্ক অক্সাইড, গ্লিচাৰিণ, পিউৰী, সেন্দুৰ, আলতা, কচমেটিক, স্পিৰিটগাম, মাইকা আদি।

অসমীয়া যাত্ৰাপাৰ্টিবোৰত পেইণ্ট তৈয়াৰ কৰাত কোনো নিৰ্দ্দিষ্ট জোখ মানি চলা দেখা নাযায়। অনুমান কৰিয়ে পেইণ্ট তৈয়াৰ কৰা হয়। প্ৰথমে থাল এখনত কিছু জিঙ্ক অক্সাইড ঢালি পিহি মিহি কৰি তাত অনুমান কৰি পিউৰী আৰু সেন্দুৰ দিয়া হয়। তিনিওটা বস্তু মিহলাই খুব মিহি কৰি তাত কিছু পৰিমাণে গ্লিচাৰিণ ঢালি দিয়া হয়। গ্লিচাৰিণ এঠাৰ কাৰণে পেইন্টিং মুখত লিপিত খাই ধৰে। এই কেইটা বস্তু মিহলাই অলপ পানী দি ভালকৈ সানি ললেই পেইন্টিং তৈয়াৰ হয় আৰু তেতিয়া তাক প্লেয়াৰৰ মুখত লগোৱা হয়। পেইণ্ট কৰাৰ আগতে সকলো প্লেয়াৰে মুখ, হাত চাবোনেৰে ধুই লব লাগে। কাৰণ তেলৰ আঁচ লাগিলেই পেইণ্ট কলা পৰি যায়।

সকলো ভাৱৰীয়াৰ কাৰণে একেলগে পেইন্টিং তৈয়াৰ কৰা বা মৰা হয় যদিও প্লেয়াৰ অনুযায়ী মৰা পেইণ্টত অলপ যোগাযোগ কৰি দিয়া হয়। অনুজ্জ্বল ছালৰ প্লেয়াৰৰ মুখত পেইণ্টত ওপৰঞ্চিকৈ সেন্দুৰ সানি লব লাগে। কলা ছালৰ কাৰণে আকৌ অধিক পিউৰী দিব লাগে।

পেইণ্ট তৈয়াৰ হলে প্ৰথমে ছুক্ৰাবোৰৰ পেইণ্ট কৰা হয়। ওস্তাদ বা আন জনা মানুহে ছুক্ৰাবোৰৰ পেইণ্ট কৰি দিয়ে। কিছুমানে আৰ্চি চাই নিজে নিজে পেইণ্ট কৰে। পেইণ্ট কৰাৰ পিছত ভাৱৰীয়াবোৰে গালত সেন্দুৰ সানি, ওঁঠ দুটা আলতাৰে তুলবুলীয়া ৰঙা কৰি লয়। অভিনয়ত সাধাৰণতে পুৰুষ তিৰোতা নিৰ্বিশেষে সকলো ভাৱৰীয়াই কঁপালত ফোট লয়। তিৰোতাবোৰে ঘূৰণীয়া আৰু পুৰুষবোৰে বিভিন্ন আকৃতিৰ ফোট লয়। কেৱল মুছলমান চৰিত্ৰবোৰে ফোঁট নলয়। ফোঁট লোৱাৰ আগতে কচমেটিকেৰে চকুৰ ভ্ৰূবোৰ অধিক কলা কৰি দিয়া হয়। কিছুমান পুৰুষ অভিনেতাই কচমেটিকেৰে কেপ-গোফ আঁকি লয়। কিন্তু কেপ-গোফৰ কাৰণে সচৰাচৰ ক্ৰেপ হেয়াৰ হে ব্যৱহৃত হয়। ক্ৰেপ-হেয়াৰৰ পৰা অনুমান কৰি কাটি লোৱা কেপ-গোফ স্পিৰিটগামৰ সহায়েৰে যথাস্থানত লগাই লোৱা হয়। পেইণ্ট শেষ-হোৱাত অভিনেতাবোৰৰ মুখত মাইকা (বালিছন্দা) চটিয়াই দিয়া হয়। লাইটৰ পোহৰত মাইকাবোৰ জিক-মিকাই উঠে আৰু তেতিয়া মুখৰ পৰা অলীক সৌন্দৰ্য্য নিৰ্গত হয়।



কিছুমান চৰিত্ৰৰ মেক-আপত বিশেষ যত্ন লবলগীয়া হয়। বুঢ়াৰ মেক-আপ টান। বুঢ়াৰ মেক-আপত অলপ শুকান জিঙ্ক-অক্সাইড সানি লোৱা হয়। তেতিয়া পেইণ্টটো অনুজ্জ্বল হৈ পৰে। পেইণ্ট সনাৰ পিছত কঁপাল আৰু গালত ইষৎ কলা কিছুমান দাগ দিয়া হয়। তেনে দাগ দিলে দূৰৰ পৰা মুখৰ ছাল সোঁতৰা-সোঁতৰি পৰা যেন দেখা যায়। পেইণ্টৰ পিছত বগা ক্ৰেপ-হেয়াৰৰ কেপ-গোফ পিন্ধি, চকুৰ পিৰিঠিত আৰু চুলিত শুদা জিঙ্ক অক্সাইড পানীৰে সানি দিয়ে। তেতিয়া কেচা চুলিবোৰ পকা হৈ যায়। কিছুমানে আকৌ এটা বা দুটা দাঁতত দিয়াছলাইৰ বাকচত থকা কলা পাতল কাগজ খুৱাই লয়। কলা কাগজ খুওৱা দাঁতবোৰ দূৰৰ পৰা দেখা নাযায়। গতিকে দৰ্শকে দাঁত সৰা বুলি ভাৱে

কিছুমান চৰিত্ৰৰ পেইণ্ট বেলেগ ধৰণৰ। যেনে, শ্ৰীকৃষ্ণৰ পেইণ্ট নীলেৰে কৰা হয়। মহাদেৱৰ মেক-আপত গোটেই গাতে জিঙ্ক অক্সাইড সনা হয়।

অভিনয়ৰ ভিতৰত পেইণ্ট সলনি কৰা বৰ সহজ নহয়। কিন্তু অৱস্থা বিশেষে পেইণ্ট সলনি কৰিবলগীয়া হয়। যুদ্ধত এজন চৰিত্ৰৰ হয়তো মূৰত খুন হব লাগে। সেই খুন হোৱা দেখুৱাবলৈ অভিনেতাজনে হাতৰ টিপতে নিয়া আলতাৰে তিওৱা কানিখন মূৰত চেপি দিলে। তেতিয়া আলতা বৈ পৰি মুখৰ পেইণ্ট নষ্ট কৰি দিয়ে আৰু নতুনকৈ পেইণ্ট কৰিবলগীয়া হয়।

## অন্য সাজ-সৰঞ্জাম

পেইণ্ট আৰু পোছাকৰ দৰে অস্ত্ৰ-শস্ত্ৰও অভিনয়ৰ অপৰিহাৰ্য্য অঙ্গ। অস্ত্ৰ-শস্ত্ৰবোৰৰ ভিতৰত অসি বা তৰোৱালেই অধিক ব্যৱহৃত হয়। ৰজা, সেনাপতি, ৰাজপুত্ৰ, সৈন্য বা অন্যান্য বীৰ আদিয়ে সদায় ককালত তৰোৱাল ৰাখে। পৌৰাণিক নাটকবোৰত ধনু-কাড়, ঢাল আদিয়ো ব্যৱহৃত হয়। কিছুমান পৌৰাণিক চৰিত্ৰৰ অস্ত্ৰ সুকীয়া। যেনে, শিৱৰ ত্ৰিশূল, ইন্দ্ৰৰ বজ্ৰ, যমৰ দণ্ড, ভীমৰ গদা, শ্ৰীকৃষ্ণৰ চক্ৰ। এইবোৰৰ উপৰিও প্ৰায় নাটকতে খৰ্গৰ ব্যৱহাৰ হয়। পৰ্ব্বতীয়া জাতিৰ চৰিত্ৰই তীৰ-ধনু, যাঠি, বল্লম ব্যৱহাৰ কৰে। আজি-কালি অভিনয়ত পিষ্টলো ব্যৱহৃত হয়।

ইয়াৰ উপৰিও লাঠি, শিকলি, চাবুক, ৰাজদণ্ড আদি অন্য সাজ-সৰঞ্জাম কিছুমানো অভিনয়ত ব্যৱহৃত হয়।

## মঞ্চ

মঞ্চ শব্দটো যাত্ৰাপাৰ্টিৰ মাজত নচলে। কিছুমানে মঞ্চক আচৰ (ৰং-আসৰ) আৰু কিছুমানে ষ্টেজ বোলে। মঞ্চ নিৰ্ম্মাণত যাত্ৰাপাৰ্টিৰ কোনো হাত নাথাকে। থিয়েটাৰত যেনেকৈ স্থায়ী মঞ্চ থাকে আৰু নাটকৰ উপযোগী কৰি মঞ্চ সজাই লব পাৰে, যাত্ৰাপাৰ্টিত সেই সুবিধা নাই। নিমন্ত্ৰণকাৰীয়েহে যাত্ৰাপাৰ্টিৰ মঞ্চ নিৰ্ম্মাণ কৰি দিয়ে। সেই কাৰণে যাত্ৰাপাৰ্টিৰ নাটকবোৰৰ মঞ্চৰ লগত একো সম্বন্ধ নাথাকে। যেই সেই ৰকমৰ মঞ্চতে যাত্ৰাপাৰ্টিয়ে অভিনয় কৰিব পাৰে।

যাত্ৰাভিনয়বোৰ সচৰাচৰ মুকলি ঠাইত অস্থায়ী চামিয়ানাৰ তলত কৰা হয়। মাজে-সময়ে ঘৰৰ ভিতৰতো কৰা হয়। মুকলি ঠাইত ৰভা তৰি, সোঁ মাজত এটা ওখ আৰু আহল-বহল বেদী নিৰ্ম্মাণ কৰা হয়—কেতিয়াবা মাটি দি আৰু কেতিয়াবা চালপীৰা জোৰা লগাই বা তক্তাৰে। বেদীখন সাধাৰণতে বৰ্গক্ষেত্ৰাকৃতিৰ কৰা হয়। বেদী নিৰ্ম্মাণত কোনো নিৰ্দ্দিষ্ট জোখ নাই। কিছুমান পাৰ্টিয়ে অৱশ্যে নিমন্ত্ৰণ কৰাৰ সময়তে নিমন্ত্ৰণকাৰীৰ আগত মঞ্চৰ দীঘ-প্ৰস্থৰ জোখ দি দিয়ে। বেদীৰ ওপৰত ত্ৰিপাল

বা চটি পাৰি দিয়া হয়। বেদীৰ কাষত, নামনিত কন্চাৰ্ট পাৰ্টি আৰু প্ৰমটাৰ বহে। যাত্ৰাপাৰ্টিৰ মঞ্চৰ চাৰিওফালে দৰ্শক বহিব পাৰে।

ভাৱৰীয়াসকলৰ প্ৰবেশ-প্ৰস্থানৰ কাৰণে মঞ্চৰ পৰা সাজ ঘৰলৈ দুটা বাট থাকে। কিছুমানত অৱশ্যে এটা বাটেৰেও কাজ চলাবলগীয়া হয়। কিন্তু দুটা বাটৰ সুবিধা বেছি। এটা বাটত প্ৰবেশ প্ৰস্থানত বিশেষ অসুবিধা হয়। বহুত ক্ষেত্ৰত ভাৱৰীয়াৰ মাজত খেতা-মেজা লাগে। দুটা বাট হলে এটাক প্ৰবেশদ্বাৰ (Entrance) আৰু আনটোক প্ৰস্থানদ্বাৰ (Exit) কৰিলে আৰু একো অসুবিধা নাথাকে।

মঞ্চ নিৰ্ম্মাণত যাত্ৰাপাৰ্টিৰ কোনো হাত নাথাকে কাৰণে যাত্ৰাৰ মঞ্চ সজ্জাৰো (Decoration) কোনো সুবিধা নাথাকে। থিয়েটাৰৰ মঞ্চত বিভিন্ন দৃশ্য-পটৰ দ্বাৰা যেনেকৈ ভিন্ন ভিন্ন দৃশ্যত বেলেগ বেলেগ সাজ-সজ্জাৰ ব্যৱস্থা কৰা হয়, যাত্ৰাৰ মঞ্চত সি সম্ভৱপৰ নহয়। যাত্ৰাভিনয়ত দৃশ্যৰ বিভিন্নতা বুজাবলৈ কিছুমান প্ৰতীক ব্যৱহাৰ কৰা হয়। যেনে, ৰাজ দৰবাৰ বুজাবলগীয়া হলে চকী এখন পাৰিয়েই ৰাজসিংহাসনৰ ৰূপ দিয়ে আৰু তাতে ৰজা বহে। মন্দিৰৰ দৃশ্য থাকিলে এটা কাগজৰ মন্দিৰৰ প্ৰতিকৃতি সাজি তাৰ আগতে অভিনয় কৰে। বলি দিয়া দৃশ্যত সৰু যুপকাষ্ঠ এটাতে সেই কাজ কৰে।

মঞ্চ-সজ্জাৰ সুবিধা নথকা কাৰণে যাত্ৰাৰ নাটকত পৰাপক্ষত চৰিত্ৰবোৰৰ মুখতে স্থান আৰু দৃশ্যৰ বৰ্ণনা দিয়া হয়।

## সাজ-ঘৰ (Green room)

যাত্ৰাপাৰ্টিৰ সাজ-ঘৰ সাধাৰণতে মঞ্চৰ পৰা দূৰত থাকে। মঞ্চৰ দৰে সাজ-ঘৰ নিৰ্ম্মাণতো যাত্ৰাপাৰ্টিৰ কোনো হাত নাথাকে। সেই কাৰণে বহুত ক্ষেত্ৰৰ যাত্ৰাদলবোৰে সাজ-ঘৰৰ কাৰণে বিশেষ অসুবিধা পোৱা দেখা যায়। সাজ-ঘৰটো আহল-বহল আৰু আঁৰ-বেৰ থকা হব লাগে। মেক-আপ কৰাৰ সময়ত দৰ্শকে প্ৰেয়াৰক দেখা পোৱা উচিত নহয়। সেই কাৰণে মেক-আপ আৰম্ভ ঠাইত গোপনে কৰা প্ৰয়োজনীয়।

মঞ্চৰ পৰা সাজ-ঘৰৰ দূৰত্ব কিমান হব লাগে, সেই বিষয়ে একো ধৰা বন্ধা জোখ নাই। সাজ-ঘৰ মঞ্চৰ পৰা বহুত আঁতৰত হলেও ভাৱৰীয়াসকলৰ অহা-যোৱাত বিশেষ অসুবিধা হয়। কাৰণ অভিনয়ত নেপথ্যৰ কাৰ্য্যাখিনি—জয়ধ্বনি, নেপথ্যৰ বাণী আদি সাজ-ঘৰৰ পৰাই কৰা হয়। সেই কাৰণে সাজ ঘৰ এনে ঠাইত হব লাগে যাতে মঞ্চৰ পৰা কোৱা কথা সাজ-ঘৰৰ পৰা স্পষ্টভাৱে শুনিব পোৱা যায়।

## অভিনয়

যাত্ৰাভিনয় সচৰাচৰ ৰাতি ১০৷১১টা মানৰ পৰা আৰম্ভ হয় আৰু ৰাতি পুৱালৈকে চলে। কিছুমান ডাঙৰ নাটকৰ অভিনয় শেষ হওতে বহুত বেলি হৈ যায়। কিছুমান পৰ্ব্বত—বিশেষকৈ সভা-মহোৎসৱত গধূলি ঢলীয়া উঠে। তেতিয়া অভিনয় আৰম্ভ হওতে বহুত ৰাতি হয়। কিন্তু কিছুমান ক্ষেত্ৰত—যেনে বিয়া বা পূজাত ঢুলীয়াৰ ব্যৱস্থা নাথাকে। গতিকে অভিনয় সোনকালে আৰম্ভ কৰিবলগীয়া হয়। কেতিয়াবা আকৌ ৰাতি পুৱাবলৈ বহুত বাকী থাকোতে অভিনয় শেষ হৈ যায়। তেতিয়া কিছুমান দৰ্শকৰ—বিশেষকৈ দূৰৰবোৰৰ বৰ অসুবিধা হয়। তেতিয়া যাত্ৰাপাৰ্টিয়ে উপকৰা নৃত্য-গীতেৰে অৱশিষ্ট সময়খিনি কটাই দিয়ে। কিন্তু এৰাতিৰ ভিতৰতে দুখন নাটক অভিনয় কৰা নহয়।

মেনেজাৰ পাৰ্টিৰ সত্বাধিকাৰী হলেও অভিনয় পৰিচালনাৰ সম্পূৰ্ণ দায়ীত্ব থাকে ওস্তাদ বা মাষ্টাৰৰ হাতত। কাৰ্য্যসূচী (Programme) অনুযায়ী অভিনয়



চলি থকাৰ মাজতো কেতিয়াবা প্ৰয়োজন অনুসৰি বেলেগ ব্যৱস্থা কৰিবলগীয়া হয়। কেতিয়াবা দৰ্শকৰ মাজত হয়তো কিবা কাৰণত গণ্ডগোলৰ সৃষ্টি হৈ গল। তেতিয়া অভিনয় সাময়িকভাৱে বন্ধ কৰি হয়তো এটা নৃত্য-গীত দি দিলে। নাচ-গানত গণ্ডগোল শাম কাটে। আকস্মিক প্ৰয়োজনৰ কাৰণে ছুক্ৰাবোৰক বহুত উপকৰা নৃত্যগীত শিকাই থোৱা হয়। নাটকৰ লগত সেই নৃত্য-গীতৰ কোনো সম্বন্ধ নাথাকে। কেতিয়াবা ৰাতি পুওৱাৰ বহুত আগতে নাটক শেষ হৈ যোৱাৰ সম্ভাৱনা দেখিলে ওস্তাদে বাহিৰা নাচ-গান মাজত সুমাই দি অভিনয়ৰ গতি মন্থৰ কৰি দিয়ে।

আগতে উল্লেখ কৰা হৈছে যে যাত্ৰাৰ মঞ্চত দৃশ্যৰ বিভিন্নতা বুজাবলৈ কিছুমান প্ৰতীক ব্যৱহাৰ কৰা হয়। অভিনয়তো তেনে কৌশল প্ৰয়োগ কৰা হয়। যেনে, কাৰোবাৰ শিৰচ্ছেদ কৰিবলগীয়া হলে সেইজন ভাৱৰীয়াক নেপথ্যলৈ নি একোচা চুলি নাইবা এটা কৃত্ৰিম কটামূৰ আনি দৰ্শকক দেখুৱা হয়। তেনেকৈ ৰবৰৰ ডাঙৰ পুতলাকে কেচুৱা কৰি দেখুৱা হয়। যজ্ঞ কৰা দেখুৱাবলৈ এটা টিনৰ পাত্ৰত কেৰাচিন ঢালি জুই ধৰাৰ ব্যৱস্থা কৰা হয়। ঘৰত জুই লগা দেখুৱাবলৈ মঞ্চৰ পৰা আঁতৰত একুৰা ওখ জুই জ্বলাই চিঞৰ বাখৰ কৰি সেই দৃশ্য দেখুৱা হয়।

## আভিনয়িক উপলক্ষ্য

যাত্ৰাভিনয় হোৱা পৰ্ব্ব বা উৎসৱবোৰক তিনি ভাগত ভগাব পাৰি—সভা-তিথি মহোৎসৱ, পূজা, আৰু বিয়া-বাৰু-শ্ৰাদ্ধ আদি ব্যক্তিগত পৰ্ব্ব।

শীতকালত অসমৰ বহুত ঠাইত—বিশেষকৈ কামৰূপ অঞ্চলত বিভিন্ন ঠাইত সভা-মহোৎসৱ অনুষ্ঠিত হয়। সভাবোৰ সাধাৰণতে ১ দিনৰ পৰা ৫৷৭ দিনলৈ চলে। সেই সভাবোৰত অজস্ৰ মানুহৰ সমাগম হয়। সভা চলি থকা কেইদিন ৰাতি যাত্ৰাভিনয় চলে। কিছুমান সভাত এযোৰ যাত্ৰাপাৰ্টি উঠে। কিন্তু জনসমাগম অনুসৰি কিছুমান সভাত দুই তিনিযোৰ যাত্ৰাপাৰ্টি ওচৰা-ওচৰিকৈ উঠে। সৰ্থেবাৰীৰ সভাত কেবাযোৰো যাত্ৰাপাৰ্টিয়ে একেলগে অভিনয় কৰা দেখা যায়।

একেখন ৰভা তলতে এযোৰতকৈ বেছি পাৰ্টি উঠিলে দৰ্শকৰ ৰসোপভোগত বিশেষ ব্যাঘাত ঘটে। এখন অভিনয়ত যেতিয়া হয়তো এটা করুণ দৃশ্য ওলাব, আনখনত হয়তো যুদ্ধৰ কাৰণে ধম্ ধমকৈ ৰণবাদ্য বজাব। তেতিয়া দৰ্শকৰ একাগ্ৰতা নষ্ট নহৈ উপায় নাই। তেনেকুৱা অৱস্থাৰ সম্মুখীন হবলৈ কিছুমান পাৰ্টিয়ে বেলেগ বেলেগ নাটক প্ৰস্তুত কৰি ৰাখে। আজি-কালিৰ যাত্ৰাপাৰ্টিবোৰে একেলগে তিনি-চাৰিখন নাটক অভিনয়োপযোগী কৰি লয়। কাৰণ বহুত সভাত একেটা যাত্ৰাপাৰ্টিয়ে একে লেথাৰিয়ে কেবা পালাও কৰিবলগীয়া হয়। সেই কাৰণে পাৰ্টিবোৰে বেলেগ বেলেগ কেবাখনো নাটক সাজু কৰি ৰাখে। কোনোখনত যদি করুণ ৰসৰ প্ৰাধান্য থাকে, কোনো-খন আকৌ বীৰৰসপূৰ্ণ। ডাঙৰ সভাত কৰিবলগীয়া হলে, নাইবা আন যাত্ৰাপাৰ্টিৰ লগত প্ৰতিযোগীতা চলাই অভিনয় কৰিবলগীয়া হলে সাধাৰণতে বীৰৰস-প্ৰধান নাটক কৰা হয়। এই ধৰণৰ নাটকত বীৰৰ আস্ফালন আৰু যুদ্ধ-বিগ্ৰহ বেছি থাকে। সেইবোৰে হট্টগোলৰ মাজতো দৰ্শকৰ মন আকৰ্ষণ কৰিব পাৰে।

অসমৰ বিভিন্ন ঠাইত মহাপুৰুষসকলৰ তিথি মহোৎসৱ পালন কৰা হয়। সেই তিথিবোৰৰ আগ-নিশা ( গন্ধৰ দিনা ) যাত্ৰাভিনয় কৰা হয়। বেছি ভাগ তিথি এদিনীয়াকৈ পালন কৰা হয়। কিন্তু ব্যাসকুছিৰ ভট্টদেৱৰ তিথিত পাঁচদিনীয়া ডাঙৰ সভা হয় আৰু আঠাইকেইদিন ৰাতি যাত্ৰাভিনয় চলে।

দুৰ্গাপূজা, লক্ষ্মীপূজা, কালীপূজা আদি পাৰ্ব্বণত দুই তিনি ৰাতিলৈ যাত্ৰাভিনয় চলে। আজি-কালি

কিছুমান ঠাইত বিষ্ণু-যজ্ঞৰ প্ৰচলন হৈছে। তাতো যাত্ৰাভিনয় হয়।

এইবোৰৰ উপৰিও বিয়া, শ্ৰাদ্ধ আদি ব্যক্তিগত পাৰ্ব্বণতো মাজে-সময়ে যাত্ৰা-গান হয়।

## অসমীয়া যাত্ৰাভিনয়ৰ অৱস্থা

অসমীয়া যাত্ৰাভিনয়ৰ অৱস্থা সন্তোষজনক নহয়। অসমত পূৰ্ণ ব্যৱসায়ী যাত্ৰাপাৰ্টি নাই। অৰ্থাৎ যাত্ৰাভিনয় জীৱিকাৰ উপায় কৰি লব পৰা অৱস্থা আমাৰ ইয়াত এতিয়াও হৈ উঠা নাই, সেয়ে প্ৰায়ভাগ যাত্ৰাপাৰ্টি বৰবেছি দুবছৰ-তিনিবছৰৰ পিছতে ভাঙি যায়। গতিকে যাত্ৰাপাৰ্টি চলোৱা কথাটো এতিয়াও লোকচানৰ বেপাৰ হৈয়ে আছে।

বহুলোৱা বুলিয়ে হ'ক বা যিয়ে কি ন'হক, যাত্ৰাভিনয়ে অসমীয়া সমাজৰ পৰা যথাপৰিমিত অনুপ্ৰেৰণা লাভ কৰা নাই। অভিনয়ৰ প্ৰতি অসমীয়া মানুহৰ আকৰ্ষণ-স্বভাৱতে অলপ কম। যাত্ৰাভিনয়কতো বহুতে সভ্য সমাজৰ বস্তু বুলি ধৰিবই নোখোজে। তাৰ ফলত যাত্ৰাভিনয়ৰ শিল্পীবোৰে একো অনুপ্ৰেৰণা নাপায়। বহুত শিক্ষিত মানুহে আকৌ-যাত্ৰাভিনয় চাবলৈ বৰ ভাল পায়, কিন্তু যাত্ৰাত অভিনয় কৰাটো বৰ নিম্নস্তৰৰ কথা বুলি ভাবে। সেই কাৰণে আমাৰ যাত্ৰাদলবোৰ সাধাৰণতে অশিক্ষিত, অৰ্দ্ধশিক্ষিত মানুহৰ দ্বাৰা গঠন হয়। অভিনয় আবেগৰ বস্তু। শিক্ষাহীন মানুহৰ দ্বাৰা অভিনয় সম্ভৱপৰ নহয়। যিয়ে এটা শব্দৰ উচ্চাৰণ শিকিবলৈ এমাহ খাটিবলগীয়া হয় সেই মানুহে আকৌ অভিনয় কৰি হেজাৰ-বিজাৰ মানুহৰ মন আকৰ্ষণ কৰিব যোৱাটো আকাশ-কুসুম মাত্ৰ। কিন্তু আমাৰ যাত্ৰাদলবোৰৰ ক্ষেত্ৰত সেয়ে হৈছে।

অভিনয় সুকুমাৰ কলা। ইয়াক আয়ত্ত কৰা সহজ নহয়। তাৰ কাৰণে অশেষ ত্যাগ আৰু নিৰৱচ্ছিন্ন সাধনা লাগে। এই সাধনাত প্ৰবৃত্ত হোৱা জন অন্ন সকলো চিন্তাৰ পৰা মুক্ত হোৱা বাঞ্ছনীয়। কিন্তু অসমীয়া যাত্ৰাপাৰ্টিৰ শিল্পীসকলৰ অৱস্থা অতি শোচনীয়। ৰাতি ৰঙ্গমঞ্চত ৰজা হৈ অখণ্ড প্ৰতাপে ৰাজ্য শাসন কৰি, ৰাতিপুৱা তেওঁ কান্ধত নাঙল লৈ পথাৰলৈ যাব লাগে। সিবোৰে জীৱন-যুদ্ধত যুঁজি যুঁজি পাৰাপাৰ নাপায়, সেইবোৰৰ দ্বাৰা জানো অভিনয় দৰে সুকুমাৰ কলাৰ সাধনা সম্ভৱ?

যাত্ৰাভিনয় আমোদৰ বস্তু। আমোদ কৰিবলৈ মানুহক অৱসৰ লাগে। কিন্তু অৰ্থ-কাঠিন্যৰ কাৰণে আজিৰ মানুহৰ ব্যস্ততা ক্ৰমে বাঢ়ি গৈছে আৰু অৱসৰো নাইকিয়া হৈ গৈছে। গোটেইনিশা যাত্ৰাভিনয় চাই পিছদিনা গোটেই দিনটো শুৱাৰ অৱসৰ আজিৰ মানুহৰ নাই, সেয়ে যাত্ৰাভিনয়ৰ প্ৰতি মানুহৰ আগ্ৰহো ক্ৰমে কমি যাব ধৰিছে।

থিয়েটাৰ আৰু কথাছবিৰ প্ৰচলনে যাত্ৰাভিনয়ৰ মূৰত কুঠাৰাঘাত কৰিছে।*

* অসমীয়া যাত্ৰাভিনয়ক গঢ় দিয়াত আৰু জনসমাজত প্ৰতিষ্ঠা কৰাত ৺ব্ৰজনাথ শৰ্ম্মাৰ দান অপৰিসীম। অভিনয় পদ্ধতিৰ উন্নতি সাধনত আৰু সহ অভিনয় প্ৰৱৰ্ত্তনত ৺শৰ্ম্মাৰ নাম অসমৰ ৰঙ্গমঞ্চৰ ইতিহাসত সোণালী আখৰেৰে লেখা ৰ'ব।

—সম্পাদক

# বড়ো সংস্কৃতিত যৌন অৱদান

মেদিনী চৌধুৰী

পৃথিৱীৰ সকলো সংস্কৃতিৰ মূলতে কম বেছি পৰিমাণে যৌন সংস্কাৰৰ অৱদান আছে। হিন্দু সংস্কৃতিত তেনে দৃষ্টান্ত বিৰল নহয়। নন্দী, বাভ্ৰব্য, উদ্দালক আদি যৌন শাস্ত্ৰকাৰৰ উপৰিও মহাভাৰতত শ্বেতকেতুৰ আখ্যানে আৰু এইবোৰৰ বহুতো পাচত শাস্ত্ৰকাৰ বাৎসায়নে হিন্দু সংস্কৃতিত যৌন সংস্কাৰৰ অৱদানৰ একাধিক আলেখ্য দাঙি ধৰিছে।

বৌদ্ধ ধৰ্মতো ললিত-বিস্তৰ আদি পুথিত যৌন সংস্কাৰৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে।

চীনদেশৰ পুৰণি আখ্যান সমূহতো সংস্কাৰমুখী যৌনকাহিনী বিৰল নহয়।

বড়ো সকলৰ সংস্কৃতিতো যৌন অৱদান আছে আনবোৰ সংস্কৃতিৰ দৰেই। তাকে উল্লেখ কৰিবলৈকে লোৱা হৈছে এই প্ৰবন্ধটোত।

বড়ো মতামানুহে শপত খাব লাগিলে কয়ঃ আইখো মুন্থুং অৰ্থাৎ মাকেই পাম। সি যদি মিছাকথা কৈছে বা প্ৰবঞ্চনা কৰিছে সি মাকক বিয়া কৰাব।

মাইকীসকলেও শপত খায়ঃ আফাখো মুন্থুং বুলি। অৰ্থাৎ বাপেকক বিয়া কৰাব।

মাক নাইবা বাপেকৰ লগত যৌন সম্পৰ্কৰ কথা ভবাও মহাপাপৰ কথা। কাজেই বড়োসকলে বাছি ললে তাকে চৰম শপত বুলি।

বড়োসকলৰ সৰ্বমাঙ্গলিক অনুষ্ঠান খেৰাই পূজা মহাপাপৰ প্ৰায়শ্চিত্তৰ আখ্যান গদৌৰ বাদোনি, চাৱংথৰি আদি সকলোবোৰ যৌন কাহিনীমূলক।

কৃষ্টিৰ পূজাৰী মানুহৰ বিভিন্ন চাৰু কলাৰে পুষ্ট কৰি ভগবানক তুষ্ট কৰাৰ আদিম আৰাধনা এই খেৰাই পূজাই মূলত বহুতে আধিদৈবিক আৰু আধ্যাত্মিক আলেখ্যৰ কথা কয়। কিন্তু ইয়াৰ মূলতে যি মানামচুব্ৰাইৰ যৌন দুষ্কৃতিৰ কাহিনী আছে তাৰ বিশদ বৰ্ণনা আজিলৈকে হোৱা নাই।

মানামচুব্ৰাই আছিল চকাচন্দা এজন বুঢ়া মানুহ। 'বিমানামচুৱাবা মুনুবো বস্তুথো ছায়া'— তেওঁ মুণ্ডুৱাকৈ একো বস্তুকে নেখাইছিল। চৌখীন মানুহবোৰৰ যৌন দুৰ্বলতা আজিৰ কথা নহয়। মানামচু বুঢ়াৰো সেই একে দশাই হ'ল।

বুঢ়াৰ সাতোটা পুতেক আৰু বোৱাৰীও সাতজনী। মেটমৰা ভৰাল আৰু ৰজনজনা সংসাৰ। বুঢ়াৰ বুঢ়ী নাই। কেই বছৰ মানৰ আগতে ঢুকাল।

বুঢ়াৰ কুৎসিৎ প্ৰবৃত্তি ঢাল খালে বৰ বোৱাৰীয়েকৰ ফালে। এদিন বাৰীত শাক তুলি থকা অৱস্থাতে অকলশৰে পাই বুঢ়াই বৰ বোৱাৰীয়েকক বলাৎকাৰ কৰিলে। বোৱাৰীয়েকে কান্দি কাটি আছিল যদিও ভয় আৰু লাজতে কথাটো কাকো নকলে।

তেনেদৰেই কোনোজনীক ভাত ৰান্ধি থাকোঁতে, কোনোজনীক আকৌ চোতাল সাৰি থাকোঁতে কোনোজনীক পানীৰ ঘাটত আৰু কোনোজনীক কেচুৱাক পিয়াহ খুৱাই থাকোতে বুঢ়াই জোকালে।

শেহত একেবাৰেই সৰুজনীক গাহৰিক আহাৰ

* লিখকে 'বড়' শব্দ ব্যৱহাৰ কৰিছিল, কিন্তু অসমীয়াত 'বড়ো' প্ৰচলিত হৈ অহাৰ কাৰণে 'বড়'ৰ ঠাইত 'বড়ো'হে এই প্ৰবন্ধত লেখা হ'ল।

দিবলৈ যাওঁতে এদিন বুঢ়াই ধৰিলে হাতত। তাই লাজ আৰু অপমানতে কান্দি কান্দি পলাই সাৰিলে। মনে মনে কেউজনী জায়েকক মাতি আনি এটা বুধি পাতিলে এই অপমানৰপৰা হাত সাৰিবলৈ, আৰু সেই উদ্দেশ্যেই এদিন ৰাতিপুৱা কুকুৰাৰ ডাকৰ লগে লগেই মতামানুহৰ সাজপাৰ পিন্ধি বুঢ়াৰ সুমলীয়া বোৱাৰীয়েক নিৰুদ্দেশ হ'ল।

বুঢ়া আৰু পুতেক কেইজনে বোৱাৰীয়েকক বিচাৰি হায়ৰান। শেহত নিৰুপায় হৈ পলৰীয়া গোসানীক পূজা এভাগ দিয়াৰ মানস কৰিলে। (খাৰ্ মানে পলোৱা আৰু 'আই' মানে গোসানী সেইবাবেই এই উৎসৱৰ নাম খাৰ্ আই বা খাৰাই বা খেৰাই)। "শঙ্কাতুৰ মানুহৰ অন্তৰৰ ভয়ৰ স্পন্দনত" জন্ম হোৱা খেৰাই পূজাৰ উৎপত্তিৰ কাহিনী এয়ে।

বুঢ়াই পূজালৈ মাতিলে সেই অঞ্চলৰ নামতী নাচনী সকলোকে। সুমলীয়া বোৱাৰীয়েকেও নটৰ ছদ্মবেশ লৈ এটা দলেৰে সৌঁতে যোগ দিলেহি খেৰাই পূজাত আৰু গান আৰু নাচৰ মাজেদি প্ৰকাশ কৰিলে বুঢ়াৰ সেই গুনাত নিষিধ কাহিনীটো ঃ 'মেগং থানাইয়াও খনচে, ইংখাম চোৰ্ নায়াও খনচে, চেথ্‌লা চিখ্‌নায়াও খনচে' ইত্যাদি অৰ্থাৎ শাক তুলোতে এবাৰ, ভাত ৰান্ধোতে এবাৰ, চোতাল সৰোতে এবাৰ ইত্যাদি।

তাৰ পাচৰ কাহিনী সহজ। বুঢ়াৰ সকলো ৰহস্য ওলাই পৰিল। লজ্জিত হ'ল; সমাজ বিদ্যমানে প্ৰায়শ্চিত্ত কৰিলে আৰু বোৱাৰীয়েকেও ভেশছন এৰি আগৰ মানুহজনী হৈ ধৰা দিলে।

এয়ে খেৰাই পূজা। বুঢ়াৰ যৌন দুস্কৃতিক সংস্কাৰ কৰিবলৈ যাওঁতে সৃষ্টি হোৱা এক বিৰাট সমাজ সংস্কাৰৰ জ্বলন্ত পটন্তৰ।

তাৰো বহু কালৰ আগতে ঘটা বুলি অনুমানিত হয় মহাপাপৰ প্ৰায়শ্চিত্তৰ আখ্যানটো।

শিৱ আৰু শিৱানীয়ে বাস কৰিছিল অবংঝাৰত। অবংঝাৰ এখন অৰণ্যৰ নাম য'ত বড়োসকলৰ বিশ্বাসমতে মানুহৰ আদিম গোষ্ঠীটোৱে বাস কৰিছিল। এই আদিম গোষ্ঠীৰ পিতাৰ নাম আছিল চিব্ৰাই বা অবংব্ৰাই। (চি মানে আদি, ব্ৰাই মানে বুঢ়া) সেই চিব্ৰায়েই শিৱ।

শিৱৰ জীয়েকক ওচৰৰে গোষ্ঠী এটাই নিছিল। সিহঁতেও বাস কৰে ওচৰৰে এখন অটব্য অৰণ্যত।

এদিন ছুপৰীয়া গছৰপৰা নামি আহোতে জোৱায়েকৰ হঠাৎ চকুপৰিল ঘৈণীয়েকৰ (অৰ্থাৎ শিৱৰ জীয়েক) বগা নিটোল কৰঙণ যুৰিলৈ। কপালৰ আগলৈ বাগৰি পৰা গাহৰি নোমৰ দৰে ঠৰঙা চুলিৰ কোচাটো ধৰি লৈ মতামহৰ দৰে গল-ধনটো দাড়ি একেথৰে চাই থাকিল ঘৈণীয়েকৰ ফালে।

ঘৈণীয়েকে সুধিলে ঃ কি হ'ল?

তোৰ কৰঙন যুৰি ইমান বগা (নৰৈনি ফিন্দা একে গফুৰ)! ঃ সি অবাক হৈ কলে।

'আদ্‌নি ফিন্দা মাচে গফুৰ, বিমানি ফিন্দা যেচ্চে গফুৰ'—মোৰ কি বগা, মোৰ মাৰ যিহে বগা! ঃ ঘৈনীয়েকৰ কথাষাৰ শুনি সি হতবাক হৈ ৰ'ল। মানুহৰ কৰঙণ ইয়াৰকৈও বগা থাকিব পাৰেনে? মনে মনে তাৰ লোভ হ'ল শাহুৱেকলৈ। সেয়া পৃথিবীৰ আদিম মানুহজনৰ প্ৰথম পদস্খলন। সি বদ্ধপৰিকৰ হ'ল—ছলে বলে কৌশলে তাৰ জীৱন সাৰ্থক কৰিব লাগিব—তাৰ আকাঙ্ক্ষা সি পূৰ্ণ কৰিবই।

ঘৈণীয়েকক সি একোকে নকলে। মাথোন চিকাৰ কৰিবলৈ যাওঁ বুলি আবেলি ওলাই গল পঁজাৰ পৰা। লগে লগে পশ্চিমপৰীয়া দেৱতাক স্তুতি জনাই থৈ গ'ল—ধুমুহা শিল বৰষুণ আনিবৰ বাবে, মুখ এন্ধাৰ লগাৰ অলপ আগে আগে।

সি চিকাৰলৈ নগল। গ'ল শহুৱেকহঁতৰ তালৈ। শহুৱেক চিব্ৰাই গৈছিল চিকাৰলৈ, ঘৰৰ কুকুৰ ছুটা



কালুৱা আৰু ভেলুৱাক লৈ। জোঁৱায়েকে খুব বিপন্ন শোকাৰ্ত্ত যেন দেখুৱাই শাহুৱেকক কলে জীয়েকৰ যোৱা খোৱা টান নৰিয়া বুলি। অন্তিম কালত এষাৰ মাতৰ বাবে 'মা' 'মা' বুলি হেনো ব্যাকুল হৈ আছে।

মাক ব্যথিত হ'ল। ব্যাকুল হ'ল। যেনে আছে তেনেই দৌৰিবলৈ ধৰিলে অৰণ্যৰ মাজে মাজে। জোঁৱায়েকে অনুসৰণ কৰিলে শাহুৱেকক। বুকু চম্ চমাই গৈছে উন্মাদনাত। মাজে মাজে পশ্চিম আকাশলৈ চাই বিৰক্ত হৈ উঠিছে পশ্চিমপৰীয়া দেৱতাই বৰষুণ অনাৰ প্ৰতিশ্ৰুতি নৰখা দেখি।

গৈ গৈ ছুয়ো অটব্য অৰণ্য এখনত সোমাল। হঠাৎ পশ্চিম আকাশ ক'লা হৈ আহিল কাউৰী কণীৰ দৰে; আৰু এখোজো আগুৱাই যোৱা সম্ভৱ নহল সিহঁতৰ। দুৰ্জয় ধুমুহা, শিল বৰষুণত আহত বন্য পশুৰ দৰে খেদি আহিল সিহঁতলৈ।

শাহুৱেকৰ মন শঙ্কান্বিত হৈ পৰিল। জোঁৱায়েকে ততালিকে ডাল পাত আনি ছুটা বাঘমুৱা পঁজা সাজিলে শিলৰপৰা ৰক্ষা পাবলৈ। ছুয়ো পঁজাত মূৰ সোমাবলৈ নৌপাওঁতেই আহি পৰিল শিল বৰষুণৰ জাক। এন্ধাৰ ঘনাই আহিল। ধুমুহা বৰষুণ এৰাৰ কোনো লক্ষণ দেখা নগল। ইপিনে জাৰত শাহুৱেক ঠেৰেঙা লাগিল!

শাহুৱেক মূৰ ডাঙি লাহেকৈ কলে ঃ ময়ো তোমাৰ লগলৈ যাওঁ। ইয়াত অকলে মোৰ খুব জাৰ আৰু ভয় লাগিছে।

জোৱায়েকৰ উত্তৰলৈ অপেক্ষা নকৰি শাহুৱেক নিজেই দৌৰি গৈ সোমাল জোৱায়েকৰ পঁজাত আৰু ওচৰতে কুচি মুচি শুই পৰিল।

ধুমুহাই শাহুৱেকৰ ককালত মেৰ খাই থকা জন্তুৰ ছাল খন অসংযত কৰি পেলালে। আৰু বিজুলীয়ে পোহৰ কৰি তুলিলে পঁজাৰ মাজত থুপ খাই থকা এন্ধাৰ খিনি। জোৱায়েক তাতে পৰিতৃপ্ত নহল। উত্তেজনাত সাৰটি ধৰিলে শাহুৱেকক। ছুয়ো পাহৰি পেলালে নিজৰ নিজৰ পৰিচয়বোৰ আৰু পাহৰি পেলালে চাৰিওপিনৰ দুৰ্যোগময় পৃথিবীখনক।

বৰষুণ এৰিলে পাঁচদিনা ৰাতিপুৱা। চিব্ৰায়ে বিচাৰি বিচাৰি শিৱানীক পালেহি সেই অসংযত অৱস্থাতে, আৰু খণ্ডত শিৱানীক পৰিত্যাগ কৰিলে। অৱশেষে গোষ্ঠীৰ অন্যান্যসকলৰ অনুৰোধক্ৰমে ব্যৱস্থা কৰিলে শিৱানীৰ প্ৰায়শ্চিত্তৰ।

সেয়ে বড়োসকলৰ মতে প্ৰথম আৰু প্ৰধান পাপ আৰু তাৰ প্ৰায়শ্চিত্তৰ কাহিনী।

# বৰ্মাদেশৰ পুৰণি চিঠি।

সংগ্ৰাহক—শ্ৰীদণ্ডিৰাম দত্ত

[ ধনেশ্বৰীদেৱীয়ে বৰ্মাদেশৰ পৰা দৰঙ্গৰ ৰজা বিজয়নাৰায়ণ দেৱলৈ চিঠি পত্ৰৰ লেন দেন কৰে। ই ১৩৭ বছৰ আগৰ কথা। মঙ্গলদই সৰাবাৰীৰ শ্ৰীতাৰিণীচৰণ ভট্টাচাৰ্য্যৰ ঘৰত পুৰণি পুথি চাওঁতে এই চিঠি পোৱা হয়। এখেত বিখ্যাত পীতাম্বৰ দ্বিজৰ বংশৰ। খুব যতনেৰে ৰখা এওঁৰ ওপৰ মূল্যবান পুথি আছে। ৺ৰতিকান্ত দ্বিজৰ দৰং ৰাজ বংশাৱলীৰ পৰা এই চিঠিৰ নকল অনা হৈছে। ]

চিঠিৰ নকল

শ্ৰীহৰি

পৰম পূজনীয় পূজ্যতম শ্ৰীশ্ৰীযুক্ত অৰ্পইতা মহাৰাজ খুৰা দেৱতাৰ শ্ৰীচৰণ কমল যুগল মকৰন্দেষু।

পাদপদ্ম মকৰন্দ মধুকৰী শ্ৰীমতী ধনেশ্বৰী আইদেৱে চৰণাৰবিন্দে শত সহস্ৰ কোটিবাৰ দণ্ডবৎ প্ৰণাম প্ৰাৰ্থনা এহি যে শ্ৰীশ্ৰীখুৰাদেৱতাৰ আশীৰ্ব্বাদে বেটীৰ কৌশল মঙ্গল ও শ্ৰীশ্ৰীযুৱৰাজ দেৱতাৰো মঙ্গল। খুৰাদেৱে তাকে মুক্ষ্য কৰি সেই দেশত থকা আমাৰ বংশ পৰিয়াল সমস্তৰে কৌশল মঙ্গলৰ অৰ্থে মানৰ মতে আৰু আমাৰ মতে দান ধৰ্ম্ম কৰি সদা সৰ্ব্বদা শ্ৰীশ্ৰীঈশ্বৰৰ স্থানে প্ৰাৰ্থনা কৰিতেছি।

পূৰ্ব্বে খুৰাদেৱতাই বেটীক সালঙ্কৃতা কৰি মান ৰজালৈ দিলে, পাছে মান দেশ পালত শ্ৰীশ্ৰীমান ৰজাই লগত থৈ প্ৰতিপাল কৰিবলৈ বৰফুকন এটাৰ হাতত “জী বুলি প্ৰতিপাল কৰিবি নি” শোধাই দি ভালমতে ৰজাৰ চাঙ্গত কুৱৰীৰ মান মৰ্য্যাদা দি ৰাখিছিল। পাছে উক্ত মহাৰাজৰ ছত্ৰভঙ্গ হৱমেতৎ কনিষ্ঠ ভ্ৰাতা ৰজা হৈয়াতেহে একদেশ দি বিশিষ্ট মতে ৰাখি আছিল। পৰ আসাম দেশ হৈতে শ্ৰীশ্ৰীযুৱৰাজ ৰাজা এইদেশে আইসাতে মানৰজাই বেটীক সেই যুৱৰাজকে দিলে। সেই ৰাজাৰ দিনাবধি অদ্য পৰ্য্যন্ত মলু নামে একদেশ খাবৰ কাৰণ পাই আছু। ও যুৱৰাজে মান ৰাজাৰ পো-ভাইৰ মৰ্য্যাদা, বেটীয়ে ৰাজাৰ কুৱৰী ও দুহিত্ৰীৰ মৰ্য্যাদা পাই আছু। ও যুৱৰাজে সোণৰ ছত্ৰ ৪ খান, বেটীয়ে ২ খান মাৰি লৈ পাইছু। যুৱৰাজ দেৱতা সমে গৃহবাস কৰা প্ৰায় দুই বৎসৰ হৈ আছে। পূৰ্ব্বে আপুনদেশ হৈতে আইসা অৱধি অদ্য পৰ্য্যন্ত শ্ৰীশ্ৰীখুৰাদেৱতাৰ আশীৰ্ব্বাদে কিছু দুঃখ পোৱা নাই। বেটী বন্দীও বাৰ লৈ পাইছু ও মাতৃ খুৰা দেৱতাকে প্ৰমুখ্যে বংশ পৰিয়ালৰ অৰ্থেও, বেটীৰ আপনাৰ অৰ্থে মানৰ ও আপুনাৰ স্বজাতি মতে দানধৰ্ম্ম কৰিবলৈ পাইছু আৰু কৰিছু। আৰু বেটীক পূৰ্ব্বে খুৰা দেৱতাই মানলৈ দি পঠালে, দেৱতা সকলৰ কাৰ্য্যত হে বেটীয়ে কাণে নুশুনা চকুৱে নেদেখা ঠাই মান দেশত আছু। আৰু দেৱতা সকলৰ কোনো কথা ভালমন্দ ওলালেও বেটীয়ে গা পাতি ধৰোঁ। দেৱতা সকলৰ দেশৰ ৰাজ্য ৰক্ষাৰ কাৰণেহে বেটীয়ে আহি এই মানদেশ পালোহি, বৰং বেটীৰ মুখলৈ চাই উপৰি মহাৰাজা সকলৰ মুখলৈ চাই বেটীৰ ভগিনীৰ পুত্ৰ ভাগিনটী যে আছে তাৰ মাকো মৰিল; দেৱতা সকলে প্ৰতিপাল নকৰিলে প্ৰতিপাল কৰোঁতা অন্য কেহো নাই কাৰণে লিগিৰা কৰি দেৱতাৰ লগতে ৰাখি ছৱালী বুথৰি দি পাতি প্ৰতিপাল কৰিব।



বেটীয়ে আজি হস্তে দেৱতাৰ চৰণত বন্দী বুলি সমৰ্পণ কৰি দিলোঁ। আৰু শ্ৰীশ্ৰীপুঠাও দেৱতা ও পিতৃদেৱতা ও মাতৃদেৱতাৰ স্বৰ্গী হোৱা বছৰ মাহ তিথি সকলোখিনি বেটীয়ে জনা কৰি লিখি দি পঠাব আৰু দেৱতাই যে বেটীলৈ পূৰ্ব্বে ৰূপ ১০০০ হাজাৰ দিছিল ও সোণ ৪০ চল্লিচ দি পঠাইছিল সেইখিনি পালোঁ। কিন্তু পাছৰ যে ৰূপ ১০০০ দিছিল ও সোণ ৪০ চল্লিচ দিছিল সেইখিনি নেপালোঁ। কাৰ হাতত দিছিলা নাম লিখি পঠাবা। আৰু পাছত যে পত্ৰ দিছিলা সেই পত্ৰ পালোঁ। ও যুৱৰাজদেৱলৈ দিয়াও বেটীলৈ দিয়া কাপোৰ সকলোখিনি পত্ৰ দিয়া মতে পালোঁ। আৰু আমাৰ বংশৰ শ্ৰীবুদ্ধ ৰাম গোহাঁইক দেৱতা সকলৰ বাত্ৰা লবলৈ পঠাই দিছু; সেই গোহাইক বংশ হেন জানি সুধি পুচি খুৱাই ধুৱাই মৰম বেথা কৰি তাৰ হাততে আমাৰ বংশ পৰিয়াল কোন কোন আছে কোন কোন মৰিল সকলেখিনি লিখি পঠাবা। আৰু দেৱতাৰ পত্ৰ-চিহ্ন পাটসাকো, জোৰণীয়া চুৰিয়া এখন সেৱা কৰি ভেটী পঠাইছু। বুদ্ধ ৰাম গোহাঁইৰ হাতে বুজি লবা। আমাৰ কোশল মঙ্গল দেৱতাসকলৰ কোশল মঙ্গল বাত্ৰা লিখি পঠাব। অধিক কি প্ৰাৰ্থনা কৰিম। ইতি ১৭৪৭ শক মাঘ মাসে প্ৰতিপাদ তিথৌ।

পুনঃ—দেৱতাৰ পুত্ৰ বেটীৰ ভাই শ্ৰীগোহাঁইদেৱৰ প্ৰতি ৭ খন ডালিমা বাখৰৰ আঙঠি দি পঠাইছু। আৰু ৰৱজনা আইদেৱক প্ৰতি পাতা ১৭ তাৰে গলপাতা এটা এধাৰ দি পঠাইছু-বুজি লবা।

---

# ভূত প্ৰেত আৰু অন্ধ বিশ্বাস

শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী

অসমীয়া মন্ত্ৰ সাহিত্যবোৰৰ মাজত লোক বিশ্বাসৰ বহল বুৰঞ্জী এখন লুকাই আছে। এই মন্ত্ৰতন্ত্ৰ বোৰৰ মাজতো যে সাহিত্য সম্ভাৰ কিবা থাকিব পাৰে, তাক পোন প্ৰথমতে আনন্দৰাম ঢেকিয়াল ফুকনেই আঙুলিয়াই দিয়ে আৰু অসমীয়া পুথিৰ তালিকা প্ৰস্তুত কৰোঁতে মন্ত্ৰ পুথিবোৰৰো লেখ লয়। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে অসমীয়া সাহিত্যৰ বিৱৰণমূলক তালিকাত মন্ত্ৰ পুথিবোৰৰো উল্লেখ কৰিছে। বেণুধৰ ৰাজখোৱাৰ ভূত প্ৰেতৰ বিৱৰণ মূলক ‘Assamese Demonology’ বা অসমীয়া ভূত-প্ৰেত বিষয়ক পুথিখন অসমীয়া লৌকিক বিশ্বাসৰ এটি “মাইলৰখুটি” বুলিব পাৰি। কালিৰাম মেধি ডাঙৰীয়াৰ ‘ব্যাকৰণ আৰু ভাষাতত্ত্বত’ মন্ত্ৰ সাহিত্যৰ উল্লেখহে আছে, আলোচনা নাই, সাহিত্যিক ডিম্বেশ্বৰ নেওগৰ সাহিত্যৰ বুৰঞ্জীত এই বিষয়ে আলোচনা অলপ কৰিলেও জন বিশ্বাসৰ ইঙ্গিত আমি নেপাওঁ। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই “অসমীয়া কথা সাহিত্য”ত মন্ত্ৰ বোৰকো অসমীয়া গদ্যৰ নিদৰ্শন স্বৰূপে ডাঙি ধৰি লৌকিক বিশ্বাস আৰু থলুৱা উপদেৱতা আদিৰ বিষয়ে আলোচনা এটি তৰি গৈছে আৰু এইবোৰ একেলগে থুপাই প্ৰকাশ কৰিলে অসমীয়া লোক সাহিত্যৰ ডাঙৰ অভাৱ এটি পুৰণ হব বুলিছে। এই বিষয়ে আজিলৈকে অৱশ্যে আমি জনাত বিস্তৃত চৰ্চ্চা আলোচনা আদি হোৱা নাই।

ভূত প্ৰেত বোৰৰ আকৃতি, গঠন আদি আৰু সেই বিলাকৰ লগত জড়িত ফকৰা-যোজনা আৰু লোক বিশ্বাসৰ বিষয়ে এটি আলোচনা আগবঢ়াবলৈকে এই প্ৰসঙ্গৰ অৱতাৰণা কৰা হৈছে।

অসমীয়া জন বিশ্বাসৰ লগত জৰিত অপদেৱতা সমূহৰ ভিতৰত ভূত, প্ৰেত, বাক, বীৰা, খেতৰ, খেতৰী, কৰন্ধ, যখ, দত, পিশাচ, দলুৱা, গুলৈ, ডাইনী, নগাদেও, চামোন আদি আৰু উপদেৱতাৰ ভিতৰত ব্ৰহ্মদৈত্য, বুঢ়া ডাঙৰীয়া আদিৰ নাম পোৱা যায়। সেইবিলাকৰ আহাৰ বাসস্থান আদিৰ ধাৰণা এটিও লোক পৰম্পৰাই চলি আহিছে।

সাধাৰণতে বাকবোৰ পানীৰ কাষত থাকে বুলি বিশ্বাস আৰু মাছ-বেঙ ভেকুলী আদিয়েই বোলে ইহঁতৰ খাদ্য। ইহঁতৰ বোলে একো একোটা জোলোঙা থাকে। মানুহৰ দিন বেয়া হলে ইহঁতে ফুচুলাই মাছ মাৰিবলৈ বুলি মাতি নি বধ কৰিবগৈ পাৰে। যাক বধ কৰে, সেই মানুহজনৰ ৰূপ লৈ কেতিয়াবা কোনোবা গৃহস্থৰ ঘৰতো গৈ ইহঁত থাকিব পাৰে বুলি লোক বিশ্বাস এটি আছে আৰু অসমীয়া ভাষাত এই বিষয়ে একাধিক সাধু কথাও আছে। ইহঁতৰ মূৰত চুলি দুই এডালেহে থাকে বোলে। "বাকৰ ল'ৰা" বুলি ইতিকিং কৰা মানুহো দুই এজন ক'ৰবাত ওলাব। 'বাক'ৰ ভিতৰত আকৌ 'গো-বাক' নামৰ এবিধ আছে আৰু ইহঁতে গৰু মহ বধ কৰি ফুৰে বুলি কথিত। "থলত থল বজা পোতা পুখুৰীত বাকেই ৰজা' আদি একাধিক খণ্ডবাক্য বাকক লৈ অসমীয়া ভাষাত ৰচিত হৈছে।

কন্ধ বা কৰন্ধ নামৰ বিধৰ বোলে মূৰ নাই আৰু ইহঁতৰ ডিঙিয়েদিয়েই মুখ আছে। ইহঁতৰ বুকুত এটা মাত্ৰ চকু থাকে। মানুহ পালে ইহঁতে গোটে গোটে গিলিব পাৰে। অটব্য অৰণ্যৰ মাজৰ ডাঙৰ গছত সিহঁত থাকে বুলি বিশ্বাস। সচৰাচৰ শকত আৰু চাপৰ মানুহকো মানুহে কন্ধ বা কৰন্ধ বুলি বিদ্ৰূপ কৰে।

যখ, যখিনী, ডাইনী, খেতৰ খেতৰী আদি চুটি চাপৰ। যখিনীবোৰে পখৰা চিখৰা আঁক বাক কাপোৰ পিন্ধি কুটকুৰা চুলি মেলি "ফুটুকাৰ তলত টুক্ টুক চাপৰি বজাই" নাচে। ডাঙৰ মানুহ দেখিলে ইহঁতে ভয় খাই আঁতৰে যদিও সৰু লৰা ছোৱালী দেখিলে অনিষ্ট কৰিব পাৰে বুলি গাঁৱলীয়া মানুহে আজিও বিশ্বাস কৰে। যখিনীবোৰতকৈ যখবোৰ ধোদ আৰু এলেহুৱা আৰু খাদ্য সামগ্ৰী যেনে পোক, পৰুৱা মৰাশ আদি যখিনীবোৰেই যোগাৰ কৰি আনি যখ-বোৰক খুৱাব লাগে। লেতেৰা তিৰোতাক যখিনী বুলি আজিও উপলুঙা কৰা হয়। ধনগুলৈ বা গুলৈ বোৰৰ দৰে বোৰেও বোলে ধন ৰখীয়া হৈ থাকে আৰু কৃপন মানুহক যখ বুলি জোকোৱাও হয়। এলেহুৱা, কামবন নকৰাকৈ সৰহকৈ খাবলৈ বিচৰা মানুহক অসমীয়াই "খোৱাৰ যখ" বুলি ঠাট্টা কৰে। খঙাল মাইকী মানুহক ডাইনী বোলা ৰীতি অসমীয়া সমাজত আজিও প্ৰচলিত।

দ'ত দানৱ আদি ওখ আৰু হটঙা, সিহঁতৰ দীঘল দীঘল দাঁত আছে বুলি কথিত। দ'তবোৰৰে এচাম হ'ল ব্ৰহ্মদৈত্য। সিহঁতক তন্ত্ৰ-মন্ত্ৰয়ো সহজে টলাব নোৱাৰে।

পিশাচ, ভূত প্ৰেত আদি শ্মশানত, পিতনিত বা ডাঠ হাবিৰ ডাঙৰ গছত বাস কৰে। পিশাচবোৰে মৰিশালীৰ এঙাৰ খাই হেনো জীয়াই থাকে। ইহঁত থকা ঠাইৰ আশে পাশে শৌচ প্ৰসাব আদি কৰিলে বা আন ৰকমে জগৰ লগালে ইহঁতে মানুহক নানা লটি ঘটি কৰিব পাৰে। মানুহে স্থিৰতা হেৰুৱায় আৰু পাগলৰ দৰে আচৰিত কাৰ্য্য আদি কৰে। কাৰোবাৰ ওপৰত খঙ উঠিলে "পিশাচটো কটা" বুলি খৰা ডাবি একোটা দিয়াটো অসমীয়া যেনেকৈ পুৰণি



কলীয়া ৰীতি, সেইদৰে "ভূতৰ ওপৰতে দানহ" অসমীয়াৰ পৰিচিত পটন্তৰ।

গুলৈ, ধনগুলৈ আদিয়ে মৰা মানুহৰ সম্পত্তি আদিৰ মোহত পোতা ধনৰ ৰখীয়া হৈ থাকে। বন্ধ পিতনি, জলাশয় আদি বেয়া গেছ উৎপন্ন হৈ যি আধামুৰি জুইৰ সৃষ্টি হয়, তাকেই ধনগুলৈ বুলি অসমীয়া মানুহে বিশ্বাস কৰে। গুলৈ বোৰে কেতিয়াবা চপৰা আদিও দলিয়ায়। কৃপণ মানুহকেই সচৰাচৰ ধনগুলৈ বুলি আখ্যা দিয়া হয়।

দলুৱাবোৰৰ ঘৰ বাসস্থান বাঁহগছত। শকত শকত বাঁহবোৰ ঠনৰ ঠনৰ ভাঙি আৰু চপৰা, হাড় আদি দলিয়াই ইহঁতে মানুহক ভয় খুৱাব পাৰে। চপৰা দলিয়াই ফুৰা মানুহকো দলুৱা বোলা হয়।

বীৰা মানুহে পোহে। ইহঁতক মানুহৰ দৰেই খাবলৈ দিব লাগে। গৃহস্থক সন্তুষ্ট কৰিবলৈ চাকৰৰ যি কাম, পোহনীয়া বীৰাবোৰৰো হেনো তেনেকুৱাই কাম। ইহঁতে মানুহৰ বশ মানে আৰু যি কাম কৰিবলৈ দিয়া হয় তাকে কৰে। কৰ্ণ যোনিনী, কৰ্ণ পিশাচ আদি ইহঁতৰে এটা শ্ৰেণী। গৃহস্থৰ কানত ফুচফুচাই যেই সেই কথা ইহঁতে কৈ দিব পাৰে।

নগাদেওবোৰ নগা মানুহে পূজা পাতল কৰা ঠাইত উৎপন্ন হয় বুলি কথিত, ইহঁতে বৰ বেগাই এঠাইৰ পৰা আন এঠাইলৈ যাব পাৰে আৰু যাওঁতে বোলে থক্ থক্ শব্দ কৰে।

চামোন নামৰ আৰু এবিধ অপদেৱতা আছে, ইহঁতে গাওঁ পাতি বাস কৰে বোলে আৰু প্ৰকৃতিও বৰ নিৰ্জ্জু। চামোনৰ কবলত পৰা মানুহে মুখেৰে মাতিব নোৱোৰা হয় বুলি জন বিশ্বাস আছে বাবেই মুখেৰে মাতিব নোৱাৰ—"চামোনে পালে নেকি" আদি ফকৰাবো সৃষ্টি হৈছে।

এই কেইবিধ অপদেৱতাৰ বাহিৰেও কিছুমান উপদেৱতা যেনে—গন্ধৰ্ব্ব, কিন্নৰ, বিদ্যাধৰ, বুঢ়া ডাঙৰীয়া আৰু পৰী আদিৰ অস্তিত্বও অসমীয়া জন বিশ্বাসে স্বীকাৰ কৰি লৈছে। বুঢ়া ডাঙৰীয়াবোৰে সচৰাচৰ নামঘৰত নাম শুনি থাকে বোলে। ওখ, হটঙা আৰু মূৰত মথুৰা পাগ মাৰি এওঁলোকে ফুৰে বুলি কথিত আছে।

এই অপদেৱতা আৰু উপদেৱতা বোৰৰ কবলৰ পৰা ৰক্ষা পাবলৈ তন্ত্ৰ মন্ত্ৰৰ দেশ অসমত, নানা ঔষধ, মন্ত্ৰ আদি উদ্ভাৱনো হৈছে। কিছুমান মন্ত্ৰত চহা কল্পনাৰে ব্ৰহ্মা, বিষ্ণু আদি সৃষ্টিৰ নিয়ন্তা দেৱতাকো বুঢ়ি কোৰ লৈ পদূলী চিকুনাই থকা অৱস্থাত সজোৱা হৈছে। ভূত, প্ৰেত আদিৰ পৰা ৰক্ষা পাবলৈ তেনে এটি মন্ত্ৰত ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ কল্পনা আমোদ-জনক—

"ব্ৰহ্মাৰ কোৰ কদলী বিষ্ণু চাচে বাট।
ভূত প্ৰেত জীয়া জন্তু অন্তৰি থাক॥
মহাদেৱে হাটে চাচে বাট।
সকলো অন্তৰি থাক॥"—এই কেই ফাকি গাই ৰাতি ফুৰি ফুৰিলেও ভূত প্ৰেত কোনোৱে বোলে অনিষ্ট কৰিব নোৱাৰে। আন এটি তেনেকুৱা মন্ত্ৰত আৰবী, ফাৰ্চী আদি শব্দৰ প্ৰচুৰ প্ৰয়োগ মন কৰিব-লগীয়া :—

"দেৱো আইতন, কুৰচি বন্ধন, কোৰাণ বাহিৰে
ভিতৰে হক চোৱাহান।
লোহা কি ঘৰ, তামবেকা কেৱাৰ, চামনেকা চৰি,
পয়গম্বৰ কা বাৰী।
আমাৰ শৰীৰে দিনৰ চাৰি প্ৰহৰ, ৰাতিৰ চাৰি
প্ৰহৰ কিছু নাহি দেখি।
খালি বাহাকে হলকা ইল্লাহা, ইল্লাল্লাহা, মহম্মদেৰ
ৰচুলাল্লাহা॥—"

—প্ৰচুৰ বিদেশী শব্দ প্ৰয়োগ কৰা হইছে যদিও এই বাক্যৰীতিয়ে আৰু শব্দমালাই অসমীয়া বৈশিষ্ট্য হেৰুৱাই পেলোৱা নাই আৰু মুছলমানৰ অসম

আগমনৰ আগে পাছেই ই ৰচিত বুলি বিশ্বাসো হয়।

এই মন্ত্ৰবোৰৰ বাহিৰেও ভূত প্ৰেত আদিৰ পৰা ৰক্ষা পাৱলৈ ব্যৱহাৰ কৰা ঔষধবোৰো বেচ ৰহস্য-জনক আৰু তাৎপৰ্য্যপূৰ্ণ। বগা সৰিয়হ, নহৰু, জলকীয়া, জুই, দা-কটাৰী আদি অস্ত্ৰ লৈ ফুৰিলে ভূত ওচৰ চাপিব নোৱাৰে বোলে। তদুপৰি ভূতে ধৰা মানুহক জিকাৰ জীম পুৰি নাকেৰে উজাবলৈ দিয়া হয় আৰু তেনে কৰিলে ভূত পলায় বুলি কথিত। ভূত খেদিবলৈ বেজে বিহলঙনিৰে কোবাই জাৰে আৰু ভূতে এৰা দিলে চিন একোটা থৈ যাবলৈ বেজে নিৰ্দ্দেশ দিয়ে। ডাঙৰ গছৰ ডাল একোটা ভাঙি বা আন অপ্ৰাকৃত ঘটনা একোটা ঘটাই ভূত আঁতৰে বুলি অসমীয়া গাৱঁলীয়া মানুহে আজিও বিশ্বাস কৰে।

ভূত প্ৰেত আদিৰ বিশ্বাস কম বেছি পৰিমাণে পৃথিবীৰ সকলো দেশতে আৰু আজিৰ স্পুটনিক যুগতো ভূতৰ অস্তিত্ব অস্বীকৃত হোৱা নাই। অতৃপ্ত আত্মা-বোৰেই ভূত প্ৰেত হৈ ঘূৰি ফুৰে বুলি মানুহে আজিও বিশ্বাস কৰে। মানুহৰ মনৰ আন্ধাৰ কোঠালিত উৎপন্ন কাৰণেই নেকি, ভূত প্ৰেতবোৰৰ বৰণ ক'লা আৰু ইহঁতে ক'লা মেকুৰী, ক'লা কাউৰী আদিৰ ৰূপ লবও পাৰে বুলি মানুহৰ ধাৰণা। ভূতৰ গল্প লিখিবলৈ ভূত ওলোৱা ডাক বঙলা বিচাৰি ফুৰা এজন মানুহ এবাৰ লগ পাইছিলোঁ। আৰু তেওঁ গল্প এটাও কৈছিল এনেদৰে "চাহাব এজনে ডিনাৰ টেবুলত বহি আহাৰ খাই থাকোঁতে ঘৈণীয়েকৰ লগত কাজিয়া লাগে আৰু কাটা চামুচেৰে ঘৈণীয়েকৰ ডিঙিত খুচি দিয়াত ঘৈণীয়েকৰ থিতাতে মৃত্যু হয়। সেই ডাক বঙলাটোত আজিকালিও মাজ ৰাতি কাটা চামুচৰ থুনথান শব্দ আৰু মাইকী মানুহৰ আৰ্ত্তস্বৰ শুনা যায় বোলে।"

এইটো সঁচা মিছা আমি নেজানো। কথা গুৰুচৰিত পুথিত এজন মানুহৰ উপৰি পুৰুষসকল ভূত প্ৰেত হৈ থাকি কাউৰীৰ ৰূপ লৈ শ্ৰাদ্ধৰ কল, গাখীৰ আদি খোৱাৰ এটি বৰ্ণনা আছে। আৰু এটি ঘটনা এই-খিনিতে উল্লেখিয়ালে বোধ হয় অপ্ৰাসঙ্গিক নহব। গাৱঁলীয়া মানুহ এজন মৰাৰ এবছৰমান পাছত বছৰেকীয়া শ্ৰাদ্ধ পাতি পুতেক ঘৈণীয়েকে এটি দিছিল আৰু সৰল বিশ্বাসৰ হোজা ঘৈণীয়েকে, সেই পিণ্ডনো কোনে কেনেকৈ গ্ৰহণ কৰে চাই আছিল। কৰবাৰ পৰা এটা ঢোৰা কাউৰী উৰি আহি পিণ্ডৰ ওচৰতে পৰি-লহি। ঢোৰা কাউৰীবোৰে কেতিয়াবা আচৰিত আচৰিত মাত মাতে। বুঢ়ীৰ পুতেকে দি যোৱা পিণ্ডটিৰ গাখীৰ খাবলৈ পাই কাউৰীটোৱে "বোলাকা—বোলাকা—ঠোঙ্গা" এনে ধৰণৰ এটা অদ্ভুত মাত মাতিলে। ওচৰত বৈ থকা পুৰোহিতে কাউৰীৰ সেই মাতৰ টীকা ভাষ্য কৰিলে এনেদৰে—"বলোমাক বলোমাক টেঙা" অৰ্থাৎ টেঙা গাখীৰ দিছে বুলি কৈছে। কোৱা বাহুল্য লৰাটিৰ নাম বলো। সৰল বিশ্বাসৰ হোজা বুঢ়ীয়ে আঠু লৈ তৎক্ষণাৎ উত্তৰ দিলে—"টেঙা হবতো। আজি চাৰি পাচ দিনৰ আগৰ দৈ। আপুনি কালিলৈ আহিব মই ভাল গাখীৰ দিম।" বুঢ়ীয়ে কাউৰীক সেৱা কৰিবলৈ ধৰোঁতেই কাউৰীটোৱে তাক কিবা অনিষ্ট কৰিব বুলি ভাবি উৰা মাৰিলে।

অসমৰ জন বিশ্বাসৰ লগত জড়িত ভূত প্ৰেত আদিৰ বিষয়ে বিস্তৃত আলোচনা হলে অসমীয়া লোক বিশ্বাসৰ বহল বুৰঞ্জী এখন হবগৈ। মন্ত্ৰ পুথিবোৰৰ মাজত সোমাই থকা এই অপদেৱতাবোৰৰ বিষয়ে চৰ্চ্চা কৰিলে নানা আমোদজনক কথা উদ্ঘাটন হব বুলি আমাৰ বিশ্বাস।

---

# প্ৰাচীন কামৰূপৰ লৌকিক উৎসৱ

শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্য, এম, এ,

**বিয়াত আকস্মিক তৰ্ক-প্ৰতিযোগিতা ঃ—**

প্ৰাচীন কামৰূপৰ বিবাহ উৎসৱত বহুতো লৌকিক প্ৰথা অৱলম্বন কৰা দেখা যায়; তাৰে ভিতৰৰ এটা হল আকস্মিক তৰ্ক-প্ৰতিযোগিতা। বিয়াৰ দিনা নিশা কইনাৰ ঘৰত এই প্ৰতিযোগিতা চলে। বৰ-যাত্ৰী আহি কইনা ঘৰত নিৰ্দিষ্ট ঠাইত আসন গ্ৰহণ কৰে। উভয় পক্ষৰ সমজুৱাসকল সাধাৰণতে দুভাগ হৈ বহে; উভয় পক্ষতে সংস্কৃত টোলৰ ছাত্ৰসকলৰ বাবে আসন আৰু অভ্যৰ্থনাৰো বিশেষ বন্দৱস্ত ৰখা হয়। বৰ আহি পোৱাৰ পাছত গায়ন-বায়নৰ নৃত্য-গীত তিৰোতাসকলৰ মঙ্গল-উৰুলি আৰু উপস্থিত জনতাৰ উৰুলি-মুৰুলিৰ কিছু উপশম হলেই যেই কোনো পক্ষৰ পৰা টোলৰ ছাত্ৰ এজন থিয় হৈ প্ৰতিপক্ষৰ ছাত্ৰসকলক তৰ্ক-প্ৰতিযোগিতাত যোগ দিবৰ বাবে এইদৰে আহ্বান জনায়—"এতস্যাং বিৱাহ-মণ্ডলিকায়াং যে যে ছাত্ৰাঃ সন্তি মদীয়-প্ৰশ্নোত্তৰদানে অলং ৱৰ্ত্তন্তে চেৎ তৰ্হি তূৰ্ণে নৈৱ উচ্যতাম্।" প্ৰতিপক্ষৰ পৰা সন্মতিসূচক উত্তৰ পালেই আহ্বানকৰ্ত্তাই বিতৰ্ক-মূলক বিষয় এটা উত্থাপন কৰি বিচাৰৰ বাবে আগ বঢ়ায়। সাধাৰণতে জ্যোতিষ, ব্যাকৰণ, মীমাংসা আদি যিবোৰ বিষয় টোলত অধ্যয়ন আৰু অধ্যাপন কৰা হয় সেইবোৰ বিষয়ৰে গধুৰ অথচ শিক্ষণীয় যেই কোনো প্ৰশ্ন উত্থাপন কৰা হয়। দুই-চাৰি মিনিটৰ ভিতৰতে প্ৰতিপক্ষৰ কোনোবা নহয় কোনোবা এজনে থিয় হৈ প্ৰশ্নোত্তৰদানৰ পাতনি মেলে। লগে লগে ইজনৰ পাছত সিজনকৈ কেতিয়াবা বহুতো প্ৰতিযোগীয়ে আলোচনাত অংশ গ্ৰহণ কৰে; ক্ৰমান্বয়ে আলোচনাৰ গুৰুত্ব আৰু পৰিসৰ বাঢ়ি যায়। বিষয় যিমানেই জটিল হয় আলোচনা সিমানেই ৰসাল, আকৰ্ষণীয় আৰু ব্যাপক হৈ পৰে।

"প্ৰজ্ঞায়ে জুৰিল হাট বাট ঘাট মানে।
নানাবিধ ৰস মিলি আছে থানে থানে॥"

সঁচাকৈয়ে প্ৰাচীন কামৰূপৰ বিয়াত প্ৰজ্ঞাবৃন্দই যি নানাবিধ ৰসৰ সমল পাইছিল তাৰ ভিতৰত সাহিত্যৰসো বাদ পৰা নাছিল। সাধাৰণ বিষয়-বোৰৰ সিদ্ধান্ত সোণকালেই হৈ যায়; তেতিয়া একাধিক বিষয়ৰ আলোচনাও হয়। কিন্তু গুৰু আৰু জটিল বিষয়বোৰ কেতিয়াবা একে নিশাতেই শেষ হৈ নুঠাত পৰেগৈ। তেতিয়া তাক পৰৱৰ্ত্তী অধিবেশনলৈ স্থগিত কৰা হয়। পিছৰ যেই কোনো বিৱাহ-উৎসৱত এইদৰে নিমন্ত্ৰিত হৈ গৈ ছাত্ৰসকলে আলোচনা কৰেগৈ। সুসিদ্ধান্তত উপনীত নহলে কেতিয়াবা একো একোটা বিষয়কে তিনি-চাৰিটা বৈঠকত আলোচনা কৰিব লগীয়া হয়গৈ। প্ৰতিযোগী ছাত্ৰসকলে ইতিমধ্যে সময় আৰু সুবিধা পাই পাছত আলোচনালৈ ভালদৰে সাজু হৈ পৰে। কোনো কোনো সময়ত দুটা-এটা জটিল বিষয় ছাত্ৰ-সংসদত কোনোমতেই মীমাংসা হৈ নুঠাত পৰেগৈ। তেতিয়া সকলোৱে সম্মতিক্ৰমে তেওঁলোকে ছাত্ৰসমাজৰ বাহিৰৰ অইন এজন যোগ্য ব্যক্তিক মধ্যস্থ ৰূপে নিয়োগ কৰে। মধ্যস্থ ব্যক্তিৰ সিদ্ধান্তকে দুয়ো পক্ষই মানি লবলৈ বাধ্য হব লাগে।

এই আকস্মিক তৰ্ক-প্ৰতিযোগিতা আদিৰ পৰা

অন্তলৈকে সংস্কৃত ভাষাতে চলোৱা হয়। অলপ দিনৰ অভ্যাসতে আৰু অলপ প্ৰয়াসতে টোলৰ ছাত্ৰসকলে সংস্কৃত ভাষাত কথা কব পৰা হৈছিল। এইটো এটা লক্ষ্য কৰিব লগীয়া বিষয় যে ব্যাকৰণ আৰু অন্যান্য শাস্ত্ৰত বিশেষ জ্ঞান লাভ নকৰাকৈয়ে টোলৰ ছাত্ৰ-সকলে সংস্কৃত ভাষাত মাতৃ-ভাষাৰ দৰে সলসলীয়াকৈ কথা কব পাৰিছিল। এই তৰ্ক-প্ৰতিযোগিতাত তেওঁলোকৰ কোনো পুথি-পাঁজি চাই বা লিখিত টোকা চাই যোগ দিবলৈ দিয়া নহয়। ছাত্ৰসকলৰ প্ৰত্যুৎপন্নমতি, বাদানুবাদশক্তি আৰু স্মৃতিশক্তি পৰীক্ষাৰ ই এটা উত্তম পদ্ধতি আছিল। যিসকল ছাত্ৰই প্ৰতিযোগিতাৰ পটুতা দেখুৱাই সঘনে জিকিছিল তেওঁলোকক সমাজে কেতিয়াবা তৰ্ক বাগীশ, তৰ্কশাস্ত্ৰী আদি উপাধিৰেও ভূষিত কৰিছিল বুলি শুনা যায়। কোনো কোনো ছাত্ৰই বিষয় বিশেষ অধ্যয়নৰ বাবে আৰু উপাধি-বিশেষ লাভৰ বাবে কাশী, নৱদ্বীপ আদি ঠাইলৈ গৈছিল যদিও বহুতে ইয়াত থাকিয়েই উপাধি লাভ কৰিছিল। এই প্ৰসঙ্গত 'কন্দলী' উপাধিটোলৈ আমি আঙুলিয়াই দিওঁ। অসমত 'কন্দলী' উপাধিযুক্ত কেবাটাও নাম পোৱা যায়—"তৰ্কত লভিলা নাম অনন্ত কন্দলী।" শব্দ টোলৈ চাই ই অইন ঠাইৰ পৰা অহা উপাধি নহয় যেন লাগে আৰু লৌকিক বুলি মনে ধৰে, যদিহে ই নামৰ অংশ নহৈ উপাধিহে হয়। প্ৰাচীন ভাৰতত নানা উপায়েৰে বাহুবল, বুদ্ধিবল দেখুৱাই প্ৰাৰ্থীয়ে ৰজা-মহাৰজা সকলৰ স্বয়ম্বৰ সভাত কন্যা লাভ কৰাৰ বহুতো উদাহৰণ আছে। কেৱল সেয়ে নহয়, তৰ্ক-প্ৰতিযোগিতাত পাৰ্গতালি দেখুৱায়ো এনে যশ-গৌৰৱ লাভ কৰাৰ উদাহৰণো বিৰল নহয়। মহাকবি কালিদাসে বিদ্যাৱতীক পত্নীৰূপে লাভ কৰাৰ মূলতো তৰ্ক-প্ৰতিযোগিতা এটাইহে আছিল মূল ভিত্তি। সুদূৰ অতীতৰ এনে এটা আদৰ্শমূলক প্ৰথাই বিস্তৃতি লাভ কৰি কিঞ্চিৎ স্বকীয়া ৰূপ লৈ প্ৰাচীন কামৰূপৰ বিবাহ-উৎসৱৰ লৌকিক অঙ্গ-স্বৰূপে থিতি লবহি পাৰে বুলি ভাবিবৰ যথেষ্ট হেতু ওলায়।

**বাঁহবিয়া**: আজি প্ৰায় দুশমান বছৰৰ আগৰ কথা। ঘেনা শেখ ওজা নামেৰে এজন মুছলমান ওজা (চিকিৎসক) গোৱালপাৰাৰ পৰা নলবাৰীৰ পিনে আহে, আৰু নলবাৰীৰ উত্তৰ পিনে চামতা নামৰ ঠাইত বসতি কৰিবলৈ লয়। তেওঁ শঙ্খ জাৰি সৰ্প-দংশন চিকিৎসা কৰিব পাৰিছিল বুলি প্ৰৱাদ আছে। কাৰবাক সাপে খুটিৱালে তেওঁৰ ওচৰলৈ যদি চিকিৎসাৰ বাবে যোৱা হয় তেওঁ প্ৰথমতে দুটা শঙ্খ আনি মন্ত্ৰমাতি জাৰিব ধৰে। মন্ত্ৰবলত শঙ্খ দুটা শক্তিশালী আৰু গতিশীল হৈ পৰে। তেতিয়া দুয়োটাকে তেওঁ হাতৰ মুঠিৰ পৰা এৰি দিয়ে; দুয়োটা শঙ্খ একেলগে কোবাল গতিৰে যাব ধৰে আৰু য'তে কি নেথাকক সেই খুটিওৱা সাপটোক বিচাৰি উলিয়ায়। দুয়োটাই ধৰি সেই সাপক মুচৰি-সামৰি মাৰি ওজাৰ সমুখত পেলাই দিয়েহি; লগে লগে যাক খুটিয়াইছিল সেই মানুহজনৰ বিষ আপোনা-আপুনি নামি আহে আৰু তেওঁ আৰোগ্য লাভ কৰে।

এই ওজাজনেই এদিন সপোনত দেখিবলৈ পাইছিল যে তেওঁৰ বাৰীত থকা বাহঁৰ ওপৰত বহুতো চোৰঁৰ পৰি আছে। ই এটা মাঙ্গলিক সঙ্কেত। সপোনত আদেশ হল যে সেই বাঁহনিত নিৰ্দিষ্ট সময়ত দুটা বাঁহৰ একে সমানে গজালি ওলাব আৰু তেওঁ সিহঁতৰ বিয়া পাতি উৎসৱ কৰিব লাগিব; তেতিয়া তেওঁৰ ঘৰ বিপদ বিঘিনিৰ পৰা সদায় নিৰাপদ হব পাৰিব। সচাঁকৈয়ে পিছ দিনাৰ পৰাই তেওঁৰ ঘৰুৱা জীৱনৰ ধৰণ-কৰণ বদলি আহিব ধৰিলে। মাইকী মানুহে ঘৰৰ চোতালত ধান-চাউল, মাহ-সৰিয়হ আদি ৰ'দত মেলি দিয়ে। ইবোৰৰ ঘৰত চৰাই-চিৰিকতি, গৰু ছাগলীৰ উৎপাতত গিৰিহঁত বৰ নোৱাৰা হয়। ওজাদেৱৰ ঘৰত কিন্তু চোতালত কিবা মেলি দিলেই দুপিনৰ পৰা হেনো দুডাল প্ৰকাণ্ড সাপ আহি ফণা মেলি থিয় দিয়েহি আৰু নিজে-পতা ৰখীয়া হৈ সকলোবোৰ উপদ্ৰৱৰ পৰা ৰক্ষা কৰেহি; গিৰিহঁতে সকাহ পায়। ওচৰ-চুবুৰীয়াই দেখি হতভম্ব হয়, চকু থিৰ কৰে।

সপোনত কোৱা মতে ব'হাগৰ পহিলা তাৰিখে তেওঁৰ বাৰীত একে সময়তে একে সমান বাঁহৰ দুটা গজালি ওলায়। সপোনৰ আদেশ মতেই ব'হাগ মাহৰ তৃতীয় ৰবিবাৰে গজালি দুটা কাটি অনা হয়; দুয়োটাকে কাপোৰ-কানিৰে সজাই পৰাই তেল-সেন্দূৰ ঘঁহি দৰা-কইনাৰ ৰূপ দিয়া হয়। সেই দিনটো যোৰণৰ দিন বুলি ধৰা হয়, পিছদিনা অৰ্থাৎ সোমবাৰে বিয়া। বিয়াৰ দিনা দৰা-কইনা চাবলৈ মানুহে জুমুৰি দি ধৰে। মানুহৰ বিয়াৰ সৈতে এই বাঁহ-বিয়াৰ পাৰ্থক্য এইখিনিতে যে ইয়াত এই উপলক্ষে বিৰাট মেলা বহে (কামৰূপত ইয়াক 'সভা' বোলা হয়)। নানান ঠাইৰ পৰা নানান মানুহ আহি বেচা-কিনা কৰেহি; লগতে বৰ-কইনা চাই প্ৰকৃতি-দম্পতীৰ প্ৰতি টকা-পইচা আৰু অন্যান্য উপঢৌকন আগ বঢ়াই সকলো মানুহ ৰঙে ৰঙিয়াল হৈ পৰে। উছৰ্গাত দিয়া টকা কেতিয়াবা পাঁচশ ছশ পৰ্য্যন্তও হৈছিল বুলি শুনা যায়। ইয়াৰ পৰাই অনুষ্ঠানটোৰ প্ৰতি ৰাইজৰ আগ্ৰহ আৰু সহযোগৰ কথা অনুমান কৰিব পাৰি। সপোনৰ আদেশ অনুসৰি ই এটা বছেৰেকীয়া উৎসৱত পৰিণত হয়গৈ। প্ৰতিবছৰে সেই নিৰ্দিষ্ট দিনত ওজাৰ বাৰীত সেই বাঁহৰ গজালি ওলায় আৰু উৎসৱ পালন কৰা হয়। এই উপলক্ষে সমূহ মুছলমান ৰাইজ মিলি ভোজ-ভাতো খায়। খৰছটো প্ৰায় উছৰ্গাৰ টকাৰেই হয়গৈ, নহলে ওজাই ঘৰৰ পৰাই দিয়ে। বাঁহনিত জনতাৰ যাতায়াতৰ অসুবিধা হোৱা বাবে পাছলৈ এই উৎসৱ স্থানীয় মছজিদৰ সমুখতে পতা হৈছিল। আজি কিছুদিনৰ আগৰ পৰা ই প্ৰায় উঠি গৈছে যদিও ইয়াৰ সোৱঁৰণী চিত্ৰ আজিও এই অঞ্চলত ৰাইজৰ চকুত আগত জিলিকি আছে। মানুহ ঘৰৰ যোগেদি এনে এটা নতুন ধৰণৰ উৎসৱ ৰাজহুৱা ভাবে পালন কৰা হৈ অহা বাবে তেওঁলোকক 'ফকিৰৰ ঘৰ' বোলে, আৰু ইয়াৰ পৰাই গোটেই চুবুৰিটোৰ নাম হৈ পৰিছে 'ফকিৰথেৰ চুবা' (ফকিৰ-হঁতৰ চুবুৰি)। আজিও এই নামেৰেই এই অঞ্চল বিখ্যাত আৰু ইয়েই এই স্থানবিশেষৰ' অতীত ইতিবৃত্ত।

কামৰূপত বহাগ মাহত 'ভঠেলি' নামৰ এটা বাঁহ-পূজা উৎসৱো পালন কৰা হয়। দুয়োটাৰে ভিতৰত সাদৃশ্য অলপ থাকিলেও পাৰ্থক্য বেছি। অসমীয়াৰ আদিম সংস্কৃতি আৰু দৈনন্দিন জীৱনৰ সৈতে এৰাব নোৱাৰা সম্বন্ধ থকা বাবে দুয়োটাতে বাঁহগছৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তি-সমাদৰ জনোৱাৰ প্ৰথা ৰক্ষিত হৈছে। কিন্তু বাঁহ-বিয়া মূলতে ব্যক্তিগত। ভঠেলিৰ মূল সম্বন্ধে জনা নেযায়। বাঁহ-বিয়া আদিতে মুছলমান সমাজৰ মাজত আৰম্ভ; ভঠেলি হিন্দু সমাজতহে। জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৱে উৎসৱ হিচাপে যোগ দিয়াটো গৌণ। বাহঁ-বিয়া মাত্ৰ বহাগৰ দুটা নিৰ্দিষ্ট দিনতহে পতা হৈছিল, ভঠেলি গোটেই বহাগ মাহ জুৰি কামৰূপৰ বিভিন্ন ঠাইত পতা হয়।

এই বাহঁ-বিয়াত আঁতি-গুৰিৰ বিষয়ে ভাবিলে আমি অসমীয়া হিন্দু-মুছলমানৰ মাজত চিৰদিন ব্যাপি থকা ভ্ৰাতৃত্ব আৰু বিশ্বাসৰ একেডালি মাথোন সংযোগ-সূত্ৰ দেখিবলৈ পাওঁ, বিশেষকৈ কিছুমান লৌকিক প্ৰথা আৰু উৎসৱ আদিৰ ক্ষেত্ৰত! সপোনত বাহঁ গছৰ ওপৰত চোৰঁৰ দেখা আৰু তাকে মাঙ্গলিক বুলি বিশ্বাস কৰি উৎসৱ পালন কৰা বিষয়টোৱে ভঠেলিৰ প্ৰতি তথা হিন্দুৰ উৎসৱ এটাৰ প্ৰতি সপোন দ্ৰষ্টাৰ বিশ্বাসৰ প্ৰমাণ এটি দাঙি ধৰে। ইয়াৰ উপৰিও হাবি-তলীয়া

সম্পদ এটাও মনুষ্যৰূপে কল্পনা কৰি প্ৰাণ-প্ৰতিষ্ঠা কৰি বিবাহ-উৎসৱ পালন কৰা বিষয়টোৱেও এনে এটা বিশ্বাসৰে আভাস দিয়ে। এই প্ৰসঙ্গত আমি জাৰি আৰু জিকিৰ গীত দুই এফাঁকিলৈ আঙুলিয়াব পাৰো—"আল্লা নামৰ বৃক্ষ ডালি, তাতে চৰে হংসপখী"। আগৰ দিনৰ হংসধ্বজ, কপিধ্বজ, ময়ূৰধ্বজ আদি নামৰ সৈতে আৰু ধ্বজা পূজাৰ প্ৰচলনৰ সৈতে ভটেলিৰ বাঁহগছৰ ওপৰত বান্ধি দিয়া ধ্বজা("পাৰ")ৰ সম্বন্ধ থাকিব পাৰে। মুছলমান ওজাই বাঁহ গছৰ ওপৰত চোৱাঁৰ দেখা আৰু তাৰে ওপৰত আধ্যাত্মিক গুৰুত্ব স্থাপন কৰি উৎসৱ পালন কৰা বিষয় টোৱে অসমীয়া হিন্দু আৰু মুছলমান সম্প্ৰদায়ক একেখনি আধ্যাত্মিক ভাৱৰাজ্যলৈকে লৈ যায়। সেইদৰে অইন এটা জিকিৰত পোৱা যায়—

"চান্দ সুৰুযক মেঘে বিয়া দিলে
মলয়া বতাহে পাই।"

কাব্যিক হলেও চন্দ্ৰ-সূৰ্য্যৰো বিবাহ হোৱা কথাষাৰত এই গীত উল্লেখ-যোগ্য। মানুহৰ দৰে প্ৰাকৃতিক সম্পদ সমূহৰ মাজতো বৈবাহিক সম্বন্ধ হব পাৰে এয়ে লৌকিক বিশ্বাস, আৰু এনে এটা বিশ্বাসৰ ওপৰত ভিত্তি কৰিয়েই বাঁহ-বিয়াও পতা হৈছিল। অসমীয়া হিন্দু-মুছলমানৰ মহামিলনৰ ইও এটি যোগসূত্ৰ।

* প্ৰবন্ধটো জনশ্ৰুতিৰ ওপৰত ভিত্তি কৰি লিখা হৈছে

---

# অসমীয়া ভাষাত সমাস

**শ্ৰীপ্ৰিয়দাস তালুকদাৰ**

[ অসমীয়া ভাষা বহুখিনি আগবাঢ়ি গৈছে। নানা ভাষাৰ পৰা শব্দসম্ভাৰ, উপসৰ্গ, প্ৰত্যয় আদিও আহিবলৈ ধৰিছে। এই সকলোবোৰকে লৈ নতুনকৈ ব্যাকৰণ লিখিবলগীয়া হৈছে। বৰ্ত্তমানে থকা ব্যাকৰণে আমাৰ ভাষাৰ সকলোখিনি খুটি-নাতি স্থান দিব পৰা নাই। ইয়াৰ বাদেও যি কেইখন ব্যাকৰণ আছে সেই কেখনৰ মিল নাই। ৺সত্যনাথ বৰাদেৱে বহল ব্যাকৰণ লিখি অসমীয়া ভাষাৰ বহুত খুটি-নাতি উলিয়াইছিল। তেখেতৰ পাছত আৰু কোনেও এই বিষয়ে ধনিষ্ঠামানো চিন্তা কৰা নাইযেন লাগে। স্কুলীয়া পাঠ্য হিচাবে ব্যৱহাৰ হোৱা ব্যাকৰণবোৰ গতানুগতিক আৰু ভুল-প্ৰমাদেৰে ভৰা। গতিকে অভিজ্ঞলোকে এই বিষয়ে আগবাঢ়িব বুলি আশা কৰি এই সামান্য প্ৰবন্ধটি আগবঢ়ালো। ]

—লিখক।

সমাস বাক্য সঙ্কোচনৰ এটি ক্ৰম। দুটা বা অধিক পদ, একোটা বাক্যখণ্ড অথবা একোটা পূৰ্ণ বাক্যকো সানি-পুটকি সমাসে একেটাপদ যেন কৰি থয়।

সকলো ভাষাৰে একোটা নিজস্ব ঠাচ আছে। তাকে ভাষাৰ জতুৱা ঠাচঁ বোলে। ই বিশেষকৈ ক্ৰিয়াৰ ব্যৱহাৰ বুজায়। নাম ডাকে, বিছাই ডাকে, চৃণে ডাকে, সৰ্পে ডাকে কুকুৰাই ডাকে; ফুল তোলে, শাক তোলে, পোটক তোলে, পানী তোলে, ধন তোলে, ঢোলবায়, জালবায়, হালবায়, নাওবায়, হাতবায়, মুখবায়, বৰশীবায়, ইত্যাদিত ভিন্ ভিন্ শব্দৰ লগত একেটা ক্ৰিয়াই ভিন্ ভিন্ অৰ্থ প্ৰকাশ কৰিছে। একেটা শব্দৰ লগত ভিন্ ভিন্ ক্ৰিয়াপদ ব্যৱহাৰ হলেও এনেদৰে শব্দৰ অৰ্থ ভিন্ ভিন্ হয়।



নাম ডাকে, নাম গায়, নাম কয়, নাম কৰে, নাম ধৰে, নাম লয়, নাম থয়, নাম সুমায়, নাম ডুবায়, নাম ৰাখে, নাম পায় আদি ভিন ভিন ক্ৰিয়াৰ যোগত নাম শব্দই ভিন ভিন অৰ্থ প্ৰকাশ কৰিছে। এয়ে ভাষাৰ জতুৱা ঠাচঁ।

অকল ক্ৰিয়াপদৰ ব্যৱহাৰতে যে এই ঠাচঁ থাকে এনে নহয়; আন আন পদৰ সংযুক্ত ব্যৱহাৰো এটি আছে, তাতো ভাষাৰ ঠাচঁ প্ৰকাশ পায়। মুখৰ মাত, মুখৰ কথা, মুৰপোলোকা, হাতখৰ, হাতলৰ, হাতধৰ, হাত দীঘল, দীঘল হাত, গা-নৰিয়া, গা-ভাৰী, ভাতঘৰ, ভাতে ভঁৰাল, চকুৰ কুটা দাঁতৰ শাল, মানভগন, মানকচু, ধন ভগন, মান মাটি, মান মন্দিৰ, পানী-চাং পানী-বাট, পানী-দুৱাৰ, পানী-পোতা, পানী-পচা, পানী-গছা, পানী কেঁচুৱা আদি শব্দ বোৰৰো যৌগিক অৰ্থ একোটা আছে; ইয়াকে আমি ৰূঢ়াৰ্থ বুলি কব পাৰোঁ। বিশেষ বিশেষ কিছুমান শব্দ সমষ্টি, বাক্যখণ্ড অথবা বাক্যৰ সলনি এই ৰূঢ়াৰ্থক শব্দবোৰ ব্যৱহৃত হয়। চমুকৈ কবলৈ হলে এয়ে সমাস। সেই শব্দ সমষ্টি, বাক্যখণ্ড আৰু বাক্যই সমাস বাক্য বা ব্যাস বাক্য আৰু সিদ্ধ হোৱা বা সলনি বহা শব্দই সমস্ত পদ বা সমাস সিদ্ধ পদ।

পানীৰ কলহ আদি থোৱা চাং = পানী-চাং
পানী অনা বাট = পানী বাট
পানী পৰে য'ত = পানী-পোতা
পানীয়ে পঁচায় য'ত = পানী-পঁচা
পানী টোকা গামোচা = পানী গামোচা
পানী বাস্প হৈ ওপৰলৈ উঠি গছৰ দৰে হোৱা = পানীগছা
পানীৰ দৰে আহাৰ খোৱা কেঁচুৱা = পানী-কেঁচুৱা
মানৰ ভয়ত ভগন = মান ভগন
ধনৰ ভগন = ধন-ভগন
গঙ্গাৰ জল = গঙ্গাজল
গঙ্গাৰ জল সদৃশ পৱিত্ৰ যি = গঙ্গাজল
পনীয়া কিন্তু সোণৰ দৰে মূল্যৱান = পনীয়া সোণ
চকুত পৰা কুটা সদৃশ কষ্টদায়ক = চকুৰ-কুটা
চকুৰ মণিৰ দৰে মূল্যবান = চকুৰমণি
মান কৰি দিয়া মাটি = মান মাটি
মান দেশত হোৱা ধপাঁত = মান ধপাঁত
শিৱ পূজাৰ মন্দিৰ = শিৱ-মন্দিৰ
জয়মতীৰ নাম ৰাখিবলৈ খন্দা সাগৰ = জয় সাগৰ
সোণ বৰণীয়া তৰাৰ দৰে যি = সোণ তৰা

ওপৰত লিখা বাক্য, বাক্য খণ্ড বা পদ সমষ্টিলৈ আৰু সলনিহৈ বহা পদবোৰলৈ লক্ষ্য কৰিলেই ধৰিব পাৰি যে সলনি হৈ বহা বা সিদ্ধ পদ বোৰৰ দ্বাৰা একোটা যৌগিক বা ৰূঢ় অৰ্থ প্ৰকাশ কৰা হৈছে। ব্যাস বাক্য আৰু সমাস সিদ্ধ পদ এই বোৰেই।

সংস্কৃত ব্যাকৰণমতে সমাস মুঠতে চাৰিবিধ। তৎপুৰুষ, দ্বন্দ্ব, অব্যয়ীভাৱ আৰু বহুব্ৰীহি। এই চাৰিবিধ সমাসেই ২০টা মানতকৈ অধিক উপভাগত ভাগ হৈছে। তাৰ ভিতৰত ২য়া, ৩য়া, ৪ৰ্থী, ৫মী, ৬ষ্ঠী, সপ্তমী বিভক্তি লুপ্ত সমাস, অলুক সমাস, উপপদ সমাস, নিত্য সমাস, নঞ সমাস, কৰ্ম্মধাৰয় আদি তৎপুৰুষ সমাসৰ ভাগ। কৰ্ম্মধাৰয় সমাস আকৌ পাঁচোটামান উপভাগত বিভক্ত,—যেনে মধ্যপদলোপী, ৰূপক, উপমিত, উপমেয় আৰু দ্বিগু। ব্যতিহাৰ বহুব্ৰীহি আৰু সুপ্‌সুপা সমাস নামে বহুব্ৰীহি সমাসৰ দুটি ভাগ আছে। দ্বন্দ্ব সমাসৰো দুটি ভাগ ইতৰেতৰ আৰু সমাহাৰ। অসমীয়া ভাষাত বিচাৰ কৰি চালে এই সকলোবোৰ সমাসৰে ব্যৱহাৰ আছে। অসমীয়া বৈয়াকৰণিকে অৱশ্যে এইবোৰ নামকে ৰাখিছে যদিও সমাস বিভাগ ভিন্ন ৰকমে কৰিছে। সেই কাৰণেই অসমীয়া ভাষাত সমাস ছয় প্ৰকাৰ—দ্বন্দ্ব, দ্বিগু, কৰ্ম্মধাৰয়, বহুব্ৰীহি তৎপুৰুষ আৰু অব্যয়ীভাৱ। দ্বন্দ্ব সমাসৰ তিনটা উপভাগ-সমাহাৰ, ইতৰেতৰ

আৰু একশেষ। কৰ্ম্মধাৰয় সমাসৰ পাঁচোটা— মধ্যপদলোপী, অন্ত্যপদলোপী, উপমিত, উপমেয় আৰু ৰূপক। তৎপুৰুষ সমাসৰ সাতোটা—২য়াদি বিভক্তি লুপ্ত আৰু নঞ সমাস। বহুব্ৰীহি সমাসৰ দুটা ভাগ—ব্যতিহাৰ আৰু উপপদ সমাস। ইয়াৰ উপৰিও নিত্যসমাস নাম দি কোনো কোনো বৈয়াকৰণিকে বেলেগ এবিধ সমাস কৰিব খোজে।

যেয়ে যেনেকৈ ভাগ-বিভাগ নকৰক অসমীয়া ভাষাৰ সমাস বিভাগ নিখুঁত হোৱা নাই, আৰু সকলোবোৰ সমাসকে এই বিভাগবোৰে সামৰি লব পৰা নাই।

লাভ বা লোকচান = লাভ লোকচান
ভাল বা বেয়া = ভাল বেয়া
জয় অথবা পৰাজয় = জয়-পৰাজয়
খাওঁ বা নাখাওঁ = খাওঁ-নাখাওঁ
দিওঁ নে নিদিওঁ = দিওঁ-নিদিওঁ
দিব নে নিদিব = দিব-নিদিব
পোৱা বা নোপোৱা = পোৱা-নোপোৱা
পাব নে নেপাব = পাব-নেপাব

ইত্যাদিবোৰ কি সমাস তাৰ নিৰ্দ্দেশ কোনো ব্যাকৰণতে নাই। কোনো কোনো ব্যাকৰণত ত্ৰিলোচন, পঞ্চমুখ, চতুৰ্ভুজ আদি পদ দ্বিগু সমাস সিদ্ধ বুলি লিখা হৈছে। এইবোৰ সমাস কেনেকৈ দ্বিগু সমাস হব পাৰে আমি ভাবি পোৱা নাই। সংখ্যাবাচক পদ আগত থাকি কোনো বস্তুৰ যৌগিক অৰ্থ (সমাহাৰ) বুজালেই দ্বিগু সমাস নহয়, তাৰ অৰ্থ লৈ বিশেষ ভাবে চাব লাগে। ত্ৰিলোচন, পঞ্চমুখ, চতুৰ্ভুজ আদি সমাস সিদ্ধ পদে কোনো বস্তুৰ যৌগিক অৰ্থ বুজোৱা নাই। ই পোনে পোনে মানুহ বা দেৱতাক হে নিৰ্দ্দেশ কৰে। সেই বাবে এইবোৰ বহুব্ৰীহি সমাস সিদ্ধ পদহে।

এইদৰে 'ন' ৰে হোৱা সকলো সমাসকে নঞ সমাস বুলিব নোৱাৰি। নকুল, নখ, নপুংসক আদি পদ বহুব্ৰীহি সমাস সিদ্ধ পদ। তাৰ বাহিৰেও 'ন' বিশেষণ, 'ন' সংখ্যাবাচক পদৰ যোগত হোৱা সমাসো আছে। সেইবোৰো নঞ সমাস নহয়। ব্যৱহাৰলৈ চাইহে সমাস নিৰ্ণয় কৰা উচিত।

অসমীয়া ভাষাত বিশেষণ আৰু বিশেষ্য পদৰ সমাস বিশেষ বিশেষ স্থলত হে হয়। অসমীয়া ভাষাত বিশেষণ পদ যেতিয়াই তেতিয়াই বিশেষ্য পদৰ লগ নালাগে। বগা ফুল, ৰঙা সূতা, কলা আচুঁ, নীলা আকাশ, ওখগছ, ধুনীয়া ছোৱালী, বুধিয়ক লৰা সমাস সিদ্ধ পদ নহয়। এইবোৰক

বগা যি ফুল = বগা ফুল
ৰঙা যি সূতা = ৰঙাসূতা
ওখ যি গছ = ওখ গছ
ধুনীয়া যি ছোৱালী = ধুনীয়া ছোৱালী

আদি ব্যাস বাক্য দি সমাস সিদ্ধ পদ বুলি ধৰাটো নিৰৰ্থক।

কিন্তু— খঙতে ৰঙা হৈ উঠা চকু = ৰঙাচকু
বিষাদত ক'লা পৰা মুখ = ক'লামুখ
পনীয়া, কিন্তু সোণৰ দৰে মূল্যৱান = পনীয়াসোণ

আদি সমাস সিদ্ধ পদ। ইয়াকো ৰঙা যি চকু = ৰঙাচকু, ক'লা যি মুখ = ক'লা মুখ, পনীয়া যি সোণ = পনীয়া সোণ বুলি সমাস বাক্য ভাঙিলে নিৰৰ্থক হৈ পৰিব। 'যি' শব্দ খটুৱাই সমাস বাক্য কৰিবলৈ খুজিলে য'তে ত'তে যি কোনো দুটা শব্দৰে সমাস বাক্য কৰি লব পাৰি; কিন্তু সেই সমাসসিদ্ধ পদবোৰে বগা ফুল, ৰঙা সূতা আদি পদৰ দৰে কোনো ৰূঢ়াৰ্থ প্ৰকাশ কৰিব নোৱাৰে।

অসমীয়া ভাষাত বিশেষ্যপদৰ লগত বিশেষ্যপদৰ হোৱা সমাসেই বেছি। সেই বুলি যেই সেই বিশেষ্য পদ দুটিৰে সমাস নহয়—ৰংপুৰ নগৰ, যোৰহাট চহৰ,



কমলাকান্ত ফুকন, মহীকান্ত উকীল, নবীন মহাজন আদি সমাস সিদ্ধ পদ নহয়। অকলে ৰংপুৰ, যোৰহাট, কমলাকান্ত, মহীকান্ত, মহাজন আদি পদ সমাস সিদ্ধ বুলি ধৰিব পাৰি। যেনে—

ৰঙৰ পুৰ = ৰংপুৰ
যোৰহাট আছিল য'ত = যোৰহাট
কমলাৰ কান্ত = কমলাকান্ত
মহীৰ কান্ত = মহীকান্ত
মহান জন = মহাজন

বহুব্ৰীহি সমাসৰ প্ৰচলন অসমীয়া ভাষাত বহুত। যেনে:—


সোণ বৰণীয়া তৰাৰ দৰে যি = সোণতৰা
কাঠৰ দৰে কঠুৱা যাৰ চিত = কাঠচিত
মন ডাঠ যাৰ = মনডাঠ
ডলাৰ বগৰীৰ দৰে থানথিত নোহোৱা = ডলাৰ বগৰী

পেটৰ ভিতৰখন কুলিৰ দৰে ক'লা যাৰ = পেটকুলি ইত্যাদি বিশেষ্য পদৰ সৈতে বিশেষ্য পদৰ বা বিশেষণ পদৰ সৈতে বিশেষণ পদৰ যোগ হৈ প্ৰত্যয় যুক্ত হোৱা বিশেষণ পদবোৰ বহুব্ৰীহি সমাস সিদ্ধ পদ বুলি কব নোৱাৰি।

বেজীৰ দৰে জোঙা মুখ যাৰ = বেজীমুৰা
বেঙেনাৰ বোলৰ দৰে বোল যাৰ = বেঙেনাবুলীয়া
দীঘল চুলি আছে যাৰ = দীঘল-চুলীয়া
কু বুধি আছে যাৰ = কুবুধীয়া
গো বধ কৰিছে যি = গোবধীয়া

এইবোৰ পদে ব্যস্ত পদৰ অৰ্থ এৰা নাই। ৺সত্যনাথ বৰাদেৱে এই কাৰণেই এই বোৰ সমাসক প্ৰত্যয়ান্ত সমাস বুলি কবলৈ প্ৰয়াস কৰিছিল। আমাৰ মতেও তেনে এটি নাম দিয়াই উচিত।

অব্যয়ীভাৱ সমাস অব্যয় পদৰ যোগত নহয় উপসৰ্গৰ যোগত হে হয়। এইবোৰ ন শিকাঙৰ কাৰণে খেলি-মেলি লগা কথা। ইত্যাদি নানা সুবিধা-অসুবিধালৈ লক্ষ্য কৰি অসমীয়া ভাষাৰ সমাসবোৰ নতুন উপভাগ কেইটামান উলিয়াব লাগে নাইবা তলত লিখামতে নতুনকৈ ভাগ কৰি লব লাগে।




সমাসত দৰাচলতে যি কোনো অংশ লুপ্ত হে হয়। লুপ্ত হলেও যি বোৰ সমাসত মুখ্যপদৰ লগত অন্য পদ, প্ৰত্যয় বা উপসৰ্গ আদি যুক্ত হয় তাকেই যুক্ত সমাস বুলি ধৰা হৈছে।

(১) **বিভক্তি লুপ্ত সমাস**—যি সমাসত বিভক্তি লুপ্ত হয় তেনে সমাস দুবিধ। শব্দবিভক্তি লুপ্ত আৰু ক্ৰিয়া বিভক্তি লুপ্ত।

ব্ৰহ্মাই দিয়া = ব্ৰহ্মদত্ত (১মা বিভক্তি লুপ্ত)
দেৱতাই দিয়া = দেৱদত্ত ( ,, ,, ,, )
কুবেৰে দিয়া = কুবেৰদত্ত ( ,, ,, ,, )

| | |
|---|---|
| দেশক শাসন = দেশশাসন | ( ২য়া বিভক্তি লুপ্ত ) |
| মনক বুজনি = মন বুজনি | ( „ „ „ ) |
| ধনক উপাৰ্জ্জন = ধন উপাৰ্জ্জন | ( „ „ „ ) |
| মনেৰে গঢ়া = মনে গঢ়া | ( ৩য়া „ „ ) |
| হাতেৰে বোৱা = হাতে বোৱা | ( „ „ „ ) |
| কাণেৰে শুনা = কাণে শুনা | ( „ „ „ ) |
| বিদ্যাক দান = বিদ্যা দান | ( ৪ৰ্থী „ „ ) |
| কন্যাক দান = কন্যা দান | ( „ „ „ ) |
| কৃষিৰ পৰা জাত = কৃষি জাত | ( ৫মী „ „ ) |
| পাতৰ পৰা গজা = পাতে গজা | ( „ „ „ ) |
| মানৱৰ ধৰ্ম্ম = মানৱ ধৰ্ম্ম | ( ৬ষ্ঠী বিভক্তি লুপ্ত ) |
| দেৱতাৰ পূজা = দেৱ পূজা | ( „ „ „ ) |
| ৰজাৰ ঘৰ = ৰাজ ঘৰ | ( „ „ „ ) |
| খনিত জাত = খনিজাত | ( ৭মী „ „ ) |
| বনত জাত = বন জাত | ( „ „ „ ) |
| তলত সৰা = তল সৰা | ( „ „ „ ) |
| বনত বাস = বন বাস | ( „ „ „ ) |
| খুৱাইছে, খাইছে = খোৱা-খুই | (ক্ৰিয়া বিভক্তি লুপ্ত) |
| মাৰিছে, মাৰ খাইছে = মাৰামাৰি | ( „ „ „ ) |
| খুন্দিয়াইছে, খুন্দা খাইছে = খুন্দিয়া খুন্দি | ( „ „ „ ) |

(২) পদ লুপ্ত সমাস তিন বিধ (ক) পদাংশ লুপ্ত - যেনে

পৰিয়াল সহ = সপৰিয়াল
আদেৰেৰে সৈতে = সাদৰ
ৰসৰ সৈতে - সৰস
ৰাজহুৱা বাট = ৰাজবাট

(খ) পদ লুপ্ত,—যেনে—

শিৱ পূজাৰ দ'ল = শিৱ দ'ল
প্ৰাণ নাশক দণ্ড = প্ৰাণদণ্ড
ভাত আৰু মাছ = ভাত মাছ
ৰ'দ ঘাই য'ত = ৰ'দঘাই
হাত দীঘল যাৰ = হাত দীঘল
ভাত খোৱা ঘৰ = ভাত ঘৰ
পানী অনা চুৰাৰ = পানী চুৰাৰ
পানী অনা বাট = পানী বাট
নাম গোৱা ঘৰ = নাম ঘৰ
মেল কৰা চ'ৰা = মেল চৰা
পৰৰ বিষয়ে চৰ্চ্চা = পৰ-চৰ্চ্চা
মাটিত হোৱা কঁঠাল = মাটি কঁঠাল
মুখ মোচে যিহেৰে = মুখ মোচা ( মুখুচা )
চন্দ্ৰৰ সদৃশ মুখ = চন্দ্ৰ মুখ
চিন্তা অনলৰ দৰে = চিন্তানল
পানী টোকা গামোচা = পানী গামোচা
সাত অধিক সত্তৰ = সাত সত্তৰ

(গ) পদ সমষ্টি লুপ্ত - এই শ্ৰেণীৰ সমাসৰ সংখ্যা লেখিব নোৱাৰা। বৰ্ত্তমানে প্ৰচলিত কৰ্ম্মধাৰয়, দ্বিগু বহুব্ৰীহি, সমাহাৰ, দ্বন্দ্ব আৰু একশেষ দ্বন্দ্ব সমাস এই শ্ৰেণীৰ ভিতৰত পৰে। যেনে—

কাঠৰ দৰে কঠুৱা আলু = কাঠ আলু
ভাতৰ নিচাত অহা ঘুমটি = ভাত ঘুমটি
সিংহৰ প্ৰতিকৃতি থকা চুৰাৰ = সিংহ চুৰাৰ
সিংহৰ মূৰ্ত্তিৰে সজা আসন = সিংহাসন
ভাত খাবলৈ নোপোৱা বাবে উঠাজ্বৰ = ভাতজ্বৰ
ভাত খাই উঠাৰ পাচত লগা জাৰ = ভাতজাৰ
সৰকি যোৱাকৈ বহু বিন্ধা কৰা = থকা সৰকা
তিনিখন তল থকা = তেতালা
চাৰি ডাল তাঁৰ থকা = চৌতাঁৰা ( চেতাৰ )
চাৰি কাঠেৰে তৈয়াৰী = চৌকাঠ
মহৎ হৃদয় আছে যাৰ = মহোদয়
মহতী শক্তি যুক্ত বাহু আছে যাৰ = মহাবাহু
পদ্ম যোনিত জন্ম যাৰ = পদ্মযোনি
যুৱতী জায়া আছে যাৰ = যুবজানি
সীতাই জায়া যাৰ = সীতাজানি



চন্দ্ৰ শেখৰত আছে যাৰ = চন্দ্ৰশেখৰ
বীণা পাণিত আছে যাৰ = বীণাপাণি
চামোনে পাই নিবোকা কৰা লোক = নিবোকা চামোন
কোৱা ( কাউৰী ) ৰ দৰে ক'লা ভিতৰখন যাৰ = কোৱাভাতুৰী
পূজা কৰিব লগীয়া পদ যাৰ = পূজ্যপাদ
একে উদৰত জন্ম যাৰ = সহোদৰ
বিম্বফলৰ দৰে ৰঙা ওঠ যাৰ = বিম্বোষ্ঠ
বাইদেউ আৰু তেওঁৰ লগৰীয়া = বাইদেউহঁত
নামৰ মাহ, চাউল, কল, কুহিয়াৰ আদি = নামৰমাহচাউল
ঘৰৰ কাঁহী বাটি লোটা ঘটি আদি = ঘৰৰ কাঁহীবাটি
ভূতৰ ভয়ত কঁপনি ধৰি উঠা জ্বৰ = ভূতজ্বৰ
ঠাইতে খাল ঠাইতে বাম = খলাবমা
পাছলি কৰি খাবলৈ অনা কলপুলি = পচলা
নেহেৰুৰ নামেৰে ৰখা বালীয়া ঠাই = নেহেৰুবালি
শাণত দি খৰ ( চোকা ) কৰা হৈছে যাক = খৰশাণ
খটাসুৰৰ দৰে দুৰ্দ্দান্ত যি = খটাসুৰ
হৰিৰ সৈতে হৰৰ যুদ্ধ = হৰিহৰ যুদ্ধ
নামক নিন্দা কৰি কৰা অপৰাধ = নামাপৰাধ
নাঙল ধুই তুলি থবৰ দিনাখন খোৱা পিঠা = নাঙলধোৱা পিঠা
ভৰি আৰু হাত ধুবলগীয়া কাৰ্য্য = ভৰিহাত ধোৱা
মাক মৰিছে যাৰ = মাউৰা
গঙ্গাৰ জল সদৃশ পবিত্ৰ যি = গঙ্গাজল
ভাল কাম কৰি নাম উজলোৱা লোক = নামজলা
চকু মুদি কুলি চৰাইৰ দৰে ফাঁকি দি খোৱা লোক = চকু মুদা কুলি

(৩) যুক্ত সমাস ৪ বিধ।

(ক) পদযুক্ত সমাস—যিবোৰ সমাসত মুখ্য পদৰ সৈতে আন কোনো পদ যোগ হৈ সমাসসিদ্ধ হয় তাকে পদযুক্ত সমাস বোলে-এইবোৰ সমাস ক্ৰিয়া বিশেষণ 'ন' আৰু অব্যয় পদ 'সহ' আদি যোগ হৈ সমাসসিদ্ধ পদ হয়। নঞ সমাস এই সমাসৰ ভিতৰুৱা। 'ন' যোগ হলে ন 'অ' বা 'অন' হয়।

নহয় উচিত = অনুচিত
অনুচিত বিচাৰ = অবিচাৰ
অনুপযুক্ত কাল = অকাল
হিতকৰ নহয় = অহিতকৰ
একেলগে কাম কৰোঁতা = সহকৰ্ম্মী
একেলগে যায় যি = সহগামী
লগতে মৰে = সহমৰণ
একে শ্ৰেণীতে পঢ়ে = সহপাঠী
অবিকল যি = নকল
উচিত আচাৰৰ বিপৰীত = বামাচাৰ
খুৱা লগোৱা বাটি = বানবাটি
নৈৰ পাৰ ওপচা পানী = বানপানী

(খ) অনুৰূপ যুক্ত সমাস।—যি সমাসৰ সিদ্ধ পদ মুখ্য পদৰ অনুৰূপ পদাংশ যোগ কৰি কৰা হয় তাকে অনুৰূপ যুক্ত সমাস বোলে। যেনে

মছলা জাতীয় বস্তু = মা-মছলা
পইচা জাতীয় মুদ্ৰা = পা-পইচা
খোৱা থকা আদিৰ খবৰ = খা-খবৰ
বায়ু পানী ( হাৱা পানী ) আদিৰ বাতৰি = বা-বাতৰি
বিষয়া সকলকে আদি কৰি = বা-বিষয়া
ডাঙৰীয়া সকলকে আদি কৰি = ডা-ডাঙৰীয়া

(গ) প্ৰত্যয় যুক্ত সমাস—যি সমাসৰ সিদ্ধ পদ মুখ্য পদ বা পদ সমষ্টিত প্ৰত্যয় যুক্ত কৰি কৰা হয় তাকে প্ৰত্যয় যুক্ত সমাস বোলে—

দীঘল ঠেং আছে যাৰ = দীঘলঠেঙীয়া
থেঁৰা নাক আছে যাৰ = থেঁৰা-নকা
ঢোলৰ নিচিনা পেট যাৰ = ঢোলপেটা
কাছৰ দৰে মাজ ওখ পিঠি আছে যাৰ = কাছপিঠীয়া

হাবিত থাকে যি = হাবিয়াল
বনত থাকে যি = বনৰীয়া
ফুল গছ ভৰি আছে য'ত = ফুলনি
শাল গছ ভৰি আছে য'ত = শালনি
শিল ভৰি আছে য'ত = শিলনি
বেজীৰ নিচিনা জোঙা মুখ যাৰ = বেজীমুৰা
দুটা খলপ আছে য'ত = দুই খলপীয়া
যাউতি যুগলৈ থাকে যি = যাউতি যুগীয়া
দেওবাৰে জন্ম হৈছে যাৰ = দেওবৰীয়া
দেওবাৰে হয় যি—দেওবৰীয়া
সোণৰ বৰণৰ নিচিনা বৰণ যাৰ = সোণবৰণীয়া
সাপৰ নেজৰ দৰে যি = সাপনেজীয়া
লাৰ বোলৰ দৰে বোল যাৰ = লাবুলীয়া
কুকুৰৰ নিচিনা যি = কুকুৰ নেচীয়া
বাঘ মাৰে যি = বাঘ মৰীয়া
মাছ মাৰে যি = মাছ মৰীয়া
কঠাল গুটিৰ দৰে যি = কঠাল গুটীয়া
খহু ওলাইছে যাৰ = খহুলা
কৰিব লাগে যি = কৰণীয়
মান কৰিব লাগে যাক = মাননীয়
জাকৈ বায় যি = জাকৈয়া
পেট ওলাইছে যাৰ = পেটুলা
মৰম আছে যাৰ অন্তৰত = মৰমিয়াল
সাহস আছে যাৰ = সাহসী
তিনি মাহ বয়স হৈছে যাৰ = তিনমহীয়া
পদুম ফুলৰ নিচিনা সুন্দৰ যি = পদুম ফুলীয়া
পানীৰ দৰে যি = পনীয়া
চৰত থাকে যি = চৰুৱা
গোপন ভাৱে ৰাখে যাক = গোপনীয়

(ঘ) উপসৰ্গ যুক্ত সমাস—যি সমাসৰ সিদ্ধ পদ উপসৰ্গ যুক্ত কৰি কৰা হয় তাক উপসৰ্গ যুক্ত সমাস বোলে। অব্যয়ী-ভাৱ সমাস এই সমাসৰ ভিতৰুৱা

দ্বীপৰ সদৃশ = উপদ্বীপ
আকৃতিৰ স্বৰূপ = প্ৰতিকৃতি
অক্ষিৰ সমুখ = প্ৰত্যক্ষ
অক্ষিৰ অগোচৰ = পৰোক্ষ
অস্বাভাৱিক মৰণ = আও মৰণ
মৰণৰ সময়লৈ = আমৰণ
জন্মৰ পৰা এতিয়ালৈ = আজন্ম
আকৃতিৰ বিৰূপ = বিকৃতি
একেবাৰে শুদ্ধ = বিশুদ্ধ
অভাৱ যুক্ত কাল = আকাল
জোখৰ গৰমিল = আজোখ
লগৰ বিপৰীত = আলগ বেলেগ
বেয়া লগ = বেলগ
হৰ্ষ নথকা = বিমৰ্ষ

(ঙ) ইয়াৰ উপৰিও উপসৰ্গ আৰু প্ৰত্যয় উভয়ে যুক্ত হোৱা সমাস কিছুমান আছে। যেনে :—

অন্য ধৰ্ম্মত চলে যি = বিধৰ্ম্মী
জাত এৰিছে যি = বিজতৰীয়া বা বিজতুৱা
অন্য জাতৰ = বিজাতীয়
এফাললৈ ক্ৰমে চাপৰ = আওগৰীয়া
বেয়াকৈ পাক খোৱা = আওপকীয়া
বেয়া কাঠেৰে সজা = আওকাঠী
বেয়া বাৰে হোৱা = আওবৰীয়া
আচল হাতে থকা = আওহতীয়া

(চ) এইদৰে যি সমাসত পদ আৰু বিভক্তি উভয়ে লুপ্ত হয় তাকো পদ বিভক্তি লুপ্ত সমাস বুলি ধৰিব পাৰি। যেনে :—

নাচনীত বন্ধা জৰী = নাচনীজৰী
বিয়াত গোৱা নাম = বিয়া নাম
তীৰ্থলৈ যাত্ৰা কৰা লোক = তীৰ্থযাত্ৰী
সভাত থকা পণ্ডিত = সভাপণ্ডিত
সভাক শুৱাই তোলে যি = সভাশুৱনী
ভূতেপাইছে যাক = ভূতেপোৱা

# ঋগবেদৰ ৰূপৰেখা

অৱনীন্দ্ৰচন্দ্ৰ বৰা

প্ৰাচীন ভাৰতীয় ঐতিহ্যৰ বাহক আৰু পৰিচায়ক গ্ৰন্থসমূহৰ পথ-প্ৰদৰ্শক বেদ। বেদে আজিকোপতি প্ৰাচীন ভাৰতীয় সংস্কৃতিৰ প্ৰবাহ আৰু পৰম্পৰাত এক অতিশয় মহত্বপূৰ্ণ আৰু বিশিষ্ট স্থান অধিকাৰ কৰি আছে। বেদ ভাৰতৰ প্ৰাচীনতম গ্ৰন্থ-সম্পদ। বেদ আৰ্য্য ধৰ্ম্ম আৰু আৰ্য্য সংস্কৃতিৰ সৰ্ব্বস্ব মূলাধাৰ। আধ্যাত্মিকতা আৰু আত্ম-জাগৃতিৰ প্ৰতি ভাৰতৰ যি এক অতুলনীয় নিষ্ঠা আৰু অপৰিসীম উৎকণ্ঠা দেখা গৈছে, বেদেই তাৰ অনুপ্ৰেৰণাৰ আদিস্ৰোত। বেদ ত্ৰিকালজ্ঞ মহৰ্ষিসকলৰ অনুভূত তথ্য আৰু সত্যৰ পুঞ্জীভূত স্বৰূপ। বেদ জ্ঞানৰ অতল সমুদ্ৰ; সেই সমুদ্ৰত ডুব দি অতল তলিৰ মাণিক মুকুতা হয়তো দুই-এটা বুটলি লব পাৰি, কিন্তু সমুদায় ৰত্নৰাজী আত্মসাৎ কৰাৰ বৃথা প্ৰয়াস মাথোঁ। স্মৃতি আৰু পুৰাণো প্ৰাচ্য ভাণ্ডাৰৰ আপুৰুগীয়া সম্পদ; সিহঁতকো আমি সামৰি লৈছোঁ, কিন্তু বেদৰ অনুকূল হোৱাৰ কাৰণেই ইহঁতৰ ইমান প্ৰতিষ্ঠা। প্ৰাচ্য ধৰ্ম্মৰ উদ্ভৱ আৰু বিকাশৰ ৰূপৰেখা বেদৰ অনুশীলন অবিহনে সম্পূৰ্ণ হব নোৱাৰে। আৰ্য্যভাষাৰ মূল স্বৰূপ উদ্ঘাটন কৰিবলৈ হলে বৈদিক ভাষাৰ সহায় নললে নহয়। আধ্যাত্মিক, ঐতিহাসিক, সাহিত্যিক দৃষ্টিকোণৰ পৰা বেদৰ যি মহত্ব প্ৰতীয়মান হৈছে, সি তুলনাবিহীন। বিবেকানন্দই কৈছে, "বেদ নামৰ শব্দৰাজি কোনো পুৰুষ মুখ নিঃসৃত নহয়। তাৰ চন, তাৰিখ এতিয়াও নিৰ্দ্দিষ্ট হোৱা নাই, কেতিয়াও নিৰ্দ্দিষ্ট হবও নোৱাৰে। ……বেদ কেতিয়াও লিখিত হোৱা নাই, কেতিয়াও সৃষ্টি হোৱা নাই, অনন্তকাল ধৰি সি আছে। যি দৰে সৃষ্টি অনাদি অনন্ত, সেইদৰে ঈশ্বৰৰ জ্ঞানো অনাদি অনন্ত। বেদৰ অৰ্থ এই ঐশ্বৰিক জ্ঞানৰাশি।" স্বামীজীয়ে ঠিকেই কৈছে। বেদ সনাতন, শাশ্বত সত্য আৰু সীমাহীন জ্ঞানৰ অফুৰন্ত ভাণ্ডাৰ; আকাশৰ তৰা গাণ, সমুদ্ৰৰ ঢউ লেখি শেষ কৰিব পাৰিলেও বেদৰ জ্ঞানামৃত পান কৰি শেষ কৰিব নোৱাৰি। বেদে প্ৰাচ্য ঐতিহ্যৰ জয়যাত্ৰাৰ সূচনা কৰি বিশ্ব-সংস্কৃতিৰো অনুসন্ধান আৰু অনুশীলনৰ পথ মুকলি কৰি দিছে।

ঋক্, সাম, যজুঃ আৰু অথৰ্ব্ব—এই চাৰিবেদৰ ভিতৰত ঋগ বেদেই প্ৰাচীনতম। ঋগ্‌বেদ বিশ্ব-সাহিত্যৰো প্ৰাচীনতম গ্ৰন্থ। আধুনিক পাশ্চাত্য পণ্ডিতে ঋগবেদক বিশ্ব-জগতৰ প্ৰাচীনতম গ্ৰন্থ বুলি একস্বৰে স্বীকাৰ কৰিছে। ভিনটাৰনিচে কৈছে, সম্পূৰ্ণ ভাৰতীয় সাহিত্য আৰু ভাৰতীয় জীৱনে ঋগবেদক পূৰ্ব্ববৰ্ত্তী বুলি স্বীকাৰ কৰিছে; কিন্তু ঋগবেদে কোনো পূৰ্ব্ব ৰচনাৰ সঙ্কেত দিয়া নাই।" অৱশ্যে আধুনিক পণ্ডিতসকলে বেদক প্ৰাচীনতম গ্ৰন্থ বুলি কলেও আদি-গ্ৰন্থ বুলি কব নোখোজে। তেওঁ-লোকৰ মতে ইয়াতকৈ প্ৰাচীন ৰচনা আছিল কিন্তু কালক্ৰমত লুপ্ত হৈ গৈছে। ইমান বিকশিত কবিতা কেতিয়াও আদি ৰচনা হব নোৱাৰে। কিন্তু এই মতৰ আধাৰ সবল নহয়। বিদ্বান মাত্ৰেই জানে যে এই নিখিল বিশ্বৰ প্ৰত্যেক গ্ৰন্থই প্ৰত্যক্ষ বা পৰোক্ষ ৰূপত পূৰ্ব্ব গ্ৰন্থৰ সঙ্কেত দিয়ে, ই স্বাভাৱিকো। পূৰ্ব্বগ্ৰন্থৰ আধাৰ, উপজীব্যতা গ্ৰন্থকাৰে বহুসময়ত স্বীকাৰ নকৰিলেও অনুসন্ধিৎসু

পাঠক সমাজ আৰু সমালোচক বৰ্গৰ চকুত নপৰাকৈ নাথাকে। চিন্তাসমৃদ্ধ গ্ৰন্থৰ কথাতো নকওঁৱেই, গল্প উপন্যাসৰ ক্ষেত্ৰতো পূৰ্ব্বগ্ৰন্থৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ পৰা দেখা যায়। কেৱল চাৰিবেদ ইয়াৰ ব্যতিক্ৰম। এই তথ্যই প্ৰতিপন্ন কৰে যে, বেদ অৰ্থাৎ ঋগ্‌বেদ বিশ্ব-সাহিত্যৰ প্ৰাচীনতমেই নহয়, আদি গ্ৰন্থও। আদিম মনুষ্যৰ দাৰ্শনিক আৰু ধাৰ্ম্মিক বিচাৰধাৰাৰ মানৱ ভাষাত সৰ্ব্বপ্ৰথম বৰ্ণনা ঋগবেদতেই হৈছে। মানুহৰ আদিম অৱস্থাৰ পৰিস্ফুচক চিহ্ন অৰণ্যে আৰু পোৱা গৈছে; মিশৰৰ পিৰামিডলৈ এইক্ষেত্ৰত আঙুলিয়াব পাৰি। এই চিহ্নবোৰে মানুহৰ আদিম কলা কৌশলৰ ওপৰত যে যথেষ্ট আলোকপাত কৰিছে; দুই কবিব নোৱাৰি। কিন্তু এইবোৰৰ পৰা আমি আদিম বিশ্বাস আৰু বিচাৰৰ বিষয়ে পৰ্য্যাপ্ত সম্ভেদ নেপাওঁ। এই ক্ষেত্ৰত ঋগবেদ আৰু বাকীবেদ তিনিখন আমাৰ একমাত্ৰ নহলেও প্ৰধান আৰু বিশ্বাসযোগ্য অৱলম্বন। নিজৰ এই মহত্ব আৰু প্ৰাচীনত্বৰ কাৰণেই ঋগবেদ কেৱল হিন্দু আৰু ভাৰতীয়ৰেই সম্পত্তি নহৈ বিশ্ব-সাহিত্যৰ গ্ৰন্থ আৰু সমগ্ৰ সংসাৰৰ ঐতিহাসিক আৰু পুৰাতত্ত্ববিদসকলৰ আপুৰুগীয়া বৈভৱ হৈ পৰিছে। ঋগবেদত বৈদিক-কালীন সমস্ত বিশেষত্বৰ পূৰ্ণ আৰু বিশদ বৰ্ণনাই ঠাই পাইছে। পাশ্চাত্য পণ্ডিতসকলে সংস্কৃত সাহিত্যালোচনাৰ প্ৰথম অৱস্থাত বেদসমূহক "কৃষকৰ গীত" বুলি অৱজ্ঞা আৰু উপহাস কৰিলেও, পাশ্চাত্য আলোচনাৰ বিকাশৰ লগে লগে তেওঁলোকৰ মোহান্ধকাৰ দূৰ হৈছে। সংস্কৃত পণ্ডিত সমাজৰ অগ্ৰগণি মেকডনেলে স্বীকাৰ কৰিছে, "The Rigveda is not a primitive popular poetry, as it was apt to be described at an earlier period of Sanskrit studies." ঋগবেদত একাধাৰে ধৰ্ম্মগ্ৰন্থ, ইতিহাস, পুৰাতত্ব আৰু গীতিকা-কবিতাৰ উপাদান সানমিহলি হৈ আছে। বিভিন্ন দৃষ্টিকোণৰ পৰা ঋগবেদৰ সৌন্দৰ্য্যাই সুধীসমাজক বিস্ময় বিমুগ্ধ কৰি থৈছে।

ঋগবেদৰ ৰচনা-কালৰ বিষয়ে থিৰাং মত এটা পাবলৈ নাই। এই সম্পৰ্কীয় আহুকলীয়া সমস্যা কিছুমানে আলোচক সকলক এতিয়াও আমনি দি আছে। 'ঋগবেদৰ মন্ত্ৰবোৰ 'ইমান সময়ত ৰচিত হৈছিল' এনে এটা কথা কোনেও ন-দি কব নোৱাৰে কিন্তু এই মন্ত্ৰবোৰ যে অত্যন্ত প্ৰাচীন, সেই বিষয়ে দ্বিমত নাই। ঋগবেদৰ প্ৰাচীনত্বৰ অনুমান কেবা-প্ৰকাৰে হব পাৰে। মহাভাৰত হিন্দুৰ যথেষ্ট প্ৰাচীন গ্ৰন্থ। ডাঃ বেঙ্কেৰৰ মতে মহাভাৰতৰ মুখ্য কথাভাগ বৌদ্ধধৰ্ম্মৰ প্ৰচাৰৰ পূৰ্ব্বেই ৰচিত হয়। বুদ্ধৰ সময় খ্ৰীঃ পূঃ ৫৫৭-৪৭৭। মহাভাৰতৰ কেবাটাও সংস্কৰণ হৈছে। প্ৰথম সংস্কৰণৰ নাম 'জয়' আৰু দ্বিতীয় সংস্কৰণৰ নাম 'ভাৰত' বোলা হৈছে। উক্ত আলোচকৰ মতে মহাভাৰতৰ এই দুই সংস্কৰণ বৌদ্ধ ধৰ্ম্মৰ পূৰ্ব্বৰ। সি যি হওক মহাভাৰতৰ মুখ্য কথা-ভাগৰ ৰচনাকাল চতুৰ্থ পঞ্চম শতাব্দীৰ পিছলৈ আহিব নোৱাৰে। মহাভাৰততকৈ তথা বৌদ্ধধৰ্ম্মতকৈ উপনিষদ প্ৰাচীন আৰু ব্ৰাহ্মণ গ্ৰন্থ উপনিষদতকৈও পুৰণি। এনেভাৱে বৈদিক সংহিতাৰ সময় আৰু তাৰ ভিতৰতো ঋগবেদৰ সময় যথেষ্ট প্ৰাচীন বুলি প্ৰতিপন্ন কৰিব পাৰি। লোকমান্য তিলকৰ মতে ঋগবেদৰ সময় খ্ৰীঃ পূঃ ৪৫০০। জাৰ্ম্মান পণ্ডিত জেকোবীৰো এয়ে মত। জনচেৰেক ভাৰতীয় পণ্ডিতে এই সময় খ্ৰীঃ পূঃ ৩০০০ বুলি কয়। ৰাধাকৃষ্ণৰ মতে ঋগবেদক খৃঃ পূঃ পঞ্চদশ শতাব্দীত থলে তাক অধিক প্ৰাচীন বুলি কোৱাৰ অৱকাশ থাকিব নোৱাৰে।

ঋগবেদৰ ৰচনাকাল যিয়েই নহওক, এই বিষয়ে আলোচকসকলৰ মাজত যিমানেই বাদানুবাদ নাথাকক, ঋগবেদ যে ভাৰতভূমিৰ এখন পৰম পবিত্ৰ আৰু



পৰম ৰমণীয় গ্ৰন্থ, ইয়াত তিলমানো সন্দেহৰ অৱকাশ থাকিব নোৱাৰে। ঋগবেদক আচলতে এখন গ্ৰন্থ বুলি নকৈ এক বিশালকায় গ্ৰন্থসমূহ বুলিলেহে সমীচীন হব। ঋগবেদ এক স্তোত্ৰ গ্ৰন্থ। ইয়াৰ দুই প্ৰকাৰ বিভাজন পোৱা গৈছে—(১) অষ্টক, অধ্যায় আৰু সূক্ত; (২) মণ্ডল, অনুবাক আৰু সূক্ত। সম্পূৰ্ণ ঋগবেদ আঠভাগত বিভক্ত হৈছে; এয়ে অষ্টক। প্ৰত্যেক অষ্টকত আঠোটাকৈ অধ্যায় আছে। এনেভাবে সম্পূৰ্ণ ঋগবেদত আঠ অষ্টক অথবা চৌষষ্টি অধ্যায় দেখা যায়। এই বিভাজন পাঠ্যক্ৰমৰ সুবিধাৰ কাৰণেই কৰা হৈছে যেন লাগে। দ্বিতীয় বিভাজন প্ৰথম বিভাজনতকৈ অধিক তাৎপৰ্য্য-পূৰ্ণ। এই বিভাজন অনুযায়ী সম্পূৰ্ণ ঋগবেদক দহভাগত ভাগ কৰা হৈছে; ইয়াকেই মণ্ডল বোলা হয়। মণ্ডলত সংগৃহীত মন্ত্ৰসমূহেই সূক্ত বা স্তোত্ৰ। ঋগবেদ এনেধৰণৰ সূক্ত বা স্তোত্ৰৰ সঙ্কলন। এই কাৰণেই ইয়াক স্তোত্ৰ গ্ৰন্থও বোলে। ঋগবেদৰ অধিকাংশ স্তোত্ৰই দেৱতাসকলৰ স্তুতি ৰূপত কৰা হৈছে। ঋগবেদৰ কিছুমান সূক্তত বিবাহ, মৃত্যু আদি সংস্কাৰৰ বৰ্ণনা আৰু যাদুমন্ত্ৰৰ কথাও পোৱা যায়। অৱশ্যে যাদু-মন্ত্ৰৰ বৰ্ণনা ঋগবেদত ক্ষীণ, অথৰ্ব্ব বেদতহে ই বহলভাবে বৰ্ণিত হৈছে। ঋগবেদৰ অধিকাংশ মণ্ডল এক এক ঋষি আৰু তেওঁবিলাকৰ কুটুম্বৰ লগত সাঙোৰ খাই আছে। আস্তিক হিন্দুসকলে ঋষিক মন্ত্ৰদ্ৰষ্টা বুলিহে কয়, মন্ত্ৰৰচয়িতা নহয়। বিবেকানন্দৰ ভাষাত "ঋষিৰ অৰ্থ মন্ত্ৰদ্ৰষ্টা। তেওঁ পূৰ্ব্বৰে পৰা অৱস্থিত জ্ঞানক প্ৰত্যক্ষ কৰিছে মাত্ৰ। সেই জ্ঞান আৰু ভাবৰাশি তেওঁৰ নিজৰ চিন্তাপ্ৰসূত নহয়।·· সেই ভাবৰাশি অনন্তকালৰে পৰা এই জগতত বিদ্যমান আছিল— ঋষিয়ে তাক আবিষ্কাৰ কৰিছে মাথোন।" বিশ্বামিত্ৰ, ব্যাসদেৱ, অত্ৰি, ভাৰদ্বাজ, বশিষ্ঠ প্ৰভৃতি ঋষিৰ নাম ঋগবেদত উল্লেখিত হৈছে। ঋগবেদৰ দেৱতাসকলক পণ্ডিতসকলে তিনি শ্ৰেণীত ভগাইছে।—(১) আকাশৰ দেৱতা (২) অন্তৰীক্ষ বা বায়ুমণ্ডলৰ দেৱতা (৩) পৃথিবীৰ দেৱতা। ইন্দ্ৰ, অগ্নি, সোম, সূৰ্য্য, বিষ্ণু প্ৰভৃতি ভালেমান প্ৰাণৱন্ত দেৱতাৰ নাম ঋগবেদত পোৱা যায়। ইয়াত ঘোষা নামৰ এগৰাকী মহিলা কবিৰ বৰ্ণনা আছে। ঘোষাই অশ্বিনীকুমাৰক প্ৰাৰ্থনা কৰি নিজ শৰীৰৰ দোষ দূৰ কৰিছিল বুলি স্তুতি কৰিছে।

ঋগবেদৰ প্ৰাৰম্ভিক ঋষিসকলে জগতক আকাশ, অন্তৰীক্ষ আৰু ভূলোকত বিভক্ত কৰি তাত ভিন্ন ভিন্ন দেৱতাক প্ৰতিষ্ঠা কৰে। বিশ্বক এনেভাৱে খণ্ড খণ্ড কৰি অনুধাবন কৰাটো সমীচীন নহয়। এই তথ্য ঋগবেদৰ ঋষিসকলৰ অজ্ঞাত হৈ থকা নাছিল। ঋগবেদৰ মনীষী কবিয়ে বহু দেৱতাক লৈ সৰহকাল সন্তুষ্ট থাকিব নোৱাৰিলে। প্ৰকৃতিৰ সকলো পদাৰ্থ আৰু ঘটনাৰ এটা আনটোৰ লগত জড়িত। এই কাৰণেই এই পদাৰ্থ আৰু ঘটনাৱলীৰ অধিষ্ঠাতা দেৱতাসকলৰ শক্তিৰ সমন্বয়ত এক মহাশক্তিৰ কল্পনাৰ উদ্ভৱ হোৱা স্বাভাৱিকেই আছিল। আৰ্য্য কবিসকলৰ অন্তৰ্নিহিত প্ৰবৃত্তিয়েই তেওঁবিলাকক 'দেৱবাদ'ৰ অভিমুখে লৈ গৈছিল। ঋগবেদত প্ৰকৃতি-পূজাৰ প্ৰৱণতা দৃষ্টিগোচৰ হৈছে; বৈদিক কবিসকলে প্ৰকৃতিৰ প্ৰধান প্ৰধান অঙ্গসমূহৰ অলৌকিক কাৰ্য্য-কলাপ দৰ্শনত মুগ্ধ হৈ সেইবোৰক মৰুৎ, সবিতৃ, বৰুণ প্ৰভৃতি দেৱতাৰূপে কল্পনা কৰি স্তুতি কৰিছে। এই দেৱতাসকলৰ কোনো এজনক স্তুতি কৰিবৰ সময়ত ভক্ত কবিয়ে অন্যান্য দেৱতা-সকলক পাহৰি যায় আৰু আপোন আৰাধ্যদেৱতাক সবাতোকৈ মহান, সবাতোকৈ শক্তিশালী বুলি ভাবিবলৈ ধৰে। বৈদিক কবিসকলৰ এক দেৱতাক আনবোৰ দেৱতাতকৈ ডাঙৰ কৰি দেখা এই প্ৰবৃত্তিক পাশ্চাত্য পণ্ডিতসকলে Henotheism আখ্যা দিছে।

কিছুমানে আকৌ ইয়াক Opportunist Monotheism বুলি কৈছে। এই Opportunist Monotheism ৰ পৰা একেশ্বৰবাদৰ অভিমুখে গমন বৈদিক ঋষিসকলৰ কাৰণে কঠিন কাম নাছিল। ঋগবেদৰ কিছুমান মন্ত্ৰই এই কথাৰ সাক্ষ্য দিয়ে যে, আৰ্য্য সকলতো এক ঈশ্বৰৰ ভাৱনাৰ অঙ্কুৰ অতি প্ৰাচীন কালতেই উদ্গম হৈছিল। ঋগবেদৰ এক প্ৰসিদ্ধ মন্ত্ৰই ঈশ্বৰৰ ভাবনা এনেভাৱে ব্যক্ত কৰিছে, "এককেই বিদ্বানসকলে বহুৰকমে মাতে, কোনোৱে অগ্নি বুলি কয়, কোনোৱে যম, কোনোৱে মাতৰিশ্বা (বায়ু)।" আকৌ কোৱা হৈছে, "দ্যুলোক আৰু ভূলোকেই শেষ নহয়। ইয়াৰ ওপৰত আৰু 'এক' আছে। এওঁ প্ৰজ্ঞা সৃষ্টিকৰ্ত্তা, এওঁ দ্যুলোক আৰু ভূলোক ধাৰণ কৰোঁতা। এওঁ অন্নৰ গৰাকী। যি সময়ত সূৰ্য্যৰ অশ্ববোৰে সূৰ্য্যক বহন কৰিবলৈ আৰম্ভ কৰা নাই, সেই সময়ত এওঁ নিজৰ পবিত্ৰ চৰ্ম্ম (শৰীৰ) প্ৰস্তুত কৰিছিল।" আন এঠাইত আছে,—"এক অগ্নি বহুঠাইত বহুপ্ৰকাৰে প্ৰজ্জ্বলিত হয়; এক সূৰ্য্যই সমস্ত বিশ্বত প্ৰমূৰ্ত্ত হৈ থাকে; এক উষাই সমস্ত জগত প্ৰকাশ কৰিছে; সেইদৰে ব্ৰহ্মাণ্ডত এজন মাত্ৰ আছে যি অকলেই সৰ্ব্বপদাৰ্থৰূপে প্ৰকাশ হৈছে।"

কিন্তু এক ঈশ্বৰবাদ বা এক দেৱবাদেই দৰ্শন শাস্ত্ৰৰ অন্তিম শব্দ নহয়। যদি জগত ঈশ্বৰৰ পৰা সৰ্ব্বথা ভিন্ন, তেন্তে উভয়ৰ মাজত কোনো আন্তৰিক সম্বন্ধ স্থাপন সম্ভৱ হব নোৱাৰে। যদি উভয়ৰ মাজত বিজাতীয়তা আছে; তেন্তে এটাক আনটোৰ নিয়ন্ত্ৰণ বুলি কেনেকৈ কম? জগতৰ ক্ৰম আৰু নিয়মবদ্ধতাৰ কাৰণে এক জগতৰ বাহিৰৰ পদাৰ্থ উত্তৰদায়ী হব নোৱাৰে। আচৰিত কথা এইটোৱেই যে ভাৰতীয় বিচাৰকসকলে খৃষ্টৰ সহস্ৰ বছৰৰ পূৰ্ব্বেই দৰ্শন শাস্ত্ৰৰ এই গূঢ় সিদ্ধান্তৰ অন্বেষণ কৰিবলৈ সমৰ্থ হৈছিল। ঋগবেদৰ নাসদীয় সূক্তৰ তাৎপৰ্য্য অতি গভীৰ আৰু মনোজ্জ্বল। কাব্য আৰু দৰ্শনৰ অত্যুচ্চ অভিব্যক্তিৰ নিদৰ্শন এই সূক্তত স্পষ্ট আৰু প্ৰলয়ৰ ৰহস্য ভাৱনাৰ যেনে মৰ্ম্মোদ্ঘাটন হৈছে, ভাবিলে অভিভূত হব লাগে। এই ভাবাকুল ৰহস্যপূৰ্ণ সূক্তত বিশ্বৰ একতাৰ ভাৱনা সূৰ্য্য ৰূপত ব্যক্ত হোৱা দেখোঁ। ইয়াত কোৱা হৈছে যে, আৰম্ভতে একোৱেই নাছিল, অথবা যি কিছু আছিল তাক সৎ অসৎ আদি নামেৰে মাতিবও পৰা নগৈছিল। কিন্তু 'একোৱেই নাছিল'ৰ পৰা 'একো' উৎপত্তি হব নোৱাৰে। কবিয়ে কৈছে, সেই সময়ত 'এক' আছিল, যি বায়ুৰ অবৰ্ত্তমানে নিজ শক্তিৰেই শ্বাস লৈছিল। সেই সময়ত অন্ধকাৰ অন্ধকাৰত লীন আছিল, যেন সকলো বস্তু পানীৰ গৰ্ভত নিমগ্ন আছিল। কব নোৱাৰোঁ, কেনেকৈ সেই 'এক'ত কামবীজৰ উদ্ভৱ হ'ল যাৰ পৰা সমস্ত সংসাৰ সৃষ্টি হ'ল। এই সৃষ্টি কেতিয়া আৰু কাৰ দ্বাৰা উদয় হ'ল, কোনে কব পাৰিব? অত্যুচ্চ আকাশত বিশ্বজগতৰ যি অধ্যক্ষই বিৰাজ কৰিছে, তেওঁ এই সৃষ্টি-ৰহস্য জানে নে নেজানে কোনে কব?

একদেৱবাদ আৰু একেশ্বৰবাদত সন্তুষ্ট নহৈ বৈদিক ঋষিসকলে বিশ্বৰ অনৈকতাত একতাৰ সন্ধান কৰিলে। একেডাল সূত্ৰই সংসাৰৰ সমস্ত বস্তুক বান্ধি ৰাখিছে। বিভিন্ন ঘটনা নিয়মৰ অধীন আৰু সেই নিয়মৰ এটা আনটোৰ পৰা বিচ্ছিন্ন নহয়। এই বৈদিক অদ্বৈতবাদ বা 'একত্ববাদ' উপনিষদত স্পষ্টৰূপত পুষ্পিত আৰু পল্লবিত হৈ উঠিল। বৈদিক অদ্বৈতবাদৰ বিষয়ে পল-ডায়সন নামৰ এজন পণ্ডিতে কৈছে, ভাৰতৰ চিন্তাবিদ-সকলে দাৰ্শনিক মাৰ্গ ইদি বিশ্বৰ 'একতাৰ সিদ্ধান্তত উপনীত হয়। মেক্সমূলাৰৰ মতে ঋগবেদৰ মন্ত্ৰৰ সংগ্ৰহৰ যোগেদি প্ৰাৰম্ভতেই আৰ্য্যসকলৰ এই ধাৰণা হৈছিল যে, বিশ্ব-ব্ৰহ্মাণ্ডত এটি মাত্ৰ অন্তিম তত্ত্ব বৰ্ত্তমান।



এনেধৰণৰ আধ্যাত্মিক আৰু দাৰ্শনিক চিন্তাধাৰাৰে সমৃদ্ধ ঋগবেদৰ অধ্যয়ন-অনুশীলনৰ প্ৰতি ঐকান্তিক নিষ্ঠা আধুনিক যুগতো অক্ষুণ্ণ হৈ আছে। ঋষি অৰবিন্দ, মহৰ্ষি দয়ানন্দ, বালগঙ্গাধৰ তিলক প্ৰভৃতি মনীষীসকলে প্ৰাচ্য দৃষ্টি ভঙ্গীত বেদৰ বিচাৰ-ব্যাখ্যা কৰি ইয়াৰ আলোচনাৰ পথ প্ৰশস্ত কৰি দিছে। ঋগবেদৰ এই অধ্যয়ন-ৰুচিৰ কাৰণ বোধকৰোঁ তিনটা হব পাৰে। প্ৰথমতে ঋগবেদক সম্যকভাৱে অনুশীলন নকৰিলে ভাৰতবৰ্ষৰ আধ্যাত্মিক আৰু দাৰ্শনিক ইতিহাস বুজাতো অসম্ভৱ। হিন্দুজাতি আৰু হিন্দু সভ্যতাৰ বহুত বিশেষত্বৰ বীজ ঋগবেদীয় যুগতেই উদ্গম হৈছে। দ্বিতীয়তে আদিম মনুষ্যৰ মানসিক অৱস্থা আৰু প্ৰবৃত্তিৰ অন্তৰালত ভুমুকি মাৰিবলৈ ঋগবেদতকৈ ভাল সাধন আমাৰ হাতত নাই। তৃতীয়তে তুলনামূলক ভাষাবিজ্ঞানৰ চিন্তা-চৰ্চ্চাৰ প্ৰসঙ্গত বৈদিক সাহিত্যৰ ৰূপৰেখাৰ আৱশ্যকতা আহি পৰিছে। ভাৰতীয় নাট্য-সাহিত্য, ভাৰতীয় গীতি-কাব্য আৰু ৰহস্যবাদৰ উৎস অনুসন্ধানতো বেদৰ উপযোগিতা কোনেও নুই কৰিব নোৱাৰে। বেদৰ বুকুত আমি বিচাৰি পাইছোঁ—এক সত্য, যি বাহ্য সত্তাৰ সত্যতকৈ গভীৰতৰ আৰু উচ্চতৰ; এক জ্যোতি যি মানবীয় বোধৰ জ্যোতিতকৈ উজ্জ্বলতৰ, এক অমৰত্ব যি আত্মাৰ অসীম সম্ভাৱনাৰে দেদ্দীপ্যমান। এই সত্য, এই জ্যোতি এই অমৰত্ব—ই মানৱজীৱনৰ শ্ৰেষ্ঠতম সম্পদ, আৰু ইয়াৰ সাধনাই মানৱ প্ৰাণৰ যাউতিযুগীয়া বিভূতি। বৈদিক ঋষিসকলৰ এয়ে বাণী আৰু এই বাণীৰেই মূৰ্ত্ত প্ৰকাশ ঋগবেদ। তথাকথিত প্ৰগতিৰ নামত, আধুনিক জ্ঞান-বিজ্ঞানৰ একনিষ্ঠ সেৱকসকলে হয়তো নানান বাক্য-জালেৰে ঋগবেদৰ গভীৰতা আৰু প্ৰশস্ততাক সীমাৱদ্ধ কৰিবলৈ কুণ্ঠাবোধ নকৰিব; কিন্তু বিৰাট সমুদ্ৰৰ বিস্তৃতি আৰু গভীৰতাৰে অভিভূত পাৰাপাৰৰ দৰেই বেদৰো জ্ঞানৰাশি অকূল আৰু সীমাহীন। জীৱনপ্ৰদ আৰু উদ্দীপনাময় এই জ্ঞান-ৰাশিক যি সকলে বাস্তৱ-বিমুখী বুলি ভাবে, কেৱল কবিকল্পিত অভিব্যক্তি বুলি কব খোজে, তেওঁলোকক আমি মাথোঁ সৰ্ব্বজনমান্য দাৰ্শনিকৰ উক্তি এষাৰ মনত পেলাই দিওঁ,—"The Vedic Mantras are not so much dogmatic dicta as transcript from life. They record the spritual experiences of souls strongly endowed with the sense of reality."

(ৰাধাকৃষ্ণ)

---

# গ্ৰীক ট্ৰেজেডি আৰু নাট্যৰস

শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী

ট্ৰেজেডিৰ প্ৰচলন হয় পোনতে গ্ৰীক সাহিত্যত। পৰৱৰ্ত্তী যুগত গ্ৰীক প্ৰভাৱৰ বলতে পাশ্চাত্য দেশৰ ভিন ভিন সাহিত্যত ট্ৰেজেডি ৰচিত হৈছে। গ্ৰীক ট্ৰেজেডিৰ সকলো লক্ষণ এৰিষ্টোটলে (Aristotle) খৃঃ পূঃ প্ৰায় চাৰিশ বছৰৰ আগতে তেওঁৰ অলঙ্কাৰ শাস্ত্ৰ "পয়েটিকছত" পুঙ্খানুপুঙ্খ আলোচনা কৰি গৈছে। এৰিষ্টোটলৰ আগতে তেওঁৰ হেতুবাদী গুৰু প্লেটোৱে কবি আৰু কাব্য সম্বন্ধে যি কঠোৰ মনোভাব প্ৰকাশ কৰি গৈছিল তাৰ পটভূমিত এৰিষ্টোটলে "পয়েটিকছত" কাব্য আৰু কবিক উপযুক্ত আসনত

বহুৱাই গৈছে। প্লেটোৰ কাৰণে দৰ্শনেই আছিল সকলো, কাৰণ দৰ্শনৰ সহায়ত সৃষ্টিৰ ৰহস্য অবগত হব পাৰি। আৰ্ট প্ৰতিষ্ঠিত হয় জাগতিক পদাৰ্থ আৰু কাৰ্য্যকলাপৰ ওপৰত। কিন্তু আৰ্টত যি জাগতিক কাৰ্য্যৰ অনুকৰণ কৰা হয় সেই জগতখনেই যথাৰ্থ নহয়। পৰিদৃশ্যমান সকলো জাগতিক পদাৰ্থই নকল পদাৰ্থ। আৰ্টে পদাৰ্থৰ নকল কৰোঁতে যথাৰ্থৰ পৰা বহুত দূৰলৈ আঁতৰি যায়। গতিকে আৰ্টৰ মাধ্যমেৰে প্ৰকৃত জ্ঞান সম্ভৱ নহয় আৰু এই হিচাবে ইয়াৰ প্ৰয়োজনো সত্যানুসন্ধানৰ ক্ষেত্ৰত নাই। আৰ্টৰ ক্ষেত্ৰত ভাব আৰু অনুভূতিৰ কৰ্ষণ অপৰিহাৰ্য্য। ভাব আৰু অনুভূতিৰ ওপৰত অধিক গুৰুত্ব আৰোপিত হলে মানুহ ভাবপ্ৰবণ হৈ পৰে আৰু তাৰপৰা সামাজিক নিৰাপত্তা নষ্ট হৈ পৰাৰ ভয় থাকে। এৰিষ্টোটলে তেওঁৰ গুৰুদেৱৰ এই মতৰ প্ৰতিবাদ কৰেই যেন লিখি গল যে ঘটনা-পৰম্পৰাৰ ইতিহাসতকৈ কাব্য আৰু নাটক বেছি দাৰ্শনিক ভাব ধাৰাৰ বাহক। কাব্যই মানুহক অসংযমী নকৰে, বৰং অন্তৰৰ সঞ্চিত আৰু স্তূপীকৃত অনুভূতি আৰু ভাবৰ প্ৰকাশৰ বাট মোকোলাই মানৱ-মনলৈ স্থিৰতা আনে। কাব্য আৰু নাটকৰ প্ৰভাবৰ ফলত মানুহৰ মন পৰিষ্কাৰ হয়। আৰ্টে মানুহক কেৱল আনন্দই নিদিয়ে, লগতে ই মনক পবিত্ৰও কৰে। কেচুৱাই যেতিয়া কান্দি কান্দি ভাগৰি পৰে, আমি তাক নাকান্দিবলৈ উপদেশ দিলে লাভ নাই, কিন্তু নিচুকনি গীত গাই আমি তাক শান্ত কৰিব পাৰোঁ। মানুহ যেতিয়া আনন্দত মতলীয়া হয় তেতিয়া সি গান গায় আৰু নাচে। এইদৰে ভাব আৰু অনুভূতি প্ৰকাশ হোৱাৰ পিছত সেইবোৰৰ আপোনা আপুনিয়ে সাম্যাবস্থা আহি পৰে। নৃত্য আৰু গীতত আনন্দ আছে সন্দেহ নাই কিন্তু এই আনন্দৰ উদ্ৰেকে অন্তৰৰ অনুভূতিবোৰক প্ৰকাশৰ বাটেৰে উলিয়াই দিয়াৰ ফলত মনলৈ এটা স্থিৰ আৰু সাম্যাৱস্থা আহি পৰে। গতিকে আনন্দ-দানৰ ক্ষমতাৰ লগে লগে কাব্য আৰু নাটকৰ এটা নৈতিক ফালো আছে। এই নৈতিক ফালটোৰ পিনে লক্ষ্য কৰিয়েই এৰিষ্টোটলে ট্ৰেজেডিত কেথাৰছিছ্ ( cathersis ) মতবাদ দাঙি দৰে আৰু মনোবৈজ্ঞানিক বিশ্লেষণৰ দ্বাৰা এই মতবাদ প্ৰতিপন্ন কৰে। এৰিষ্টোটলৰ কেথাৰছিছ মতবাদ তেওঁ দিয়া ট্ৰেজেডিৰ সংজ্ঞাৰ ভিতৰতে আছে। তেওঁৰ মতে—"Tragedy is a represcntation (imitation) of an action, which is serious complete in itself of a certain limitted length ; it is expressed in speech made beautiful in different ways is different parts of the play ; it is acted not merely recited ; and by exciting pity and fear it gives a healthy outlet to such emotions (১) *Poetics* Bywater's Translation—ট্ৰেজেডি স্বয়ংসম্পূৰ্ণ কোনো গুৰুত্বপূৰ্ণ কাৰ্য্যৰ অনুকৃতি। ইয়াৰ দৈৰ্ঘ্য পৰিসীমিত। নাটকৰ ভিন ভিন অংশত ভিন ভিন প্ৰকাৰে সুমধুৰ হোৱা সংলাপৰ মাধ্যমত ই প্ৰকাশিত হয়। কেৱল আবৃত্তি নকৰি ইয়াৰ অভিনয় কৰা হয় আৰু ইয়ে দয়া আৰু ভয়ৰ উদ্ৰেক কৰি সেই সেই অনুভূতিৰ সুস্থ প্ৰকাশ কৰে।

(১) "A tragedy is the imitation of an action that is serious, has magnitude and is complete in itself, in language with pleasuruble accessories, each kind brought in separately in the various parts of the work, in a dramatic not in a narrative form with incidents arousing pity and fear wherewith to accomplish its cathersis of such emotions."

—*Poetics* Translate by H. Fife.



ওপৰৰ সংজ্ঞাৰপৰা দেখা যায় যে যেই সেই আৰু যেনে তেনে ধৰণৰ কাৰ্য্যৰ অনুকৰণ কৰি ট্ৰেজেডি ৰচনা কৰা সম্ভৱ নহয়। যি কাৰ্য্যক ট্ৰেজেডিৰ বস্তু হিচাকে লোৱা হয় সি লঘু বা হাস্যোদ্দীপক হব নোৱাৰে। আন হাতে নাটকৰ মাজেদি করুণ পৰিণতি দেখুৱালেই তাক ট্ৰেজিডি বোলা নাযায়। ট্ৰেজেডিৰ কথাবস্তুৰ ভিতৰত জীৱনৰ গুৰুত্ববোধ লুকাই থাকে। এই কথাবস্তু কিছুমান বিক্ষিপ্ত ঘটনাৰ সমষ্টি নহয় কিন্তু এটা অখণ্ড সাধুকথা। কলা সৌন্দৰ্য্য উপলব্ধিৰ কাৰণে এই সাধুকথা চীনৰ নাটকৰ দৰে অতি দীঘল হব নালাগে। এটা বস্তুৰ সৌন্দৰ্য্য উপলব্ধি কৰিব লাগিলে মনে তাক অখণ্ড হিচাবে ধাৰণ কৰিব পাৰিব লাগে। এক গোট হিচাবে ধাৰণ কৰিব নোৱাৰা কোনো বস্তুৰ সৌন্দৰ্য্য উপলব্ধি সহজ নহয়। গতিকে ট্ৰেজেডিৰ কাৰ্য্য এটা সীমাৰ ভিতৰত নিৰ্দ্ধাৰিত হয়। এই সীমাৰ ভিতৰতে ঘটনা সমষ্টিৰ পাৰস্পৰিক সম্বন্ধৰ সহায়ক ট্ৰেজেডিৰ কাৰ্য্য পৰিণতিৰ পিনে আগবাঢ়ে। ট্ৰেজেডিৰ মূল বস্তু স্বয়ং সম্পূৰ্ণ কাৰ্য্য হোৱাৰ কাৰণে ইয়াৰ আৰম্ভণি মধ্য আৰু শেষ আছে। আৰম্ভণি, মধ্য আৰু শেষ এই তিনিও খণ্ডৰে অঙ্গাঙ্গি সম্বন্ধ। এই খণ্ডবোৰৰ সৌন্দৰ্য্য উপলব্ধিৰ অৰ্থে প্ৰত্যেকটোৱেই সুস্পষ্টভাৱে অঙ্কিত হব লাগে। অস্পষ্ট চিত্ৰৰ দ্বাৰা সৌন্দৰ্য্য-সৃষ্টি নহয়।

ট্ৰেজেডি মানুহৰ অনুকৃতি নহয় কিন্তু প্ৰধানতঃ ই কাৰ্য্য আৰু জীৱনৰ প্ৰতিচ্ছবি। মানুহৰ সুখ দুখ কাৰ্য্যৰ মাজেদিহে প্ৰকাশিত হয়। চৰিত্ৰৰ মনৰ মাজতে সুখ দুখ থাকিলেও সেইবোৰ পৰিলক্ষিত হয় নানা তৰহৰ কাজ-কামৰ মাজেদি। নাটকত চৰিত্ৰ সংযোগ কৰা হয় কেৱল কাৰ্য্যৰ নিমিত্তে, চৰিত্ৰ-সৃষ্টিৰ বাবে নহয়। চৰিত্ৰ নহলে নাটকীয় কাৰ্য্য আগবাঢ়িব নোৱাৰে এই ফালৰপৰা চৰিত্ৰ অপৰিহাৰ্য্য কিন্তু এই চৰিত্ৰবোৰৰ অৱতাৰণা কৰা হয় সদায় এটা উদ্দেশ্য আগত ৰাখি। সেই উদ্দেশ্য হল নাটকৰ কাৰ্য্য অব্যাহত ৰখাটো। কাৰ্য্য নহলে ট্ৰেজেডি নহয় কিন্তু চৰিত্ৰসৃষ্টি নোহোৱাকৈয়ো ট্ৰেজেডি সম্ভৱ হব পাৰে। কিছুমান করুণ বক্তৃতাৰ সংযোগত করুণ ৰস সৃষ্টি কৰিব নোৱাৰি। কিন্তু দুৰ্ব্বল হলেও কথাবস্তু বা ঘটনা-বিন্যাসৰ সহায়ত করুণৰস সম্ভৱ হয়। গতিকে প্লটেই ( বস্তু ) ট্ৰেজেডিৰ জীৱন আৰু প্ৰাণ। প্লটৰ তুলনাত চৰিত্ৰ গৌণ।

ট্ৰেজেডিৰ প্লটৰ মাজত একত্ব থাকিব লাগে। কোনো নায়কৰ প্ৰকৃত-জীৱনৰ ঘটনাৰাশিৰ মাজত এনেকুৱা একত্ব বা অখণ্ডতা নাথাকে। প্লটৰ কাৰণে নায়কৰ জীৱনৰপৰা যিবোৰ ঘটনা নিৰ্ব্বাচন কৰা হয় সেইবোৰ পাৰস্পৰিক সংলগ্ন হব লাগে। অসংলগ্ন ঘটনা-সমষ্টিয়ে একত্বৰ বোধ উৎপাদন কৰিব নোৱাৰে। এজন ঐতিহাসিকে কাৰ্য্য-কাৰণৰ ওপৰত চকু নিদিয়াকৈ ঘটনা-পৰম্পৰাৰ প্ৰকৃত বৰ্ণনা দিয়ে। কিন্তু কিছুমান মানুহে কেনে ধৰণে কাম কৰে, কিয় কাম কৰে আৰু শেষত কেনেকৈ নিজৰ কৰ্ম্মৰ ফলত দুখ পায় কবিয়ে তাৰেইহে বৰ্ণনা দিয়ে। হেৰোডটাছৰ ইতিহাস পদ্যত লিখি উলিয়ালেও সি ইতিহাসেই হৈ থাকিব কিয়নো হেৰোডটাছে ঘটনাসত্যৰহে বৰ্ণনা দিছে। কবিয়ে যি ঘটনা হয় তাৰ বৰ্ণনা নিদি কাৰ্য্য-কাৰণৰদ্বাৰা নিৰূপিত সাম্ভাব্য ফলৰহে বৰ্ণনা দিয়ে। কবিৰ দৃষ্টি সৃষ্টিধৰ্ম্মী। কবিৰ চৰিত্ৰবোৰৰ কাৰ্য্যত এটা সাৰ্ব্বজনীনত্বৰ ইঙ্গিত থাকে। এটি সাধুকথা হলেও কবিয়ে তাৰ মাজেদি প্ৰকৃত জীৱনত ঘটা নানান কাৰ্য্যৰ ছবি আঁকে আৰু এনে ছবি আঁকিবলৈ যাওঁতে কাৰ্য্য-কাৰণ সম্বন্ধৰ ওপৰত তাক সদায় প্ৰতিষ্ঠিত কৰে।

ট্ৰেজেডিৰ নায়কৰ ওপৰত নাটকৰ করুণতা

নিৰ্ভৰ কৰে। কোনো ভুল ত্ৰুটি নোহোৱাকৈ দেৱোপম চৰিত্ৰ এটিৰ জীৱনলৈ দুখ-দুৰ্গতি আহি পৰিলে সি প্ৰকৃত পক্ষে ট্ৰেজেডিৰ কৰুণতা নহয়। সেইদৰে নিকৃষ্ট চৰিত্ৰৰ জীৱনত যেতিয়া দুৰ্ভাগ্য উপস্থিত হয় তাতো ট্ৰেজেডিৰ কৰুণতা নাথাকে। ট্ৰেজেডিৰ নায়ক জীৱনৰ ত্ৰুটি বিচ্যুতিৰ ওপৰত থকা দেৱতাৰ সদৃশ ব্যক্তি নহয় আৰু অসৎপথত আগ বঢ়া, কুকৰ্ম্মত ৰত কোনো নৰপিশাচো নহয়। ট্ৰেজেডিৰ নায়ক পৃথিবীৰ ভাল মানুহ কিন্তু এই ভাল মানুহৰ জীৱন ত্ৰুটি-বিচ্যুতিৰপৰা মুক্ত নহয়। নায়কৰ দুই চাৰি ভুলৰ কাৰণে জীৱনলৈ আহি পৰে বিপৰ্য্যয়। কোনো বেয়া মানুহৰ জীৱনত এনে বিপৰ্য্যয় উপস্থিত হলে আনৰ অন্তৰত কৰুণতা জাগি নুঠে। কিন্তু যেতিয়া এজন সৎ আৰু ভাল মানুহৰ জীৱন সুখ-সম্ভোগৰ তৃপ্তিৰ পৰা দুখ দুৰ্গতিৰ কাতৰতাৰ মাজলৈ নামি আহে তেতিয়া আমাৰ অন্তৰত ভয় আৰু কাৰুণ্য দুয়োটাই জাগি উঠে। এই বাবে ট্ৰেজেডিৰ কাৰণে নায়ক নিৰ্ব্বাচনৰ ক্ষেত্ৰত বিশেষ সাৱধান হোৱাৰ প্ৰয়োজন। গ্ৰীক নাট্যকাৰসকলে সচৰাচৰ মহাকাব্য বা প্ৰচলিত পুৰণি সাধুৰপৰা নায়ক-নায়িকা নিৰ্ব্বাচন কৰি নাটকৰ যোগেদি সেই সাধু বা কাব্যত বৰ্ণিত ঘটনাৰ নতুন তাৎপৰ্য্য প্ৰকাশ কৰিছিল। ইডিপাছৰ আত্মবিশ্বাস, অথেলোৰ হিংসা, মেকবেথৰ দুৰাকাঙ্ক্ষা একো একোটি জীৱনৰ ভুল। এই ভুলৰ কাৰণে এইবোৰ চৰিত্ৰৰ জীৱনত কৰুণতা আহি পৰিছে। ইডিপাছ আদৰ্শস্থানীয় ব্যক্তি, অথেলো পাৰদৰ্শী সৈন্যাধ্যক্ষ, মেক্‌বেথ্ এজন সম্ভ্ৰান্ত ব্যক্তি যাৰ ঘৰত স্বয়ং ডানকানে অতিথ্য গ্ৰহণ কৰে। কিন্তু এনে আদৰ্শস্থানীয় জীৱনলৈকো নিজৰ ভুলৰ কাৰণে আহি পৰিছে নানান বিপৰ্য্যয়। এইবোৰে মানুহক অভিভূত কৰে আৰু তেওঁলোকৰ মনত ভয় আৰু কাৰুণ্যৰ সৃষ্টি কৰে। ট্ৰেজেডিৰ দৃশ্যবোৰৰ সহায়ত ভয় আৰু কাৰুণ্যৰ সৃষ্টি কৰা হয় যদিও নাটকৰ গাঠনিৰ মাজতে এনেকুৱা ভাব-সৃষ্টিৰ ক্ষমতা লুকাই থাকে যাৰ বলত সেই ঘটনাৰ বৰ্ণনাৰ দ্বাৰায়ো এই দুই ভাব জগাই তোলা সম্ভৱ হয়।

এতিয়া প্ৰশ্ন হল যে যদি ট্ৰেজেডিৰ সহায়ত মানুহৰ মনত ভয় আৰু কাৰুণ্যৰ উদ্ৰেক কৰাই উদ্দেশ্য হয় তেনেহলে তেনে নায়কৰ অভিনয়ৰ প্ৰতি মানুহৰ আগ্ৰহ থকাৰ কাৰণ কি? প্ৰাচীন কালতো গ্ৰীক ট্ৰেজেডিবিলাকৰ প্ৰতি জনসাধাৰণৰ অপৰিসীম অনুৰাগ থকাৰ প্ৰমাণ আছে। এই মানুহবোৰে ট্ৰেজেডিৰ সহায়ত নিজৰ অন্তৰত ভয় আৰু কাৰুণ্যৰ ভাব জগাই তোলাৰ উদ্দেশ্যে কোনো নাট্যাভিনয় চাবলৈ গৈছিল নেকি? লৌকিক নানান কাৰণৰ প্ৰভাৱত দেখোন এই দুই ভাব মানুহৰ অন্তৰত সহজতে জাগি উঠে? লৌকিক বৃত্তিৰ সহায়ত জাগি উঠা এই ভাব আৰু নাট্যশিল্পৰ দ্বাৰা অন্তৰত জগাই তোলা এই ভাবৰ মাজত কিবা পাৰ্থক্য আছে জানো?

এৰিষ্টোটলে লৌকিক বৃত্তিৰ সহায়ত জাগি উঠা এই দুই ভাবৰ বিশ্লেষণ কৰিবলৈ বিচৰা নাই। কিন্তু কোনো কোনো আলোচকে মত প্ৰকাশ কৰিছে যে লৌকিক জীৱনত এই দুই ভাবৰ ন্যূনতা বা আধিক্য সচৰাচৰ সকলোৱে চকুত পৰে। কিছুমান লোকৰ অন্তৰত কাৰুণ্য ভাব অতি প্ৰবল আৰু আন হাতে কিছুমানৰ অন্তৰত ই অতি দুৰ্ব্বল। অন্তৰত কাৰুণ্য ভাব থকাটো নিশ্চয় ভালৰেই কথা কিন্তু যেতিয়া কোনোৱে নিজৰ ছাগলি পোৱালি এটি মৰিলেও কাৰুণ্য ভাবৰ প্ৰকাশ কৰে তাৰপৰা ব্যক্তিৰ দুৰ্ব্বলতাহে বুজা যায়। নাট্যাভিনয়ৰ যোগেদি সামাজিকৰ অন্তৰত যি ভয় আৰু কাৰুণ্যৰ উদ্ৰেক কৰা হয় তাৰ



সহায়ত মন পবিত্ৰিত হোৱাৰ ফলত ভাবৰ সমতা উপস্থিত হয়। কেথাৰছিছৰ মূল অৰ্থ পবিত্ৰীকৰণ। আন দুই চাৰি সমালোচকে ভাবে যে নাট্যাভিনয়ৰ যোগেদি দৰ্শকৰ মনত যি ভাবৰ উদ্ৰেক কৰা হয় সেই ভাব সাধাৰণীকৃত, ব্যক্তি-নিৰপেক্ষ ভাব। এই হিচাবে এই ভাব পবিত্ৰিত কিয়নো ইয়াত ব্যক্তিৰ পৰিচ্ছেদ নাই। ব্যক্তি-জীৱনত হিংসুক বা ভাব-প্ৰৱন হোৱা বেয়া কথা কিন্তু নাট্য-চৰিত্ৰ অথেলোৰ প্ৰতি দয়া-পৰবশ হোৱা নাইবা হেম্‌লেটৰ প্ৰতি ভয় কৰা ভাল কথা। অথেলো বা হেম্‌লেট্ ব্যক্তি-চৰিত্ৰ হলেও, লৌকিকচৰিত্ৰ নহয়। এই দুয়ো চৰিত্ৰই সাধাৰণীকৃত ব্যক্তি-নিৰপেক্ষ চৰিত্ৰ।

নাট্যাভিনয়ৰ সহায়ত কেনে প্ৰক্ৰিয়াৰ দ্বাৰা মানুহৰ মন পবিত্ৰিত হয় তাৰ আলোচনা সমালোচক-সকলে ভালকৈ কৰা নাই। এটা ব্যাখ্যা দিব পৰা যায় যে নাট্যৰ সহায়ত অন্তৰত ভাবৰ যি আতিশয্য থাকে তাৰ বেয়া ফালটো প্ৰকাশৰ বাটেৰে ওলাই যোৱাত মন পবিত্ৰিত হয়। এই ব্যাখ্যা গ্ৰহণ কৰিব লাগিলে কেথাৰছিছৰ দ্বাৰা অকল বেয়া অংশটোকেইহে প্ৰকাশৰ বাটলৈ অনা বুলি ধৰিব লাগিব। কিন্তু এৰিষ্টোটলে এনে কথা কতো কোৱা নাই। বিশেষতঃ, ভাবৰ ক্ষেত্ৰত ভালবেয়াৰ আনুপাতিক বিভাগো সম্ভৱ নহয়। সেইবাবে সৰহ ভাগ সমালোচকে কেথাৰছিছ্ শব্দৰ চিকিৎসা বিজ্ঞানত গৃহীত অৰ্থকেই গ্ৰহণ কৰিছে। চিকিৎসা বিজ্ঞানত কেথাৰছিছ্ শব্দৰ অৰ্থ ভেদ (purgation)। এই ভেদ ভাব আৰু অনুভূতিৰ। নানান ভাবেৰে মানুহৰ অন্তৰ পৰিপূৰ্ণ হৈ থাকে। লৌকিক যেই সেই কাৰণতে এই ভাববোৰ প্ৰবলৰূপে প্ৰকাশিত হয় আৰু অনেক সময়ত ব্যক্তি-জীৱনৰ অনিষ্ট সাধন কৰে। ট্ৰেজেডিৰ দ্বাৰা এই ভাববোৰক প্ৰকাশৰ বাটেৰে উলিয়াই দিয়াৰ ফলত মানসিক স্থৈৰ্য্য উপস্থিত হয়। ভাববোৰ থাকে মন বা আত্মাৰ মাজত। আত্মাৰ ওপৰত থকা ভাবৰ অতিৰিক্ত ছাপ প্ৰকাশৰ বাটেৰে ওলাই যোৱাৰ ফলত আত্মাত সাম্যাবস্থা স্থাপিত হয় আৰু ভাবৰ অসাম্যৰ ফলত ব্যক্তি-জীৱনত যিবোৰ বিপৰ্য্যয় ঘটাৰ সম্ভাবনা থাকে তাক দূৰ কৰে। (১) ট্ৰেজেডিয়ে ভাব-প্ৰকাশৰ বাট মোকোলাই মনৰ মাজলৈ সমতা অনাৰ উপৰিও ই মনত আনন্দ যোগায়। মানুহৰ কাৰ্য্যকলাপ আৰু ভাবৰ অনুকৰণ নাটকৰ মাজেদি দেখিবলৈ পালে মানুহৰ মনত আনন্দ লাগে। জীৱন যাপন কৰিবলৈ যিমানেই দুৰ্ব্বহ নহওক লাগে কল্পনাৰ বোলেৰে জীৱনক ৰঞ্জিত কৰি চোৱাৰ হাবিলাস সকলোৰে আছে। কাব্য-নাট্যত জীৱনক ৰঞ্জিত কৰাৰ ফলত তাত নাথাকে উকা বাস্তৱতা, আৰু নাথাকে বাস্তৱৰ নিষ্ঠুৰতা। কিন্তু আচলতে বেদনাদায়ক কাৰ্য্যৰ অনুকৃতিৰপৰা কেনেকৈ নিৰ্ম্মল আনন্দৰ উদ্ভৱ হব পাৰে তাৰ ভাল আলোচনা দৰকাৰ। এৰিষ্টোটলৰ মতে নাট্যকাৰৰ কৌশলৰ ওপৰত এই আনন্দ-দানৰ ক্ষমতা নিৰ্ভৰ কৰে। নাট্যকাৰৰ প্ৰতিভাৰ অভাৱত কিছুমান নাটকে এই আনন্দ দিব নোৱাৰে। এইবোৰ প্ৰকৃত ট্ৰেজেডি নহয়। আন কিছুমানত হলে নাট্য-প্ৰতিভাৰ বলত নাট্যকাৰে কৰুণ ঘটনাৰ মাজেদিও নিৰ্ম্মল আনন্দ জগাই তুলিবলৈ সক্ষম হয়। এই বোৰেই প্ৰকৃত ট্ৰেজেডি।

বাস্তৱ অভিজ্ঞতাৰপৰা দেখিবলৈ পোৱা যায় যে

---

(১) "Tragedy and comedy contribtue to the cleansing away of the passions, which cannot be altogether repressed nor, on the other hand, safely indulged but need some moderate outlet."—*Poetics*—Bywater's Translation.

মানুহে নাট্যাভিনয় চাবলৈ যোৱাৰ মূল কাৰণ কেথাৰছিছ্ নহয়, আনন্দ হে। অভিনয় চাবলৈ যোৱাৰ আগতে কোনোৱে নকয় যে তেওঁৰ অন্তৰত ভাবৰ প্ৰাচুৰ্য্য আহি পৰিছে, গতিকে নাট্যাভিনয় চাবলৈ গৈ তেওঁৰ মনৰ ওপৰত থকা ভাবৰ হেচা পাতলাব। ট্ৰেজেডিৰ ক্ষেত্ৰত এৰিষ্টোটলে যদিও কেথাৰছিছ্ শব্দৰ ওপৰত কিছু গুৰুত্ব আৰোপ কৰিছে, তথাপি নাট্যাভিনয়ৰ আনন্দৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ নকৰাকৈ থকা নাই। বৰং "পয়েটিকছৰ" কেইবাটা ঠাইতো তেওঁ এই আনন্দৰ বিশেষভাবে উল্লেখ কৰিছে। আনকি প্লেটোৱেও কাব্যত আনন্দ-দানৰ ক্ষমতা আছে বুলি স্বীকাৰ কৰিছে। এনে স্থলত কেথাৰছিছত ( যিটো শব্দ এবাৰ মাথোন উল্লেখ কৰা হৈছে ) সকলো গুৰুত্ব অৰোপ কৰা লেখকৰ উদ্দেশ্য নহয় যেন লাগে। কেথাৰছিছৰ দ্বাৰা মনৰ ওপৰত ভাবৰ চাপ কমি যোৱাৰ ইঙ্গিত কৰাৰ কাৰণে এইটো ধৰিলোৱা উচিত নহয় যে এই প্ৰক্ৰিয়া চলি থকা সময়ত আটৰপৰা আনন্দ লাভ কৰা নহয়। কেথাৰছিছ্ আৰু আনন্দলাভ এই দুয়োটাৰে সমন্বয় বিচাৰিব খুজিলে এই দুয়োটা কাৰ্য্যই একেলগে সংঘটিত হয় বুলি ভবাৰ যথেষ্ট যুক্তি আছে। নাট্যাভিনয়ত আনন্দ পালে অভিনয় চলি থকা সময়তে সেই আনন্দ পাব লাগিব। নাট্যাভিনয় শেষ হৈ যোৱাৰ পাছতো মনৰ মাজত অৱশ্যে আনন্দৰ বেশ থাকে কিন্তু এই আনন্দ অনুমানৰ আনন্দ, প্ৰকৃত কাব্যানন্দ নহয়। আন হাতে কেথাৰছিছৰ ক্ৰিয়াও অভিনয়ৰ শেষতহে হয় বুলি ভবাৰ কোনো যুক্তি নাই। গতিকে এইটো আচল কথা যে মঞ্চৰ ওপৰত অভিনয় চলি থকা সময়তে কেথাৰছিছৰ ক্ৰিয়া আৰু আনন্দ-লাভৰ তৃপ্তি দুয়োটা একে সময়তে একেলগে হয়। সেয়ে হলে এৰিষ্টোটলৰ কেথাৰছিছ্ মতবাদ সংস্কৃত আলঙ্কাৰিকসকলৰ ৰসবাদৰ নিচেই ওচৰ চাপি আছে। সংস্কৃত আলঙ্কাৰিকসকলে অৱশ্যে অভিনয়ৰ সময়ত লাভ কৰা তৃপ্তিক অলৌকিক আখ্যা দিছে আৰু ইয়াত লাভ কৰা আনন্দৰ স্তৰটোক চমৎকাৰিত্বৰ স্তৰৰ লগত তুলনা কৰিছে।

ভাৰতীয় আলঙ্কাৰিকসকলৰ মতে ৰসেই নাটকৰ প্ৰাণ। এই ৰস বিভাব, অনুভাব আৰু ব্যভিচাৰী ভাবৰ সংযোগত নিষ্পন্ন হয়। বিভাব হল নাট্য-চৰিত্ৰ, অনুভাব হল চৰিত্ৰৰ শাৰীৰিক চেষ্টা যাৰ সহায়ত ভাবৰ প্ৰকাশ কৰা হয়, যেনে হাঁহি, কান্দোন, কটাক্ষপাত আদি আৰু ব্যভিচাৰী ভাব হল আন নানান চঞ্চল সহকাৰী ভাববোৰ যিবোৰ স্থায়ী ভাবৰ পোষক হিচাবে সমুদ্ৰৰ তৰঙ্গৰ দৰে সঘনে অহা যোৱা কৰি থাকে। আশাআকাঙ্ক্ষা উদ্বিগ্নতা, নিৰ্ব্বেদ প্ৰভৃতি হল ব্যভিচাৰী ভাব। এৰিষ্টোটলৰ দৃষ্টিকোণৰ-পৰা চাবলৈ গলে চৰিত্ৰ হল বিভাব আৰু চৰিত্ৰৰ সকলো ধৰণৰ কাৰ্য্যই হল অনুভাব আৰু ব্যভিচাৰী ভাব। তেওঁৰ মতে নাটক কাৰ্য্যৰ অনুকৃতি আৰু এই কাৰ্য্যৰ নিমিত্তে চৰিত্ৰৰ অৰ্থাৎ বিভাবৰ আৱশ্যক। গতিকে কাৰ্য্যৰ তুলনাত চৰিত্ৰ গৌণ। কিন্তু সংস্কৃতৰ মতে বিভাব বা নাট্য চৰিত্ৰ আৰু অনুভাব, ব্যভিচাৰী ভাব নাইবা চৰিত্ৰবোৰৰ কাৰ্য্যকলাপৰ ভিতৰত কোনোটোকে প্ৰধান বা অপ্ৰধান কৰাৰ চেষ্টা নাই। বিভাব, অনুভাব আৰু ব্যভিচাৰী ভাব তিনিওৰে সংযোগ হলেহে ৰসসৃষ্টি হব পাৰে। বিভাবৰ অবলম্বনত অৱশ্যে অনুভাব আৰু সঞ্চাৰী ভাবৰ প্ৰকাশ হয়। তথাপি যেহেতু অকল বিভাবৰ সহায়তে নাট্যৰস সম্ভৱ নহয় সেই হেতু বিভাবক মুখ্য স্থান দি অনুভাব আৰু ব্যভিচাৰী বা সঞ্চাৰী ভাবক গৌণ স্থান দিব নোৱাৰি।

এৰিষ্টোটলৰ মতে নাট্যচৰিত্ৰবোৰৰ নানা তৰহৰ কাৰ্য্যৰ প্ৰভাৱত দৰ্শকৰ অন্তৰত থকা দয়া




আৰু কাৰুণ্যৰ ভাব জাগি উঠি আত্মাৰ নিভৃত চুকৰপৰা প্ৰকাশৰ বাটলৈ আহে। অৱশ্যে এই কাৰ্য্যৰ লগত কোৰাচ্, চৰিত্ৰৰ বেশভূষা, প্ৰাণৱন্ত সংলাপ প্ৰভৃতি সকলোৰে সংযোগ আছে। অন্তৰৰ ভাব প্ৰকাশিত হোৱাৰ লগতে মনলৈ আহে স্থৈৰ্য্য বা সাম্যবস্থা আৰু এনে অৱস্থাৰ লগতে জড়িত হৈ থাকে তৃপ্তিৰ আনন্দ।

ভাৰতীয় আলঙ্কাৰিকসকলে ৰসানুভূতিৰ স্তৰবোৰ দাৰ্শনিক দৃষ্টিকোণৰপৰা বিশ্লেষণ কৰিছে। কোনো নাট্যাভিনয় চাবলৈ যোৱাৰ আগতে অভিনয়ৰপৰা তৃপ্তি বা আনন্দ পোৱাৰ এটি ক্ষীণ আশা পোষণ কৰিয়েই মানুহ নাট্যশালাৰ ভিতৰ সোমায়। এনে এটি ক্ষীণ আশা বা মানসিক প্ৰস্তুতি নাথাকিলে কোনোৱে অভিনয় চাবলৈ আগ বাঢ়ি নাযায়। যদি কোনো অভিনয় বেয়া হব বুলি মানুহৰ মনত আশঙ্কা জন্মে তেন্তে সেই অভিনয় চাবলৈ দৰ্শকৰ আগ্ৰহ নাথাকে। গতিকে নাট্যশালাৰ ভিতৰত সোমোৱাৰ আগতে সামাজিকৰ অন্তৰত এটা বাসনা থাকে। ৰঙ্গমঞ্চৰ কাৰুকাৰ্য্য আৰু গীতবাদ্যৰ ধ্বনিয়ে এই বাসনা প্ৰবল কৰে। অভিনয় আৰম্ভ হোৱাৰ লগে লগে আগৰেপৰা দৰ্শকৰ অবচেতন মনত কাম কৰি থকা মানসিক প্ৰস্তুতিৰ বলত তেওঁ সম্পূৰ্ণভাৱ মনোৰাজ্যত সোমাই পৰে। তেওঁ যেন নিজকে কল্পনাৰ মাজত এৰি দিয়ে। এই স্তৰত দৰ্শকৰ মনত জাগি উঠা কল্পনা ব্যৱহাৰিক জীৱনৰ কল্পনাৰ সদৃশ নহয়। ব্যৱহাৰিক জীৱনত মনলৈ যি কল্পনা আহে সি কাৰ্য্য-কাৰণ সম্বন্ধৰ অনুগামী। কিন্তু অভিনয় কালত দৰ্শকৰ মনলৈ যি কল্পনা আহে সি কাৰ্য্য-কাৰণ সম্বন্ধৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়। দৰ্শক এনেকৈ কল্পনাৰ ৰাজ্যত সোমাই পৰাৰ ফলত তেওঁৰ ঘৰুৱা অভাৱ অভিযোগ, নিজৰ অসুখ অশান্তি আৰু আনকি নিজৰ স্বকীয়া সত্তাৰ কথাকো সাময়িকভাবে পাহৰি যায়। সৌন্দৰ্য্যৰ এক আদৰ্শৰ ৰাজ্যত মন সোমাই পৰা গতিকে অভিনয় কালত সাময়িক ভাবে দৰ্শকৰ আত্মবিস্মৃতি আহে। নায়কৰ বেশভূষা, অঙ্গভঙ্গী আৰু মধুৰ সংলাপৰ সংযোগত দৰ্শকৰ মনত স্থায়ীভাব উদ্বুদ্ধ হয়। এই ভাব অন্তৰত জাগি উঠাৰ সময়ত ব্যক্তিচৈতন্য নথকাৰ বাবে এই ভাবৰ প্ৰকাশ লৌকিক জীৱনৰ ভাব প্ৰকাশতকৈ ভিন্ন প্ৰকাৰৰ। এইভাব সাধাৰণীকৃত ভাব, কিয়নো ব্যক্তিত্বৰ পৰিচ্ছেদ নথকা অৱস্থাত এই ভাব নাট্যশিল্পৰদ্বাৰা উদ্বুদ্ধ হৈছে। স্থান আৰু কালৰ ভিতৰত থকা কোনো লৌকিক কাৰণৰ সংস্পৰ্শত এই ভাব জাগি উঠা নাই। গতিকে ব্যক্তিৰ অন্তৰত থকা স্থায়ীভাব নাট্যশিল্পৰ দ্বাৰা এনেকৈ ব্যক্ত হোৱাৰ লগে লগে এক অলৌকিক আনন্দত অন্তৰ ভৰি উঠে। সাময়িক ভাবে দৰ্শক এই আনন্দৰ মাজত নিমজ্জিত হৈ পৰে কিন্তু এই আনন্দৰ তৃপ্তিও ব্যক্তি-বিশেষ নোহোৱাকৈ সাধাৰণীকৃত অৱস্থাত দৰ্শকেই লাভ কৰে। দৰ্শকৰ অন্তৰত স্থায়ী ভাব প্ৰকাশ হোৱাৰ লগে লগে ৰসাস্বাদানো হয় আৰু ইয়াৰ ফলত দৰ্শক হৈ পৰে তন্ময়।

অভিনব গুপ্তই "শকুন্তলা" নাটকত থকা ভয়াৰ্ত্ত হৰিণটোৰ সহায়ত ৰসাস্বাদানৰ প্ৰক্ৰিয়া ব্যাখ্যা কৰিবলৈ যত্ন কৰিছে। ধনুত কাড় জুৰি ৰজা দুষ্যন্তই হৰিণটোৰ পিছে পিছে লৰিছে। তেওঁৰ হাতত চোকা চোকা বাণ। ভীত, সন্ত্ৰস্ত হৰিণটোৱে প্ৰাণৰ মায়াত দৌৰিছে, মাজে মাজে ডিঙিটো বেঁকাকৈ পিছলৈ চাইছে আৰু ৰজাৰ ধনুত লগোৱা চোকা শৰ তাৰ গাত পৰিব বুলি ভয়ত মাজে মাজে গাটো কোচাই দিছে। তাৰ দুয়ো কোৱাৰিয়েদি আধা চোবোৱা দুবৰিবোৰ পৰি গৈছে। সি আকৌ দৌৰিছে, এনে ভাবে দৌৰিছে যেন সি শূন্য মাৰ্গেৰেহে বেছিভাগ বাট পাৰ হৈ গৈছে। অভিনয় কালত এই ভয়

পোৱা হৰিণটো স্থান আৰু কালৰ ব্যৱধানৰ ওপৰত থাকে এই বুলিয়েই যে দৰ্শকৰ তন্ময়তাৰ কাৰণে তেওঁৰ মনোৰাজ্যত ভীত হৰিণটো মূৰ্ত্তিমান ভয়ৰ স্বৰূপ প্ৰতিভাত হয়। সাধাৰণীকৃত এই ভয় দৰ্শকৰ অন্তৰত জগাই তোলে ভয়ানক ৰস। কিন্তু লৌকিক বৃত্তিৰদ্বাৰা উৎপন্ন ভয়ৰ লগত ইয়াৰ সাদৃশ নাই কিয়নো ভয়ানক ৰস আস্বাদন কৰাৰ সময়ত আত্মৰক্ষাৰ চেষ্টা প্ৰকট নহয় আৰু হবও নোৱাৰে। কাৰণ ৰসাস্বাদনৰ সময়ত ব্যক্তি-চৈতন্যৰ বিলুপ্তি সাধন হয়। এই গতিকে ভয় আৰু ভয়ানক ৰসৰ ভিতৰত বিৰাট পাৰ্থক্য। লোকৰ অন্তৰত ভয় ভাব জাগি উঠিলে গাৰ কঁপনি উঠে আৰু আত্মৰক্ষাৰ কাৰণে স্বাভাবিকতে মানুহ সচেষ্ট হয়। কিন্তু ভয়ানক ৰস আস্বাদনৰ সময়ত ব্যক্তিৰ পৰিচ্ছেদ নথকা বাবে সি ভয় হিচাবে ব্যক্ত নহয়। সেই ভয় ৰসৰাজ্যলৈ উন্নীত হোৱাৰ ফলত সি বেদনাদায়ক নহৈ আনন্দদায়ক হৈ পৰে। সেই দৰে শোক আৰু কৰুণ ৰসৰ ভিতৰত যথেষ্ট পাৰ্থক্য আছে। শোক স্থায়ী ভাব আৰু কৰুণ ৰস ভাব নহয়, ৰস। শোক বেদনাদায়ক কিন্তু কৰুণ ৰস ওপৰত দিয়া ব্যাখ্যা অনুসৰি আনন্দদায়ক। ট্ৰেজেডিৰ আনন্দও এই ৰসৰেই আনন্দ। ট্ৰেজেডিতো শোকাবহ পৰিণতিয়ে ৰস-সৃষ্টিকেই কৰে আৰু সেই কাৰণে সি বেদনাদায়ক নহৈ আনন্দদায়ক হয় কিন্তু এই আনন্দ প্ৰকাশ কৰিব নোৱাৰা, ব্যাখ্যা কৰিব নোৱাৰা এক অভিনৱ আনন্দ। এৰিষ্টোটলে ঠিকেই কৈছে যে নাট্যকাৰৰ কৌশলৰ বলত হে এই আনন্দ শোকাবহ পৰিণতিৰ বুকুতো ফুটি উঠিব পাৰে। ইয়াতে আন এটা কথা যোগ দিয়াৰ দৰকাৰ। অকল নাট্য-প্ৰতিভা থাকিলেই নাটকৰ যোগেদি সকলো দৰ্শকে সমানে আনন্দ লাভ কৰিব পাৰিব এনে নহয়। নাট্যবস্তু বুজি, তাৰ তাৎপৰ্য্য অনুভৱ কৰি আনন্দ লাভ কৰাৰ সাধাৰণ যোগ্যতা দৰ্শকৰো থাকিব লাগিব। তেওঁ হব লাগিব ৰুচিসম্পন্ন লোক, সহৃদয়। নাট্যকাৰৰ সৃজন-ক্ষমতাৰ লগত সামাজিকৰ গ্ৰহণ-ক্ষমতাৰ সম্বন্ধ আছে। উৰ্ব্বৰ মাটিৰ ওপৰত গুটি সিচিলে তাৰপৰা পুলি গজে কিন্তু মৰুভূমিত সিচিলে সি শুকাই যায়।



# সাহিত্য সভাৰ সংবাদ

## প্ৰাক্তন কাৰ্য্যনিৰ্ব্বাহক সভাৰ সপ্তম অধিবেশন।

স্থান ঃ—নতুন পলাশবাৰীৰ হাই স্কুল

তাৰিখ—২৬।১০।৬০ সন্ধিয়া ৬-:০ বজাৰ পৰা—২৭।১০।৬০ পুৱা ৮-৩০ বজাৰ পৰা

**উপস্থিত সভ্যসকল—**

(১) শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা ( সভাপতি )
(২) ,, বিনন্দ চন্দ্ৰ বৰুৱা
(৩) ,, নকুল চন্দ্ৰ ভূঞা
(৪) ,, সুৰেন্দ্ৰ চন্দ্ৰ দত্ত
(৫) ,, কৃষ্ণ প্ৰসাদ বৰুৱা
(৬) ,, যোগেশ চন্দ্ৰ সৰকাৰ
(৭) ,, সত্যেন্দ্ৰ নাথ শৰ্ম্মা
(৮) ,, ললিত চন্দ্ৰ ৰৰা
(৯) ,, প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য
(১০) ,, ভৱানন্দ ৰাজখোৱা
(১১) ,, চৈয়দ আব্দুল মালিক
(১২) ,, ( মতী ) লক্ষহীৰা দাস
(১৩) ,, ডাঃ মহেশ্বৰ নেওগ।
(১৪) ,, মহেশচন্দ্ৰ দেৱ গোস্বামী
(১৫) ,, নৰেন্দ্ৰ নাথ শৰ্ম্মা
(১৬) ,, বৃন্দীন্দ্ৰ কুমাৰ ৰাজ খনিকৰ
(১৭) ,, লীলা গগৈ
(১৮) ,, ত্ৰৈলোক্য নাথ গোস্বামী
(১৯) ,, শ্ৰীহৰিপ্ৰসাদ নেওগ
(২০) , যতীন্দ্ৰনাথ গোস্বামী ( প্ৰধান সম্পাদক )

বিশেষ ভাবে নিমন্ত্ৰিত—(১) শ্ৰীঅৱলা কান্ত গোস্বামী (২) শ্ৰীবিশ্বনাথ ৰাজবংশী, (৩) শ্ৰীগোবিন্দ চন্দ্ৰ পৈৰা।

১। প্ৰধান সম্পাদকে যোৱা ষষ্ঠ ( জৰুৰী ) অধিবেশনৰ কাৰ্য্যবিৱৰণী পাঠ কৰে আৰু সভাত গৃহীত হয়।

২। প্ৰধান সম্পাদকে অষ্টাবিংশ অধিবেশনৰ সম্পাদকৰ প্ৰতিবেদন পাঠ কৰে আৰু সৰ্ব্বসম্মতিক্ৰমে গৃহীত হয়।

৩। অষ্টাবিংশ অধিবেশনৰ দৈনিক কাৰ্য্য-সূচী সভাই অনুমোদন কৰে।

৪। ঢিং শাখা সভাৰ চিঠিখন সভাত পাঠ কৰা হয়। আৰু সভাসকলে চিঠিখন আপত্তিজনক বুলি মত প্ৰকাশ কৰে আৰু প্ৰধান সম্পাদকক তাৰ উত্তৰ দিবলৈ নিৰ্দ্দেশ দিয়ে।

৫। শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাদেৱক গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ কৰ্টৰ সদস্য মনোনীত কৰা হয়।

৬। দানবীৰ ৰাধাকান্ত সন্দিকৈদেৱৰ প্ৰতিমূৰ্ত্তি উন্মোচন দিন ৩০ ডিচেম্বৰত ধাৰ্য্য কৰা হয় আৰু এই প্ৰসঙ্গত যাবতীয় ব্যৱস্থা কৰিবৰ কাৰণে এটি উপ-সমিতি গঠন কৰা হয়।

(১) শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা, (২) শ্ৰীনকুল চন্দ্ৰ ভূঞা, (৩) চৈয়দ আব্দুল মালিক, (৪) শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী ( প্ৰধান সম্পাদক ), শ্ৰীহৰিদাস নেওগ, (৬) শ্ৰীললিত চন্দ্ৰ ৰবা।

মূৰ্ত্তি-উন্মোচন কাৰ্য্যৰ কাৰণে বিশিষ্ট ব্যক্তিক নিমন্ত্ৰণ কৰিবৰ কাৰণে ক্ৰম অনুযায়ী এখন তালিকা কৰা হয়।—

(১) অসমৰ ৰাজ্যপাল, (২) ডাঃ ৰাধাকৃষ্ণন, (৩) শ্ৰীশ্ৰীপ্ৰকাশ, ৪) ডাঃ জাকিৰ হুচেইন।

আৱশ্যক হলে ৺যতীন্দ্ৰ নাথ গোস্বামীয়ে এই বিষয়ে দাতাৰ লগত আলোচনা কৰি বিহিত ব্যৱস্থা কৰিব।

উৎসৱ উপলক্ষে এখন জীৱনী প্ৰকাশৰ সিদ্ধান্ত কৰা হয়।

৭। নিয়মাৱলী উপসমিতিৰ প্ৰতিবেদন সভাত দাখিল কৰা হয়।

৮। (ক) অনা-অসমীয়া ভাষাভাষীৰ কাৰণে অসমীয়া শিক্ষা পুথি প্ৰণয়ন কৰা সম্পৰ্কে সভাত আলোচনা কৰা হয়। (খ) পাৰ্ব্বত্য অঞ্চলৰ প্ৰাথমিক শ্ৰেণীত ( ক-মান

আৰু থ মান ) অসমীয়া ভাষা শিকোৱাৰ অসুবিধা দুৰ কৰিবৰ কাৰণে শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকাদেৱে তেওঁৰ "মিঠা পাঠ" নামৰ পুথিৰ শ্ৰীগোবিন্দ চন্দ্ৰ পৈৰা দেৱৰ হতুৱাই আৱশ্যকীয় সালসলনি কৰি সভাক প্ৰকাশৰ সকলো ভাৰ অৰ্পণ কৰিবলৈ সভাত ইচ্ছা প্ৰকাশ কৰে।

কহিমা অঞ্চলৰ ক আৰু থ মান শ্ৰেণীৰ ৫০০ খন অসমীয়া পাঠ্যপুথি কহিমা সাহিত্য সভাৰ লগত আলোচনা কৰি বিনামূল্যে বিতৰণ কৰিবৰ কাৰণে প্ৰধান সম্পাদকক ভাৰ দিয়ে। প্ৰচাৰৰ শিতানৰ পৰা এই টকা খৰচ হ'ব।

(গ) কহিমা সাহিত্য সভাৰ লগত আলোচনা কৰি বিদ্যালয়ৰ বছৰৰ আৰম্ভণিতে দুজন প্ৰাইমেৰী স্কুলৰ শিক্ষক নগাপাহাৰলৈ তিনি মাহৰ কাৰণে পঠিয়াবলৈ সভাই স্থিৰ কৰে।

৯। (ক) তলত নাম দিয়া সভাসমূহক স্বীকৃত সভা বুলি অনুমোদন কৰা হয়—

(১) টিপলিং সাহিত্য সভা, (২) ডিমাপুৰ সাহিত্য সভা, (৩) নকচাৰী আলোক সভা, (৪) ভাৰতী অধ্যয়ন চক্ৰ ( সৰ্থেবাৰী ) (৫) ডুমডুমা প্ৰগতি সংঘ

(খ) তলৰ লোকসকলক আজীৱন সভ্যভুক্ত কৰা হয়—

(১) শ্ৰীহেমেন্দ্ৰ প্ৰসাদ বৰুৱা ( যোৰহাট )
(২) শ্ৰীযোগেন্দ্ৰ নাথ ডেকা ( ডুমডুমা )
(৩) শ্ৰীকনক চন্দ্ৰ কোঁৱৰ ( ডুমডুমা )

১০। অষ্টাবিংশ অধিবেশনৰ বিষয়-বাচনি সভালৈ প্ৰস্তাৱসমূহ আলোচনা কৰি পঠোৱা হয়।

১১। বিশেষ অসুবিধাৰ কাৰণে ১।১০।৬০ তাৰিখে শ্বিলঙলৈ যোৱা সাহিত্য সভাৰ প্ৰতিনিধি তিনিজনক প্ৰথম শ্ৰেণীৰ ( শ্বিলং গুৱাহাটী ) দুয়ো ফালে অহা যোৱা বাচৰ ভাড়া মঞ্জুৰ কৰা হয়।

১২। লোক গণনাৰ ২০০০০ কাগজ ছপা কৰিবলৈ সিদ্ধান্ত কৰা হয়, আৰু এই সংক্ৰান্তত যাবতীয় খৰচ কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হয়।

১৩। ২৫ আৰু ২৬ অক্টোবৰ তাৰিখে দিল্লীত বহা ইয়ুনেস্কৰ অধিবেশনলৈ যোৱা সাহিত্য সভাৰ প্ৰতিনিধি শ্ৰীশিৱপ্ৰসাদ বৰুৱাক ( গুৱাহাটী ) তেওঁৰ বিল অনুযায়ী ২৪৩৲ ( দুশ তিয়াল্লিশ টকা ) ভ্ৰমণ বানচ মঞ্জুৰ কৰা হয়।

১৪। শ্ৰীঅনিলচন্দ্ৰ বৰুৱাই অসম সাহিত্য সভাৰ ১৯৫৪ চনৰ পৰা ১৯৬০ চনৰ চেপ্তেম্বৰলৈ সভাৰ হিচাপ পৰীক্ষা কৰি দিয়াৰ কাৰণে আগেয়ে মঞ্জুৰ কৰা ২৫০৲ ( দুশ পঞ্চাশ টকা ) প্ৰধান সম্পাদকক দিবলৈ নিৰ্দ্দেশ দিয়া হয়।

১৫। ডিমাপুৰ আৰু সবিয়হজানত সাংস্কৃতিক অনুষ্ঠান আয়োজন আৰু প্ৰদৰ্শন কৰাৰ বাবে উষা নৃত্য পৰিষদক ( যোৰহাট ) এহেজাৰ টকা দিবলৈ স্থিৰ কৰা হয়।

১৬। অসম সাহিত্য সভাৰ প্ৰকাশন সমূহ অষ্টাবিংশ অধিবেশন উপলক্ষে বেহাই মূল্যত বিক্ৰী কৰিবলৈ স্থিৰ কৰা হয়।

(ক) ভাষণাৱলী ১ম ভাগ—৪৲ } দুইখন একে লগে ৭৲
(খ) " ২য় ভাগ—৪৲
(গ) বাৰ্ষিকী ১ম ভাগ—'৭৫ নঃ পঃ
(ঘ) " ২য় "—'৭৫ " "
(ঙ) শ্ৰীব্ৰহ্মবৈবৰ্ত্ত পুৰাণ—'৩৭ নঃ পঃ
(চ) বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা '৭৫ নঃ পঃ
(ছ) লৱকুশৰ যুদ্ধ—'৭৫ নঃ পঃ
(জ) সাত্বত তন্ত্ৰ—'৩০ নঃ পঃ
(ঝ) শ্ৰীবনমালী দেৱ চৰিত্ৰ—'৩০ নঃ পঃ
(ঞ) This is Assam—১৲
(ট) NEFA—১৲
(ঠ) সীমান্তৰ সন্দেশ—১'০০
(ড) নীলাচল পাঠ—'৫০ নঃ পঃ
(ঢ) ঢেকিয়াল ফুকন—'১৯ "
(ণ) অসমীয়া ভাষা—'২৫ "
(ত) উদয়াচলৰ সাধু—১'০০ "
(থ) পবিত্ৰ অসম—৬'০০ "
(দ) চাহ বাগিচাৰ বনুৱা—১'০০
(ধ) অসমীয়া লোকগীতি সংগ্ৰহ—৩'০০
(ন) শ্ৰদ্ধাঞ্জলী—৫০ নঃ পঃ
পত্ৰিকা—১৮শ বছৰ ( একে লগে )—২৲
প্ৰতি সংখ্যা—'৭৫ নঃ পঃ



১৭। "পবিত্ৰ অসম" সম্পাদনা সমিতিৰ সম্পাদকক উক্তপুথিৰ ৫০ খন পাৰিতোষিক স্বৰূপে সভাই দিবলৈ স্থিৰ কৰে। এই শিতানত ছপাখৰচ সংশোধন কৰি ৬০০০৲ টকা কৰা হয়।

অসম সাহিত্য সভাৰ সম্পাদকক ৫০ খন বিনামূল্যে বিতৰণৰ ভাৰ দিয়া হয়।

তলৰ খৰচ মঞ্জুৰ কৰা হয়—

(ক) আহি কাকত চোৱা খৰচ—১০০৲
(খ) শ্ৰীলীলা গগৈৰ ভ্ৰমণ বানচ—২৬'০৬ নঃ পঃ
(গ) অন্যান্য খৰচ—১০০'০০ নঃ পঃ

১৮। লোকগীতি পুথিৰ সংগ্ৰাহক শ্ৰীযোগেশ তামুলীক ২০০৲ আৰু ২৫ খন ছপা পুথি; আৰু শ্ৰীৰূপেশ্বৰ দত্তক ৫০৲ আৰু ২৫ খন ছপা পুথি দিবলৈ স্থিৰ কৰে।

পুথি দুখন সম্পাদনা কৰা বাবে শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা দেৱক ৫০ খন ছপা পুথি দিবলৈ স্থিৰ কৰে।

প্ৰধান সম্পাদকক ৫০ খন ছপা পুথি বিতৰণৰ কাৰণে ( বিনামূল্যে ) দিবলৈ সিদ্ধান্ত কৰে। প্ৰচাৰ আচনিৰ পৰা ছপা খৰচ ১২০০৲ মঞ্জুৰ কৰা হয়।

১৯। চাহ বাগিচাৰ বনুৱাৰ লেখক শ্ৰীনকুল চন্দ্ৰ ভূঞা দেৱক ২০০ খন ছপা পুথি পাৰিতোষিক স্বৰূপে দিবলৈ সভাই স্থিৰ কৰে। প্ৰধান সম্পাদকক ৫০ খন বিনামূল্যে বিতৰণৰ ভাৰ দিয়ে।

২০। গুৱাহাটীৰ লয়াৰ্চ বুক ষ্টলক সাহিত্য সভাৰ প্ৰকাশনৰ এজেন্সি দিবলৈ স্থিৰ কৰে।

শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী
প্ৰধান সম্পাদক
২৭।১০।৬০

স্বাঃ শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা
সভাপতি
২৭।১০।৬০

---

# অসম সাহিত্য সভাৰ অষ্টাবিংশ অধিবেশনৰ বিৱৰণ

**শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী**
প্ৰাক্তন প্ৰধান সম্পাদক

যোৱা অক্টোবৰ মাহৰ ২৭,২৮ আৰু ২৯ তাৰিখে নতুন পলাশবাৰীত ( মিৰ্জ্জাত ) অসম সাহিত্য সভাৰ অষ্টাবিংশ অধিবেশন কথা-শিল্পি শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীদেৱৰ সভাপতিত্বত সমাৰোহেৰে সম্পন্ন হয়। এই অধিবেশনতে অধিক সংখ্যক প্ৰতিনিধি আৰু দৰ্শকে যোগদান কৰিছিল। আনকি কাছাৰৰ মণিপুৰী, বহুৱা প্ৰতিনিধি আৰু পাৰ্ব্বত্য অঞ্চলৰ প্ৰতিনিধিয়ে সভাত যোগদান কৰিছিল। মুকলি অধিবেশনৰ দুয়োদিন অভূত-পূৰ্ব্ব জনসমাবেশ হৈছিল। প্ৰদৰ্শনী মণ্ডপ আৰু অনুষ্ঠানতো বিৰাট জনসমাবেশ হৈছিল।

২৬শে তাৰিখৰ পৰাই প্ৰতিনিধিৰ শিবিৰ খোলা হয়। সেইদিনা সন্ধিয়া ৬-৩০ বজাত আৰু পাচদিনা পুৱা ৯ বজাত অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সভাৰ শেষ অধিবেশন বহে।

## পতাকা উত্তোলন

২৭ তাৰিখে পুৱা ৮-৩০ বজাত সভামণ্ডপৰ পুবফালে মুকলি পথাৰত বিদায়ী সভাপতি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা-দেৱে প্ৰথমবাৰ আনুষ্ঠানিক ভাবে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে। এই প্ৰসঙ্গত হাজৰিকাদেৱে

জুৰাৰমান কৰে। সাহিত্যৰথী বেজবৰুৱাদেৱৰ অসম সঙ্গীতে অভূতপূৰ্ব্ব আলোড়ণৰ সৃষ্টি কৰিছিল। পতাকা অভিবাদনৰ পিছত পলাশ বাৰীৰ ছাত্ৰ-ছাত্ৰীসকলে স্কাউটৰ কুচকাৱাজ প্ৰদৰ্শন কৰে।

## বিষয়-বাছনি সভা

২৭ তাৰিখে দিনৰ ১ বজাৰ পৰা বিষয় বাছনি সভা আৰম্ভ হয়, আৰু এই সভাত বহুতো প্ৰতিনিধিয়ে যোগদান কৰিছিল। সভাৰ নৱ নিৰ্ব্বাচিত সভাপতি শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীদেৱে এই সভাত সভাপতিত্ব কৰে। বিষয় বাছনি সভা তিনি বাৰ বহে আৰু ২৮ তাৰিখে ৰাতি এই সভাৰ সামৰণি পৰে।

## প্ৰদৰ্শনী উদ্বোধন

২৭ তাৰিখে দুপৰীয় ১২-৩০ বজাত এটি আবেগময়ী বক্তৃতাৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বাগ্মীবৰ শ্ৰীনীলমণি ফুকনদেৱে প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে। অসম সাহিত্য সভাৰ প্ৰতীকেৰে প্ৰদৰ্শনীৰ তোৰণ সজা হৈছিল। অসম চৰকাৰৰ প্ৰচাৰ বিভাগে বিশেষ সহযোগিতা কৰিছিল। চৰকাৰৰ প্ৰকাশন বিভাগ, পুথি-বছা সমিতিয়ে পুথি চ'ৰাত অংশ গ্ৰহণ কৰে। অসমৰ খ্যাত-নামা সাহিত্যিক আৰু শিল্পীসকলৰ বাণী সহ প্ৰতিকৃতি অঙ্কন কৰি শিল্পী শ্ৰীযুগল দাস আৰু শ্ৰীকমল চৌধুৰীয়ে আকৰ্ষণীয় পৰিবেশ সৃষ্টি কৰিছিল। নলবাৰী আৰ্ট স্কুলৰ চিত্ৰ সমূহেও জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিছিল। সাহিত্য সভাৰ পুথি চ'ৰাতো জন সমাগম উল্লেখযোগ্য। এদিন এই চ'ৰাত আঠশ টকাৰো অধিক সাহিত্য সভাৰ পুথি বিক্ৰী হৈছিল।

## আলোচনা চক্ৰ

২৮ তাৰিখে পুৱা ৯ বজাত অধ্যক্ষ শ্ৰীতীৰ্থনাথ শৰ্ম্মাদেৱৰ সভাপতিত্বত আলোচনা চক্ৰ বহে। শিক্ষা উপমন্ত্ৰী শ্ৰীৰাধিকাৰাম দাসদেৱে আলোচনা চক্ৰ উদ্বোধন কৰে। শ্ৰীফণীন্দ্ৰ চন্দ্ৰ বৰুৱাদেৱে 'অসমৰ লোক গণনা' শীৰ্ষক এটি প্ৰবন্ধ পাঠ কৰে। বুৰঞ্জীবিদ শ্ৰীবেণুধৰ শৰ্ম্মাদেৱে অসমৰ প্ৰাচীনতাত কোচবেহাৰৰ স্থান আৰু অসমীয়া ভাষাক ৰাজ্যিক ভাষা কৰাৰ ন্যায্য দাবী প্ৰসঙ্গত এটি বক্তৃতা দিয়ে। অম্বিকা চৰণ চৰকাৰে "কোচ জাতিৰ ইতিবৃত্ত" শীৰ্ষক এটি প্ৰবন্ধ পাঠ কৰে। ডঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মাদেৱে শিশু সাহিত্যৰ উপযোগিতা, ৰচনা পদ্ধতি আৰু ইয়াৰ ক্ৰম বিকাশৰ বিষয়ে এটি বক্তৃতা দিয়ে। অধ্যাপিকা শ্ৰীনিৰ্ম্মল প্ৰভা বৰদলৈয়ে শিশু-সাহিত্যৰ বিষয়ে এটি বক্তৃতা দিয়ে। অধ্যাপিকা শ্ৰীসৰোজ দত্তই 'বিজ্ঞান সাহিত্য' সম্পৰ্কে এটি প্ৰবন্ধ পাঠ কৰে। . সভাপতি শৰ্ম্মাদেৱে আলোচ্য বিষয় সমূহৰ ওপৰত এটি চুটি অথচ সাৰগৰ্ভ মন্তব্য দিয়ে।

---

# মুকলি অধিৱেশন

### প্ৰথম দিন, ২৮ অক্তোবৰ

কথা-শিল্পী-শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীদেৱৰ সভাপতিত্বত দিনৰ ১-৩০ বজাত প্ৰথম দিনৰ মুকলি অধিৱেশন আৰম্ভ হয়। নতুন পলাশবাৰীৰ পৰা এটি বিৰাট সমদলে সভাপতিক সভামণ্ডপলৈ আনে।

আৰম্ভণী গীতেৰে সভাৰ কাম আৰম্ভ হয়। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীৰঘুনাথ চৌধাৰীদেৱক ডঃ মহেশ্বৰ নেওগে সভা উদ্বোধন কৰিবলৈ অনুৰোধ কৰে। উদ্বোধন প্ৰসঙ্গত শ্ৰীচৌধাৰীদেৱে অসমীয়া ভাষাৰ নতুন ইতিহাসৰ মুহূৰ্ত্তত অনুষ্ঠিত হোৱা সাহিত্য সভাৰ এই গুৰুত্বপূৰ্ণ অধিৱেশনখন এক ঐতিহাসিক অধিৱেশন বুলি অভিহিত কৰে। সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীয়ে সভামণ্ডপত উপস্থিত



সাহিত্য সভাৰ প্ৰাক্তন সভাপতিসকলক ৰাইজৰ আগত চিনাকি কৰি দিয়ে। বিদায়ী সভাপতি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাদেৱে নৱ নিৰ্ব্বাচিত সভাপতি শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীদেৱক সভাপতিৰ আসন গ্ৰহণ কৰিবলৈ অনুৰোধ কৰে, আৰু আদৰণী সমিতিৰ প্ৰধান সম্পাদক শ্ৰীদেবেন্দ্ৰ নাথ চৌধুৰীয়ে সভাপতিক মাল্যপ্ৰদান কৰে। আদৰণী সমিতিৰ সভাপতি শ্ৰীঅৱলাকান্ত গোস্বামীদেৱে তেখেতৰ অভিভাষণত দক্ষিণপাৰৰ চমু ইতিবৃত্ত দি সাহিত্য সভাৰ সংগঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

শ্ৰীকে-এম-মুন্সী. সাহিত্য একাডেমীৰ সহকাৰী সচিব, ৰাজ্যপাল শ্ৰীবিষ্ণুৰাম মেধি, প্ৰাক্তন সভাপতি শ্ৰীযতীন্দ্ৰ নাথ দুৱৰা, ভাৰত চৰকাৰৰ সংসদী সচিব শ্ৰীযোগেন হাজৰিকা, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ প্ৰধান সম্পাদক শ্ৰীশৰৎ চন্দ্ৰ সিংহ. অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহা, বিত্তমন্ত্ৰী শ্ৰীফকিৰুদ্দিন আলী আহমদ. বিধান সভাৰ অধ্যক্ষ শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী, আৱাহনৰ সম্পাদক দীননাথ শৰ্ম্মা, শ্ৰীশ্ৰীদক্ষিণপাটীয় সত্ৰাধিকাৰ গোস্বামী. শ্ৰীমিত্ৰদেৱ মহন্তে আদিৰ পৰা পোৱা শুভেচ্ছা বাণী সমূহ অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগদেৱে পঢ়ি শুনায়।

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীয়ে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। এই প্ৰতিবেদনত সপ্তবিংশ অধিৱেশনৰ প্ৰস্তাৱ কাৰ্য্যকৰি কৰা প্ৰসঙ্গত সভাৰ চেষ্টা, ৰাজ্যিক ভাষা আৰু দেশ জুৰি হোৱা অশান্তি, ভাষা প্ৰচাৰ, সংগঠন, সভাৰ পুঁজি আৰু আঁচনি, পুথি প্ৰকাশ আদি বিভিন্ন কথা আলোচনা কৰা হয়।

শ্ৰীমতী লক্ষহীৰা দাসে এটি বৰগীত গোৱাৰ পাচত সভাপতি শ্ৰীগোস্বামীদেৱে তেখেতৰ ৫২ পিঠিৰ ছপা অভিভাষণ পাঠ কৰে। তেওঁ কয়, "অসমীয়া সাহিত্যৰ অতীত গৌৰৱৰ স্থল দেশৰ মহাপুৰুষসকলে যি দান দি গ'ল তাৰ লগত যোগসূত্ৰ স্থাপন কৰি তেওঁলোকে গঢ়ি যোৱা ভেটিৰ ওপৰত ভবিষ্যত সাহিত্যৰ স্বৰ্ণসৌধ নিৰ্ম্মাণৰ বাবে যত্নপৰ হ'ব লাগে।" ৰাজ্যিক ভাষা, অসমৰ অশান্তি, সুকীয়া পাৰ্ব্বত্য ৰাজ্য, বহুভাষী, আৰু দ্বিভাষী ৰাজ্যৰ দাবী আদি কথা বিশদভাবে আলোচনা কৰি সভাপতিয়ে কয়, "সংখ্যালঘুসকলৰ সুবিধাৰ অৰ্থে কোনো কোনো-অঞ্চলত ৰাজ্য ভাষাৰ প্ৰয়োগ এটা নিৰ্দ্দিষ্ট কাললৈ. পিছুৱাই দিয়াৰ দিহা কৰিব লাগে নাইবা তেওঁলোকৰ নিজা ভাষা আৰু কৃষ্টি সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে।" সভাপতিয়ে প্ৰাচীন আৰু আধুনিক অসমীয়া সাহিত্য বিস্তৃত ভাবে আলোচনা কৰে। সাহিত্যিকৰ দায়িত্বৰ কথা প্ৰসঙ্গত তেওঁ কয়, আজিৰ যুগত পলায়নী মনোবৃত্তিৰ প্ৰয়োজন নাই। সমস্যাবোৰৰ আগত মুখামুখীকৈ থিয় দি সেইবোৰ বুজিবলৈ, সমাধান কৰিবলৈ সাহিত্যিকসকল যত্নপৰ হোৱা উচিত।" যুগোপযোগী সাহিত্য প্ৰসঙ্গত তেওঁ কয়, "কাব্য, নাটক, উপন্যাস, চুটি-গল্পৰ মাজেদি সাম্য, মৈত্ৰী আৰু শান্তিৰ শঙ্খধ্বনি বাজি উঠিব লাগিব নহলে বৈজ্ঞানিকৰ হাতে-গঢ়া আটমবোমাৰ গৰ্জ্জনত মানৱ-জাতিৰ কৃষ্টি-সভ্যতা হয়তো এদিন কঁপি উঠিব, খহি পৰিব।" ভাষাৰ উন্নতি প্ৰসঙ্গত তেওঁ কয়, "অধিক ভাৱ-প্ৰৱণতাৰ বলত আমাৰ দৈন্যৰ বিষয়ে সচেতন নহৈ আত্ম শ্লাঘাৰ মাদকতাত ভোল গৈ থাকিলে ভাষা-সাহিত্যৰ সেৱা কৰা নহয়। ভাষা-সাহিত্যৰ সেৱাক জীৱনৰ সাধনা হিচাবে গ্ৰহণ কৰা এদল উৎসাহী নতুন লেখক আমাক লাগে।"

## দ্বিতীয় দিন

### ২৯ অক্টোবৰ, শনিবাৰ।

দ্বিতীয় দিনা ১-৩০ বজাত সাহিত্য ৰথী বেজবৰুৱাদেৱৰ "আমি অসমীয়া নহওঁ দুখীয়া" সঙ্গীতেৰে মুকলি অধিৱেশন আৰম্ভ হয়।

মুকলি অধিৱেশনত আঠোটা প্ৰস্তাৱ ( শেহত দিয়া হৈছে ) গৃহীত হয়। নিয়মাৱলী সালসলনিৰ সংশোধনী শ্ৰীহৰিপ্ৰসাদ নেওগে দাঙি ধৰে আৰু সভাত গৃহীত হয়। তাৰ পাচত সমজুৱাৰ ফালৰ পৰা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীপদ্মধৰ চলিহা, ধুবুৰীৰ নেতৃস্থানীয় ব্যক্তি শ্ৰীপ্ৰমথনাথ চক্ৰৱৰ্ত্তী, উড়িষ্যাৰ ডেকা সাহিত্যিক শ্ৰীকিষাণ পাটনায়ক, শ্ৰীতীৰ্থনাথ শৰ্ম্মা, অসম সাহিত্য

সভাৰ প্ৰাক্তন সভাপতি শ্ৰীবেণুধৰ শৰ্ম্মা, বিদায়ী সভাপতি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, বঙ্গুৱা নেতা শ্ৰীবগুৰা তাঁতী, পণ্ডিত শ্ৰীকামাখ্যানাথ শাস্ত্ৰী, শ্ৰীৰবীন্দ্ৰনাথ দ্বিবেদী, চৈয়দ আব্দুল মালিক, শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীনীলমণি ফুকনে একোটিকৈ বক্তৃতা দিয়ে। শ্ৰীপ্ৰমথনাথ চক্ৰৱৰ্ত্তীদেৱে বৃহত্তৰ বঙ্গৰ গৰাহৰ পৰা গোৱালপাৰা জিলাক ৰক্ষা কৰিবলৈ সদৌ অসমৰ ভাষাপ্ৰেমীসকলক আহ্বান জনায়। শ্ৰীকিষাণ পাটনায়কে এনেধৰণৰ অভূতপূৰ্ব্ব গণ সমাবেশ সাহিত্য সমাৰোহত আন ঠাইত কতো দেখা নাই বুলি কয়। তেওঁ কয় যে জনসাধাৰণৰ উচ্ছ্বাসৰ ফলত জন সাহিত্যৰ উন্নতি সম্ভৱপৰ। তেওঁ অসমীয়া ভাষাই ৰাজ্যিক চৰকাৰী ভাষাৰূপে স্বীকৃতি লাভ কৰাত তেওঁ সন্তোষ প্ৰকাশ কৰে। কিন্তু অতি ক্ষিপ্ৰভাৱে ৰাজ্যৰ সকলো পৰ্য্যায়তে অসমীয়া ভাষা ব্যৱহাৰৰ কাৰণে আৰু জোৰ দিয়া আৱশ্যক বুলি মত প্ৰকাশ কৰে। শ্ৰীবগুৰা তাঁতীয়ে কয়, "অসমত থকা চাহ বাগানৰ বঙ্গুৱা সকলে অসমত উপজি অসমৰ পৰিবেশত ডাঙৰ হৈ এই দেশকেই ঘৰ বুলি লৈছে। তেওঁ অসমৰ মজদুৰ ভাইসকলক অসমীয়া বুলি পৰিচয় দিবলৈ আহ্বান জনায়।"

সমজুৱাৰ বক্তৃতাৰ পাচত প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীয়ে অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহকৰ হৈ পদত্যাগ কৰে, আৰু বিদায়ী সভাপতি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাদেৱে নতুন কাৰ্য্য নিৰ্ব্বাহক সভাৰ নামৰ তালিকা সভাত দাঙি ধৰে আৰু সৰ্ব্ব সন্মতিক্ৰমে গৃহীত হয়। নৱ নিৰ্ব্বাচিত প্ৰধান সম্পাদক শ্ৰীমহেশ্বৰ নেওগে নতুন কাৰ্য্য-নিৰ্ব্বাহক দায়িত্ব সম্পাদন কৰা কাৰ্য্যত সদৌ ৰাইজৰ সহযোগিতা কামনা কৰে।

সভাপতি শ্ৰীগোস্বামীদেৱে চুটি মন্তব্যৰে অষ্টাবিংশ অধিবেশনৰ মোখনি মাৰে। তেখেতে অসমীয়া জাতিৰ নিৰাপত্তা ব্যৱস্থাত, জাতিৰ স্বাৰ্থৰক্ষাত, অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি সাধন ক্ষেত্ৰত সদৌ অসম বাসীৰ সহযোগী মনোভাৱৰ কামনা কৰে আৰু সকলো ক্ষেত্ৰতে গঠন মুখী মনোভাৱ লবৰ কাৰণে আহ্বান জনায়।

আদৰণী সমিতিৰ সহকাৰী সভাপতি শ্ৰীদেবেন চৌধুৰীদেৱে শলগৰ শৰাই আগবঢ়োৱাৰ পাচত প্ৰতিনিধিসকলৰ ফালৰ পৰা কবি শ্ৰীআনন্দ চন্দ্ৰ বৰুৱাদেৱেও অভ্যৰ্থনা সমিতিক ধন্যবাদ জ্ঞাপন কৰে। 'অ মোৰ আপোনাৰ দেশ' জাতীয় সঙ্গীতেৰে অধিবেশনৰ সামৰণি পৰে।

## কবি সন্মিলন

২৯ অক্টোবৰ, পুৱা।

পুৱা ৮-৩০ বজাত পদ্মশ্ৰী শ্ৰীনলিনীবালা দেৱীৰ সভাপতিত্বত ন-পুৰণি কবিসকলৰ সমাবেশত কবি-সন্মিলন অনুষ্ঠিত হয়। বকুল বনৰ কবি শ্ৰীআনন্দ চন্দ্ৰ বৰুৱাই সকলোকে আদৰণি জনায়। ধ্বনি কবি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাদেৱে সন্মিলন উদ্বোধন কৰে। সৰ্ব্বশ্ৰী নৱকান্ত বৰুৱা, মহেন্দ্ৰ বৰা, পদ্মধৰ চলিহা, আনন্দ চন্দ্ৰ-বৰুৱা, হোমেন বৰগোহাঞি, ৰত্ন ওজা, বিনন্দচন্দ্ৰ বৰুৱা, পূৰ্ণ মজুমদাৰ, জমিৰুদ্দিন আহমদ, যজ্ঞোৰাম গগৈ, ইব্ৰাহিম আলি, চম্পাৰাম নাথ, যোগেন্দ্ৰ চন্দ্ৰ সৰকাৰ, ৰবীন্দ্ৰ নাথ দ্বিবেদী, শ্ৰীমতী ( সকল ) নিৰ্ম্মলপ্ৰভা বৰদলৈ, লক্ষহীৰা দাস আৰু ফাতেমা খাতুনে একোটি স্বৰচিত কবিতা পাঠ কৰে। সভাপতি শ্ৰীমতী নলিনী দেৱীয়ে অসমীয়া কবিতাৰ বিষয়ে এটি চিন্তামূলক মন্তব্য দিয়ে।

## সাংস্কৃতিক অনুষ্ঠান

অধিবেশনৰ তিনিও দিন ( ২৭, ২৮ আৰু ২৯ অক্টোবৰ ) সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। ২৭তাৰিখে হোৱা সাংস্কৃতিক সন্মিলনৰ সভাপতিত্ব কৰে ধুবুৰীৰ শ্ৰীমানগোবিন্দ চক্ৰৱৰ্ত্তীদেৱে। মূল অতিথি শিল্পী শ্ৰীবিষ্ণু ৰাভাই এটি ওজস্বী বক্তৃতাৰে অসমৰ ভাষা সংস্কৃতিক ভাঙনমুখী অৱস্থাৰ পৰা ৰক্ষা কৰিবলৈ হলে পৰ্ব্বত ভৈয়ামৰ সমন্বয় ৰক্ষা কৰাতো অতি আৱশ্যকীয় বুলি কয়। আনজন অতিথি শ্ৰীসুন্দৰ বৰদলৈয়েও সময়োপযোগী ভাষণ দিয়ে। সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্য্য-সূচীত স্থানীয় শিল্পীসকলৰ উপৰিও গুৱাহাটী, উত্তৰ গুৱাহাটী, গুৱালকুচি, নলবাৰী পাঠশালা, পাণ্ডু, বৰপেটা আদি ঠাইৰ শিল্পী সকলে সহযোগ কৰে। দক্ষিণ কোলৰ থলুৱা গীত নৃত্য আদি অনুষ্ঠানত আকৰ্ষণীয় বিষয় আছিল। শ্ৰীমমতা দাসে পৰিবেশন কৰা চৈতালি নাম, শ্ৰীবস্তু তালুকদাৰৰ পৰিচালনাত দেওদসী নৃত্য, শ্ৰীনৰহৰি বুঢ়া ভকতৰ সূত্ৰধাৰী নৃত্য, ভোৰতাল নৃত্য, দশাৱতাৰ নৃত্য আৰু বৰগীত, শ্ৰীপ্ৰভাত শৰ্ম্মাৰ খোল বাদ্য, শ্ৰীমৃদুলা দাসৰ বনগীত, শ্ৰীকল্পনা দাসৰ ভাৰত নৃত্যম্, শ্ৰীখগেন কলিতাৰ পৰিচালনাত স্তমন্ত হৰণ, পলাশবাৰী উচ্চ ইংৰাজী বালিকা বিদ্যালয়ৰ নৃত্য নাটিকা, গুৱাহাটীৰ কালিৰাম বৰুৱা হাইস্কুলৰ নৃত্যনাটিকা ( মিৰি-জীয়ৰী ), একাঙ্কিকা নাট মায়াজাল, শিল্পী শ্ৰীবীৰেণ দত্তৰ আধুনিক গীত আদিয়ে হাজাৰ হাজাৰ দৰ্শকক আনন্দ দিব পাৰিছিল। ইয়াৰ উপৰি স্থানীয় যাত্ৰায়ো দৰ্শকক আমোদ দিছিল। শেহৰ দিনা ৰাতি প্ৰায় ত্ৰিশ হাজাৰ দৰ্শক সমাবেশ হৈছিল।

---



## প্ৰস্তাৱ সমূহ

### প্ৰথম প্ৰস্তাৱ

অসম সাহিত্য সভাৰ অষ্টাবিংশ অধিবেশনে ৰাজ্যপাল, ফজল আলি, কাব্যভাৰতী ধৰ্ম্মেশ্বৰী দেৱী বৰুৱাণী, ডাঃ ললিত বৰুৱা, অধ্যাপক ভবানন্দ দত্ত, পণ্ডিত কণক চন্দ্ৰ শৰ্ম্মা, সুসাহিত্যিক হাৰুণাৰ ৰচিদ, অসম সাহিত্য সভাৰ অন্যতম প্ৰতিষ্ঠাতা দেৱেশ্বৰ শৰ্ম্মা, ডক্তৰ ভূপেন্দ্ৰ নাৰায়ণ চৌধুৰী, চৈয়দ মুহিবুল হক, নাট্য-শিল্পী ব্ৰজনাথ শৰ্ম্মা, সঙ্গীত শিল্পী প্ৰমথনাথ দাস (তিলক দাস), জিবোন তাক কাৰ্ড, ত্ৰৈলোক্য শৰ্ম্মা, সু-সাহিত্যিক জগত চন্দ্ৰ চৌধুৰী, শান্তিৰাম দাস, দেশকৰ্ম্মী প্ৰতাপ চন্দ্ৰ শৰ্ম্মা, আজীৱন সভ্য ডাঃ বংশীধৰ বৰা, সাংবাদিক আব্দুল ৰাজাক, মহিমচন্দ্ৰ গগৈ, উদয়ধৰ দত্ত, শচীনচন্দ্ৰ পাটোৱাৰী আদি সাহিত্যসেৱী সকলৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে আৰু শোক-সন্তপ্ত পৰিয়ালৈ সমবেদনা জনাই মৃতসকলৰ আত্মাৰ সদ্গতি কামনা কৰে।

ভাষা আন্দোলনৰ ফলত অকালতে অতি নিৰুৰুণভাৱে প্ৰাণ হেৰুৱা সু-সাহিত্যিক সূৰ্য্য বৰা, মেধাৱী ছাত্ৰ ৰঞ্জিত বৰপূজাৰী, দেশপ্ৰাণ ডেকা মফিজুদ্দিন, ছাত্ৰ গিৰীশ দেউৰী, মিনেশ্বৰ দা-দৰা আৰু শিশিৰ নাগৰ মৃত্যুত অসম সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰে আৰু তেওঁলোকৰ উদ্দেশ্যে শ্ৰদ্ধাঞ্জলি আগ বঢ়ায়।

( সভাপতিৰ আসনৰ পৰা )

### দ্বিতীয় প্ৰস্তাৱ

যিহেতু যোৱা ২৪।১০।৬০ তাৰিখে অসম বিধান সভাই যি চৰকাৰী ভাষা বিল গ্ৰহণ কৰিছে, সেই বিলত সন্নিবিষ্ট ৰাজ্যভাষা সম্পৰ্কীয় ব্যৱস্থাত আপাতদৃষ্টিত যদিও অসমীয়া ভাষাকেহে ৰাজ্যিক চৰকাৰী ভাষা বুলি কোৱা হৈছে তথাপি ইয়াত (ক) অসম চৰকাৰৰ সচিবালয় আৰু বিভাগীয় মুৰব্বীৰ কাৰ্য্যালয়ত বৰ্ত্তমান অসমীয়া আৰু ইংৰাজী ভাষা আৰু পিচত অসমীয়া আৰু হিন্দী প্ৰচলন কৰাৰ ব্যৱস্থা কৰা হৈছে, আৰু যিহেতু (খ) স্বায়ত্ত শাসিত পৰ্ব্বতীয়া জিলা কেইখনত জিলা বা আঞ্চলিক পৰিষদৰ উপস্থিত সভ্যসকলৰ ⅔ অংশই গ্ৰহণ কৰিলেহে অসমীয়া ভাষা যেই সেই জিলা অথবা অঞ্চলত চৰকাৰী ৰাজ্যিক ভাষা বুলি পৰিগণিত হোৱাৰ ব্যৱস্থা কৰিছে, আৰু যিহেতু (গ) কাছাৰ জিলাত সকলো থলুৱা অসমীয়া, মণিপুৰীয়া, চাহ বঙ্গুৱা আৰু নেপালী লোকে আৰু মুছলমান সকলৰ এটা বৃহৎ অংশই একমাত্ৰ অসমীয়া ভাষাকে অসমৰ ৰাজ্যিক চৰকাৰী ভাষাৰূপে দাবী কৰিছে, অথচ কাছাৰ জিলাৰ মহকুমা পৰিষদৰ আৰু পৌৰসভাৰ সদস্য সকলৰ যুটীয়া বৈঠকত উপস্থিত থকা ⅔ অংশই ৰাজ্যিক ভাষা চলাৰ সপক্ষে ভোট দানৰ যোগে সিদ্ধান্ত কৰিলেহে অসমীয়া ভাষা যেই সেই অঞ্চলত ৰাজ্য ভাষা হোৱাৰ ব্যৱস্থা কৰিছে, গতিকে অসম সাহিত্য সভাই দৃঢ় অভিমত প্ৰকাশ কৰে যে বিলত সন্নিবিষ্ট হোৱা ব্যৱস্থাবোৰৰ যোগে চৰকাৰে একমাত্ৰ অসমীয়া ভাষাকে সদৌ অসমতে ৰাজ্যিক চৰকাৰী ভাষাৰূপে পাবৰ কাৰণে অসম সাহিত্য সভাই কৰি অহা দাবী সম্পূৰ্ণৰূপে মানি লোৱা নাই।

গতিকে অসম সাহিত্য সভাই প্ৰস্তাৱ কৰে যে

চৰকাৰৰ সচিবালয় আৰু বিভাগীয় ৰবমুৰব্বাসকলৰ কাৰ্য্যালয় প্ৰমুখ্যে ৰাজ্যিক কামৰ সকলো পৰ্য্যায়তে আৰু অসমৰ সকলো জিলাতে বৰ্ত্তমান অসমীয়া আৰু ইংৰাজী ভাষা আৰু ইংৰাজী ভাষা প্ৰশাসনীয় ক্ষেত্ৰৰ পৰা উঠি গ'লে একমাত্ৰ অসমীয়া ভাষাকেই চৰকাৰী ভাষাৰূপে ব্যৱহাৰৰ ব্যৱস্থা কৰিব লাগে।

( সভাপতিৰ আসনৰ পৰা )

## তৃতীয় প্ৰস্তাৱ

অসমীয়া ৰাজ্যিক চৰকাৰী ভাষা দাবীৰ সমৰ্থনত অসম সাহিত্য সভাৰ আহ্বান ক্ৰমে সদৌ অসমৰ ৰাইজে সমৰ্থন আগ বঢ়োৱাৰ বাবে ৰাইজলৈ সভাই অভিনন্দন জ্ঞাপন কৰে। বিশেষকৈ যি সকল অনা-অসমীয়া ভাষাভাষী লোক আৰু অনুষ্ঠানে এই দাবীৰ প্ৰতি সমৰ্থন আগ বঢ়াইছিল সেই সকল ব্যক্তি আৰু অনুষ্ঠানলৈ সভাই ধন্যবাদ জ্ঞাপন কৰে। চলিত বছৰৰ মাজ ভাগত অসম আৰু বঙ্গৰ কোনো কোনো ঠাইত কিছুমান অপ্ৰিয় আৰু অবাঞ্চনীয় ঘটনা সংঘটিত হ'ল আৰু তাৰ ফলত কিছু লোক নিৰ্য্যাতিত হল ; তাৰ বাবে অসম সাহিত্য সভাই দুঃখ প্ৰকাশ কৰে, হৈ যোৱা অশান্তিৰ ফলত যি সকল লোক নিৰ্য্যাতিত আৰু ক্ষতিগ্ৰস্ত হ'ল সেইসকলৰ প্ৰতি আন্তৰিক সমবেদনা জনায় আৰু সকলো অৱস্থাতে আৰু সকলো সময়তে ৰাজ্যত শান্তি আৰু শৃঙ্খলা অক্ষুণ্ণ ৰাখিবলৈ সদৌ ৰাইজলৈ আবেদন জনায়।

প্ৰস্তাৱক—শ্ৰীদেবেন্দ্ৰনাথ শৰ্ম্মা
সমৰ্থক—শ্ৰীনীলকান্ত বৰুৱা

## চতুৰ্থ প্ৰস্তাৱ

অসমীয়া ভাষাৰ এখন পূৰ্ণাঙ্গ আৰু নিৰ্ভৰযোগ্য ব্যাকৰণ, এখন পূৰ্ণাঙ্গ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু ভৌগোলিক বুৰঞ্জী, এখন অসমীয়া ভাষা আৰু সাহিত্যৰ পূৰ্ণাঙ্গ বুৰঞ্জী আৰু এখন ইংৰাজী আৰু হিন্দীৰ অসমীয়াত সংকলন কৰা পাৰিভাষিক শব্দকোষ প্ৰণয়ন কৰিবলৈ আজিৰ সভাই সিদ্ধান্ত গ্ৰহণ কৰে আৰু এই সম্পৰ্কে যথোচিত কাৰ্য্যকৰী ব্যৱস্থা সোণকালে হাতত লবলৈ কাৰ্য্য নিৰ্ব্বাহক সমিতিক নিৰ্দ্দেশ দিয়ে।

প্ৰস্তাৱক—শ্ৰীদৈৱচন্দ্ৰ তালুকদাৰ
সমৰ্থক—শ্ৰীৰিয়াজুল হুচেইন

## পঞ্চম প্ৰস্তাৱ

স্বাধীনতা লাভৰ পিছত আঞ্চলিক ভাষাসমূহৰ উন্নতি সাধন কল্পে আৰু বৰ্ত্তমান ইংৰাজী মাধ্যমেৰে শিক্ষাদানৰ ব্যৱস্থাত হোৱা শিক্ষাৰ্থী সকলৰ অসুবিধা দূৰ কৰাৰ অৰ্থে আজিৰ সভাই প্ৰস্তাৱ কৰে যে স্নাতক মহলালৈকে অসমীয়াক শিক্ষাৰ বিকল্প মাধ্যম হিচাবে প্ৰৱৰ্ত্তন কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ক অনুৰোধ কৰা হওক।

প্ৰস্তাৱক—শ্ৰীগোবিন্দ চন্দ্ৰ পৈৰা
সমৰ্থক—চৈয়দ মেৰাছ হুচেইন

## ষষ্ঠ প্ৰস্তাৱ

কাছাৰ জিলা আৰু পাৰ্ব্বত্য জিলা সমূহৰ অসমীয়া ভাষা শিক্ষাৰ প্ৰতি আগ্ৰহশীল লোক সকলৰ শিক্ষকৰ অভাৱত অসমীয়া শিকাত হোৱা অসুবিধা সমূহলৈ লক্ষ্য ৰাখি এই জিলাসমূহৰ কাৰণে অসমীয়া প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰি উক্ত জিলাসমূহৰ অধিবাসীসকলক অসমীয়া শিকাৰ সুবিধা দিবৰ কাৰণে অসম সাহিত্য সভাই চৰকাৰক টানি অনুৰোধ জনায়।

প্ৰস্তাৱক—শ্ৰীৰমণ সিংহ মণিপুৰী
সমৰ্থক—শ্ৰীমহেন্দ্ৰ নাথ সভাপণ্ডিত

## সপ্তম প্ৰস্তাৱ

চাহ বাগিচাৰ বস্তুৱাৰ মাজৰ পৰা অহা ছাত্ৰ-ছাত্ৰী-সকলৰ অসমীয়া ভাষা জ্ঞানৰ মান-দণ্ডলৈ লক্ষ্য ৰাখি অসম সাহিত্য সভাই গুৱাহাটী বিশ্ববিদ্যালয়ক অনুৰোধ কৰে যে, অন্ততঃ প্ৰবেশিকা পৰীক্ষাত সৰ্ব্বনিম্ন উত্তীৰ্ণ নম্বৰ শতকৰা ত্ৰিশ ( ৩০ ) লৈ নমোৱা হওক।

প্ৰস্তাৱক—শ্ৰীছত্ৰ গোপাল কৰ্ম্মকাৰ
সমৰ্থক—শ্ৰীতিলক কাকতি



## অষ্টম প্ৰস্তাৱ

অলপতে অসম চাহকোম্পানীয়ে তেওঁলোকৰ অনা-অসমীয়া এচিষ্টেণ্ট মেনেজাৰ সকলৰ মাজত অসমীয়া ভাষা শিক্ষাৰ কাৰণে এখন বিজ্ঞপ্তি প্ৰচাৰ কৰিছে আৰু অসমীয়া ভাষা শিক্ষাত কৃতিত্ব অৰ্জ্জন কৰা সকলক পুৰস্কৃত কৰিছে। অসম সাহিত্য সভাই অনা-অসমীয়া ভাষীসকলৰ মাজত অসমীয়া ভাষা প্ৰচাৰত এনে আগ্ৰহ আৰু প্ৰচেষ্টাৰ শলাগ লয় আৰু অন্যান্য উদ্যোগসমূহেও এই আদৰ্শ ল'ব বুলি আশা প্ৰকাশ কৰে।

প্ৰস্তাৱক—শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা
সমৰ্থক—শ্ৰীহৰেশ্বৰ বৰ্ম্মন

গৃহীত—

স্বাঃ শ্ৰীত্ৰৈলোক্য গোস্বামী
সভাপতি
২৯।১০।৬০

**অসম সাহিত্য সভাৰ নিয়মাবলীৰ তলত দিয়া দৰে সালসলনি হয়—**

১। ১ পৃষ্ঠাৰ দফা ২ (ঘ)—"অৱস্থাহীন"ৰ সলনি "সামৰ্থ্যহীন।"

২। ৪ পৃষ্ঠাৰ ১৮ দফা—"সভাপতি হব"ৰ পাচত যোগ হব—"কোনো কাৰণবশতঃ সেই সভাপতি কাৰ্য্যকৰী সমিতিৰ সভাপতি হৈ থাকিব পৰা সম্ভৱপৰ নহলে বিষয়-বাছনি সভাই আন এজনক কাৰ্য্যকৰী সভাপতি নিৰ্ব্বাচন কৰি লব পাৰিব।"

৩। ৫ পৃষ্ঠাৰ ২৫ দফা—"কাৰ্য্যকালৰ" পাচত যোগ হ'ব—"বাৰ্ষিক।"

৪। ৫ পৃষ্ঠাৰ ২৬ দফা—"পিছৰ সন্মিলনলৈকে থাকিব" এই কথাৰ সলনি হ'ব—"দুবছৰীয়া হ'ব।"

৫। ৭ পৃষ্ঠাৰ ৩৬ দফা—"ভূতপূৰ্ব্ব সভাপতি"ৰ পাছত যোগ হ'ব—"প্ৰাক্তন প্ৰধান সম্পাদক"।

৬। ৭ পৃষ্ঠাৰ ৪০ দফা এই দফাটো তলত দিয়া দৰে সংশোধিত হ'ব - "সন্মিলনৰ তিনিমাহৰ আগতে সভাপতিৰ কাৰণে কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে পাঁচজন লোকৰ নাম প্ৰস্তাৱ কৰি চূড়ান্ত বাছনিৰ নিমিত্তে শাখা আৰু স্বীকৃত সভাবিলাকলৈ আৰু আদৰণি সমিতিলৈ পঠাব। শাখা আৰু স্বীকৃত সভা আৰু আদৰণি সমিতিৰ ভোট লৈ আটাইতকৈ সৰহ ভোট পোৱা জনেই সভাপতি নিৰ্ব্বাচিত হ'ব। সভাপতি নিৰ্ব্বাচন কাৰ্য্য চূড়ান্ত সিদ্ধান্ত নোহোৱা পৰ্য্যন্ত গোপনীয়ভাৱে পৰিচালনা কৰিব লাগিব। নিৰ্ব্বাচিত সভাপতিৰ সম্মতি লৈহে কাৰ্য্য নিৰ্ব্বাহক সমিতিয়ে সভাপতিৰ নাম ঘোষণা কৰিব পাৰিব।

৭। ৯ পৃষ্ঠাৰ ৪৯ দফা—"ভূতপূৰ্ব্ব" শব্দৰ সলনি "প্ৰাক্তন" হ'ব, আৰু "সভাপতিসকল আৰু" এই শব্দৰ পিছত প্ৰাক্তন প্ৰধান সম্পাদকসকল" সংযোজিত হ'ব।

গৃহীত—
স্বাঃ শ্ৰীত্ৰৈলোক্য গোস্বামী
সভাপতি
২৯।১২।৬০

**তলত নামদিয়া লোকসকলৰ সৈতে এখন কাৰ্য্য নিৰ্ব্বাহক সভা গঠিত হওক—**

| | | |
|---|---|---|
| ১। | শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী | সভাপতি |
| ২। | " বিনন্দ চন্দ্ৰ বৰুৱা | উপ-সভাপতি |
| ৩। | " মহেশ্বৰ নেওগ | প্ৰধান সম্পাদক |
| ৪। | " হৰিপ্ৰসাদ নেওগ | সহকাৰী সম্পাদক |
| ৫। | " সত্যেন্দ্ৰ নাথ শৰ্ম্মা | পত্ৰিকা সম্পাদক |
| ৬। | " নৰেন্দ্ৰ নাথ শৰ্ম্মা | ধন-বৰ্ড়ালী |
| ৭। | " যতীন্দ্ৰ নাথ গোস্বামী | সভ্যসকল |
| ৮। | " আব্দুল মালিক | " |
| ৯। | " মহেশচন্দ্ৰদেৱ গোস্বামী | " |
| ১০। | " খগীন্দ্ৰ চন্দ্ৰ বৰুৱা | " |
| ১১। | " চন্দ্ৰসিং টেৰণ | " |
| ১২। | " উমাকান্ত শৰ্ম্মা | " |
| ১৩। | " গোবিন্দ পৈৰা | " |

১৪। " লক্ষহীৰা দাস "
১৫। " লীলা গগৈ "
১৬। " ভৱানন্দ ৰাজখোৱা "
১৭। " মান গোবিন্দ চক্ৰৱৰ্ত্তী "
১৮। " ৰঘুৱা তাঁতী "
১৯। " বিশ্বনাথ ৰাজবংশী "
২০। " মেদিনীকান্ত ঠাকুৰীয়া "
২১। " ধৰ্ম্মকান্ত গোহাঁই "

গৃহীত—
স্বাঃ শ্ৰীত্ৰৈলোক্য গোস্বামী
সভাপতি
২৯।১০।৬০

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
প্ৰাক্তন প্ৰধান সম্পাদক
অসম সাহিত্য সভা
১০।১১।৬০



# প্ৰধান সম্পাদকৰ প্ৰতিবেদন

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

মহাবাহু ব্ৰহ্মপুত্ৰৰ পাদধৌত নতুন পলাশবাৰীত সমবেত মাতৃ-পূজাৰ পূজাৰীসকল !

১৯৫৯ চনৰ এপ্ৰিল মাহত নগাঁৱত বহা অসম সাহিত্য সভাৰ সপ্তবিংশ অধিবেশনত সাহিত্য সভাৰ গুৰুভাৰ এই অভাজনৰ ওপৰত পৰে। তেতিয়াৰ পৰা প্ৰায় ডেৰ বছৰ কাল আমি সম্পাদন কৰা আৰু কৰিব নোৱাৰা কামৰ এটা খতিয়ান দিবৰ কাৰণে প্ৰয়াস কৰিলোঁ। দৰাচলতে অসম সাহিত্য সভাৰ পক্ষে এই কালছোৱা অতি ঘটনাপূৰ্ণ। অভূতপূৰ্ব জাতীয় জাগৰণ আৰু আত্মপ্ৰতিষ্ঠাৰ প্ৰবল সোঁতত দেশজুৰি যি প্ৰবল আলোড়ণৰ সৃষ্টি হৈছিল তাৰ খলকনি এতিয়াও মাৰ যোৱা নাই। আমাৰ কাৰ্য্যকালৰ কথা নিবেদন কৰিবলৈ যাওঁতে জয়জয়তে অসম সাহিত্য সভাৰ জন্মৰ পৰা সভাৰ লগত ঘনিষ্টভাৱে সম্বন্ধ থকা একালৰ সহকাৰী সম্পাদক আৰু চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ন্যাস সমিতিৰ ভূতপূৰ্ব ধন-ভড়ালী স্বৰ্গীয় দেৱেশ্বৰ শৰ্ম্মাৰ স্মৃতি মনলৈ আহে। কাব্য ভাৰতী ধৰ্ম্মেশ্বৰী দেৱী বৰুৱাণী, সাহিত্য-সেৱী পণ্ডিত কনকচন্দ্ৰ শৰ্ম্মা, মাতৃভাষাৰ একনিষ্ঠ সেৱক হাকণাৰ ৰচিদ, চিন্তাশীল লেখক ভৱানন্দ দত্ত, সমাজকৰ্ম্মী আৰু সাহিত্য সেৱী ডাঃ ললিত কুমাৰ বৰুৱা, লেখক সূৰ্য্যবৰা, বিখ্যাত অভিনেতা আৰু মঞ্চ সঞ্চালক ব্ৰজনাথ শৰ্ম্মা, আজীৱন সভ্য ডাঃ বংশীধৰ বৰা আদিৰ মৃত্যুত আমি স্মৃতি তৰ্পণ কৰিলো।

## প্ৰস্তাৱ প্ৰসঙ্গ

অসম সাহিত্য সভাৰ সপ্তবিংশ অধিবেশনত গৃহীত সাতোটা প্ৰস্তাৱৰ নকল যথা স্থানলৈ পঠোৱা হয়, এই প্ৰস্তাৱ কাৰ্য্যকৰি কৰা আৰু বিভিন্ন সমস্যা প্ৰসঙ্গত সাহিত্য সভাৰ সভাতীদলে মূখ্য মন্ত্ৰীক তিনিবাৰ লগ ধৰে। ৩০।৫।৫৯ তাৰিখে শ্ৰীযুত মহাদেৱ শৰ্ম্মা আৰু প্ৰধান সম্পাদক মূখ্য মন্ত্ৰীক খিলঙত লগ ধৰি নেফাত অসমীয়া ভাষা পুনৰ প্ৰচলন, অসমীয়া ভাষা ৰাজ্যিক ভাষা স্বৰূপে ঘোষণা, ঢেকিয়াল ফুকনৰ শত বাৰ্ষিকী উপলক্ষে অনুদান আৰু ৰাজহুৱা ছুটি মঞ্জুৰ, বাৰ্ষিক অনুদান বৃদ্ধি, প্ৰচাৰ আৰু প্ৰকাশৰ অৰ্থে চৰকাৰী অনুদান দিয়া আদি কথা আলোচনা কৰে। ১৪।৯।৫৯ তাৰিখে শ্ৰীযুত ( সকল ) মহাদেৱ শৰ্ম্মা, দেবেন হাজৰিকা এম, এল, এ আৰু প্ৰধান সম্পাদকে মুখ্যমন্ত্ৰীক খিলঙত লগ ধৰি নেফাত অসমীয়া ভাষা পুনৰ প্ৰচলন, ৰাজ্যিক ভাষা, লোক পিয়ল, কাছাৰৰ অসমীয়া প্ৰাথমিক বিদ্যালয় সমূহ ৰাজ্যিক বুনিয়াদী বোৰ্ডে লোৱা, সাহিত্য সভাৰ বাৰ্ষিক অনুদান বৃদ্ধি, এক-কালীন অনুদান আদি কথা আলোচনা কৰে। সেইদিনা আবেলি বিধান সভাৰ মূখ্য মন্ত্ৰীৰ কক্ষত মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী তিনিওকে বাৰ্ষিক অনুদান আৰু এককালীন দান সম্পৰ্কে প্ৰধান সম্পাদকে একেলগে লগ ধৰে। ১৭ চেপ্তেম্বৰৰ দিনা শ্ৰীযুত মহাদেৱ শৰ্ম্মা আৰু প্ৰধান সম্পাদকে বিত্তমন্ত্ৰীক লগ ধৰিও বিত্তীয় অনুদানৰ কথা আলোচনা কৰে। যোৱা ৭।১১।৫৯ তাৰিখে শ্ৰীযুত (সকল) নকুল চন্দ্ৰ ভূঞা, হৰিপ্ৰসাদ নেওগ আৰু প্ৰধান সম্পাদকে মুখ্যমন্ত্ৰীক যোৰহাটত লগ ধৰি এক-কালীন অনুদান, বাৰ্ষিক অনুদান বৃদ্ধি, প্ৰচাৰ আঁচনি কল্পে অনুদান, কাছাৰৰ অসমীয়া বিদ্যালয় সমূহ ৰাজ্যিক বুনিয়াদী বোৰ্ডে লোৱা, কাছাৰৰ থলুৱা অসমীয়া লোকক যোৰহাট নৰ্ম্মাল স্কুল বা তিতাবৰ বুনিয়াদী প্ৰশিক্ষণ মহাবিদ্যালয়ত বৃত্তি সহ পঢ়াৰ সুবিধা দিয়া, হাফলং চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ত অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰা আৰু সেই অঞ্চলৰ প্ৰাথমিক বিদ্যালয়ত অসমীয়া বা অসমীয়া জনা শিক্ষক নিয়োগ কৰা, লোক পিয়ল, ৰাজ্যিক ভাষা, নগাৱঁৰ নব নিৰ্ম্মিত দলংখনি আনন্দৰাম ঢেকিয়াল ফুকনৰ নামত নামকৰণ কৰা আদি

কথা আলোচনা কৰে। এই আলোচনাৰ ফলত আংশিক ভাৱে আমাৰ প্ৰচেষ্টা সফল হৈছে। সপ্তবিংশ অধিবেশনৰ দ্বিতীয় প্ৰস্তাৱ অনুসৰি যি নিয়মাৱলী-উপসমিতি গঠন কৰা হয় সেই উপসমিতিৰ বৈঠক ইং ৫।৭।৬০ তাৰিখে নগাঁৱত বহে আৰু উপসমিতিৰ প্ৰতিবেদন যথা সময়ত দাঙি ধৰা হ'ব।

সপ্তবিংশ অধিবেশনৰ তৃতীয় প্ৰস্তাৱৰ দ্বাৰা চৰকাৰক সাহিত্য সভাৰ বাৰ্ষিক অনুদান ২৫,০০০৲ টকা কৰিবলৈ অনুৰোধ কৰা হৈছিল। অসম চৰকাৰে ১৯৬০-৬১ চনৰ পৰা সভাৰ অনুদান ১০,০০০ টকা কৰিছে। এই বিত্তীয় বছৰত আমাৰ আঁচনি অনুযায়ী পুথি প্ৰকাশৰ বাবদ অসম চৰকাৰে ২০,০০০৲ টকাৰ এক-কালীন দান দিছে।

৪ৰ্থ প্ৰস্তাৱ কাৰ্যকৰি কৰা প্ৰসঙ্গত লিখালিখি কৰাত নেফাৰ প্ৰশাসনে শিক্ষানীতি সম্পৰ্কে ৫।১১।৫৯ তাৰিখে আমাক জনায়, "অহাবছৰৰ পাঠ্যাৰম্ভ হোৱাৰ সময়ৰে পৰা সম্ভৱপৰ ক্ষেত্ৰত প্ৰাথমিক শ্ৰেণীসমূহত জনজাতীয় ছাত্ৰ-ছাত্ৰী সকলৰ কথিত ভাষাত আৰু সেইটো সম্ভৱ নহলে অসমীয়াত শিক্ষাদানৰ ব্যৱস্থা কৰা হব। যিবোৰ জনজাতীয় উপভাষাত পাঠ্যপুথি নাই সেইবোৰ ক্ষেত্ৰত আনকি প্ৰাথমিক শ্ৰেণী সমূহতো অসমীয়া ভাষাই শিক্ষাৰ বাহন হব। জনজাতীয় ভাষাৰ পাঠ্যপুথিবোৰ দেৱনাগৰী আখৰত আৰু অসমীয়া পাঠ্য পুথিবোৰ অসমীয়া লিপিত হব। নৱম আৰু দশমমান শ্ৰেণীত গণিত আৰু বিজ্ঞান ইংৰাজীত আৰু বাকী বিষয়বোৰ অসমীয়াত শিকোৱা হব ( Except in the primary classes, where the mother tongue should, wherever possible, be the medium, the medium of instruction will be Assamese from the next School Session. Assamese will be the medium even in primary classes for which text books in tribal languages are not yet available. Tribal text books will, of course, be in the Assamese Script. In classes IX and X Mathematics and Science will be taught in English, the remaining subjects continuing to be taught in Assamese." Ref D. O. No. N. G. O 48159)

নেফা অঞ্চলত দেৱনাগৰী লিপি প্ৰচলন সম্পৰ্কে ভাৰতৰ প্ৰধান মন্ত্ৰীৰ পৰা কোনো উত্তৰ পোৱা নহল। অসমৰ ভূতপূৰ্ব্ব ৰাজ্যপাল ফজল আলিৰ বাস্তৱ দৃষ্টি ভঙ্গীয়ে নেফাৰ শিক্ষাৰ মাধ্যমৰ পৰিবৰ্ত্তন সাধন কৰিলে আৰু তেওঁৰ মৃত্যুত অসমে এজন বিজ্ঞ উপদেষ্টা হেৰুৱালে। তেওঁৰ মৃত্যুত আমি স্মৃতি তৰ্পণ কৰিলোঁ।

পঞ্চম প্ৰস্তাৱৰ মৰ্ম্ম অনুসৰি ১৬ জুন ( ১৯৫৯ চন ) দিনটো সদৌ অসমতে স্বনামধন্য আনন্দৰাম ঢেকিয়াল ফুকনৰ মৃত্যু-শত বাৰ্ষিকী স্বৰূপে আড়ম্বৰেৰে পালন কৰে। সভাই চৰকাৰৰ পৰা এই বিষয়ত আৰ্থিক সাহায্য নোপোৱাৰ কাৰণে আঁচনিমতে কাম কৰিব নোৱাৰি "আনন্দৰাম ঢেকিয়াল ফুকন" আৰু "ঢেকিয়াল ফুকনৰ অসমীয়া ভাষা" শীৰ্ষক দুখনি সৰু পুথি প্ৰকাশ কৰে। শত বাৰ্ষিকীৰ সোঁৱৰণীত অসম চৰকাৰক ১৬ জুনৰ দিনা স্কুল, কাৰ্য্যালয় আদি পিছবেলা ছুটি দিবলৈ অনুৰোধ কৰা হৈছিল। কিন্তু উত্তৰত অসম চৰকাৰৰ প্ৰধান সচিবে জনালে, "জাতীয় আৰু ধৰ্ম-মূলক উৎসৱ উপলক্ষে অধিক ছুটি আৰু আধা ছুটি দিব-লগীয়া হোৱাৰ কাৰণে ১৬ জুনত ( ১৯৫৯ ) স্বৰ্গীয় আনন্দৰাম ঢেকিয়াল ফুকনৰ মৃত্যু শত-বাৰ্ষিকী উপলক্ষে আধাছুটি দিবলৈ আপুনি কৰা আবেদনৰ অনুৰোধ ৰক্ষা কৰিব নোৱাৰি চৰকাৰ দুঃখীত ( I am directed ......to say that Government regret their inability to accede to your prayer for the grant of a half-holiday on the 16th June, 1959 for celebrating the death centenary of late Anandaram Dhekial Phukan, in view of the fact that there are already too many holidays and half holidays on account of national and religious festivals.)। এই বিষয়ত চৰকাৰে ছুটিৰ পাচত অনুষ্ঠান পাতিবলৈহে পৰামৰ্শ আগবঢ়ালে। (It is however, suggested that functions, that if any, may be arranged after office hours, so that people who have got duties or business in Government offices can attend the same without any difficulty and inconvenience.)।

আমাৰ চৰকাৰ বিত্তীয় সাহায্য আৰু ছুটিৰ বিষয়ত সম্পূৰ্ণ উদাসীন হলেও গোটেই দেশতে ঢেকিয়াল ফুকনৰ স্মৃতিত সভা সমিতি আয়োজন কৰা হৈছিল। নগাঁৱৰ নৱ-নিৰ্ম্মিত দলংখনি স্বৰ্গীয় "ঢেকিয়াল ফুকন দলং" বুলি নামকৰণ কৰিবৰ কাৰণে চৰকাৰলৈ লিখা হয়, আৰু মুখ্যমন্ত্ৰীক ব্যক্তিগত ভাৱে লগধৰি সাহিত্য সভাৰ প্ৰস্তাৱ কাৰ্য্যকৰি কৰিবৰ কাৰণে অনুৰোধ কৰা হয়, কিন্তু সেই বিষয়ে চৰকাৰে খাটাং সিদ্ধান্ত জনোৱা নাই। নগাঁৱত ঢেকিয়াল ফুকনৰ পুণ্য স্মৃতি ৰক্ষাৰ্থে আশানুৰূপ ভাৱে কাম নহলেও ৰাইজে আনন্দৰাম ঢেকিয়াল ফুকনৰ নামত এই বছৰতে নগাঁৱ'ত এখন কলেজ আৰম্ভ কৰি আনন্দৰাম ঢেকিয়াল ফুকনৰ পুণ্য স্মৃতি যুগমীয়া কৰি জাতীয় বীৰৰ প্ৰতি সন্মান দেখুৱালে। শত-বাৰ্ষিকী উপলক্ষ্যে দেৰগাওঁ সাহিত্য সভাই "ষোল জুনৰ স্মৃতিত" নামৰ এখন পুথি প্ৰকাশ কৰা উদ্দেশ্যে প্ৰশংসনীয়।

অসম সাহিত্য সভাৰ ষষ্ঠ প্ৰস্তাৱ অনুসৰি অসম চৰকাৰে পাঠ্যপুথি আৰু আন সকলো কিতাপৰ ওপৰতে ১ অক্টোবৰৰ (১৯৫৯) পৰা বিক্ৰীকৰ বেহাই দিছে।

অধিবেশনৰ সপ্তম প্ৰস্তাৱ অনুসৰি ৰাজ্যিক চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰক ব্ৰহ্মপুত্ৰ নদৰ ওপৰৰ নৱ-নিৰ্ম্মিত দলং খনিৰ নাম শৰাইঘাট দলং ৰাখিবৰ কাৰণে অনুৰোধ কৰা হয়। মুখ্যমন্ত্ৰী শ্ৰীযুত বিমলা প্ৰসাদ চলিহা দেৱক ৭।১১।৫৯ তাৰিখে যোৰহাটত সাক্ষা প্ৰসঙ্গত সাহিত্য সভাৰ প্ৰস্তাৱটিৰ প্ৰতি সমৰ্থন জনাই ভাৰত চৰকাৰলৈ লিখিবলৈ প্ৰধান সম্পাদকে অনুৰোধ কৰে। দিল্লীৰ ৰেলৱে বোৰ্ডে ২৭।১২।৫৯ তাৰিখৰ চিঠি ( নং ৫৯। ডব্লিউ ৫।বি-আৰ ১।৩ ) যোগে জনাইছে যে প্ৰস্তাৱটো যথাসময়ত বিবেচনা কৰা হব ( The suggestion made by the General Secretary, Assam Sahitya Sabha along with the Assam Government's recommendation will, however, receive careful consideration before the bridge is thrown open for traffic)।

৮ম প্ৰস্তাৱ অনুসৰি অসমৰ অনা অসমীয়া ভাষা-ভাষী শিক্ষানুষ্ঠান সমূহত বাধ্যতামূলক ভাৱে অসমীয়া ভাষা শিকোৱাৰ ব্যৱস্থা কৰিবলৈ ৰাজ্যিক চৰকাৰক অনুৰোধ কৰা হয়। কিন্তু এই বিষয়ে কোনো আশানুৰূপ উত্তৰ পোৱা নাই। উত্তৰ পূৱ সীমান্ত ৰেলৰ জেনেৰেল মেনেজাৰে আমাক জনাইছে। ( চিঠি নং ই ২৫২।১১৮। ডব্লিউ ) তাং ১৭।২।৫৯ ) যে, লামডিঙৰ ৰেলৱে হাইস্কুলৰ প্ৰাইমেৰী খাপত অসমীয়া মাধ্যমৰ শ্ৰেণী খোলা হব আৰু ইতিমধ্যে বদাইগাওঁ, মালিগাওঁ, লামডিং, মৰিয়ণী, তিনিচুকীয়া আৰু ডিব্ৰুগড়ত এজনীয়া শিক্ষকৰ প্ৰাথমিক পঢ়াশালি পতা হৈছে।

৯ম প্ৰস্তাৱত ১৯৬০ চনৰ ভিতৰতে অসমীয়া ভাষাক অসমৰ ৰাজ্যিক চৰকাৰী ভাষা স্বৰূপে ঘোষণা কৰিবলৈ দাবী কৰা হৈছিল। সপ্তবিংশ অধিবেশনত অনতি-পলমে অসমীয়া ভাষাক অসমৰ ৰাজ্যিক ভাষা ঘোষণা কৰিবলৈ চৰকাৰক দাবী জনোৱা এটি প্ৰস্তাৱ গৃহীত হৈছিল। এই প্ৰস্তাৱতে ১৯৬০ চনৰ ভিতৰতে অসমীয়া ভাষাক ৰাজ্যিক ভাষা স্বৰূপে ঘোষণা কৰিবৰ বাবে বিধান সভাত প্ৰস্তাৱাদি উত্থাপন কৰি কাৰ্য্যকৰি কৰিবলৈ অসম বিধান সভাৰ সদস্যসকলক অনুৰোধ কৰা হয়। এই প্ৰস্তাৱ কাৰ্যকৰি কৰিবৰ কাৰণে মুখ্যমন্ত্ৰী শ্ৰীযুত বিমলা প্ৰসাদ চলিহাদেৱক ব্যক্তিগত ভাৱে তিনিবাৰ ( ৩০।৫।৫৯, ১৪।৫।৫৯, ৭।১১।৫৯ ) লগ ধৰাৰ কথা আগতে উল্লেখ কৰা হৈছে। এই প্ৰস্তাৱটি কাৰ্য্যকৰি কৰিবৰ কাৰণে অসম চৰকাৰৰ উপৰিও অসম বিধান সভাৰ সকলো সদস্যকে অনুৰোধ কৰা হয়। ১৯৫০ চনৰ পৰা সভাই অসমীয়া ভাষাক ৰাজ্যৰ চৰকাৰী ভাষাৰ মৰ্য্যাদা দিবলৈ দাবী কৰি আহিছে। ১৯৫৯ চনৰ ৰাজ্যিক ভাষা দিৱস ( ১২।৯।৫৯ ) উপলক্ষ্যে সাহিত্য সভাই "ৰাজ্যিক ভাষা অসমীয়া" শীৰ্ষক এখন পুস্তিকা প্ৰকাশ কৰে। এই দিৱসটো সাহিত্য সভাৰ শাখাৰ উপৰিও

আন আন অনুষ্ঠানে যথাযোগ্যভাৱে পালন কৰি চৰকাৰক এই জলন্ত সমস্যা সমাধান কৰিবলৈ দাবী জনায়। এই সময়তে বিধান সভাৰ শৰৎকালীন হোৱাত অসম মন্ত্ৰী সভাৰ সকলো সদস্য, বিধান সভাৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু সদস্যসকলক সদনত আমাৰ পুস্তিকা বিতৰণ কৰা হয়। বিধান সভাৰ সদস্যসকলক পৰৱৰ্ত্তী অধিবেশনত ৰাজ্যিক ভাষা বিষয়ক প্ৰস্তাৱ এটি দাঙি ধৰিবলৈ অনুৰোধ কৰা হৈছিল। যোৱা (১৯৬০) বাজেট অধিবেশনত কেইবাজনো সদস্যই ৰাজ্যিক ভাষা প্ৰস্তাৱৰ জাননী দিয়ে। বিৰোধী দলৰ দলপতিৰ প্ৰশ্নৰ উত্তৰত ৰাজ্যিক ভাষা প্ৰসঙ্গত ৩।৩।৬০ তাৰিখে মুখ্যমন্ত্ৰী শ্ৰীযুত বিমলাপ্ৰসাদ চলিহাই সদনত কয় যে, সংখ্যা লঘিষ্ঠ সম্প্ৰদায়ে দাবী জনালেহে অসমীয়াক ৰাজ্য ভাষা কৰাৰ কথা বিবেচনা কৰিব পৰা হব। এই বিবৃতিত দেশৰ জনসাধাৰণ ক্ষুব্ধ হ'ল। অসম সাহিত্য সভাই ১১ মাৰ্চ (১৯৬০) শুকুৰবাৰে দেশ জুৰি "ৰাজ্যিক ভাষা দাবী দিবস" পালন কৰিবলৈ যি নিৰ্দ্দেশ দিছিল তাৰ প্ৰতি সহাঁৰি জনাই অসম সাহিত্য সভাৰ শাখা আৰু স্বীকৃত সভাসমূহৰ উপৰিও ৰাজহুৱা অনুষ্ঠান শিক্ষানুষ্ঠান, সন্থা, বিভিন্ন অনুষ্ঠান আদিয়ে দিনটো পালন, কৰে, আৰু অসমীয়া ভাষাভাষী লোকৰ উপৰিও অসমৰ আন আন ভাষা-ভাষী লোকে অসমীয়া ৰাইজৰ দাবীৰ প্ৰতি সমৰ্থন জনায়। সেই দিবসৰ পাচতো অসমৰ বিভিন্ন ঠাইত সাহিত্য সভাৰ দাবীৰ প্ৰতি সমৰ্থন জনাই সভা সমিতি চলি থাকে। এনে অভূতপূৰ্ব্ব আলোড়নে অসমবাসীৰ অন্তৰত আশাৰ সঞ্চাৰ কৰিলে। ৰাজ্যিক ভাষা দিবসৰ সভা সমিতিৰ বিৱৰণ থকা "ৰাজ্যিক ভাষাৰ সমৰ্থনত" নামৰ এখন পুস্তিকা সাহিত্য সভাই প্ৰকাশ কৰি বিভিন্ন স্থানলৈ পঠায়। ৰাইজৰ দাবীৰ প্ৰতি সমৰ্থন জনাই অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে ২১ আৰু ২২ এপ্ৰিলৰ (১৯৬০) সভাত কাছাৰ জিলা, খাচী আৰু জয়ন্তীয়া পাহাৰ, গাৰো পাহাৰ, মিজো পাহাৰ আৰু উত্তৰ কাছাৰ জিলাৰ বাহিৰে আন সকলো জিলাত অসমীয়া ভাষা প্ৰবৰ্ত্তন কৰা, আৰু সেই সেই অঞ্চলৰ জনসাধাৰণ সাজু হলেহে অসমীয়া ভাষা প্ৰচলন কৰা হব, এনে এটি প্ৰস্তাৱ গ্ৰহণ কৰে। এই প্ৰস্তাৱটি জনসাধাৰণৰ আশানুৰূপ ভাৱে মনঃপুত নহ'ল।

ইতিমধ্যে ২১।৫।৬০ তাৰিখে শ্বিলঙৰ বঙালী আৰু জনজাতীয় লোকসকলে অসমীয়া জাতি আৰু অসমীয়া ভাষাৰ প্ৰতি বিদ্বেষপূৰ্ণ ধ্বনি কৰি শোভাযাত্ৰা উলিয়ালে। আমাৰ সহকাৰী সম্পাদক শ্ৰীযুত নেওগ আৰু কাৰ্য্য-নিৰ্ব্বাহক সভাৰ সভ্য শ্ৰীসুৰেন্দ্ৰ চন্দ্ৰ দত্তই মুখ্যমন্ত্ৰী শ্ৰীযুত বিমলা প্ৰসাদ চলিহা দেৱক ২৭।৫।৬০ তাৰিখে শ্বিলঙত লগধৰি এই কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে। ইয়াৰ পাচত মৰিয়নী, লামডিং, শ্বিলং আদিত সংঘটিত হোৱা ঘটনাৱলীয়ে দেশজুৰি উত্তেজনা আৰু অশান্তিৰ সৃষ্টি কৰিলে। এনে অৱস্থা প্ৰশমিত কৰিবৰ কাৰণে মুখ্যমন্ত্ৰী চলিহা দেৱক অনথা বিলম্ব নকৰি কেতিয়া আৰু কি নীতিত অসমীয়া ভাষাক ৰাজ্যিক চৰকাৰী ভাষা কৰিব তাক ঘোষণা কৰিবলৈ অনুৰোধ কৰা হয়। মুখ্যমন্ত্ৰী চলিহাদেৱে ২৩।৬।৬০ তাৰিখে ঘোষণা কৰিলে যে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ ২২।৪।৬০ তাৰিখৰ প্ৰস্তাৱৰ অনুমোদনৰ ভিত্তিত বিধান সভাৰ শাৰদীয় অধিবেশনত এখন বিল কৰা হব। ইমানতো উত্তেজনা নকমিল। কাছাৰত অসমীয়াৰ ওপৰত আক্ৰমণ চলিল। শিলচৰৰ অসম সাহিত্য সভা ভৱনত অগ্নি সংযোগ কৰিবলৈ চেষ্টা কৰিলে। জুলাই মাহৰ ২ আৰু ৩ তাৰিখে কাছাৰত সদৌ অসম বঙ্গভাষা সম্মিলনৰ প্ৰস্তাৱ আৰু কলিকতাৰ কিছুমান দৈনিক কাকতৰ অতিৰঞ্জিত বাতৰিয়ে উত্তেজনা বৃদ্ধি কৰিলে।

জুলাই মাহৰ ৪ আৰু ৫ তাৰিখে নগাৱঁত বহা কাৰ্য্য-নিৰ্ব্বাহক সভাৰ পঞ্চম অধিবেশনে তীব্ৰ জনমত আৰু অশান্ত পৰিস্থিতি উপলব্ধি কৰি ৰাজ্যিক চৰকাৰী ভাষা প্ৰসঙ্গত তলৰ প্ৰস্তাৱটি গ্ৰহণ কৰিলে।

১১। (ক) প্ৰস্তাৱিত চৰকাৰী বিল প্ৰণয়ন প্ৰসঙ্গত নিম্নলিখিত মূল নীতি কেইটা মানিলৈ যথোচিত ব্যৱস্থা কৰিবলৈ অসম চৰকাৰক দাবী জনায়—

(১) অসমীয়া ভাষা সমগ্ৰ অসমৰে একমাত্ৰ ৰাজ্যিক চৰকাৰী ভাষা হিচাপে ঘোষণা।

(২) নিতান্তই ৰাজ্যৰ কোনো কোনো অঞ্চলত



অগত্যা স্থিতাৱস্থা বাহাল ৰাখিব লগীয়া হলে, সেই সেই অঞ্চলটো ১৯৬৫ চনৰ ভিতৰত ৰাজ্যিক চৰকাৰী ভাষা আইন সম্পূৰ্ণভাৱে বলবৎ।

(৩) ৰাজ্যৰ যাবতীয় চৰকাৰী কামতে অসমীয়া প্ৰচলন।

(৪) ৰাজ্যিক চৰকাৰী ভাষা প্ৰসঙ্গত চৰকাৰে চূড়ান্ত ব্যৱস্থা লোৱাত পলম কৰাত ৰাজ্যজুৰি যি বিৰোধ আৰু অশান্তিৰ সৃষ্টি হৈছে তাক প্ৰশমিত কৰিবৰ কাৰণে অসম বিধান সভাৰ জৰুৰী অধিবেশন পাতি হলেও ১৯৬০ চনৰ ২ অক্টোবৰৰ পৰা ৰাজ্যিক চৰকাৰী ভাষা আইন বলবৎ কৰাৰ ব্যৱস্থা কৰিবলৈ দাবী জনায়।

৪ জুলাই তাৰিখে কটন কলেজৰ ছাত্ৰাবাসত পুলিচৰ গুলিত এজন ছাত্ৰ নিহত আৰু ছজন আহত হয়। ৬ জুলাই তাৰিখে নগাৱঁত এজন বাঙালী বাসিন্দাৰ গুলিত এজন অসমীয়া ডেকা নিহত হয়। দেশজুৰি অশান্তিৰ সৃষ্টি হ'ল। অসমৰ বাহিৰত অসমীয়াৰ নিৰ্যাতন আৰম্ভ হ'ল। শিলিগুৰিত অসম বিধান সভাৰ বিৰোধী দলৰ দলপতি শ্ৰীহৰেশ্বৰ গোস্বামী আৰু তেওঁৰ পত্নী আক্ৰান্ত হয় আৰু উত্তৰ পূৱ সীমান্ত ৰেলৰ প্ৰচাৰ বিষয়া উদীয়মান লেখক সূৰ্য্য বৰাক নৃশংস ভাৱে বধ কৰা হয়। ধুবুৰীৰ চাহাবুদ্দিন আৰু কালীপ্ৰ নাথো আক্ৰান্ত হয়। পলাশবাৰীত শ্ৰীগোপাল চন্দ্ৰ চক্ৰৱৰ্ত্তী নিহত হয়। পশ্চিম বঙ্গত থকা অসমীয়া ছাত্ৰসকলৰো জীৱন বিপন্ন হয়। এই খিনিতে ৰাজ্যিক ভাষাৰ পৱিত্ৰ আগ্ৰহত প্ৰাণ হেৰুৱা গিৰীশ দেউৰী, মিনেশ্বৰ দাধৰা, ৰঞ্জিত বৰপূজাৰী, মফিজুদ্দিন আহম্মদ, শিল্পী সূৰ্য্য বৰা আদিৰ কৰুণ সোৱঁৰণিত শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ, আৰু যি সকল লোক অশান্তিত আক্ৰান্ত আৰু ক্ষতিগ্ৰস্ত হ'ল তেওঁলোকৰ প্ৰতিও সমবেদনা জনালোঁ। হৈ যোৱা অশান্তিৰ কাৰণে অসমীয়া জাতিক হেয় প্ৰতিপন্ন কৰিবৰ কাৰণে বাহিৰে ভিতৰে ষড়যন্ত্ৰ চলিবলৈ ধৰিলে। অসমৰ সকলো ঘটনাৰ যথাযথ বিৱৰণ দি অসমৰ ৰাজ্যিক ভাষা (Assam's State Language) শীৰ্ষক এখন ইংৰাজী পুস্তিকা প্ৰকাশ কৰি ভাৰতৰ ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি, প্ৰধান মন্ত্ৰী, গৃহ মন্ত্ৰী, প্ৰতিৰক্ষা মন্ত্ৰী, আইন মন্ত্ৰী আৰু বিত্ত মন্ত্ৰী, ভাৰতৰ কংগ্ৰেছৰ সভাপতি, লোক সভাৰ অধ্যক্ষ, লোক সভাৰ অসমৰ সদস্যবৃন্দ, ভাৰতৰ বিভিন্ন বাতৰি কাকত, বিভিন্ন ৰাজ্যৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰী সকললৈ পঠোৱা হৈছিল, লোক সভাৰ এজন সভ্যৰ যোগেদি লোক সভাৰ সদস্য সকলৰ মাজত ৫০০ খন পুস্তিকা বিতৰণ কৰা হৈছিল। দিল্লীৰ এখন ইংৰাজী সাপ্তাহিক কাকতে (১১।৯।৬০ তাৰিখে) আমাৰ পুস্তিকা-খনি আংশিক উদ্ধৃতি দি প্ৰকাশ কৰিছে। ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীযুত জৱহৰলাল নেহেৰু ১৯।৭।৬০ তাৰিখে আৰু সংসদী দল ১৫।৮।৬০ তাৰিখে অসমলৈ আহোঁতে অসম সাহিত্য সভাৰ পক্ষৰ পৰা স্মাৰক পত্ৰ দিয়া হৈছিল। প্ৰধান মন্ত্ৰীয়ে সজাতি দলক আশ্বাস দি কলে যে অসমীয়া ভাষা সোণকালে হওক বা পলম কৈ হওক ৰাজ্যিক ভাষাৰ মৰ্য্যদা পাবই।

অসম চৰকাৰে আয়োজন কৰা তিনিজনীয়া সম্মিলনলৈ নিমন্ত্ৰিত হৈ সাহিত্যসভাৰ পক্ষৰ পৰা শ্ৰীযুত ত্ৰৈলোক্যনাথ গোস্বামী (নৱ-নিৰ্ব্বাচিত সভাপতি), শ্ৰীযুত নীলমণি ফুকন (ভূতপূৰ্ব্ব সভাপতি), আৰু প্ৰধান সম্পাদকে ১ অক্টোবৰৰদিনা সন্ধিয়া মুখ্যমন্ত্ৰীৰ বাস-ভৱনত মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতিক লগধৰি সভাৰ স্পষ্ট মতামত চৰকাৰক জনায়। আলোচনাৰ অন্তত সাহিত্য সভাৰ প্ৰতিনিধিদলে শ্ৰীউইলিয়মচন চাংমাৰ ঘৰত (তেতিয়াৰ পৰিবহণ মন্ত্ৰী) পাৰ্ব্বত্য সম্মিলনৰ নেতাসকলক লগ্ ধৰি সাহিত্য সভাৰ দাবীৰ যুক্তি-যুক্ততা বুজাবলৈ চেষ্টা কৰে। ৪।৫ তাৰিখে বহা সৰ্ব্বদলীয় সম্মিলনত সাহিত্য সভাৰ হৈ শ্ৰীযুত নীলমণি ফুকন (ভূতপূৰ্ব্ব সভাপতি), শ্ৰীযুত ফণীন্দ্ৰচন্দ্ৰ বৰুৱা আৰু প্ৰধান সম্পাদকে যোগদান কৰে। ৫ তাৰিখে সন্ধিয়া মুখ্যমন্ত্ৰীয়ে আপোচমূলক চৰকাৰী ভাষাৰ সূত্ৰ (formula) বিচৰাত সভাৰ ফালৰ পৰা তলৰ প্ৰস্তাৱটি (১নং প্ৰস্তাৱ) আগ বঢ়োৱা হয়—

"সংখ্যা লঘিষ্ঠ সকলৰ ভাষাক যথাযথ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰি অসমীয়া ভাষাক অসমৰ একমাত্ৰ চৰকাৰী ভাষা কৰিব লাগে।"

মুখ্যমন্ত্ৰীয়ে ১০।১০।৬০ তাৰিখে অসম বিধান সভাত

দাঙি ধৰা বিল খনত ইংৰাজী তথা হিন্দীক চৰকাৰী ভাষা কৰি অসমীয়া ভাষাক জিলা পৰ্য্যায়ৰ ভাষা কৰা হৈছিল। এই বিলে জাতীয় আশা আকাংক্ষা পূৰণ কৰিব নোৱাৰাৰ কাৰণ দেশজুৰি দ্বিভাষী বিলৰ বিৰুদ্ধে প্ৰবল জনমত গঢ় লৈ উঠে, আৰু সাহিত্য সভাৰ ফালৰ পৰা তত্তালিকে প্ৰতিবাদ জনোৱা হয়। অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে ১৪, ১৫ অক্টোবৰ সভাত ইংৰাজীতে লগতে অসমীয়াক চৰকাৰী ভাষা কৰা সম্পৰ্কে এটি প্ৰস্তাৱ গ্ৰহণ কৰে। যোৱা ২৪।১০।৬০ তাৰিখে অসম বিধান সভাত অসমীয়াক চৰকাৰী ভাষা কৰি লগতে ইংৰাজীক সচিবালয় আৰু বিভাগীয় পদাধিকাৰীসকলৰ কাৰ্য্যালয়ৰ ভাষা কৰি সংশোধিত আকাৰত অসমৰ চৰকাৰী ভাষা বিলখন গৃহীত হয়।

---

## কাৰ্য্য-নিৰ্ব্বাহক সভা

আমাৰ কাৰ্য্য-কালৰ ভিতৰত কাৰ্য্য-নিৰ্ব্বাহক সভাৰ সাতখন অধিবেশন বহে। প্ৰথমখন পাতনি বৈঠকৰূপে ২১।৪।৫৯ তাৰিখে নগাৱঁত, দ্বিতীয় অধিবেশন ১৯ আৰু ২০ জুলাই (১৯৫৯ চন) তাৰিখে গুৱাহাটীত, তৃতীয়খন ২৫।১।৬০ তাৰিখে গুৱাহাটীত, (জৰুৰী অধিবেশন) ২৭।৪।৬০ তাৰিখে গুৱাহাটীত, পঞ্চম অধিবেশন, ৪ আৰু ৫ জুলাই (১৯৬০) তাৰিখে নগাৱঁত ষষ্ঠ অধিবেশন (জৰুৰী) ১১।৯।৬০ তাৰিখে যোৰহাটত আৰু সপ্তম অধিবেশন ২৬ আৰু ২৭ অক্টোবৰ তাৰিখে নতুন পলাশ-বাৰীৰ মিৰ্জ্জাত বহে। এই অধিবেশনবোৰৰ বিতং বিৱৰণ অসম সাহিত্য সভা পত্ৰিকাত প্ৰকাশ হৈছে আৰু শাখা আৰু স্বীকৃত সভা সমূহলৈ কাৰ্য্য বিৱৰণী সময় সময়ে পঠোৱা হৈছে। এই অধিবেশন সমূহৰ সিদ্ধান্তৰ ফলাফল প্ৰতিবেদনত বেলেগ বেলেগ প্ৰসঙ্গত উল্লেখ কৰা হৈছে।

### বিত্তীয় অৱস্থা

কাৰ্য্য-নিৰ্ব্বাহক সভাই নিয়োগ কৰা হিচাব পৰীক্ষক অধ্যাপক শ্ৰীযুত অনিলচন্দ্ৰ বৰুৱা এম্ কম্, বি, এল দেৱে পৰীক্ষা কৰা আমাৰ কাৰ্য্য কালৰ বিতং হিচাব দাঙি ধৰা হ'ল।

---

## অসম সাহিত্য সভাৰ হিচাব পৰীক্ষকৰ টোকা

১। ১৯৫৯ চনৰ ১ এপ্ৰিলত পৰা ১৯৬০ চনৰ ৩১ মাৰ্চ্চলৈ অসম সাহিত্য সভাৰ হিচাব।

১৯৫৯ চনৰ জুন মাহৰ পৰা ১৯৬০ চনৰ ৩১ মাৰ্চ্চলৈকে প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ দিনৰ জমা খৰচ—



| জমা | ট. ন.প. | খৰচ | |
|---|---|---|---|
| প্ৰাক্তন প্ৰধান সম্পাদকৰ পৰা পোৱা | ১০৫০'৫৪ | ছপাৰ বাবদ | ৯১৫'৯৯ |
| হলৰ ভাৰা | ৭০৫'০০ | ডাক টিকট বাবদ | ৫৪৪'৭৫ |
| সন্দিকৈ ন্যাস পুঁজিৰ পৰা | ৫২৩'০০ | মাটি আৰু মিউনিচিপেল টেক্সৰ বাবদ | ১০৪'২৫ |
| পত্ৰিকাৰ পৰা পোৱা | ১৫৭৪'০০ | বাতৰি কাকতৰ বাবদ | ৮৯'৮৪ |
| ট্ৰাঙ্ককল বাবদ | ২'৩৭ | ভাড়া আৰু ৰিক্সা বাবদ | ১১৭'২৮ |
| শাখা সভাৰ পৰা পোৱা | ১৪৪৮'৭০ | ফটো বন্ধা ( ) | ২৪'০০ |
| সাহিত্য সভাৰ পুথি বিক্ৰী | ১৪৫০'০০ | শতবাৰ্ষিকী বাবদ | ১১'৪৪ |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ন্যাস পুঁজিৰ কাৰণে শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰ পৰা পোৱা | ১৫২৩'০০ | টেলিগ্ৰাম বাবদ | ৫'৮৮ |
| | | মাইক্ৰফোন ভাড়া বাবদ | ১৫'০০ |
| বেঙ্কৰ পৰা উলিওৱা | ১৫২৯৮'৬৬ | ভ্ৰমণ বানচ বাবদ | ১৮০০'০০ |
| | | বিজুলী খৰচ | ৯৫'২৫ |
| | | ফনোগ্ৰাম আৰু ট্ৰাঙ্ককল | ৫৯'৬৩ |
| | | কাৰ্য্যালয়ৰ কৰ্ম্মচাৰীৰ দৰ্মহা | ৯২০'০০ |
| | | সভাৰ কাৰণে জলযোগ (৯ চেপ্তেম্বৰ) | ৫০'০০ |
| | | সাহিত্য সভাৰ মোকৰ্দ্দমাৰ কাৰণে উকীলক দিয়া | ৩৭০'৭৫ |
| | | টেলিফোনৰ বছেৰেকীয়া ভাড়া | ২৮৮'০০ |
| | | ৰাধাকান্ত সন্দিকৈ ন্যাস পুঁজিত | ৭০০'০০ |
| | | চেক ভঙাই চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ন্যাস পুঁজিত দিয়া | ১৫২৩'০০ |
| | | সন্দিকৈ স্মৃতি দিৱস | ১৬'০০ |
| | | কাৰ্য্যালয়ৰ ফুলনিৰ বাবদ | ৬৯'৯৯ |
| | | সম্পাদকৰ ঐচ্ছিক পুঁজি | ২৩'৮১ |
| | | কিতাপৰ পুৰস্কাৰ | ১৫০'০০ |
| | | বেঙ্কৰ খৰচ | ৬'৩৭ |
| | | পত্ৰিকা ছপা | ২৭১৬'০০ |
| | | সাহিত্য সভাৰ পুথি ছপা | ১৪৫২'০০ |
| | | শ্ৰীনীলমনি ফুকন সম্বৰ্দ্ধনা সমিতিলৈ দান | ৫০'০০ |
| | | বিজ্ঞাপন | ২১০'০০ |
| | | কিতাপ বন্ধা | ৪৫'৭৫ |
| | | অসম প্ৰণয়ন সমিতিৰ সম্পাদকক | ১৫'০০ |
| | | পতাকা দিৱসৰ পিন কিনা | ১৫৬'৮০ |
| | | কাৰ্য্যালয়ৰ খৰচ | ৬৪'৬৫ |
| | | বেঙ্কত জমা | ১০৫৩৩'১৭ |
| | | প্ৰাক্তন প্ৰধান সম্পাদকক ধাৰে দিয়া | ১৭৫'২৭ |
| | | সম্পাদকৰ হাতত | ২১৯'৭০ |
| | | চচপেন্স্ একাউন্ট | '৬৬ |
| মুঠ | ২৩৫৭৬'০৯ | মুঠ | ২৩৫৭৬'০৯ |

প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীবিনন্দ বৰুৱাৰ পৰা পাব লগা ৩৭৫· ২৭ নয়া পইছাৰ ভিতৰত ছুটা কিষ্টিত ৩৫০·৫৪ পোৱা হ'ল। গতিকে ২৪·৭৩ নয়া পইছা পাবলৈ থাকিল।

১৯৬০ চনৰ ৩১ মাৰ্চ্চত পাচ বুক অনুযায়ী তলত দিয়া পুঁজিসমূহ আৰু বেংকৰ বাকী আছে।

## স্থায়ী জমা

১। ষ্টেট বেংক অব ইণ্ডিয়া, শিলং ৫০০০·৬২

২। নেচনেল চেভিংচ্ চাৰ্টিফিকেট, গুৱাহাটী ৫০০০·০০

৩। ষ্টেট বেংক অব ইণ্ডিয়া (নবদেৱ ন্যাস পুঁজি) ৫০০০·০০

## আন জমা

১। কমলা দেৱী ন্যাস পুঁজি নং ৩৫৬৮৭, ৯০১·০৯

২। চন্দ্ৰকান্ত ইন্দ্ৰকান্ত পুঁজি নং ৩০০৩১৫, ১৩৬·০০

৩। ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি নং ১২৬৬, ২৮২১·৮৬

৪। দক্ষিণপাট গোস্বামী পুঁজি নং ৩৫৬৮৬, ২৯০·৯৯

৫। ডাক ঘৰৰ চেভিংচ পাচ বহীত নং ১৪৩৩২ ২১৩·১৭

৬। এপেক্স বেংক হিচাব নং ২০৪০ ১১১১·৩৮

সংবাদ আৰু ব্যাখ্যা আৰু বহী অনুযায়ী শুদ্ধ বুলি কোৱা হ'ল।

যোৰহাট — স্বাঃ এ, চি, বৰুৱা

২৪ আগষ্ট ১৯৬০ — ২৪.৮।৬০

হিচাব পৰীক্ষক

---

১। অসম সাহিত্য সভাৰ ১ এপ্ৰিলৰ (১৯৬০) পৰা ৩০ চেপ্তেম্বৰলৈকে (১৯৬০) হিচাব মোৰ দ্বাৰা পৰীক্ষা কৰা হল।

---

হিচাব চাই মই সন্তোষ পাইছো আৰু মই ছমাহৰ (হিচাবৰ কালছোৱা ১ এপ্ৰিলৰ পৰা ৩০ চেপ্তেম্বৰলৈকে) মুঠ জমা আৰু খৰচৰ এটা বিৱৰণ তলত দিলোঁ।

| | জমা | | খৰচ | |
|---|---|---|---|---|
| নগদ | নগদ | বেংকৰ পৰা উলিওৱা | নগদ | বেংকত জমা |
| এপ্ৰিল ১৯৬০ | ২১২৬৯·২৯ | ১৬১৭·০০ | ১৬৭৯·৫৯ | ২১১০৬·৩৫ |
| মে „ | ১১৯৪৪·৩২ | ৩১২৫·৩২ | ২৮৩৯·৭৩ | ১২২১৮·৮৩ |
| জুন „ | ৭৯৩·৯৮ | ৪৫৯·০০ | ৪৬৮·৯১ | ২৬৮·৩৭ |
| জুলাই „ | ১৪২·২৩ | ৮৭২·০০ | ১০৭২·১৯ | ৩৮২·০০ |
| আগষ্ট „ | ৭২৮·২৮ | ১০৫২০·০০ | ৫০৭৩·৫৩ | ৬১১৬·১৬ |
| চেপ্তেম্বৰ „ | ১৬১৫·৬৮ | ৩৩৭১·০০ | ৪০০৭·৪৯ | ৯৫০·০০ |
| মুঠ | ৩৬৫০৮·৭৮— | ১৯৯৬৫·০৭— | ১৫১৪১·৪৪ | ৪১০৪১·৭১ |
| | ১৯৯৬৫·০৭ | | ৪১০৪১·৭১ | |
| | মুঠটকা ৫৬৪৭৪·৮৫ | | মুঠ টকা ৫৬১৮৩·১৫ | |

মুঠ জমা—কেচ আৰু বেংক—৫৬৪৭৪·৮৫

মুঠ খৰচ—কেচ আৰু বেংক—৫৬১৮৩·১৫

মুঠ বাকী ২৯১·৭০

স্বাঃ এ, চি, বৰুৱা
২২।১০।৬০

সংবাদ আৰু ব্যাখ্যা আৰু বহী অনুযায়ী শুদ্ধ পোৱা হ'ল।

স্বাঃ এ, চি, বৰুৱা—হিচাব পৰীক্ষক
২২।১০।৬০



অসম সাহিত্য সভাৰ ১৯৫৯-৬০ চন আৰু ১৯৬০-৬১ চনৰ বাজেট অসম সাহিত্য সভা পত্ৰিকাৰ যথাক্ৰমে অষ্টাদশ বছৰৰ প্ৰথম সংখ্যা আৰু উনবিংশ বছৰৰ প্ৰথম সংখ্যাত প্ৰকাশ হৈছে ; আৰু শাখা আৰু স্বীকৃত সভা-সমূহলৈ গৃহীত বাজেটৰ নকল পঠোৱা হৈছে। ১৯৫৮-৫৯ চনত সভাৰ কামত বিভিন্ন পুঁজিৰ পৰা অনা ৬০৫২ টকা পুনৰ জমা দিয়া হ'ল। ১৯৫৯-৬০ চনত আৰ্থিক সঙ্কট অতিক্ৰম কৰি সভাৰ স্থায়ী হিচাবৰ বেমেজালি দূৰ কৰা হ'ল। শ্বিলং ষ্টেট্ বেংকত অচল হৈ থকা (dead account) ৫০০০·৬২ নয়া পইচাৰ (পাঁচ হেজাৰ বাষষ্ঠি নয়া পইচা) চলিত হিচাবটো (current account) অনেক লিখালিখি কৰি আৰু বেংকৰ এজেণ্টক লগ ধৰি উক্ত বেংকৰ যোৰহাট শাখালৈ স্থানান্তৰিত কৰি বৰ্ত্তমান যোৰহাট এপেক্স্ বেংকত আজীৱন সভ্যৰ স্থায়ী পুঁজিৰ বাবদ পাঁচহেজাৰ টকাৰ হিচাব খোলা হৈছে। যোৰহাট এপেক্সবেংকত এহেজাৰ টকাৰ জনজাতীয় ছাত্ৰ-ছাত্ৰীক বছৰি একোটা পুৰস্কাৰ দিবৰ কাৰণে হৰিহৰ চৌধুৰী বঁটা পুঁজি খোলা হৈছে। কমলাদেৱী ন্যাস পুঁজিৰ স্থায়ী জমা (২০০০৲) আৰু চন্দ্ৰকান্ত ইন্দ্ৰকান্ত সোৰ্বণী পুঁজিৰ স্থায়ী জমা (১৫৫০৲) যোৰহাট এপেক্স বেংকত বিভিন্ন শিতানত খোৱা হৈছে। এতিয়াৰ পৰা সভাৰ স্থায়ী হিচাবৰ বেমেজালি কিছুদূৰ আঁতৰিল।

১৯৬০-৬১ চনৰ পৰা সভাৰ বাৰ্ষিক অনুদান ছহেজাৰৰ ঠাইত দহহেজাৰ হৈছে। ১৯৫৯-৬০ চনত বছৰৰ শেহত চৰকাৰে প্ৰচাৰৰ কাৰণে বিশ হেজাৰ টকাৰ এক-কালীন অনুদান দিছে। ভাৰত চৰকাৰেও আমাৰ চোন্নিশ হেজাৰ টকাৰ আঁচনিৰ ন হেজাৰ টকা দিবলৈ আগবাঢ়িছে যদিহে বাকী ১৫,০০০৲ টকাৰ ছহেজাৰ টকা অসম চৰকাৰে দিয়ে আৰু ৯.০০০ টকা সভাই নিজ পুঁজিৰ পৰা খৰচ কৰে। এই প্ৰতিবেদন লিখাৰ সময়লৈকে আমি অসম চৰকাৰৰ পৰা কোনো উত্তৰ পোৱা নাই। প্ৰচাৰ আৰু পুথি প্ৰকাশৰ আঁচনি কাৰ্য্য-নিৰ্ব্বাহক সভাৰ পঞ্চম অধিবেশনত গৃহীত হৈছে। আমাৰ বিশ্বাস সময়মতে আঁচনি কৰি চৰকাৰৰ লগত যোগাযোগ কৰিব পাৰিলে বাৰ্ষিক অনুদান বৃদ্ধি কৰা আৰু এক - কালীন দান পোৱা বৰ টান নহব। এই বছৰৰ পৰা টকা দিয়াৰ আগতে চৰকাৰে আগৰ বছৰৰ পৰীক্ষিত হিচাব (audited accounts) বিচৰাৰ নিয়ম কৰিছে ; গতিকে পৰবৰ্ত্তী প্ৰধান সম্পাদকে এই কথালৈ চকু দিব লাগিব।

## শাখা সভা

অসম সাহিত্য সভাৰ অন্তৰ্ভূক্ত শাখা আৰু স্বীকৃত সভাৰ মুঠ সংখ্যা হৈছে ১৩৫ খন। এই বছৰতে শাখা সভাৰ সংখ্যা সৰহ হৈছে। আমাৰ কাৰ্য্যকালৰ ভিতৰত তলত দিয়া ৪২ খন শাখা আৰু স্বীকৃত সভা গঠন কৰা হৈছে। আমাৰ শাখাসমূহ পাবদৰ দৰে বছৰি উঠা নমা কৰে। শাখা সভাসমূহ মূল সভাৰ ধমনী স্বৰূপ। ভূতপূৰ্ব্ব প্ৰধান সম্পাদক এজনৰ কথাৰে কব পাৰি 'শাখা সমূহৰ কিছুমানৰ নিষ্ক্ৰিয়তাই প্ৰধান লক্ষণ'। কিছুমান শাখাই কি কাম কৰিব লাগে তাৰ কাৰণে মূল সভাৰ নিৰ্দ্দেশ বিচাৰে। সভাৰ উদ্দেশ্য নিয়মাৱলীত আছে, আৰু সেই উদ্দেশ্য পূৰণৰ কাৰণে শাখা সভাই নিজ নিজ ক্ষেত্ৰত কাম কৰিব লাগে। কিছুমান সভাই নিয়মিত ভাবে অধিবেশন পাতিছে, পুথি প্ৰকাশ কৰিছে। কিছুমান সভাই বছেৰেকীয়া বৰঙণি ফেৰা দিলেই কাম হয় বুলি ভাবে আৰু কিছুমানক বৰঙণি ফেৰা দিবলৈ সাধিব লাগে। যদি সভাই বিত্তীয় বছৰৰ ভিতৰতে সভ্য ভৰ্ত্তি কৰে আৰু নিয়মিত ভাবে অধিবেশন পাতে তেন্তে মূল সভাৰ লগত যোগাযোগ ৰাখিব পাৰে আৰু বাৰ্ষিক বৰঙণি নিয়ম মতে আদায় কৰিব পাৰে। ঘাই কাৰ্য্যালয়ৰ চিঠি পত্ৰৰ বোজাও বহুত কমে। দুখৰ কথা ঘাই কাৰ্য্যালয়ৰ পৰা যোৱা চিঠি পত্ৰবোৰৰ ওপৰত বহুত সভাই গুৰুত্ব নিদিয়ে। এই বছৰ অষ্টাবিংশ অধিবেশনৰ দিন পিচলৈ যোৱাৰ কাৰণে বহুত সভাই ১৯৫৯-৬০ চনৰ বৰঙণি ফেৰা সময়মতে (বিত্তীয় বছৰ বহাগৰ পৰা চ'তলৈ) দিয়া নাই, আৰু এতিয়াও দিয়া নাই। এইটো বৰ শুভ লক্ষণ নহয়। বহুত সভাই কাৰ্য্যবিবৰণী পঠোৱা বা অধিবেশন পতা নাই। কোনো কোনো

সভাই অধিবেশন পাতিলে সভাৰ কাৰ্য্যবিৱৰণী ৰাতৰি কাকতত ওলায় কিন্তু মাই কাৰ্য্যালয়লৈ তাৰ নকল নপঠিয়ায়। এনে সভাৰ সম্পাদক সলনি হোৱাৰ কথা বহুত পাচতহে জনা যায়। গতিকে শাখা সভাসমূহে মূল সভাৰ অঙ্গ স্বৰূপে দেশৰ সমস্যাৰ প্ৰতি চোকা দৃষ্টি ৰাখি সাধ্য অনুসৰি কাম কৰি গলে এই বৃহৎ জাতীয় অনুষ্ঠানখনিৰ অৱস্থা নদন বদন হ'ব। সুখৰ কথা তিনিচুকীয়া শাখা সাহিত্য সভাৰ ভৱন নিৰ্ম্মাণৰ কাম আগবাঢ়িছে আৰু আমাৰ বিশ্বাস এই কেন্দ্ৰৰ সহায়ত প্ৰচাৰ কাৰ্য্য চলাব পৰা হব। কিছুমান শাখাৰ কাৰ্য্যাৱলী সভাৰ মুখপত্ৰ পত্ৰিকাত প্ৰকাশ হৈছে আৰু কিছুমান এতিয়াও প্ৰকাশ হবলৈ আছে। ডুমডুমা সাহিত্য সভাই "স্মৃতিগ্ৰন্থ" নামৰ এটি বিশেষ সংখ্যা আৰু এখন 'মিচিং পাঠ' প্ৰকাশ কৰিছে।

১৯৫৯-৬০ চনত শাখা আৰু স্বীকৃত সভাৰ পৰা সভাৰ বৰঙণি বাবদ ৩৩১৮'৬২ নয়া পইচা আৰু ১৯৬০-৬১ চনত ১০৬০'৬০ নয়া পইচা পোৱা হৈছে।

## নেফাত অসমীয়া ভাষা দিবস

নেফা প্ৰশাসনে অসমৰ পূব সীমান্ত অঞ্চলৰ পৰা অসমীয়া ভাষাক অপসাৰণ কৰি হিন্দীক শিক্ষাৰ মাধ্যম কৰাৰ প্ৰতিবাদ কল্পে অসম সাহিত্য সভাই কেবা বছৰো ৯ জুন দিবসটো অসমীয়া ভাষা দিবস স্বৰূপে পালন কৰি আহিছে। ১৯৫৯ চনত ৯ জুন দিবস দেশজুৰি পালন কৰা হৈছিল আৰু এই বিষয়ত শাখা আৰু স্বীকৃত সভাৰ কাৰ্য্যাৱলী সভাৰ মুখপত্ৰ পত্ৰিকাত (১৮শ বছৰ ১ম সংখ্যা) প্ৰকাশ হৈছে। এই দিবস উপলক্ষে মাৰ্ঘেৰিটা সাহিত্য সভাই আয়োজন কৰা ৰাজহুৱা সভা উল্লেখযোগ্য। নেফা প্ৰশাসনৰ লগত যোগাযোগ ৰাখি উত্তৰ পূব সীমান্ত অঞ্চলৰ বিভিন্ন থাপৰ বিদ্যালয়ৰ কাৰণে উপযুক্ত অসমীয়া শিক্ষক লোৱাত আমি নেফাৰ কৰ্ত্তৃপক্ষক সহায় কৰিছো। আমাৰ দেশৰ ডেকাসকলে দেশ সেৱাৰ মনোভাবেৰে আগবাঢ়ি আহিলেহে এই জনজাতীয় অঞ্চলৰ ৰাইজৰ অসমীয়া ভাষাৰ প্ৰতি আগ্ৰহ পূৰণ কৰিব পৰা হ'ব; আৰু অধিবেশনৰ আগে আগে নেফাৰ শিক্ষা বিভাগে প্ৰশিক্ষাপ্ৰাপ্ত স্নাতক-শিক্ষক লাগে বুলি সভাক জনাইছে।

## সাহিত্য সভা সপ্তাহ

১৯৫৯ চনত ৯ চেপ্তেম্বৰৰ পৰা ১৫ চেপ্তেম্বৰলৈ গোটেই অসমতে পতাকা দিৱস, স্মৃতি তৰ্পণ দিৱস, সাহিত্য দিৱস, ৰাজ্যিক ভাষা দিৱস, নেফা দিৱস, সম্প্ৰীতি দিৱস আৰু সাহিত্য সভা সপ্তাহ পালন কৰা হয়। ৯ চেপ্তেম্বৰৰ দিনা সাহিত্য সভাৰ বিভিন্ন ঠাইৰ কাৰ্য্যালয়ত আৰু মাই কাৰ্য্যালয়ত সাহিত্য সভাৰ নতুন পতাকা উত্তোলন কৰা হয়। "ৰাজ্যিক ভাষা দিৱস" উপলক্ষে অসম সাহিত্য সভাই "ৰাজ্যিক ভাষা অসমীয়া" শীৰ্ষক এখন পুস্তিকা প্ৰকাশ কৰে। শাখা আৰু স্বীকৃত সভা সমূহে যথাযোগ্য ভাবে সাহিত্য সভা সপ্তাহ পালন কৰে আৰু পত্ৰিকাত ইয়াৰ বিৱৰণ (অষ্টাদশ বছৰ দ্বিতীয় সংখ্যা) প্ৰকাশ হৈছে। সপ্তাহ উপলক্ষে দিয়া পতাকা আৰু পুথিৰ দাম কেইবাখনো সভাই এতিয়াও আদায় কৰা নাই। উল্লেখযোগ্য যে সাহিত্য সভা সপ্তাহৰ কাৰ্য্যসূচীৰ দুটা দিৱস সাহিত্য দিৱস আৰু ৰাজ্যিক ভাষা দিৱস— দেশৰ বিভিন্ন ঠাইত সাহিত্য সভাৰ বাহিৰেও আন আন অনুষ্ঠানে পালন কৰিছিল। ছাত্ৰ সমাজেও এই বিষয়ত আয়োজন কৰা সভা সমিতিৰ কাৰণে আমি তেওঁলোকৰ শলাগ লৈছো।

## কাছাৰ প্ৰসঙ্গ

কাছাৰত অসমীয়া ভাষা আৰু সাহিত্যৰ বিৰুদ্ধে এক শ্ৰেণীৰ লোকে আন্দোলন কৰিলেও তাত এই ভাষাৰ আগ্ৰহশীল লোকৰ সংখ্যা দিনক দিনে বাঢ়িছে। সাম্প্ৰতিক অশান্তিৰ ফলত কাছাৰত আমাৰ প্ৰচাৰ কাৰ্য্যৰ কিছুদূৰ ব্যাঘাত ঘটিছে। সহকাৰী সম্পাদক শ্ৰীযুত হৰিপ্ৰসাদ নেওগে ২৪।১০।৫৯ তাৰিখৰ পৰা এসপ্তাহ কাল কাছাৰৰ শিলচৰ, হাইলাকান্দি, কৰিমগঞ্জ, বদৰপুৰ, গুমৰা অঞ্চল ভ্ৰমণ কৰে। তেওঁ পুনৰ ২০।১২।৫৯ তাৰিখে সংগঠন কামত কাছাৰলৈ যায়। কাৰ্য্য নিৰ্ব্বাহক সভাৰ সদস্য চৈয়দ আব্দুল মালিকেও এইবাৰ শ্ৰীযুত নেওগৰ লগত হাইলাকান্দি, গুমৰা আৰু বদৰপুৰলৈ গৈ সংগঠন কাৰ্য্য চলায়। শিলচৰ সাহিত্য সভা আৰু হাইলাকান্দি সাহিত্য সভাৰো বাৰ্ষিক অধিবেশন বহে। বদৰপুৰত অসমীয়া প্ৰাথমিক বিদ্যালয়ৰ কাৰণে জোনাব মুৰুদ্দিন চৌধুৰীয়ে মাটি দান কৰে, আৰু স্থানীয় আলিয়া মাদ্ৰাচাত অসমীয়া শ্ৰেণী খুলিবৰ কাৰণে বিদ্যালয়ৰ অধীক্ষকে ইচ্ছা প্ৰকাশ কৰে। কিন্তু সাম্প্ৰতিক অশান্তিৰ কাৰণে এই কামত আগবাঢ়িব পৰা নহল। হাইলাকান্দি মহকুমাৰ ৪ খন অসমীয়া প্ৰাইমেৰী স্কুল আছে আৰু সেই স্কুল ৰাজ্যিক বুনিয়াদী বোৰ্ডে লবলৈ চৰকাৰক অনুৰোধ কৰা হৈছিল। সাম্প্ৰতিক অশান্তি নোহোৱা হলে কাছাৰত ৰাইজৰ আগ্ৰহ অনুসৰি আৰু খনচেৰেক তেনে স্কুল পাতিব পৰা হলহেঁতেন। সাহিত্য সভাৰ দানৰ পৰা প্ৰচাৰৰ আঁচনিত বিহৰা বাজাৰ এম-ই-স্কুল আৰু শিলচৰৰ দেশ-ভক্ত ফুকন এম ই স্কুললৈ একোজনকৈ অসমীয়া শিক্ষক নিয়োগ কৰি পঠোৱা হয়। কিন্তু অশান্তিৰ কাৰণে দুয়োজন ঘূৰি আহে। ১ চেপ্তেম্বৰৰ পৰা সভাই শিলচৰ এম ই স্কুলত দুগৰাকী স্থানীয় লোকক নিয়োগ কৰি এই নতুন স্কুলখনি পৰিচালনাত সহায় কৰিছে। গড়ৰভিতৰ সাহিত্য সভা আৰু দেৱান বস্তি যুৱক সঙ্ঘৰ পুথি ভৰালৈ সাহিত্য সভাৰ ফালৰ পৰা কিতাপ দান দিয়া হৈছে। কাৰ্য্য নিৰ্ব্বাহক সভাৰ দ্বিতীয় অধিবেশনৰ প্ৰস্তাৱ অনুযায়ী অসম চৰকাৰক বছৰি অন্ততঃ পাচজন কাছাৰৰ অৰ্হতা সম্পন্ন লোকক তিতাবৰ বুনিয়াদী মহাবিদ্যালয় বা নৰ্ম্মাল স্কুল সমূহত অসমীয়া ভাষা প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰা হৈছিল। এই প্ৰস্তাৱৰ বিষয়ে চৰকাৰৰ পৰা কোনো উত্তৰ পোৱা নাই কিন্তু চৰকাৰৰ লগত লিখালিখি কৰি এই বছৰত কাছাৰৰ এজন খিলঞ্জীয়া অসমীয়া ছাত্ৰক যোৰহাট নৰ্ম্মাল স্কুলত অৰ্থ সাহায্য দি বৃত্তিসহ পঢ়াৰ ব্যৱস্থা কৰা হৈছে। এইদৰে বছৰি অন্ততঃ কাছাৰৰ দুজন লোকক যোৰহাট নৰ্ম্মাল স্কুলত পঢ়ুৱাব পাৰিলেও ভাষা প্ৰচাৰত সুবিধা হয়। কাছাৰ জিলাত অসমীয়া ভাষাৰ সমৰ্থনকাৰী বাসিন্দা-সকল যোৱা অশান্তিৰ সময়ত নানা অবাঞ্ছনীয় অৱস্থাৰ সন্মুখীন হোৱা স্বত্বেও তেওঁলোকৰ অসমীয়া ভাষাৰ প্ৰতি আগ্ৰহ কমি নোযোৱাটো প্ৰশংসনীয় কথা।

## প্ৰচাৰ

পৰ্ব্বত-ভৈয়ামত অসমীয়া ভাষা প্ৰচাৰৰ কাৰণে সাহিত্য সভাই চেষ্টা কৰি আহিছে। ইয়াৰ কাৰণে অসম চৰকাৰৰ পৰা যোৱা বিত্তীয় বছৰৰ শেহত ২০,০০০ (বিশ হাজাৰ টকা) টকাৰ এক-কালীন অনুদান পোৱা হৈছিল। কাৰ্য্যনিৰ্ব্বাহক সভাৰ পঞ্চম অধিবেশনত এই আঁচনি গ্ৰহণ কৰা হৈছিল। কাছাৰত অসমীয়া ভাষা প্ৰচাৰৰ কল্পে সাহিত্য সভাৰ প্ৰচেষ্টাৰ কথা ওপৰত উল্লেখ কৰা হৈছে। গড়ৰ-ভিতৰ সাহিত্য সভা আৰু জাপিৰ-বন্ধ যুৱক সাজ্যলৈ কিছুসংখ্যক কিতাপ দান স্বৰূপে পঠোৱা হৈছে। মাৰ্ঘেৰিটাৰ পৰা অলপ দূৰৈত জনজাতি মধ্য ইংৰাজী স্কুললৈ সেই ঠাইৰ অনুৰোধ অনুসৰি সভাৰ পৰা কিছুসংখ্যক কিতাপ দান স্বৰূপে দিয়া হৈছে। কহিমা সাহিত্য সভাৰ অনুৰোধ অনুযায়ী সেই সভাৰ পুথিভঁৰালৈ কিছু সংখ্যক কিতাপ দান দিয়া হৈছে। অসমৰ চাহ বাগিচাৰ বনুৱা সকলেও অসমৰ জাতীয় জীৱনত এক উল্লেখযোগ্য বৰঙণি যোগাইছে। তেওঁলোকৰ মাজত সাংস্কৃতিক যোগাযোগ স্থাপনৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে 'চাহ বাগিচাৰ বনুৱা' নামৰ এখন পুথি সভাই প্ৰকাশ কৰিছে। সদৌ অসম চাহ বাগিচাৰ জনজাতি ছাত্ৰ সন্মিলনক আলোচনী প্ৰকাশৰ কাৰণে ৫০০৲ দান দিয়া হৈছে। নতুন অসমীয়াৰ স্বত্বাধিকাৰী শ্ৰীযুত ইন্দ্ৰকমল বেজ-বৰুৱাই আমাৰ আহ্বানৰ প্ৰতি সহাৰি জনাই অসম সাহিত্য সভাক পাঁচখন "নতুন অসমীয়া" যোৱা জুলাই মাহৰ পৰা প্ৰচাৰৰ কাৰণে দান স্বৰূপে দি আছে, আৰু এই পাঁচখনৰ তিনিখন কাছাৰ জিলা, এখন হাফলং সাহিত্য সভা আৰু এখন দক্ষিণ শালমৰা সাহিত্য সভালৈ নিয়মিতভাবে পঠোৱা হৈছে। আমি এই দানৰ কাৰণে বেজবৰুৱাদেৱক ধন্যবাদ জনাইছো। এই বছৰ নেফালৈ এটা পাঞ্জজনীয়া সাংস্কৃতিক দল যোৱাৰ সকলো

ব্যৱস্থা হৈছিল, কিন্তু হঠাৎ নেফা প্ৰশাসনে আগতীয়া বৰষুণৰ কাৰণে যাতায়াত বিচ্ছিন্ন হৈছে বুলি জনোৱাত এই দলটোৰ ভ্ৰমণ স্থগিত ৰাখিব লগা হ'ল। এটা সাংস্কৃতিক দল কছাৰ, গোৱালপাৰা, গাৰোপাহাৰ আৰু মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ জিলালৈ পঠোৱাৰ দিহা কৰা হৈছিল, কিন্তু হৈ যোৱা অশান্তিৰ কাৰণে সেই আঁচনি কাৰ্য্যকৰি কৰিব পৰা ন'হল। আমাৰ এটা সাংস্কৃতিক দল শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱৰ নেতৃত্বত অলপতে মিকিৰ পাহাৰৰ সৰিয়হজান ভ্ৰমণ কৰি ঘূৰি আহিছে। ডিফু সাহিত্য সভাৰ অনুৰোধত আমি ডিফুলৈ এই দল পঠোৱা কাম স্থগিত ৰাখিব লগা হয়; সাহিত্য সভাৰ কাৰ্য্যসূচীত ভৱিষতে নগাপাহাৰ আৰু টুৱেংচাঙ ধৰিলোৱা উচিত হব। এই খিনিতে উল্লেখ কৰিব পাৰি যে সাহিত্য সভাৰ এটা স্থায়ী প্ৰচাৰ বিভাগ থাকিব লাগে, কিয়নো বছৰি বছৰি বাঢ়ি অহা দায়িত্বলৈ চাই প্ৰধান সম্পাদকে নিয়মিত ভাৱে প্ৰচাৰ বিভাগৰ সকলো কাম সম্পাদন কৰা সম্ভৱ নহয়।

## আগন্তুক পিয়ল

যোৱা ১।১০।৬০ তাৰিখে মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী আৰু কংগ্ৰেছ সভাপতিক দেখা কৰোতে মুখ্যমন্ত্ৰী শ্ৰীযুত চলিহাৰ আগত লোকপিয়লত মাতৃভাষাৰ সংজ্ঞাৰ বিষয়ে আপত্তি কৰা হৈছিল। প্ৰশ্নাৱলীৰ পৰা ৭ (খ) টো তুলি দিয়াৰ কাৰণেও আপত্তি কৰি তেনে ধৰণৰ প্ৰশ্ন অতিৰিক্ত ভাৱে হলেও সুমুৱাই দিবৰ কাৰণে টানি ধৰা হৈছিলো। অহা লোক পিয়ল যাতে সুষ্ঠু আৰু নিৰ্ভুলভাৱে পৰিচালিত হব পাৰে তাৰ কাৰণে অসম সাহিত্য সভাৰ কৰ্মী আৰু অসমীয়া জনসাধাৰণে সক্ৰিয় সহযোগিতা আগবঢ়োৱা উচিত।

## সাহিত্য সভা পত্ৰিকা ঃ

অসম সাহিত্য সভা পত্ৰিকা সম্প্ৰতি উনবিংশ বছৰত ভৰি দিছে। পত্ৰিকা সম্পাদক ডাঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মা দেৱে—অষ্টাদশ বছৰৰ তিনি সংখ্যা আৰু উনবিংশ বছৰৰ প্ৰথম সংখ্যা সম্পাদনা কৰিছে। পত্ৰিকা প্ৰকাশ অসম সাহিত্য সভাৰ পক্ষে পুজিৰ দানৰ পৰা লাভজনক নহয়। তথাপি সভাৰ মৰ্য্যাদা অক্ষুণ্ণ ৰাখিবৰ কাৰণে—আৰু সভা আৰু শাখা সভাৰ ভিতৰুৱা বা বাতৰি প্ৰকাশৰ কাৰণে সভাৰ মুখপত্ৰ এই পত্ৰিকাখনি অপৰিহাৰ্য্য। অষ্টাদশ বছৰৰ পত্ৰিকাৰ মুঠ জমা—১৬৪৭.৫৬ নঃ পঃ আৰু খৰচ ৩৬৪৪.৯৭ নঃ পঃ ঘাটি হৈছে—১৯৯৭.৪১ নঃ পঃ।

পত্ৰিকাৰ গ্ৰাহকৰ সংখ্যা বঢ়োৱাত—আমাৰ শাখা আৰু স্বীকৃত সভা সমূহেও সহায় কৰিব পাৰে।

## পুথি-প্ৰকাশ ঃ

অসমত উদ্ভৱ হোৱা বিভিন্ন সমস্যাৰ কাৰণে অসম সাহিত্য সভাই সাহিত্য চৰ্চাতকৈ ভাষা প্ৰচাৰত—অধিক মন দিব লগা হৈছে। দ্বিতীয়তে সাহিত্য সভাৰ-পুঁজিও সীমাবদ্ধ। ১৯৫৯-৬০ চনত সাহিত্য সভাৰ বিত্তীয় সঙ্কটৰ কাৰণে বিশেষ কাম কৰিব পৰা নহল। চলিত বিত্তীয় বছৰত চৰকাৰে এককালীন অনুদান মঞ্জুৰ কৰাৰ কাৰণে সভাই আঁচনি অনুসৰি পুথি প্ৰকাশত হাত দিব পাৰিছো। আমাৰ কাৰ্য্যকালৰ ভিতৰত আনন্দ ৰাম ঢেকিয়াল ফুকনৰ মৃত্যু শতবাৰ্ষিকী উপলক্ষে 'আনন্দ ৰাম ঢেকিয়াল ফুকন' (প্ৰধান সম্পাদক সম্পাদিত—) আৰু 'ঢেকিয়াল ফুকন'ৰ অসমীয়া ভাষা' (ডঃ মহেশ্বৰ নেওগ সম্পাদিত আৰু অনূদিত—'A few Remarks on Assam Language) নামৰ দুখন পুথি প্ৰকাশ কৰা কথা আগতে কৈ অহা হৈছে। অসম সাহিত্য সভাৰ ষড়বিংশ অধিৱেশনৰ প্ৰস্তাৱ অনুসৰি কাৰ্য্যনিৰ্ব্বাহক সভাৰ দ্বিতীয় অধিৱেশনৰ অসমৰ দ'ল, দেৱালয়, দৰগাহ, মচজিদ্ আদিৰ বিৱৰণ থকা এখন সচিত্ৰ "পবিত্ৰ অসম" নামৰ পুথিৰ প্ৰণয়ন কৰিবৰ কাৰণে এখন সম্পাদনা সমিতি পতা হৈছিল। এই পুথিখন ডঃ মহেশ্বৰ নেওগৰ সম্পাদনাত সম্প্ৰতি প্ৰকাশ হৈছে। শ্ৰীযোগেশ চন্দ্ৰ তামুলীয়ে তেখেতৰ 'অসমীয়া লোকগীতি সংগ্ৰহ' নামৰ পুথিখনি সভাক প্ৰকাশৰ দায়িত্ব দিয়াৰ কাৰণে আমি তেওঁক ধন্যবাদ জনাইছো। এই পুথিখনি শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকাদেৱৰ সম্পাদনাত সম্প্ৰতি ওলাইছে। অসমৰ চাহ-বাগিছাৰ-বনুৱাৰ বিষয়ে 'চাহ-বাগিচাৰ বনুৱা,'



শীৰ্ষক শ্ৰীযুত নকুল চন্দ্ৰ ভূঞাদেৱে লিখা এখন কিতাপ প্ৰকাশ হৈছে। শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী সম্পাদিত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ', আৰু সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিসকলৰ অভিভাষণ "ভাষণাৱলী তৃতীয় ভাগ" আৰু ডাঃ প্ৰফুল্ল দত্ত গোস্বামী সম্পাদিত এ-কে-গনিৰ 'কামিনী কান্ত' উপন্যাস যন্ত্ৰস্থ। ৺বেণুধৰ ৰাজখোৱাৰ 'অসমীয়া খণ্ড কোষ' প্ৰকাশ কৰা সম্পৰ্কে স্বত্বাধিকাৰীৰ লগত লিখালিখি চলিছে। "উদয়াচলৰ সাধু' নামৰ এখনি-জনজাতীয় সাধুৰ পুথি লিখাৰ কাৰণে সাহিত্য সভাই উত্তৰ-পূৰ সীমান্ত অঞ্চলৰ উদীয়মান লিখক শ্ৰীলুম্বেৰ দাইক ১৫০৲ টকা পুৰস্কাৰ দিয়ে, আৰু এই পুথি কমলাদেৱী ন্যাস পুঁজিৰ পৰা প্ৰকাশ হৈছে।

## হৰিহৰ চৌধুৰী বঁটা ঃ

অসম সাহিত্য সভাৰ আজীৱন সভ্য শ্ৰীযুত হৰিহৰ চৌধুৰীদেৱে প্ৰৱেশিকা পৰীক্ষাত বছৰি অসমীয়া বিষয়ত প্ৰথম হোৱা নেফাৰ জনজাতীয় ছাত্ৰক পুৰস্কাৰ দিবৰ কাৰণে সাহিত্য সভাক দিয়া এহেজাৰ টকাৰ দানৰ প্ৰস্তাৱে এই বছৰৰ পৰা কাৰ্য্যকৰি কৰা হৈছে। পূৰ সীমান্ত অঞ্চলৰ ছাত্ৰক পুৰস্কাৰ দিবলৈ কাৰ্য্য-নিৰ্ব্বাহক সভাই-স্থিৰ কৰিছে। বিশ্ব-বিদ্যালয়ৰ কৰ্তৃপক্ষৰ পৰা সম্মিলনৰ আগে আগে আগে উত্তৰ পোৱা হৈছে আৰু-পাচিঘাট হাইস্কুলৰ শ্ৰীজমিন টায়েঙক এই বটা পাচত দিয়া হব। এতিয়া চৌধুৰীদেৱৰ দানৰ লগতে উজান দি যদি কোনো সদাশয় লোকে প্ৰাথমিক বৃত্তি পৰীক্ষাত অসমীয়াত প্ৰথম হোৱা ছাত্ৰ-ছাত্ৰীক দান দিবৰ কাৰণে এটি পুঁজি দান স্বৰূপে আগবঢ়াই তেন্তে দেশৰ মহৎ উপকাৰ হব।

## ৰাধাকান্ত সন্দিকৈৰ স্মৃতি ঃ

অসম সাহিত্য সভাৰ দ্বাবিংশ অধিৱেশনৰ প্ৰস্তাৱৰ মৰ্ম্ম অনুসৰি দানবীৰ ৰাধাকান্ত সন্দিকৈদেৱৰ এটি ব্ৰঞ্জৰ প্ৰতিমূৰ্ত্তি নিৰ্ম্মাণৰ যাবতীয় খৰচ এজন সদাশয় দাতাই বহন কৰি ৰাইজৰ শলাগৰ পাত্ৰ হৈছে। ৭৫০০ টকা খৰচ কৰি সজোৱা এই ব্ৰঞ্জৰ প্ৰতিমূৰ্ত্তিটো এই মাহত আমাৰ হাতত পৰিছে আৰু কাৰ্য্য-নিৰ্ব্বাহক সভাৰ তৃতীয় অধিৱেশনৰ নিৰ্দ্দেশ অনুযায়ী এটি উপযুক্ত উৎসৱেৰে সৈতে ৩০ ডিচেম্বৰত—(১৯৬০ চন) এই মূৰ্ত্তি উন্মোচন কৰা হ'ব। এই শিতানত এজন অনামী দাতাই এতিয়ালৈকে প্ৰায় ৮৫০০ টকা বহন কৰিছে। সাহিত্য সভাৰ ভেটি স্থাপন কৰোতা এজন মহানুভৱ পুৰুষৰ ৰক্ষাৰ ব্যৱস্থা হল। এতিয়া চন্দ্ৰকান্ত সন্দিকৈ ভৱনত সাহিত্য সভাৰ অন্যতম জন্মদাতা সাহিত্যিক ৺শৰৎ চন্দ্ৰ গোস্বামী দেৱৰ স্মৃতি ৰক্ষাৰ ব্যৱস্থা কৰাতো সমিচীন হব।

ৰাধাকান্ত সন্দিকৈ স্মৃতি ভৱন নিৰ্ম্মাণৰ কাৰণে—অসম সাহিত্য সভাই ৫০,০০০ টকাৰ আঁচনি কৰি ধন সংগ্ৰহৰ চেষ্টা কৰিছিল। সভাই নিজৰ পুঁজিৰ পৰা এটা বুজন অংশ ৰাধাকান্ত সন্দিকৈ স্মৃতি সমিতিক' দান দিছে। আজি বৰ্ত্তমান এই পুঁজিত ৩০৫৮.৭৫ জমা হৈছে। এই উপলক্ষে অসম চৰকাৰলৈ ৭৫,০০০ টকাৰ এখন আঁচনি পঠোৱা হৈছে।

## প্ৰতীক ঃ

অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সভাৰ দ্বিতীয় অধিৱেশনত শিল্পী শ্ৰীযুগল কুমাৰ দাসদেৱে অঁকা প্ৰতীক এটি অলপ সালসলনি কৰি গ্ৰহণ কৰা হয়। অসম সাহিত্য সভাই এই বিষয়ে কেবা বছৰো চেষ্টা কৰি আহিছিল আৰু শিল্পী দাসে এই প্ৰতীকটো আঁকি দি সহায় কৰাৰ কাৰণে আমি তেওঁক ধন্যবাদ জনাইছো। যোৱা বছৰ সাহিত্য সভা সপ্তাহৰ আৰম্ভণিৰ দিনা (৯ চেপ্তেম্বৰ) ঘাই কাৰ্য্যালয়ত প্ৰথমবাৰৰ কাৰণে প্ৰতীক অঙ্কিত পতাকা উত্তোলন কৰা হয়। সভাৰ পত্ৰিকা আৰু আন প্ৰকাশিত গ্ৰন্থত এই প্ৰতীক ব্যৱহাৰ কৰা হৈছে।

## গোচৰ-প্ৰসঙ্গ ঃ

শ্ৰীপ্ৰেমধৰ ৰাজখোৱাই প্ৰাক্তন সম্পাদক শ্ৰীযুত পৰাগ চলিহাদেৱৰ পৰা সভাৰ পুথি প্ৰকাশৰ কাৰণে নিয়া টকা সভাক ঘূৰাই নিদিয়াৰ কাৰণে কাৰ্য্যনিৰ্ব্বাহক সভাৰ

নিৰ্দ্দেশ অনুসৰি আদালতৰ যোগে টকা আদায় কৰাৰ ব্যৱস্থা লোৱা হৈছে। এই বিষয়ে আমাৰ উকীলে জনাইছে যে—নবেম্বৰ মাহৰ ভিতৰতে মকৰ্দ্দমা নিষ্পত্তি হব।

## অসম সাহিত্য সভাৰ ঘাই কাৰ্য্যালয় ঃ

অসম সাহিত্য সভাৰ ঘাই কাৰ্য্যালয়ৰ প্ৰবেশ দ্বাৰত এখন নাম-ফলি ( চাইনবৰ্ড ) লগোৱা হৈছে। কাৰ্য্যালয়ৰ প্ৰাঙ্গনৰ ফুলনিৰ কাৰণে অসম সাহিত্য সভাৰ ভূতপূৰ্ব্ব সভাপতি শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈদেৱে প্ৰায় ডেৰশমান টকাৰ ফুল পুলি সভাক দিছে। সভা ঘৰৰ কাঠৰ চিলিঙৰ ঠাইত 'এচবেচটচ' চিলিং লগোৱা হৈছে আৰু এই সম্পৰ্কত পোৱা দানৰ কথা পাচত উল্লেখ কৰা হব। ঘাই কাৰ্য্যালয়ত ১৭।৭।৬০ তাৰিখৰ পৰা ছমাহৰ কাৰণে মাহে ১৫০ টকাত এজন কাৰ্য্যালয় সচিব নিযুক্ত কৰা হৈছে। এনে নিযুক্তিৰ দ্বাৰা প্ৰধান সম্পাদক আৰু সহকাৰী সম্পাদকৰ যদি কামৰ বোজা পাতল হয় তেন্তে এই ব্যৱস্থা বাহাল ৰখা ভাল হব। আগৰদৰে এই বছৰো ২৬ জানুৱাৰীৰ দিনা ঘাই কাৰ্য্যালয়ত ৰাধাকান্ত সন্দিকৈ দেৱৰ মৃত্যু তিথি পালন কৰা হয়।

## চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত সোঁৱৰণ তিথি ঃ

যোৱা বছৰ ৯ চেপ্তেম্বৰ আৰু এই বছৰৰ ১১ চেপ্তেম্বৰ ( বিশেষ কাৰণে ৯ তাৰিখে পাতিব পৰা নহল ) দিনা চন্দ্ৰকান্ত সন্দিকৈ আৰু ইন্দ্ৰকান্ত সন্দিকৈৰ মৃত্যু তিথি পালন কৰা হয়।

## কমলাদেৱীন্যাস সমিতি ঃ

যোৰহাট কোঅ'পাৰেটিভ এপেক্স বেঙ্কত অচল হৈ টকা কমলাদেৱীন্যাস পুঁজিৰ সুতৰ ৫০০ টকা পোৱা হৈছে। ন্যাস পুঁজিৰ মুল টকা এপেক্স বেঙ্কত স্থায়ী ভাবে জমা ৰখা হৈছে আৰু সুতৰ বাবদ ডাক-ঘৰত মুঠ ৮০৭'৬১ নঃ পঃ জমা আছে। এই পুজিৰ পৰা উত্তৰ-পূৰ সীমান্ত অঞ্চলৰ শ্ৰীলুম্বেৰ দাইৰ জন-জাতীয় সাধু-পুথি 'উদয়াচলৰ সাধু' আমাৰ দেশৰ লৰা-ছোৱালীলৈ আগবঢ়োৱা হৈছে। এই ন্যাস সমিতি পুনৰ্গঠন কৰা হৈছে।

## চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ন্যাস পুঁজি ঃ

এই ন্যাস পুঁজিৰ হিচাপ সুকীয়াকৈ ৰখা হৈছে। ৺ৰাধাকান্ত সন্দিকৈৰ মৃত্যুৰ পাচত কিছুকাল এই ন্যাস পুঁজি অচল হোৱাত অসম সাহিত্য সভাৰ ধৰণী স্বৰূপ ৺দেবেশ্বৰ শৰ্ম্মাই এই ন্যাস পুঁজিৰ দলিল-পত্ৰ আদি উদ্ধাৰ কৰি মূলধন—( সোঁতৰহেজাৰ টকা ) ৰিজাৰ্ভ বেঙ্কত স্থায়ী জমাত ৰখাৰ ব্যৱস্থা কৰে। স্বৰ্গীয় শৰ্ম্মাদেৱ এই ন্যাস পুঁজিৰ ধন-ভঁড়ালী আছিল। চন্দ্ৰকান্ত সন্দিকৈ ভৱন মেৰামতি কৰা কাঠৰ চিলিঙৰ পৰিবৰ্ত্তে 'এচবেচটচ' চিলিঙি লগোৱা আদি কামত এই পুজিৰ ধন অকুলন হোৱাত শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈদেৱে ১৫২৩ টকা দান কৰে। এই বছৰো সভাঘৰৰ ওপৰত বং লগোৱাৰ কাৰণে তেখেতে কিছু টকা দিবলৈ আগবাঢ়িছে। এই দানৰ কাৰণে আমি তেখেতক ধন্যবাদ জনাইছোঁ। পুঁজিৰ হিচাবত ডাকঘৰত ৬৪২০'৫৭ নঃ পঃ জমা আছে।

## চন্দ্ৰকান্ত অভিধান ঃ

চন্দ্ৰকান্ত অভিধানৰ দ্বিতীয় তাঙৰণ প্ৰকাশৰ ভাৰ গুৱাহাটী বিশ্ববিদ্যালয়ক দিয়া হৈছিল আৰু অভিধান খনি সংশোধনৰ কাৰণে চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ন্যাস পুঁজিৰ পৰা বছৰি ৫০০ টকা হিচাপে ৩ বছৰ দিয়া হৈছিল। শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈদেৱে অভিধান সংশোধন আৰু প্ৰকাশৰ বাবদ কেইবাটাও কিস্তিত প্ৰায় ৩০,০০০ টকা বিশ্ব-বিদ্যালয়ক দান দিছে। বিশ্ববিদ্যালয়ে ১৯৬০ চনৰ আগ-ভাগতে চন্দ্ৰকান্ত অভিধান প্ৰকাশ হব বুলি আমাক জনাইছিল। কিন্তু আমি জনাত এতিয়া 'চ' বৰ্গ প্ৰায় শেষ হৈছে।

## বিবিধ ঃ

এই বছৰ অসম পুথি বছা সমিতিৰ সভ্য নিৰ্ব্বাচন কৰাত সাহিত্য সভাৰ পৰামৰ্শ নোলোৱাৰ কাৰণে



চৰকাৰৰ ওচৰত আপত্তি দৰ্শোৱা হৈছে। যোৱা বছৰ অসমৰ কোনো লেখকে সাহিত্য একাডেমীৰ বঁটা নোপোৱাৰ কাৰণে কেনেদৰে এই বাছনি কৰা হয় কৰ্ত্তৃপক্ষক সোধা হৈছিল। সাহিত্য একাডেমীৰ সম্পাদকে আমাৰ চিঠিৰ পোনপটীয়া উত্তৰ নিদি তেওঁলোকৰ বাছনি নীতিৰ বিষয়ে আমাক জানিবলৈ দিয়ে। অসমীয়া লেখকৰ তিনিখন পুৰণি সংস্কৃত নাটক প্ৰকাশ সম্পৰ্কে অসম চৰকাৰৰ যোগে ভাৰত চৰকাৰলৈ ৪০০০ টকাৰ এখনি আঁচনি পঠোৱা হৈছে। অসম সাহিত্য সভাৰ পৰা বিশ্বকোষ সংকলনৰ এখন আঁচনি প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীযুত বিনন্দ চন্দ্ৰ বৰুৱাই অসম চৰকাৰলৈ পঠাইছিল। কিন্তু দুখৰ বিষয় পুথি প্ৰকাশন পৰিষদৰ সচিবে সেই আঁচনিৰ বিষয়ে উত্তৰ দিলে যে চৰকাৰক বেচি টকা ধৰি এখন আঁচনি দাঙি ধৰিলে ভাল হব। এই বছৰ আঠজন লোক অসম সাহিত্য সভাৰ আজীৱন সভ্য হৈছে। তেখেতসকল হৈছে শ্ৰীযুত ( সকল ) বিনন্দ চন্দ্ৰ বৰুৱা, মাৰলৰাম গেমকা, হেমেন্দ্ৰ প্ৰসাদ বৰুৱা, সুৰেন্দ্ৰ চন্দ্ৰ দত্ত, ধৰ্ম্মেশ্বৰ বৰদলৈ, ধৰ্ম্মকান্ত মহন্ত, যোগেন্দ্ৰ নাথ ডেকা আৰু কনক চন্দ্ৰ কোৰঁৰ।

সপ্তবিংশ অধিবেশনত তেজপুৰে পৰৱৰ্ত্তী অধিবেশন নিমন্ত্ৰণ কৰিছিল। তেজপুৰত অষ্টাবিংশ অধিবেশন পতাৰ প্ৰাৰম্ভিক কামৰ বাবে কাৰ্য্য-নিৰ্ব্বাহক সভাৰ সভাপতি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা দেৱ তেজপুৰলৈ গৈ ২৪।১০।৫৯ তাৰিখে হোৱা ৰাজহুৱা সভাত অধিবেশন পতা সম্পৰ্কে আলোচনা কৰে ২৯।১১।৫৯ তাৰিখে তেজপুৰত এখন তদৰ্থ অভ্যৰ্থনা সমিতি গঠন কৰা হয়। সেই অনুসৰি তেজপুৰ ৰাজহুৱা সভাই ১৯৬০ চনৰ অক্টোবৰ বা নবেম্বৰ মাহত অধিবেশন পাতিব পাৰিব বুলি আমাক জনালে ২৫।১।৬০ তাৰিখে বহা কাৰ্য্য নিৰ্ব্বাহক সভাই অক্টোবৰ মাহৰ প্ৰথম সপ্তাহত তেজপুৰত অধিবেশন পতাৰ সিদ্ধান্ত কৰে। যথাসময়ত তেজপুৰ অভ্যৰ্থনা সমিতিক জনোৱা হয়। কেবাখনো চিঠি লিখাৰ পাচত অভ্যৰ্থনা সমিতিৰ প্ৰধান সম্পাদকে আমাক ২২।৫।৬০ তাৰিখৰ চিঠিৰ দ্বাৰা জনালে যে ডিচেম্বৰ বা জানুৱাৰী মাহতহে সভা পাতিব পৰা হ'ব। তেতিয়া শাখা আৰু স্বীকৃত সভাসমূহকসভা নিমন্ত্ৰণ কৰিবলৈ অনুৰোধ কৰাত পলাশবাৰী সাহিত্য সভাই অক্টোবৰ মাহৰ প্ৰথম সপ্তাহত সভা পাতিব পাৰিব বুলি জনালে। কিন্তু দেশজুৰি হোৱা অশান্তিৰ কাৰণে পলাশবাৰী অভ্যৰ্থনা সমিতিয়ে অৰ্থসংগ্ৰহ আদি কাম কৰিব নোৱাৰাৰ হেতুকে সভা কিছু পিছলৈ নিবলৈ অসম সাহিত্য সভাক অনুৰোধ কৰে। আৰু কাৰ্য্য নিৰ্ব্বাহক সভাই অক্টোবৰৰ ২৮ আৰু ২৯ তাৰিখে দিন স্থিৰ কৰে।

এই মাহৰ ২৭ তাৰিখে দিল্লীত বহা ইউনেস্কোৰ অধিবেশনত সাহিত্য সভাৰ প্ৰতিনিধি স্বৰূপে শ্ৰীশিৱ প্ৰসাদ বৰুৱাই যোগ দিছে।

আমাৰ দলনীয়া আৰু নীৰস প্ৰতিবেদনৰ সামৰণি মৰাৰ আগতে সাহিত্য সভাৰ সহকাৰী সম্পাদক শ্ৰীযুত হৰিপ্ৰসাদ নেওগদেৱে কাৰ্য্যালয় পৰিচালনাৰ উপৰিও সংগঠন আৰু প্ৰচাৰত সহায় কৰাৰ কাৰণে আমি শ্ৰীযুত নেওগদেৱৰ শলাগ লৈছোঁ। সভাপতি শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকাদেৱে আৱশ্যকীয় দিহা পৰামৰ্শ আদিৰে সহায় কৰাৰ কাৰণেই মই তেখেতক ধন্যবাদ জনাইছোঁ। কাৰ্য্য নিৰ্ব্বাহক সভাৰ সভ্য চৈয়দ আব্দুল মালিক আৰু ধনভঁড়ালী শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাদেৱৰ সহায়ৰ কথা আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। ইয়াৰ উপৰি ডঃ মহেশ্বৰ নেওগ, ডঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মা আৰু শ্ৰীনৰেন্দ্ৰ নাথ শৰ্ম্মায়ো আমাক সহায় কৰিছিল। কাৰ্য্য নিৰ্ব্বাহক সভাৰ আন সদস্য সকলে আৱশ্যকীয় দিহা পৰামৰ্শ আদিৰে সহায় কৰাৰ কাৰণে সকলোৰে শলাগ লৈছোঁ। শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈদেৱে সভাৰ কাৰ্য্যালয় ৰক্ষণাবেক্ষণৰ কাৰণে সততে দিয়া পৰামৰ্শৰ কাৰণে তেখেতকো ধন্যবাদ জনাইছোঁ। কোনো কোনো হিতাকাঙ্খীয়ে চিঠি-পত্ৰৰ যোগে আৰু ব্যক্তিগত ভাবে আমাক দিহা পৰামৰ্শ দিছে তাৰ কাৰণেও মই সকলোৰে শলাগ লৈছোঁ।

এই সৰ্ব্ববৃহৎ জাতীয় অনুষ্ঠানটি পৰিচালনাৰ ভাৰ লৈ আমি কিমানদূৰ কৃতকাৰ্য্য হব পাৰিছোঁ সেইটো আপো-নালোকে বিচাৰ কৰিব। আমাৰ কাৰ্য্যকালৰ ভিতৰত সভাৰ প্ৰতীক গ্ৰহণ, চৰকাৰীৰ অনুদান বৃদ্ধি, দুটা বিত্তীয় বছৰত এককালীন চৰকাৰী অনুদান মঞ্জুৰ, দানবীৰ

ৰাধাকান্ত সন্দিকৈৰ ব্ৰঞ্জ মূৰ্ত্তি উন্মোচনৰ ব্যৱস্থা ঘাই কাৰ্য্যালয়ৰ প্ৰবেশ দ্বাৰত নাম-ফলি সংযোগ, কেবাখনো মূল্যবান পুথি প্ৰকাশ আদি কাৰ্য্যাৱলীৰ কাৰণে কিছুদূৰ আত্মতুষ্টি লাভ কৰিব পাৰোঁ। তথাপি আমি আমাৰ কৰ্ত্তব্য যেনে দৰে সম্পাদন কৰিব লাগিছিল তেনেদৰে কৰিব নোৱাৰাৰ কাৰণে আপোনালোকে যেন আমাৰ অক্ষমতা ক্ষমা কৰে। আমাৰ জ্ঞান বিশ্বাসত অসম সাহিত্য সভাৰ মৰ্য্যাদা সততে অক্ষুণ্ণ ৰাখিবৰ কাৰণে আমি চেষ্টা কৰিছিলোঁ। কৰ্ত্তব্য সম্পাদন কেতিয়াবা কাৰোবাৰ লগত হোৱা বঢ়া টুটাৰ কাৰণেও ক্ষমা প্ৰাৰ্থনা কৰোঁ। অসম সাহিত্য সভাৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি আমি ৰাইজৰ আগত শিৰ নত কৰি বিদায় মাগিলোঁ।

চিৰচেনেহী ভাষা জননীৰ জয় হওক। অসম সাহিত্য সভাৰ জয় হওক।

---

# অসম সাহিত্য সভাৰ বিভিন্ন উৎসৱ

### ৰাধাকান্ত সন্দিকৈ গৱেষণা গ্ৰন্থাগাৰ আৰু বক্তৃতা-মঞ্চৰ ভেটি স্থাপন

১৯৬০ চনৰ ৩০ ডিচেম্বৰ তাৰিখে পুৱা ছাৰে আঠ বজাত যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ প্ৰাঙ্গনত অসম সাহিত্য সভাৰ সভাপতি অধ্যক্ষ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱে সভাৰ পতাকা উত্তোলন কৰি সাহিত্যত জাতীয় ভাবৰ উচ্ছ্বাসৰ বিষয়ে এটি চমু অথচ সাৰুৱা ভাষণ দিয়ে।

একেদিনাই পুৱা ন বজাত অসম সাহিত্য সভাৰ এগৰাকী প্ৰাক্তন সভাপতি শ্ৰীহেৰম্বপ্ৰসাদ বৰুৱা ডাঙৰীয়াই চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ পুবফালে চৌহদৰ ভিতৰত থকা মুকলি ঠাইত স্বৰ্গীয় ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ নামত নিৰ্ম্মাণ কৰিব লগীয়া গৱেষণা-গ্ৰন্থাগাৰ আৰু বক্তৃতা-মঞ্চৰ আধাৰ-শিলা স্থাপন কৰে। শ্ৰীবৰুৱা দেৱে সাহিত্যত আদৰ্শ সম্পৰ্কে হৃদয়গ্ৰাহী চমুকৈ কয়।

## ৰাধাকান্ত সন্দিকৈৰ আৱক্ষ মূৰ্ত্তি-স্থাপন

৩০ ডিচেম্বৰ তাৰিখৰ অন্যতম কাৰ্য্যসূচী ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ আঠধতুৰা মূৰ্ত্তি-উন্মোচন উৎসৱ আবেলি দুই বজাত আৰম্ভ হয়। সন্দিকৈ ভৱনৰ প্ৰাঙ্গনত বহা উৎসৱৰ সভাত ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাদেৱক সভাপতি বৰণ কৰা হয়। সভাৰ আৰম্ভণিতে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ডক্টৰ মহেশ্বৰ নেওগে অসম সাহিত্য সভাই মূৰ্ত্তি স্থাপন কৰি সন্দিকৈ ডাঙৰীয়াৰ স্মৃতি ৰক্ষা কৰিবৰ কিয় আয়োজন কৰিছে, তাৰ তাৎপৰ্য্য দাঙি ধৰে। সন্দিকৈৰ আঠধতুৰা আৱক্ষ মূৰ্ত্তিটি বিখ্যাত ভাস্কৰ-চিত্ৰকৰ শ্ৰীদেবীপ্ৰসাদ ৰায়চৌধুৰীয়ে নিৰ্ম্মাণ কৰে। মূৰ্ত্তিটিৰ মূল্য ৭,৫০০ টকা।

অসম আৰু অসমৰ বাহিৰৰ বিশিষ্ট লোকৰপৰা পোৱা শুভেচ্ছা জ্ঞাপক বাণী-সন্দেশ সমূহ মূৰ্ত্তি উন্মোচন সমিতিৰ সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে পাঠ কৰে। মূৰ্ত্তি উন্মোচন কৰাৰ আগতে অসমৰ ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়জীয়ে এটি চমু আৰু সৰল ভাষণ দিয়ে। তেখেতে কয় "ৰাধাকান্ত সন্দিকৈয়ে আনলোকৰদৰে চৰকাৰী চাকৰিত সোমাইছিল আৰু ক্ৰমাত পদোন্নতি লাভ কৰি উচ্চ বিষয়-বাবৰ পৰা অৱসৰ লৈছিল। কিন্তু তেওঁ আনলোকৰদৰে অৰ্থোপাৰ্জ্জন কৰি ব্যক্তিগত আৰু পাৰিবাৰিক সুখ সম্ভোগৰ বিষয়ে মাত্ৰ চিন্তা নকৰি দেশৰ কাৰণে মুকলি হাতে দান দি গৈছিল। একোজন মহান ব্যক্তিৰ দানে একোটা জাতিক উন্নত আৰু সমৃদ্ধিশালী কৰি তোলে। সন্দিকৈ ডাঙৰীয়াই অসম সাহিত্য সভা আৰু বিভিন্ন অনুষ্ঠানলৈ আগবঢ়োৱা দানে অসমৰ অগ্ৰগতিত নিশ্চয় প্ৰবলভাবে উৎসাহিত কৰিছিল। এনে একোজন মহান ব্যক্তিৰ স্মৃতি সগৌৰৱে ৰক্ষাকৰাৰ প্ৰচেষ্টাৰ বাবে অসমৰ ৰাইজ ধন্যবাদৰ পাত্ৰ।"

ৰাজ্যপালে চন্দ্ৰকান্ত সন্দিকৈ ভৱনত প্ৰবেশ কৰি ভৱনৰ উত্তৰৰ খোটালিত স্থাপন কৰা সন্দিকৈ ডাঙৰীয়াৰ আৱক্ষ মূৰ্ত্তি উন্মোচন কৰে।

সভাপতি ডাঙৰীয়াই তেখেতৰ ভাষণত সন্দিকৈ ডাঙৰীয়াৰ লগত তেখেতৰ ঘনিষ্ঠ পৰিচয় স্মৰণ কৰে; আৰু সন্দিকৈৰ উদাৰ ব্যক্তিত্ব, জীৱনৰ নীতিগত আদৰ্শ আৰু উদাৰ হস্তৰ দানৰ কথা সমজুৱাক সোঁৱৰাই দিয়ে।

সভাৰ শেষত জিলা গ্ৰন্থাগাৰত নিমন্ত্ৰিতসকলৰ জলযোগ হয়। সন্ধিয়া ছয় বজাৰপৰা যোৰহাট সঙ্গীত বিদ্যালয় আৰু আন আন স্থানীয় নৃত্য সঙ্গীত নিপুনসকলে এক মনোৰম সঙ্গীত সমাৰোহৰ আয়োজন কৰে।

## শ্ৰীৰঘুনাথ চৌধাৰীৰ সম্বৰ্দ্ধনা

২০ জানুৱাৰী সন্ধিয়া পাচ বজাত অসম সাহিত্য সভাৰ তৰফৰপৰা আহ্বান কৰা অসমৰ মুখ্য ন্যায়াধীশ শ্ৰীহলীৰাম ডেকাৰ সভাপতিত্বত কটন কলেজৰ ছুদমাৰ্চেন হলত বহা এখনি সভাত প্ৰকৃতি কবি শ্ৰীৰঘুনাথ চৌধাৰীদেৱক তেখেতৰ তিৰাশী-বছৰীয়া জন্মতিথি উপলক্ষে ৰাজহুৱা ভাবে সম্বৰ্দ্ধনা জনোৱা হয়। সভাৰ আৰম্ভণিতে দুৰণিৰপৰা কবিলৈ শ্ৰদ্ধাঞ্জলি আগ বঢ়াই পঠোৱা শুভেচ্ছাৰ বাণীসমূহ পাঠ কৰা হয়।

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ডক্টৰ মহেশ্বৰ নেওগে কবিৰ সামাজিক জীৱন আৰু কবিতা সমূহৰ তাৎপৰ্য্য উল্লেখ কৰি অসমীয়া কাব্য-সাহিত্যত তেখেতৰ উচ্চ স্থানৰ বিষয়ে কয়। তেওঁ কয়, "অসমৰ এগৰাকী শ্ৰেষ্ঠ আৰু ঐকান্তিক কাব্য-সেবীৰূপেই নহয়, চামে চামে ডেকা কবি সাহিত্যিকৰ অনুপ্ৰেৰণাৰ কেন্দ্ৰস্বৰূপেও শ্ৰীচৌধাৰীদেৱৰ ব্যক্তিত্ব অসমীয়া সাহিত্যৰ বুৰঞ্জীত সঞ্জীৱিত হৈ থাকিব। কবি সুলভ মানৱতাবোধে তেখেতক জাতীয় আন্দোলনৰ মাজলৈও টানি আনিছিল। আনহাতে আমাৰ স্বাৰ্থ আৰু সংহতি ৰক্ষাৰ সন্ধিক্ষণ যেতিয়াই উপস্থিত হয়, তেতিয়াই চৌধাৰীদেৱ আমাৰ আগশাৰীত থিয় হয়হি; তেখেতৰ নেতৃত্ব আৰু পৰামৰ্শই সাহস আৰু ধৈৰ্য্য যোগায়।"

অসম সাহিত্য সভা, গুৱাহাটীৰ সবিতা সভা, কটন কলেজ আৰু অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ পক্ষৰ পৰা কবিক মাল্য প্ৰদান কৰা হয়। অসম মহিলা সমিতিৰ হৈ শ্ৰীমতী চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে এখনি অভিনন্দন পাঠ কৰি এখন ফুলাম গামোচাৰে কবিক মান ধৰে।

সম্বৰ্দ্ধনা সভাক উপলক্ষ কৰি কটন কলেজৰ অধ্যাপক শ্ৰীকমলেশ্বৰ শৰ্ম্মা ৰচিত "কবি চৌধাৰী আৰু চৌধাৰীদেৱৰ কবিতা" নামৰ ৮৬ পিঠীয়া এখনি সমালোচনা মূলক পুথিৰ প্ৰথমখনি কবিৰ হাতত অৰ্পণ কৰি প্ৰকাশ কৰা হয়।

অধ্যক্ষ তীৰ্থনাথ শৰ্ম্মাই এটি কবি-প্ৰশস্তি দাঙি ধৰে। তেওঁ কয় "কবি শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ মতে কবি হৈছে বৰ্ণক, তেও ক্ৰান্ত দৰ্শী। কেতেকী চৰাইৰ মাত আমিও শুনিছো; কিন্তু বিহগী কবিয়ে কেতেকীক দেখা পাইছে ক্ৰান্ত দৃষ্টিৰে। সেই দৃষ্টিৰে দেখা পোৱা দৰ্শনকে তেওঁ আমাৰ আগত উপস্থাপিত কৰিছে। কেতেকীৰ কণ্ঠত আমি যি সঙ্গীতৰ মূৰ্চ্ছনা শুনিবলৈ পাও তাকেই কবিয়ে নতুনভাবে আমাৰ আগত ৰমণীয় কৰি দাঙি ধৰিছে। চৌধাৰীৰ কবিতাত এক অপূৰ্ব্ব ধ্বনি, এক অপূৰ্ব্ব সঙ্গীত বাজি উঠিছে। ৰূপৰ পূজাৰী কবি বহুতো পোৱা যায়, কিন্তু ধ্বনি আৰু ৰূপ, একেলগে এই দুয়োটাৰ পূজাৰী কবি বিৰল। চৌধাৰীদেৱ এই বিৰল পূজাৰীসকলৰ এজন। আজি কবিৰ তিৰাশী বছৰীয়া জন্মতিথি। কিন্তু তেও যদি আৰু তিৰাশী বছৰ এই পৃথিৱীত থাকে, তেনেহলেও তেওঁ ইমান দিনে যিটো বস্তু সংসাৰত দেখি আহিছে তাৰ একো ব্যতিক্ৰম নহয়। এগৰাকী সমালোচকে চৌধাৰী ডাঙৰীয়াক আমাৰ উনবিংশ শতিকাৰ শ্ৰেষ্ঠ কবি বুলি নিৰূপিত কৰিছে। কিন্তু মোৰ-বোধেৰে তেওঁৰ অপূৰ্ব্ব দৰ্শনৰ সমৃদ্ধিৰে তেওঁ সকলো শতিকাতে শ্ৰেষ্ঠ কবি ৰূপে পৰিগণিত হব।"

অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই তেখেতৰ বক্তৃতাত কবিৰ জীৱনৰ কেইটমান কথা আৰু ঘাই

কবিতা কেইটিৰ ৰচনাৰ পটভূমি বৰ্ণনা কৰে। "কেতেকী" কবিৰ গুৱাহাটীৰ উত্তৰে থকা বোন্দানামৰ ঠাইত থাকি প্ৰকৃতিৰ অনুপম পৰিবেশৰ মাজত ৰচনা কৰা হৈছিল। এবাৰ ডাক্তৰে কবিক জিৰণি লবলৈ কৈ কথা কবলৈও বন্ধ কৰি দিয়াত চৌধাৰীদেৱে আপোন মনে বৰ্ত্তমান "নৱমল্লিকাত" সন্নিবিষ্ট কথা-কবিতা-জাতীয় গল্প কেইটি ৰচনা কৰে।

মুখ্য ন্যায়াধীশ শ্ৰীহলীৰাম ডেকাই তেখেতৰ সভাপতিৰ ভাষণত কয় "মই যেতিয়া চৌধাৰী ডাঙৰীয়াৰ কাষ চাপো তেতিয়া তেওঁৰ অন্তৰত এক সৌন্দৰ্য্য-বোধৰ সন্ধান পাওঁ। সৌন্দৰ্য্যবোধ একেবাৰে ব্যক্তিগত কথা। চৌধাৰীৰ মনটোও তুলাৰ দৰে কোমল আৰু সি অলপতে সেও হয়। মই চৌধাৰীক ইমান ভালদৰে জানো যে মই সাহেৰে ক'ব পাৰোঁ তেওঁৰ ব্যক্তিত্বৰ আগত তেওঁৰ কবিতা যেন অলপ ম্লান। তেওঁ কবিতা লিখিছে প্ৰাণৰ ভাষাৰে, সেয়েহে তেওঁৰ কবিতা মহান। তেওঁ মৃত্যু আৰু জীৱনৰ গভীৰ ৰহস্য ভেদ কৰি এখন বেলেগ জগতত বিচৰণ কৰি আছে। তেওঁ জীৱন-মুখী কবি। তেওঁৰ দৰে ইমান সুন্দৰ অন্তৰ কাৰো নাই।"

কবিয়ে সম্বৰ্দ্ধনাৰ সমিধান স্বৰূপে দিয়া বক্তৃতাত কয়, "পৃথিৱীক যিয়ে ৰঞ্জিত কৰে অৰ্থাৎ সজীৱ কৰি ৰাখে, সিয়ে কবি। মই ভবা নাছিলো যেময়ো এদিন এনে কবি আখ্যা লাভ কৰিব পাৰিম। মই যি ভাবো তাকেই অলপ গভীৰ ভাবে চিন্তা কৰিহে লিখো। বিশ্ব প্ৰকৃতিৰ ৰমণীয় কমনীয় ছবিখনেই মোক আকৃষ্ট আৰু অভিভূত কৰে। সিয়ে মোৰ অন্তৰত অনুভূতি সভাগ কৰি দিয়ে। মই জীৱনত যন্ত্ৰনাও বহু ভোগ কৰিছো। লিখাতকৈ মই অলপ ভাবো বেছিকৈ। দেশৰ জাতিৰ চিন্তা সদায় মোৰ অন্তৰত সজাগ হৈ থাকে। মোক কবি আখ্যা দিলেও মই প্ৰকৃত কবি নহও। কালিদাসহে বিশ্বৰ একমাত্ৰ কবি। মই সেহেয়ে কালিদাসক একলব্য শ্ৰদ্ধাই নকৰো কালিদাসে মোক প্ৰেৰণাও যোগায়। মোৰ জীৱনত আক্ষেপ-মই তেনে কবি হব নোৱাৰিলো। কবি কালিদাস তথা শ্ৰীশঙ্কৰদেৱৰ এধান মান শক্তি পালেও মোৰ জীৱন সাৰ্থক হ'লহেতেন। যিখন সংসাৰৰ মনোৰম ছবি মই দিনে ৰাতি দেখি আছো, সেই সংসাৰৰ মানৱ সমাজেও মোক মৰম শ্ৰদ্ধাৰ চকুৰে চায়। সেয়েহে কবিৰ ভাষাৰে কওঁ 'মৰিতে চাহিনা আমি সুন্দৰ ভুৱনে'। এইখনেই মোৰ স্বৰ্গপুৰী। যদিও মই 'কেতেকী' আৰু দহিকতৰা' লিখিলো, তথাপি এখন ডাঙৰ কাব্য ৰচনা কৰিবৰ তৃষ্ণা মোৰ হৈ ৰ'ল। ইয়ে মোৰ জীৱন অসম্পূৰ্ণ কৰি ৰাখিলে। যেতিয়া মোৰ অন্তৰ দুখ-বেজাৰে জুমুৰি দি ধৰে, তেতিয়া মই প্ৰকৃতি-ৰাজ্যত বিচৰণ কৰি শান্তি লাভ কৰো। এতিয়া মোৰ লিখা-পঢ়া বন্ধ হ'লেও সমাজৰ কামৰ বাবে মোৰ অন্তৰত প্ৰেৰণাৰ উৎস শেষ নহয়। মোৰ অন্তৰৰ চাবি আঙুল বহল হিয়া খনেৰে যে আপোনালোকৰ ইমান মৰম চেনেহ কিদৰে সামৰি লওঁ কব পৰা নাই।

অধ্যাপক শ্ৰীআনন্দেশ্বৰ শৰ্ম্মাই 'কেতেকী'ৰ প্ৰথম তৰঙ্গৰ চৈধ্যটি ছত্ৰৰ তেওঁ নিজে কৰা ইংৰাজী অনুবাদ পাঠ কৰে।

---

# ৰাধাকান্ত সন্দিকৈৰ মূৰ্ত্তি-উন্মোচন-উৎসৱত সভাপতি আৰু সম্পাদকৰ ভাষণ

## সভাপতিৰ অভিভাষণ

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

অসম সাহিত্য সভা-অধিষ্ঠিত মহামূল্য পুৰুষ দানবীৰ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ মূৰ্ত্তি উন্মোচন উৎসৱৰ সভাপতি হবলৈ আহ্বান জনোৱাৰ কাৰণে মই আপোনা-লোকক আন্তৰিক ধন্যবাদ দিছো। বৰ আনন্দৰ কথা যে অসমৰ ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়দেৱে এই মূৰ্ত্তি উন্মোচন কৰিছে। ১৯২৪ চনৰ ডিচেম্বৰ মাহত অসমৰ গৱৰ্ণৰ চাৰজন্ হেনৰী কাৰ চাহাবে যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ দুৱাৰ মুকলি কৰে, আৰু ১৯৩৬ চনৰ এপ্ৰিল মাহত অসমৰ গৱৰ্ণৰ চাৰ মাইকেল কীন চাহাবে গুৱাহাটীৰ নাৰায়ণী সন্দিকৈ হলৰ দুৱাৰ মুকলি কৰে। এই তিনি-জনা অসম গৱৰ্ণৰৰ নাম সন্দিকৈ ডাঙৰীয়াৰ স্মৃতিৰ লগত জড়িত থাকিব।

সন্দিকৈ ডাঙৰীয়াৰ লগত মোৰ ঘনিষ্ঠ পৰিচয়ৰ সৌভাগ্য ঘটিছিল, আৰু তেখেতৰ নানান মহৎগুণৰ আভাস মই সেই পৰিচয়ৰ যোগেদি পাইছিলোঁ। তেখেতৰ স্বজাতি-প্ৰেম, সজকামৰ প্ৰতি ধাউতি আৰু সহায়শীলতাৰ কথা অসমৰ ইমূৰৰপৰা সিমূৰলৈকে সকলোৱে জানে। তেখেতে সৰুতে বৰ দুখীয়া অৱস্থাত জীৱন যাপন কৰিছিল, কিন্তু নিজ অধ্যৱসায় আৰু পৰিশ্ৰমৰ বলত তেখেতে এটি সমৃদ্ধিশালী আৰু জাকত জিলিকা পৰিয়াল সৃষ্টি কৰি যাব পাৰিছিল, আৰু এই সমৃদ্ধিৰ সহায়েৰে দেশৰ নানান সজকামত বৰঙণি যোগাব পাৰিছিল। সুদীৰ্ঘ জীৱনৰ প্ৰতিমূৰ্ত্তি হিচাবেও তেখেতে বিশেষ শ্ৰদ্ধাৰ পাত্ৰ। তেখেতৰ গাত অসমীয়াৰ সজগুণ-বিলাক নিহিত আছিল। মুঠতে কবলৈ গলে, সন্দিকৈ ডাঙৰীয়া এজন আদৰ্শ মানৱ আছিল।

অসম সাহিত্য সভাৰ কাৰ্য্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱন, চন্দ্ৰকান্ত অভিধান সঙ্কলন, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ কাৰ্য্যালয় নাৰায়ণী সন্দিকৈ হিষ্টৰিকেল ইনষ্টিটিউট, সন্দিকৈ ছোৱালী কলেজ এই এটাইবোৰ হৈছে সন্দিকৈ ডাঙৰীয়াৰ দানশীলতাৰ সুমহৎ ফল। ইয়াৰ বাহিৰেও তেখেতে নানান ক্ষেত্ৰত, সৰ্ব্বসাধাৰণে নজনাকৈ যি সহায় কৰিছিল, তাৰ লেখজোখ নাই। কোনোবাই হাতত লোৱা সজ কামৰ কথা শুনিলে তাক যি কোনো প্ৰকাৰে সহায় কৰিবলৈ সন্দিকৈ ডাঙৰীয়া উৎসুক হৈ পৰিছিল। তেখেতৰ কাষ চাপিলে কোনেও বিমুখ হৈ অহাৰ কথা আমি শুনা নাই।

তেখেতৰ জীৱন ধাৰণৰ প্ৰণালীও অতি নিয়মীয়া আছিল, সেইদেখি তেখেত দীৰ্ঘজীৱী হব পাৰিছিল। শেষ বয়সলৈকে তেখেতে দেশৰ সকলো বিষয়ে খা-খবৰ ৰাখিছিল, আৰু চিঠি-পত্ৰ নিয়মমতে লিখিছিল, কোনোবাই তেখেতলৈ চিঠি দিলে তেখেতে তাৰ উত্তৰ সোনকালে দিছিল। তেখেতৰ আগত সকলোৱে মন খুলি আত্মীয়ভাৱে কথা কব পাৰিছিল, আৰু সংকোচভাব আঁতৰি গৈছিল, যেন দেউতাক ককা-দেউতাকৰ আগতহে কথা পাতিছে, এনেহেন লাগিছিল।

সন্দিকৈ ডাঙৰীয়াৰ নানান সজকামত উৎসাহদাত্ৰী আছিল তেখেতৰ সুযোগ্য সহধৰ্ম্মিনী স্বৰ্গীয় নাৰায়ণী সন্দিকৈ। তেখেতৰ সুবৃহৎ মনোৰম তৈলচিত্ৰ এখনি গুৱাহাটীৰ নাৰায়ণী সন্দিকৈ হলত সংৰক্ষিত হৈছে। তেখেতসকলৰ সুযোগ্য পুত্ৰ শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱে চন্দ্ৰকান্ত অভিধানৰ সংশোধিত তাঙৰণ যুগুত কৰি প্ৰকাশ

কৰাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়লৈ অৰ্থসাহায্য দিয়াত সকলোৱে ধন্যবাদৰ পাত্ৰ হৈছে।

ৰাধাকান্ত সন্দিকৈৰ নিচিনা এজন বিদ্যোৎসাহী পুৰুষৰ স্মৃতি পূজা কৰাটো অসম সাহিত্য সভাৰ পক্ষে সমীচীন হৈছে। ইয়াৰ বাবে উন্মোচন কমিটিৰ কাৰ্য্য-কাৰকসকলক বিশেষভাৱে শলাগিবলগীয়া।

আজিৰ মূৰ্ত্তি উন্মোচন উৎসৱৰ পৰা ভালকৈ প্ৰমাণিত হৈছে যে দেশৰ মঙ্গল সাধোঁতা পুৰুষক সন্মান কৰাত আমি অসমীয়া পিচপৰা নাই। এনে সন্মানৰপৰা আমাৰ মাজত তেনে ধৰণৰ দেশপ্ৰেমিক কৃতী পুৰুষ ওলোৱাৰ বাট সুগম হৈ পৰিব, ই ধ্ৰুৱ।

## সম্পাদকীয় প্ৰতিবেদন


### শ্ৰীমহেশ্বৰ নেওগ

অসম সাহিত্য সভাৰ তিয়াল্লিশ বছৰীয়া জীৱনৰ সীমাত আজি এটি স্মৰণীয় দিন। বিংশ শতিকাৰ দ্বিতীয় দশকত যি কেই গৰাকী সৃষ্টিশীল মনৰ শ্ৰেষ্ঠ অসমীয়া ব্যক্তিয়ে অসমৰ ভৱিষ্যত থিয়াই অসমীয়া সাহিত্যৰ তীৰ্থক্ষেত্ৰ-স্বৰূপ এই অসম সাহিত্য সভাৰ ভেটি স্থাপন কৰিছিল, সেইসকলৰ ভিতৰৰে বিশিষ্ট এজনক আমি এই উচ্চবত স্মৰণ কৰিছোঁ। উদাৰ হৃদয়ৰ বহল মনৰ আৰু মুক্ত হাতৰ যিজন পুৰুষে অসম সাহিত্য সভাক ঘৰ সুমাবলৈ এটি ঘৰ সাজি এটি প্ৰতিষ্ঠা দিলে, সেইজন পুৰুষৰ এটি আৱক্ষ মূৰ্ত্তি আজি সেই মন্দিৰত প্ৰতিষ্ঠা কৰিব পৰা আৰু তেখেতৰ নামত এটি গৃহ নিৰ্মাণ কৰিবলৈ সংকল্প গ্ৰহণ কৰি তাৰ আধাৰশিলা স্থাপন কৰা আজিৰ দিনটো আমাৰ আদৰৰ, গৌৰৱৰ, কৃতজ্ঞতাপূৰ্ণ স্মৃতি সংৰক্ষণৰ পুণ্য দিন। ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ অমৰ আত্মাৰ জয় হওক। মানুহৰ জীৱনক মৃত্যুৱে জয় কৰে। কিন্তু মৃত্যুক জয় কৰি কুসুমময় জীৱনৰ সুষমাই নিজকে চিৰকাললৈ বিলাই থাকে।


ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া এক ব্যক্তিত্বই নহয়, নিজেই এটি বহুমুখী অনুষ্ঠানো। সেই অনুষ্ঠানটিয়ে আপোনাতে আপুনি বিকশি আত্ম প্ৰতিষ্ঠা লাভ কৰিছিল। সন্দিকৈ ডাঙৰীয়াৰ কীৰ্ত্তিতকৈও মহৎ সন্দিকৈ ডাঙৰীয়া নিজে। ব্ৰিটিচ শাসনৰ অধীনতাৰ গ্লানিৰ প্ৰথম স্পৰ্শই সাতঘৰীয়া আহোমৰ ডা-ডাঙৰীয়া, চা-চমুৱাসকলৰ বংশ-সমূহক আৰ্থিক আৰু সামাজিক প্ৰতিপত্তিৰ ফালৰপৰা অনেক ক্ষেত্ৰত কঁকাল-ভঙা অৱস্থাত পেলাইছিল। তেনে এটি নিজ গুণে প্ৰতিষ্ঠাপন্ন আদাৰবীয়া সন্দিকৈৰ বংশত বুৰঞ্জীত থলক লগোৱা ঠিক সাতাৱন চালতে ৰাধাকান্তই অন্তৰত অপৰিসীম জীৱনশক্তি লৈ জন্ম গ্ৰহণ কৰিছিল। পৰাধীনতাৰ দীনতা-হীনতাই ৰাধাকান্তৰ উদাৰ ভৱিষ্যতক হেঁচা মাৰি ধৰি ৰাখিব নোৱাৰিলে; নতুন যুগৰ নৱ উচ্চ শিক্ষাৰ সুবিধা গ্ৰহণ কৰি নিজকে গঢ়ি তুলিলে। তেতিয়াৰ অসম চৰকাৰৰ ভূমি বিভাগৰ এজন সাধাৰণ কৰ্মচাৰী ৰূপে জীৱন আৰম্ভ কৰি সন্দিকৈয়ে সেই বিভাগৰ শীৰ্ষাসনৰ পৰা ৰাজকীয় জীৱনৰ সামৰণি মাৰিলে—যেন আদাৰবীয়া সন্দিকৈৰ ঘৰৰ হেৰোৱা মান তেখেতে গৌৰৱেৰে উদ্ধাৰ কৰিলে। নতুন ঘৰৰপৰা কাৰ্য্যদক্ষতাৰ স্বীকৃতি স্বৰূপে তেখেতে খিতাপ লাভ কৰিলে—ৰায় বাহাদুৰ।

কিন্তু ৰাজকীয় জীৱন সন্দিকৈ ডাঙৰীয়াৰ জীৱনৰ এটি ফাল বা আৱৰ্ত্তনীহে, যদিও সিয়ে তেখেতৰ জীৱনৰ বিস্তাৰৰ প্ৰধান ভিত্তি। অসমদেশৰ নৱ ঔদ্যোগিক বিকাশৰ এটি মান বা আদৰ্শ প্ৰতিষ্ঠা কৰিছিল জগন্নাথ বৰুৱাই—যি জন বিখ্যাত বি. এ. জগন্নাথ নামে পৰিচিত আৰু যাৰ নাম বহন কৰিছে যোৰহাটৰ জে. বি. কলেজে। বৰুৱা ডাঙৰীয়াৰ স্বাৱলম্বন ঔদ্যোগিক উৎসাহৰ আদৰ্শত অনুপ্ৰাণিত হৈ আৰু তেখেতৰ সহযোগতে ৰাজকীয় পদত থকাতে সন্দিকৈদেৱে তিৰুৱাল চাহ-বাগিচা পাতে। এইটি উদ্যোগৰ লাভৰ পৰাই তেখেতে অসমৰ সাহিত্য, শিক্ষা, গৱেষণাৰ মহৎ উদ্দেশ্যৰ হকে মুকলি হাতে দান আগবঢ়াব পাৰিছিল। ৰাজনিয়োগৰ পৰা অৱসৰ লৈ তেখেতে বৰ টিমন নামে আৰু এখনি বাগিচা খোলে। কিন্তু তেখেতৰ প্ৰাণৰ সংযোগে যেন তেখেতক তিৰুৱালৰ সাকৰা মাটিলৈ টানি ধৰি ৰাখিছিল; আৰু তেখেতৰ জীৱনৰ শেষৰ দিনকেইটা তিৰুৱালতে অতিবাহিত কৰি ১৯৫২ চনৰ ২৬ জানুৱাৰীৰ দিনা তাতে দেহৰক্ষা কৰে। এই তিৰুৱাল বাগিচা অসম সাহিত্য সভা, নাৰায়ণী সন্দিকৈ মন্দিৰ আৰু ৰাধাকান্ত সন্দিকৈ ছোৱালী কলেজৰ

৺ৰাধাকান্ত সন্দিকৈৰ আৱক্ষ-মূৰ্ত্তি উন্মোচন উৎসৱ—১৯৬০



৺ৰাধাকান্ত সন্দিকৈৰ আৱক্ষ মূৰ্ত্তি।



৺ৰাধাকান্ত সন্দিকৈৰ আৱক্ষ-মূৰ্ত্তি উন্মোচন উপলক্ষ্যে ৰাজ্যপাল মহোদয়ৰ ভাষণ।

জীৱনৰ লগত তথা অসমীয়া সাংস্কৃতিক জীৱনেৰে জড়িত হৈ ৰ'ল।

উদাৰ পুৰুষ সন্দিকৈ ডাঙৰীয়া আৰু আমাৰ বৰেণ্য সাহিত্যৰথী গোহাঞি বৰুৱা ডাঙৰীয়াৰ ভগ্নী আদৰ্শ অসমীয়া মহিলা নাৰায়ণী সন্দিকৈ আইদেউৰ চাৰিটি পুত্ৰ চাৰিটি উজ্জ্বল ৰত্নৰ দৰে—কৃষ্ণকান্ত, চন্দ্ৰকান্ত, লক্ষ্মীকান্ত, ইন্দ্ৰকান্ত। এই ফালৰপৰা ৰাধাকান্ত সন্দিকৈ নামৰ জীৱন্ত অনুষ্ঠানটি পৰিপুষ্ট হৈ আছিল। অসমৰ নিজৰ বিশ্ববিদ্যালয়েৰে বিশ্ববিদ্যালয়-শিক্ষাৰ প্ৰথম নিভুঁল পদক্ষেপটি স্থিৰ কৰি ধৰিছিল দানবীৰ সন্দিকৈদেৱৰ ৰবপুত্ৰ শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱে। শ্ৰীলক্ষ্মীকান্ত সন্দিকৈদেৱে ৰাজ্যিক চৰকাৰৰ বিভাগীয় পদাধিকাৰ ৰূপে দেশৰ প্ৰশাসনত নিজৰ বৰঙণি যোগালে। বৈষ্ণৱ কবিয়ে কৰৰ দৰে, যাৰ প্ৰতি কৰুণা হয়, ঈশ্বৰে তেওঁৰ বিভৱ সম্পত্তি হৰণ কৰি লৈ যায়। সন্দিকৈ ডাঙৰীয়াৰ নন্দন-বদন সংসাৰ খনৰ ওপৰত নিৰ্ম্মম আঘাত হানিলে চেনেহৰ দুমলীয়া পুত্ৰ ইন্দ্ৰকান্ত আৰু বহুগুণী ৰব মাজু পুতেক চন্দ্ৰকান্তৰ সান্নিপাতিক মৃত্যুৱে। কিন্তু সেই মৃত্যু যেন অমৰ হৈ আমাৰ মাজলৈ আৰু তেখেতৰ জীৱনলৈ ঘূৰি আহিল। সন্দিকৈ ডাঙৰীয়াৰ অকালতে হেৰোৱা ল'ৰা দুটি দেশৰ সাংস্কৃতিক জীৱনৰ বিকাশৰ ৰূপত যেন এটি অমৰ সন্তান হৈ দেখা দিলে। তেখেতৰ জীৱনত সৃষ্টি হোৱা শূন্যফেৰা অসম সাহিত্য সভাৰ জীৱনে যেন দহো আঙুলে পূৰণ কৰি তুলিলে। সেইহে যোৰহাটত থকাটি সময়ত চন্দ্ৰকান্ত সন্দিকৈ মন্দিৰৰ কাষেদি এপাক নেমাৰিলে যেন তেখেতৰ নিত্যকৰ্ম্মৰ এপদ বাকী ৰৈ যোৱা যেন হৈছিল। আজি সেই মন্দিৰত তেখেত নিজেই এটি পবিত্ৰ বিগ্ৰহ হৈ ৰ'ল। এইটি অতি আদৰণীয় কাৰ্য্য হ'ল বুলি আমি ভাবিছো।

আধুনিক অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জীত সন্দিকৈ দেৱৰ নিজা এখনি আসন আছে। "হেমৰ কোষেৰে ওপ দোল ৰন্ধা" হেমচন্দ্ৰ বৰুৱাৰ প্ৰাণ-পৰিশ্ৰমী যত্নৰ ফলত ১৮৬৭ চনৰ ৱনছনৰ সক অভিধান খনি বাঢ়ি 'হেমকোষত' পূৰঠ ৰূপটি ল'লে। ইয়াৰ পিচত সন্দিকৈ ডাঙৰীয়াৰ উদ্যোগতে, দানত আৰু ব্যক্তিগত অক্লান্ত পৰিশ্ৰমত 'চন্দ্ৰকান্ত অভিধান' খনি প্ৰায় সাতত্ৰিশ হেজাৰ শব্দেৰে এখনি পূৰ্ণাঙ্গতৰ ভাষাকোষ হৈ ওলাবলৈ পালে। অভিধান খনিৰ যথেষ্ট এটি অংশৰ গ্ৰন্থকাৰত্বৰ কৃতিত্ব তেখেতৰ। পৰাধীনতাৰ হেচাত অসমৰ জাতীয় জীৱনৰ আগ্নেয় উপাদান আধুনিক অসমীয়া সাহিত্যৰ প্ৰথমৰ এটি স্তৰত পশ্চাদ্‌দৃষ্টি আৰু পুনৰুদ্গমকামী বুৰঞ্জী-মূলক কাব্য নাটক আৰু উপন্যাসৰ ৰূপত সৃষ্টিপ্ৰসূ হৈ উঠিছিল। বেজবৰুৱা, গোহাঞি বৰুৱা, ৰজনীকান্ত বৰদলৈ আদি অগ্ৰণীসকলৰ লগত একে আদৰ্শতে অনুপ্ৰাণিত হৈ সন্দিকৈদেৱে ব্যস্ত আৰু পুত্ৰ বিয়োগ ক্লিষ্ট জীৱনৰ মাজতো পাঁচ-অঙ্কীয়া "মূলাগাভৰু" নাটক ছপা কৰি উলিয়াইছিল (১৯২৪)। নাটকখনি বৰ্ত্তমান শতিকাৰ চতুৰ্থ দশকলৈকে অসমৰ গাৱেঁ-ভূঞে অভিনীত আৰু আদৃত হৈছিল। বৰ্ত্তমানে পাবলৈ নোহোৱা এই পুথিখনিৰ পুনৰ্মুদ্ৰণৰ আৱশ্যক হৈছে। এই কথাটি আমাৰ মনত আজি বিশেষকৈ লাগিছে।

অসম বুৰঞ্জীৰ ৰাজ্য। সন্দিকৈ ডাঙৰীয়া নিজেও দেশৰ প্ৰাচীন ইতিহাস চৰ্চ্চাত বিশেষ অনুৰাগী আছিল: অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ পিতৃ-স্বৰূপ ডক্টৰ সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াও আছিল, অসমৰ এজন প্ৰাক্তন ৰাজ্যপালৰ ভাষাত মৃতকক সঞ্জীৱনী দিব পৰা লোক। ভূঞা-দেৱৰ বুৰঞ্জী-পুৰাতত্ত্ব বিভাগক এটি ঘৰ লগা হোৱাত সন্দিকৈ ডাঙৰীয়াই তেখেতৰ সহ-ধৰ্ম্মিণী নাৰায়ণী আইদেউৰ নামত নাৰায়ণী সন্দিকৈ ভৱন নিৰ্ম্মাণ কৰি দিয়ে। অসমত উচ্চ স্ত্ৰী-শিক্ষা-দানৰ উচ্চাকাঙ্ক্ষাত প্ৰতিষ্ঠিত হোৱা গুৱাহাটীৰ ছোৱালী কলেজ খনিক এটি বিশেষ সন্ধিক্ষণত সন্দিকৈদেৱৰ দানে কলেজটিকে নতুন প্ৰাণ আৰু নতুন অৱয়ৱ দি তুলিলে—ৰাধাকান্ত সন্দিকৈ ছোৱালী কলেজ। এইদৰেই ৰাধাকান্ত সন্দিকৈৰ ব্যক্তিত্বৰ অশৰীৰী প্ৰতিষ্ঠানটিৰ শাৰীৰিক বিস্তাৰে অসমৰ সাহিত্য, পুৰাতত্ত্বৰ গৱেষণা আৰু উচ্চশিক্ষাৰ ক্ষেত্ৰক প্ৰসাৰিত কৰি তোলে। ইয়াৰ উপৰি শিক্ষাব্ৰতী, কৰ্ম্মব্ৰতীসকলক তেখেতৰ মুকলি সোঁ হাতে দিয়া দানৰ কথা তেখেতৰ বাঁও হাতে আমালৈ লিখি থৈ যোৱা নাই। কিন্তু তাৰ মাজতো তেখেত

অমৰণ হৈ আছে। তেখেতে যি মৃত্যুহীন প্ৰাণ জীৱনৰ লগৰীয়া কৰি আনিছিল, মৃত্যুৰ শেষত তাকেই তেখেতে আমাক দান কৰি গ'ল।

অন্তপ্ৰেৰণাৰ দ্বাৰা, কাৰ্য্যৰ দ্বাৰা, সহযোগৰ দ্বাৰা, দানৰ দ্বাৰা ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া অসম সাহিত্য সভাৰ জীৱনৰ লগৰীয়া হৈ আহিছে; আৰু আশাকৰোঁ চিৰকাললৈ সেইদৰেই থাকিব। এই কথাটিৰ তাৎপৰ্য্যলৈ লক্ষ্য কৰিয়ে বোধ হয় ১৯৫৩ চনত শ্বিলং নগৰীত ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাদেৱৰ সভাপতিত্বত বহা অসম সাহিত্য সভাৰ দ্বাবিংশ অধিবেশনে তেখেতৰ স্মৃতি-ৰক্ষাৰ এটি ব্যৱস্থা কৰিবলৈ প্ৰস্তাৱ (তৃতীয় প্ৰস্তাৱ) গ্ৰহণ কৰে। বিশেষকৈ আৰ্থিক কাৰণতে এই কাম দিনক দিনে পিছ পৰি যাবলৈ ধৰিছিল; সভাৰ কাৰ্য্যপালিকায়ো এই উদ্দেশ্যত বিশেষ আগভাগ কৰিব পৰা নাছিল। আমাৰ সৌভাগ্যৰ বিষয় এগৰাকী বিশিষ্ট শিক্ষা-সাহিত্য-সংস্কৃতি-প্ৰেমী দাতাৰ আত্মপ্ৰকাশহীন দানৰ বলত যোৱা দুবছৰে আমাৰ সংকল্পই লাহে লাহে শৰীৰী ৰূপ ধাৰণ কৰে; আৰু বিশ্ব বিখ্যাত ভাস্কৰ-চিত্ৰকৰ আৰু ভাৰতীয় ললিত কলা একাডেমিৰ সভাপতি স্বয়ং শ্ৰীদেৱীপ্ৰসাদ ৰায় চৌধুৰীৰ প্ৰাণদাননিপুণ হাতেদি সাহিত্য সভাৰ পৰম বন্ধু সন্দিকৈ ডাঙৰীয়াৰ এটি আৱক্ষ মূৰ্ত্তি আঠধাতুৰে বা ব্ৰঞ্জেৰে নিৰ্ম্মিত হয়। এই বিষয়ত আমাৰ পূৰ্ব্ববৰ্ত্তী প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীদেৱৰ তৎপৰতা প্ৰশংসনীয়। নতুন পলাশবাৰি বা মিৰ্জ্জাত বহা আমাৰ অষ্টাবিংশ অধিবেশনৰ উপলক্ষ্যতে যোৱা ২৬ অক্টোবৰ তাৰিখে কাৰ্য্যপালিকাই মূৰ্ত্তি-উন্মোচনৰ নিমিত্তে আজিৰ দিনটো স্থিৰ কৰে। স্বাধীনতা লাভৰ পূৰ্ব্বৰ অসমৰ দুজন গভৰ্ণৰে ১৯২৪ আৰু ১৯৩৬ চনত চন্দ্ৰকান্ত সন্দিকৈ ভৱন আৰু নাৰায়ণী সন্দিকৈ ভৱনৰ দুৱাৰ মুকলি কৰিছিল। আমাৰ আনন্দৰ বিষয় আজি অসমৰ অস্থায়ী ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়জীয়ে বৰেণ্য পুৰুষ ৰাধাকান্ত সন্দিকৈ দেৱৰ মূৰ্ত্তিটিৰ শুভ-উন্মোচন কৰিব।

---

# শ্ৰীৰঘুনাথ চৌধাৰী সম্বৰ্দ্ধনা উৎসৱত প্ৰধান সম্পাদকৰ ভাষণ

জোনাকী যুগৰ ভাষা-সাহিত্যৰ ৰণাঙ্গনৰ বীৰ যোমানসকলৰ শেষৰ এজনক সম্বৰ্দ্ধনা জনাবৰ উদ্দেশ্যে আজিৰ এই সভা আহ্বান কৰা হৈছে। কবি ৰঘুনাথ চৌধাৰী ডাঙৰীয়াৰ জীৱনে আজি বিৰাশী বছৰ সমাপ্ত কৰি তিৰাশী বছৰত প্ৰবেশ কৰিব। বিৰাশী বা তিৰাশী বছৰ অঙ্কৰ লেখত আজোথা। আমি তিনি-বছৰৰ আগতে কবিৰ আশীতিতম জন্মতিথি পালন কৰা হ'লে ভাল আছিল; এনে এটি ভাব অনেকৰ নিশ্চয় হৈছে। ঠিক সময়ত কবিৰ জন্মপত্ৰিকাখনি লুকাই থকা কাৰণে তেখেতৰ আশীৰ ঘৰত প্ৰৱেশৰ কথা আমাৰ চকুত নপৰিল। এইদৰে কবিৰ বয়সৰ লেখ যমৰ ঘৰতো যেন ধৰা নপৰক। এয়ে আমাৰ কামনা।

সাহিত্যৰ চেতনা, অনুৰাগ আৰু সন্মান যিবিলাক দেশত তীব্ৰ, সিবিলাক দেশত কবি-সাহিত্যিকৰ সম্বৰ্দ্ধনা সন্মান প্ৰদৰ্শন আদি সঘন। আমাৰ দেশত তেখে সম্বৰ্দ্ধনাৰ লেখ পাতল বা ধৰিব লগীয়া হোৱালৈ চাই আমাৰ সাহিত্য-চেতনা বৰ তীব্ৰ নহয় বুলি কোনোবাই অভিযোগ কৰিব পাৰে। ১৯৩১ চনৰ ডিচেম্বৰ মাহত জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ সভাপতিত্বত শিৱসাগৰত বহা অসম সাহিত্য সভাৰ ত্ৰয়োদশ সম্মিলনৰ

• ১৯৬১ চনৰ ২০ জানুৱাৰী তাৰিখে অসম সাহিত্য সভাৰ হৈ শ্ৰীৰঘুনাথ চৌধাৰীদেৱৰ তিৰাশী-বছৰীয়া জন্মতিথি উপলক্ষে আহ্বান কৰা সভাত পঠিত সম্পাদকীয় প্ৰতিবেদন।



এটি প্ৰধান বিশেষত্ব বৰ্ত্তমান যুগৰ অসমীয়া সাহিত্যৰ সিংহপুৰুষ লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াক অভিনন্দন প্ৰদান কৰাটি। ইয়াৰ দুবছৰ পিছত অধ্যক্ষ জ্ঞানদাভিৰাম বৰুৱাৰ সভাপতিত্বত উত্তৰ লখীমপুৰত বহা চতুৰ্দ্দশ সম্মিলনত অসমীয়া ভাষা-সাহিত্যৰ আন এগৰাকী কৰ্ণধাৰ পদ্মনাথ গোহাঞিবৰুৱা ডাঙৰীয়াক সমজুৱাকৈ অভিনন্দন জনোৱা হল। অমি ভৱাত এইদৰে আমাৰ বৰেণ্য সাহিত্যৰথীসকলক সন্মান প্ৰদৰ্শন কৰা অসম সাহিত্য সভাৰ এটি শোভন কাম হৈছিল। কিন্তু বেজবৰুৱা আৰু গোহাঞিবৰুৱা, ই দুজনা অবিসম্বাদিত সাহিত্য নেতাৰ পিছত কাক অভিনন্দিত কৰা হব, সিয়ে বাদ-বিসম্বাদৰ বিষয় হৈ পৰাৰ কাৰণেই সম্ভৱতঃ অভিনন্দন প্ৰদানৰ ৰীতি তেতিয়াৰ পৰাই বাতিল হ'ল। ১৯৫৩ চনত শ্বিলং চহৰত বহা দ্বাবিংশ সম্মেলনত এজন আগ শাৰীৰ প্ৰকাশকক এখনি 'প্ৰশংসা-পত্ৰ' দিয়া হয়। যি সকলৰ প্ৰাণ-পৰিশ্ৰমত অসমীয়া ভাষা-সাহিত্যই ন পাতনিৰে সবল সুষ্ঠ ৰূপ ধাৰণ কৰিবলৈ প্ৰয়াস পাইছিল; সেই জোনাকী যুগৰ আমাৰ পৰম শ্ৰদ্ধাৰ পাত্ৰ কবি সাহিত্যিক-সকল ১৯৩৩ ৰ পৰা প্ৰায় ডেৰ কুৰি বছৰৰ ভিতৰত আমাৰ মাজৰ পৰা এজন এজনকৈ আঁতৰি গৈছে; কিন্তু জীয়াই থকাৰ ভিতৰত কোনো সাহিত্যিক প্ৰতিষ্ঠানৰ শ্ৰদ্ধাৰে সুৰভিত মালা এধাৰিয়ে তেওঁলোকৰ কণ্ঠ শোভা কৰিব নোৱাৰিলে। সিসকলৰ মাজৰ শ্ৰীচন্দ্ৰধৰ বৰুৱা, শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা আৰু আজিৰ সভাৰ আদৰণীয় কবি শ্ৰীৰঘুনাথ চৌধাৰীদেৱ মাত্ৰ আজি আমাৰ মাজত আছে। আমি আমাৰ বৰ্ত্তমানক গঢ়া অতীতৰ এগৰাকী শ্ৰেষ্ঠ প্ৰতিনিধি স্বৰূপ শ্ৰীচৌধাৰীদেৱৰ ওচৰত কৃতজ্ঞতাৰে মূৰ দোৱাবলৈ পোৱাটো পৰম ভাগ্যৰ কথা বুলি ভাবিছো।

অসমৰ এগৰাকী শ্ৰেষ্ঠ আৰু ঐকান্তিক কাব্যসেৱী ৰূপেই নহয়, চামে চামে ডেকা কবি সাহিত্যিকৰ অন্তপ্ৰেৰণাৰ কেন্দ্ৰ স্বৰূপেও চৌধাৰীদেৱৰ ব্যক্তিত্ব অসমীয়া সাহিত্যৰ বুৰঞ্জীত সঞ্জীৱিত হৈ থাকিব। বিশেষকৈ 'জয়ন্তি' আৰু 'সুৰভি' পত্ৰিকাৰ যোগেদি প্ৰবীণ চৌধাৰীদেৱে নবীনসকলক নিভুৰ্ল নেতৃত্ব দিছিল; তেওঁৰ গুৱাহাটীৰ ঘৰ বিভিন্ন চামৰ কবি-সাহিত্যিকৰ তীৰ্থস্থান স্বৰূপ হৈ আহিছে। কুসুম-কোমল কবি-হৃদয়ানুভূতি লৈ কবি চৌধাৰীয়ে চিৰদিন আপান মনৰ গোপন বাৰতা দিয়াতে যদিও ব্যস্ত; তেওঁৰ কবিসুলভ মানৱতাবোধে তেওঁক জাতীয় আন্দোলনৰ মাজলৈ.কা টানি আনিছিল। আনফালে অসমৰ স্বাৰ্থ সংহতি ৰক্ষাৰ সন্ধিক্ষণ যেতিয়াই উপস্থিত হয়, তেতিয়াই চৌধাৰীদেৱ আমাৰ আগশাৰীত থিয় হয়হি; তেখেতৰ নেতৃত্ব আৰু পৰামৰ্শই সকলোকে সাহস আৰু ধৈৰ্য্য যোগায়।

যদিও কবি চৌধাৰীৰ কাব্য বিশ্লেষণ কৰা আজিৰ সভাৰ মোৰ বক্তব্যৰ ভিতৰত নপৰে, মনলৈ অহা দুটামান আপোনালোকক কওঁ।

চৌধাৰীৰ কবিতাসমূহত দুটা স্পষ্ট আৰু স্বকীয়া ধাৰা দেখিবলৈ পোৱা যায়। এটা ইন্দ্ৰিয়মুখী, আনটো ইন্দ্ৰিয়বিমুখী। এটিত ৰূপ, ৰস, গন্ধ, স্পৰ্শ আৰু শব্দ-স্বৰূপ তন্মাত্ৰ-লব্ধ জীৱনৰ স্বীকৃতিৰ প্ৰতি এটি আকৰ্ষণ। আনটিত ভাৰতীয় চিত্তবৃত্তিৰ চিৰ চিনাকি ভক্তি-জ্ঞান বিৰাগ্যৰ উদ্দাম ভাব। দুয়োটি ধাৰাই সাৰ্থক কবিতাৰ সৃষ্টি কৰিছে। দুয়োটি দেখাত পৰস্পৰ বিৰোধী ধাৰা হলেও সিহঁতৰ সম্বন্ধৰ ক্ষেত্ৰ আছে। কিন্তু সেই ক্ষেত্ৰ সংঘাতৰ বিষম ক্ষেত্ৰ। 'দাবাগ্নিৰ দহনত দেৱদাৰু তৰু ছাৰখাৰ' হোৱাৰ দৰে সেই সংঘাতে কবিৰ জীৱনত 'অন্তৰ্দ্দাহী বাৰনৰ চিতা-জুই' জলাই তুলিছে। কবিজীৱনৰ প্ৰথম ধাৰাটিয়ে অনুপম প্ৰকৃতি কবিতাবোৰৰ সৃষ্টি কৰিছে– আৰু তাৰে শ্ৰেষ্ঠ অভিব্যক্তি হল তেখেতৰ চৰাই আৰু ফুল বিষয়ৰ কবিতাখিনি। দ্বিতীয়টি প্ৰবাহ সংসাৰক অস্বীকাৰ কৰা ব'ৰাগী ভাবৰ কবিতাত মূৰ্ত্ত হৈছে; কিন্তু সেই প্ৰবাহৰ তীব্ৰতা প্ৰকাশ হৈছে সংসাৰ-স্বৰূপ হলাহল গিলিবলৈ যত্ন কৰি নীলকণ্ঠ হব নোৱাৰি কবি য'ত ভাগি পৰিছে ফুলশয্যা আদি তেনেবোৰ কবিতাত। কবিয়ে কেতিয়াবা অসমীয়া ঐতিহ্যৰ মনাইবৰাগী হৈ জীৱনৰ মূলনাঠী নগৰত কৰা নাও-বেহাৰ কথা কৈছে, কেতিয়াবা আৰু ওচৰ চাপি 'বাসনা কামনা ৰোগ'ৰ

'বিভীষিকা চিত্র' দাঙি ধৰিছে। ইয়াৰ মাজত চৌধাৰীৰ কবিতাই দুটি বিন্দুত চৰম গৌৰৱৰ মাত্ৰাত থিয় দিছেগৈ. এটি বিন্দু হ'ল যেতিয়া তেওঁ 'ৰূপ, ৰস, গন্ধ পৰশ প্ৰেমত' বাউল, নাইবা যেতিয়া কেতেকীৰ দৰে প্ৰসিদ্ধ চৰাই কিম্বা দহিকতৰাৰ দৰে কাব্যৰ উপেক্ষিতা বিহগীৰ কণ্ঠত সাতো সুৰগৰ পাৰ বাগৰি অহা অময়া মুখৰ উহ দেখি তেওঁ দুখে ভৰা পৃথিবীত পাও নিদিয়া হৈছে। আনটি বিন্দুত কবি নিজেই দাৰুণ ভাৱে আহত পখী জীৱনৰ প্ৰতি আৰু জীৱনৰ নায়ক 'হৃদয় দেৱতা'ৰ প্ৰতি জীৱন-শোষন ৰোষত মৰ্ম্মাহত। কবিৰ জীৱন-স্ৰোতৰ লগত নিবিড় ভাবে কবিতাৰ ভৰা সুঁতিটিও বৈ আহিছে। সেইহে চৌধাৰীৰ কবিতাত অনুভূতি আৰু প্ৰকাশৰ এটি ক্ৰমবিকাশ লক্ষ্য কৰিবপৰা যায়। কবিতা তেওঁৰ জীৱনময় সাধনাৰ এটি অভিব্যক্তি মাথোন।

"সাদৰীৰ অন্তৰ্গত পূৰঠ ভাব-ভাষাৰ 'গোলাপ' 'বণিজৰ' কথা আদি পিছৰ জীৱনত ৰচিত কবিতা বাদ দি বিচাৰ কৰিলে এই পুথিৰ কবিতাবোৰতে চৌধাৰীৰ কবিতাৰ আশাময় শৈশৱৰ বিকাশ ঘটিছে। এই পুথি-খনৰ ফুল আৰু চৰাই কবিতা কেইটি আৰু পিছৰ 'কেতেকী' আৰু 'দহিকতৰা'ত কেনেকৈ একেবোৰ ভাবকণিকা ক্ৰমাগতভাৱে পল্লবিত হৈ উঠিছে, ডক্টৰ কাকতিয়ে 'দহিকতৰা'ৰ পাতনিত তাৰ আলোচনা কৰিছে। বন-বিহগৰ অময়া জীৱনৰ প্ৰতি তেওঁ প্ৰথমৰে পৰা আকৃষ্ট; 'কেতেকী'ও চৰাই জীৱনৰ আনন্দময়ৰূপে এক প্ৰকাৰ সৰ্ব্বেশ্বৰ বাদৰ ৰূপ পৰিগ্ৰহ কৰিছে। অতীত আৰু বৰ্ত্তমানৰ সকলো কাব্যময় সৌন্দৰ্য্য কেতেকী চৰাই-জনীৰ এটি মাত্ৰ সুহ'ৰিত অভিব্যঞ্জিত হৈ উঠিছে; ভূত ভবিষ্যত, উৰ্দ্ধ অধঃ ছানি জীৱন-স্ৰোত খৰকৈ প্ৰবাহিত হৈছে। বাটৰ কাষিত কুমলীয়া ছোৱালী এজনীৰ চকু জুৰিয়ে ডাম্টেৰ জীৱনলৈ নৱ জীৱন প্ৰভাত আনি বিশ্ব চৰাচৰক নতুন ৰূপ দিয়াৰ দৰে কেতেকীৰ মাতে আমাৰ কবিক এটি বিস্ময় ভাবত অভিভূত কৰিছে। অকৃত্ৰিম প্ৰেমেই যে অময়া আনন্দৰ উৎস তাক তেওঁ ইঙ্গিত কৰিছে, যেন কেতেকীয়ে 'বিশ্বৰ মঙ্গল সাধনৰ হেতু বিহগী জনম' লৈছে। 'দহিকতৰা'ত কবি বিশ্ব প্ৰকৃতিৰ চিত্ৰশালাৰ ছবিবোৰৰ সৌন্দৰ্য্যত অভিভূত হৈছে, আৰু কবিয়ে শব্দৰ ৰোলেৰে সেই ছবিবোৰকো বোলাই গৈছে।

মুঠতে চৌধাৰীয়ে আধুনিক অসমীয়া প্ৰকৃতি-কবিতাক গীত আৰু সৌন্দৰ্য্যৰে আঢ্যৱন্ত কৰিছে। তেওঁৰ পৰ্য্য-বেক্ষণ নিবিড় আৰু সৌন্দৰ্য্য-স্পৃহা অবিৰত। 'বহাগীৰ বিয়া'ৰ পৰা 'নৱ মল্লিকা'ৰ কথা-কবিতালৈকে হৰগোহনৰ উপবনৰ দৰে কিমান ফুলৰ সৌৰভ-সম্পৃক্ত সূক্ষ্ম সৌন্দৰ্য্য তেওঁ আমাক দিছে; কত বিহগৰ কণ্ঠৰ কূজন আমাৰ মানসত অনুৰণত কৰিছে! তেওঁৰ অসাধাৰণ প্ৰকৃতি-প্ৰীতিয়ে প্ৰকৃতিৰ জীৱন বুৰঞ্জীত নব্য-পৌৰাণিক আখ্যান আৰোপ কৰিছে আৰু বাণী চিত্ৰেৰে অসমীয়া কাব্যক সমৃদ্ধ কৰিছে। ভাষা, ৰচনা শৈলী, চিত্ৰকল্প, ছন্দ প্ৰয়োগ আদিৰ ফালৰ পৰাও কবিৰ এককতা পৰিলক্ষিত হয়। কালিদাস আদিৰ প্ৰাচীন সংস্কৃত কাব্যৰ চৰ্চ্চাই তেওঁৰ ভাষা আৰু চিত্ৰকল্পক সমৃদ্ধ কৰিছে। আধুনিক ৰোমাণ্টিক কবিতাত তেওঁ ধ্ৰুপদী ৰীতি প্ৰৱৰ্ত্তন কৰিছে। তৎসম শব্দৰ প্ৰচুৰ ব্যৱহাৰে এফালে যেনেকৈ কিছুমান কবিতাক এক ক্লাছিকেল গাম্ভীৰ্য্য দিছে, আনফালে তেনেকৈ কিছুমান শাৰীৰ ঘৰুৱা আৰু পোনপটীয়া প্ৰকাশে তেওঁৰ কাব্যক প্ৰাঞ্জলতা দান কৰিছে আৰু একোটা ঘৰুৱা পৰিবেশ সৃষ্টি কৰিছে। জোনাকী যুগৰ প্ৰথম তৰপৰ কবিসকলৰ নৱ-ন্যাসৰ নতুন উচ্ছ্বাস আছিল; কিন্তু ছন্দৰ সাবলীলতা আৰু ভাষাৰ কাব্যসুলভ মসৃণতা চৌধাৰীদেৱৰ কবিতাতেহে পোনতে পূৰ্ণাঙ্গ নিটোল ৰূপত দেখা দিয়ে বুলি ক'ব পাৰি। বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামীৰ পিছত যিসকলে এইদৰে আধুনিক অসমীয়া কাব্য বাণীক মনোৰম ৰূপ লোৱাত সহায় কৰিছিল, চৌধাৰী যিসকলৰ মাজত অন্যতম। এইভাবে অসমীয়া সাহিত্যৰ বুৰঞ্জীত চৌধাৰীদেৱৰ স্থান অবিসম্বাদিত ভাবে অতি উচ্চত।

অসম সাহিত্য সভাই ইতিপূৰ্ব্বে ১৯৩৬ চনত তেজপুৰত বহা সভাৰ ষোড়শ অধিবেশনত চৌধাৰী দেৱৰ সভাপতিৰূপে বৰণ কৰি অসমীয়া প্ৰবীণ সাহিত্যিক সকলে লাভ কৰিব পৰা এটি উচ্চ সন্মানেৰে সন্মানিত কৰিছে। আজি চাৰি কুৰিবো দুবছৰ ওপৰত উঠি আমাৰ অনেকৰে আতাৰ পদ অধিকাৰ কৰি চৌধাৰী ডাঙৰীয়াই সাহিত্যৰ প্ৰতি তেওঁৰ আদৰ অনাদৰত পৰিণত হবলৈ দিয়া নাই; আজিও তেওঁৰ সৃজনী শক্তি কৰ্ম্মঠ, আজিও তেওঁ আমাৰ অনুপ্ৰেৰণাৰ খনী! আজি আমি তেওঁক আমাৰ মাজত পাই যি পৰম আনন্দ লাভ কৰিছো, আশা কৰিছো সেই আনন্দ বহু বৰ্ষ স্থায়ী হ'ব। এই আনন্দৰ মাজতে তেওঁলৈ পুনৰ ভক্তি আৰু কৃতজ্ঞতাৰে মূৰ দোঁৱালো।

# পুথি-পৰিচয়

## গীত মন্দাকিনী ঃ

সংগ্ৰাহক-সম্পাদক—শ্ৰীশ্ৰীৰাজীৱলোচনচন্দ্ৰ গোসাঞী
দিহিং সত্ৰ

প্ৰকাশক—শ্ৰীধৰ্ম্মশোভন গোস্বামী
বিহাবাৰী, গুৱাহাটী

প্ৰথম প্ৰকাশ—৫১১ শঙ্কৰাব্দ, ১৩৬৭ চন

মহাপুৰুষ শঙ্কৰদেৱৰ পৰা আৰম্ভ কৰি ভক্তি প্ৰেমপুষ্ট গীতৰ যি এটি অবিচ্ছিন্ন ধাৰা কালসংহতিৰ দিহিং শাখাৰ গুৰু পৰম্পৰাৰ যোগেদি প্ৰৱাহিত হৈ ভক্ত আৰু সুধীসমাজক আপ্লাবিত কৰি আহিছে সেই পুত মন্দাকিনীৰ ৰসধাৰাক পাঠক সমাজৰ গোচৰীভূত কৰি দিয়াৰ কাৰণে সংগ্ৰাহক আৰু সম্পাদক প্ৰশংসাৰ্হ। এই সংগ্ৰহত প্ৰায় ৪৩৭ গীত সন্নিবিষ্ট হৈছে, তাৰ ভিতৰত মহাপুৰুষ দুজনে ৰচনা কৰা ২৮টা বৰগীতো আছে। এই ২৮টা গীত ভক্তি-গীতৰ ঐতিহ্য বা পৰম্পৰা প্ৰদৰ্শন কৰাত সহায়ক হব বুলিয়েই বোধকৰো সন্নিবিষ্ট কৰিছে। বাকি গীত সমূহৰ গোপাল আতাৰ ৩৭, যদুমণিদেৱৰ ১৩৬, সনাতনদেৱৰ ৪৭, জগবন্দনদেৱৰ ২১, প্ৰেম-ভূষণদেৱৰ ১৪, কৈৱল্যানন্দনদেৱৰ ৭৩, ব্ৰজৰঞ্জনদেৱৰ ১২, বৃন্দাৱনচন্দ্ৰদেৱৰ ২১, বল্লভচন্দ্ৰদেৱৰ ২৩, নিৰ্ম্মল-চন্দ্ৰদেৱৰ ২৩, ভগৱানচন্দ্ৰদেৱৰ ৯টা সৰ্ব্বমুঠ ৪৩৭টা গীতে চাৰিশ বছৰীয়া ভক্তি-গীত সাহিত্যৰ ধাৰাবাহিক ইতিহাস দাঙি ধৰিছে। দিহিং সত্ৰৰ আদি পুৰুষ ৰৰ আতা যদুমণিদেৱৰ পৰা সৰ্ব্বশেষ ভগবানচন্দ্ৰলৈকে একেটি পৰিয়ালৰ দহজন সত্ৰাধিকাৰে ৰচনা কৰা গীতে চাৰিশ বছৰীয়া সাহিত্যিক পৰিয়ালৰ অৱদানৰ আভাস এই সংকলনে দাঙি ধৰিছে। অসমীয়া গীতি-সাহিত্যৰ ইতিহাস অধ্যয়ন কৰিবলৈ এই সংগ্ৰহে বহুতো উপাদান দিব পাৰিব বুলি আমি বিশ্বাস কৰোঁ। ইতিপূৰ্ব্বে অৱশ্যে গোপালদেৱৰ গীত-ঘোষা আৰু যদুমণিদেৱৰ ছকুৰি গীত আৰু ফল্গুযাত্ৰা নাট শ্ৰীকুমুদচন্দ্ৰ মহন্তই এই পত্ৰিকাতে প্ৰকাশ কৰিছিল।

গোটেইখিনি গীত একেটি সুৰতে বন্ধা, অৰ্থাৎ মহাপুৰুষ দুজনাৰ বৰগীতৰ লক্ষণ-সমূহ সকলোবোৰতে ন্যুনাধিক পৰিমাণে বিদ্যমান। ভক্তিৰ প্ৰাধান্য, অনুভৱৰ আন্তৰিকতা, ৰচনাৰ কৌশল, বিষয়বস্তুৰ সাদৃশ্যত সকলোবোৰ গীত সমধৰ্ম্মী। ৰচনা ৰীতি আৰু বিষয়বস্তুলৈ লক্ষ্য কৰিলে গোটেইবোৰ গীতেই বৰগীতৰ শ্ৰেণীভুক্ত কৰা যায়। দৰাচলতে দিহিংসত্ৰ শিষ্য-প্ৰশিষ্যৰ সমাজত এই সকলোগীতকে বৰগীতৰ ভিতৰতে গণ্য কৰে, কিন্তু আন আন বৈষ্ণৱ শাখাই মহাপুৰুষ দুজনাৰ গীতৰ বাহিৰে পৰৱৰ্ত্তী কোনো গীতিকাৰৰ ৰচনাক বৰগীতৰ মৰ্য্যাদা দিব নোখোজে। কিন্তু 'বৰগীত' শব্দটো অৰ্ব্বাচীন, মহাপুৰুষ দুজনে এই নামকৰণ কৰি যোৱা নাই, গতিকে একে ধৰণৰ গীতৰ মাজত জাতবিচাৰ কিমান সমীচীন সেইটো ভাবি চাবলগীয়া কথা।

মহাপুৰুষ দুজনাৰ পাছত ৰচনা কৰা গীতসমূহত তেওঁলোকৰ ৰচনাৰ প্ৰভাৱ সুস্পষ্ট। বিষয় বস্তুৰ ক্ষেত্ৰত সেই একে শিশু কৃষ্ণৰ লৰালি কালৰ লীলা, খেলা, গোষ্ঠবিহাৰ, চৌৰ্য্য চাতুৰি ইত্যাদি, সেই একে জাগতিক বিষয়ৰ প্ৰতি বিৰাগ আৰু ভীতিমূলক-ভাৱ, মাজে মাজে সেই একে পাৰমাৰ্থিক তত্ত্ব বৰ্ণনা, কৃষ্ণৰ ৰূপবৰ্ণনাদিত সেই একে উপমা-ৰূপকাদিৰ প্ৰয়োগ আমি লক্ষ্য কৰোঁ। তথাপি দৰ্পণৰ মাজেদি প্ৰতিবিম্বিত পোহৰৰ দৰে নাইবা সূৰ্য্যৰ ৰশ্মি চন্দ্ৰত প্ৰতিবিম্বিত হৈ জ্যোৎস্নাত পৰিণত হোৱাৰ দৰে এই প্ৰভাৱবিশিষ্ট গীতবোৰ সৌন্দৰ্য্যহীন বা মূল্যহীন নহয়। বিম্ব আৰু প্ৰতিবিম্বৰ প্ৰভেদ অৱশ্যে আমি মানি লবই লাগিব।

শঙ্কৰোত্তৰ ভক্তি-গীত সমূহত দুই-এটা পৰিৱৰ্ত্তনো আমি লক্ষ্য নকৰাকৈ নাথাকো। এই সংকলনৰ গীতসমূহ অনুধাবন কৰিলে সেই পৰিৱৰ্ত্তন চকুত পৰে। প্ৰথম হল—ব্ৰজাৱলী প্ৰয়োগৰ মাত্ৰাল্পতা। দ্বিতীয়তে ৰাধাক এই গীতবোৰৰ ঠায়ে ঠায়ে পোৱা যায়। বোধকৰো চণ্ডীদাস আদি বৈষ্ণৱ মহাজন সকলৰ গীতৰ পৰোক্ষ প্ৰভাৱ কেনেবাকৈ পাইছিল। তলত উল্লেখ কৰা গীতটিৰ ভাষাত যেন চণ্ডীদাসৰ ধ্বনি ৰিণি ৰিণি শুনিবলৈ পাওঁ

সোণাৰে বন্ধু, মঞি জানি কি কাম কৰোঁ
ভুবনমোহন, মধুৰ মূৰতি, তোমাক নাদেখি মৰো ॥
তোমাৰে নাদেখি ই তিনভুবনে সুখহি মনে নমানো ॥
তোমাৰ আমাৰ মনেৰ মৰম, তুমি আমি ভাল জানো ॥
লোক অপবাদ যেমনে নাগুণি তেমনে কৰিতে লাগে।
হিয়াৰ ভিতৰ কৰিয়া ৰাখিবা যেমনে চিত্ত নাভাগে ॥
ৰাধাৰ কানুৰ মনেৰ মৰম, কমনে কহয় জানি
যদুমণি কহে ওহিতো বিৰহ বচন বেদকবাণী ॥

গীতৰচক সকলৰ চমু পৰিচয়, ঠাই বিশেষে পাঠান্তৰ আৰু শব্দৰ অৰ্থও সংকলনটিত সন্নিবেশ কৰি পুথিখনৰ মূল্য বঢ়াইছে। অৱশ্যে দুই-এঠাইত পাঠৰ ভুল আৰু বৰ্ণাশুদ্ধি চকুত নপৰাকৈ নাথাকে। তথাপি নিঃসন্দেহে কব পাৰি যে আমাৰ পুৰণি সাহিত্যৰ ৰসাস্বাদন আৰু আলোচনাত এই সংকলনটো বিশেষ কামত আহিব। অসমৰ পুথিভঁড়ালসমূহত এই পুথিয়ে ঠাই পোৱা যুগুত।

---



# সম্পাদকৰ মন্তব্য

**১৯৬০-৬১ চন ঃ** ১৯৬০-৬১ চন অসম আৰু অসমীয়াৰ পক্ষে তাৎপৰ্য্যপূৰ্ণ বছৰ। এই বছৰতে নানা আলৈ-আহুকাল আৰু ধুমুহা-বিপৰ্য্যয়ৰ মাজেদি অসমীয়া ভাষাই একপ্ৰকাৰ ৰাজ্যিক চৰকাৰী ভাষাৰ মৰ্য্যাদা পালে। ইয়াকে লাভ কৰিবলৈ অসমীয়া ৰাইজে কম কষ্ট স্বীকাৰ কৰিব লগা হোৱা নাছিল। চৰকাৰৰ দুৰ্ব্বল মনোভাৱৰ সুবিধা লৈ অসমীয়া বিদ্বেষী দলে যথেষ্ট হেঙাৰ সৃষ্টি কৰিছিল। কেৱাটি বহুমূলীয়া জীৱনৰ বিনিময়ত আৰু অসমীয়া লোকৰ ঐক্যবদ্ধ চেষ্টাত অৱশেষত অসমীয়া ভাষাই ন্যায্য স্থান লাভ কৰিলে। অসমীয়া ভাষাক এই মৰ্য্যাদা দিয়াৰ লগে লগে আমাৰ দায়ীত্ব বহুগুণে বাঢ়িল। অসমীয়া ভাষা যাতে সকলো অনা-অসমীয়াই সহজে শিকিব পাৰে সেই উদ্দেশ্যে কিছুমান পুথি প্ৰণয়ন কৰা উচিত। এই বিষয়ে সচেতন হৈ সাহিত্য সভাই এটি আঁচনি হাতত লৈছে, সেই আঁচনিৰ সফলতা নিৰ্ভৰ কৰিছে চৰকাৰ আৰু ৰাইজৰ সহানুভূতিৰ ওপৰত। দ্বিতীয়তে চৰকাৰী সকলো আইন-নথি-পত্ৰ উপযুক্ত-

ভাৱে অসমীয়াত প্ৰকাশ কৰিবলৈ 'পাৰিভাষিক শব্দাৱলী ৰচনা কৰা প্ৰয়োজন। কেন্দ্ৰীয় চৰকাৰৰ চেষ্টাত ইতিপূৰ্ব্বে এনে কিছুমান পাৰিভাষিক শব্দ সৃষ্টি হৈছে, কিন্তু সেই খিনি পৰ্য্যাপ্ত নহয়। সকলো শব্দ আমি গ্ৰহণ কৰা উচিত হবনে নহয় আৰু আমাৰ নিজা উপযুক্ত শব্দ থাকিলে কি কৰা উচিত এই বিষয়েও সিদ্ধান্ত লবলৈ চৰকাৰে অসম সাহিত্য সভা আৰু বিশ্ববিদ্যালয়ৰ মনোনীত প্ৰতিনিধিৰে এখন কমিটি গঠন কৰি সেই বিষয়ত আগবঢ়া প্ৰয়োজন বুলি আমি ভাবো। তৃতীয়তে ভাষাৰ মৰ্য্যাদা বৃদ্ধি কৰিবলৈ সাহিত্যৰ সৰ্ব্বতোমুখী উন্নতি প্ৰয়োজন। সাহিত্যৰ আকৰ্ষণেও বহুলোকক ভাষা শিকিবলৈ অনুপ্ৰেৰণা দিয়ে। ভাষাই সাহিত্যৰ যোগেদিহে প্ৰকৃত মৰ্য্যাদা লাভ কৰে, চৰকাৰে দান কৰা মৰ্য্যাদা মূল্যহীন হব যদি সাহিত্যই সেই মৰ্য্যাদা সুপ্ৰতিষ্ঠিত কৰিব নোৱাৰে। সেই কাৰণে বিশ্বসাহিত্যৰ শ্ৰেষ্ঠ গ্ৰন্থসমূহ অসমীয়ালৈ অনুবাদ কৰাৰ দিহা কৰিব লাগে। এই বিষয়ত অসম চৰকাৰ, বিশ্ববিদ্যালয় আৰু সাহিত্য সভাৰ দায়ীত্ব সকলোতকৈ বেছি। অদূৰ ভবিষ্যতত অসমীয়াক উচ্চশিক্ষাৰ মাধ্যম স্বৰূপে প্ৰতিষ্ঠা কৰিবলৈ হলে এতিয়াৰ পৰাই সচেতনভাৱে কাম হাতত লবৰ হ'ল।

আলোচ্য বছৰৰ আন এটি গুৰুত্বপূৰ্ণ কাৰ্য্য হ'ল লোকগণনা। অসমীয়া ভাষা-ভাষীৰ সংখ্যা কমাই দেখুৱাবৰ প্ৰচেষ্টা স্বাৰ্থন্বেষী দল আৰু ব্যক্তিয়ে নকৰা নহয়। চৰকাৰ পক্ষৰ পৰা প্ৰকাশ হোৱা নিৰ্দ্দেশাৱলী আৰু ব্যাখ্যাসমূহেও ভ্ৰম আৰু প্ৰমাদ সৃষ্টি কৰাত সহায় কৰিছে। এই প্ৰসঙ্গত সাহিত্য সভাৰ তৰফৰ পৰা উক্ত ভুল নিৰ্দ্দেশ আৰু বিকৃত ব্যাখ্যাৰ প্ৰতি চৰকাৰ আৰু ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে যদিও ইতি পূৰ্ব্বেই যথেষ্ট অপকাৰ সাধন কৰা হ'ল। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশাৱলীলৈ লক্ষ্য কৰিলে দেখা যায় যে ঐক্যৰ পৰিবৰ্ত্তে বিভেদৰ ওপৰতহে চৰকাৰে মনোনিৱেশ কৰিছে। লোকগণনাৰ ফলাফল যিয়েই নহওক, স্বাৰ্থান্বেষীৰ গাণিতিক 'তাতকেৰি'ত অসমত অসমীয়াৰ নায্য স্থানৰ ইফাল সিফাল কেতিয়াও হব নোৱাৰে।

**সম্বৰ্দ্ধনা জ্ঞাপন :** অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি প্ৰবীন অভিনেতা শ্ৰীমিত্ৰদেৱ মহন্তদেৱে এইবাৰ ভাৰত সঙ্গীত-নাটক একাডেমীৰ দ্বাৰা অভিনেতা আৰু নাট্যকাৰৰূপে পুৰস্কৃত হোৱাত আমি আমি অতিশয় সন্তোষ পাইছো আৰু তদুপলক্ষ্যে আমি তেখেতক সম্বৰ্দ্ধনা জনাইছোঁ।

এই বছৰৰ সাহিত্য একাডেমিৰ দ্বাৰা পুৰস্কৃত হোৱা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীবেণুধৰ শৰ্ম্মাকো আমাৰ সম্বৰ্দ্ধনা আৰু অভিনন্দন জ্ঞাপন কৰিলো। শ্ৰীশৰ্ম্মাৰ 'কংগ্ৰেছৰ কাচিয়ালি ৰ'দত'—গ্ৰন্থখন ১৯৫৮-৬০ চনত প্ৰকাশ হোৱা অসমীয়া পুথিৰ ভিতৰত সৰ্ব্বোৎকৃষ্ট বুলি পৰিগণিত হৈছে।

# পত্ৰিকাৰ নিয়মাৱলী

১। অসম সাহিত্য সভা পত্ৰিকা বছেৰেকত তিনিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকে প্ৰথম সংখ্যাৰপৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছেৰেকীয়া বৰঙণি ৪৲ আগ ধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা। সাহিত্য সভাৰ সভ্যৰ কাৰণে বছেৰেকীয়া বৰঙণি ৩৲।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰৱন্ধ আদি ( অষ্টাদশ বছৰৰ কাৰণে ) এপিঠিত, ফটফটীকৈ লিখি, "ডাঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, ৰিহাবাৰী, গুৱাহাটী" এই ঠিকনাত পঠাব। সকলো টকা-কড়ি আৰু কাকত সম্পৰ্কে চিঠি "সম্পাদক, অসম সাহিত্য সভা, যোৰহাট" এই ঠিকনাত পঠাব।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিয়া নহয়।

৫। মৌলিক আলোচনা, অনুসন্ধান আদিৰ গবেষণামূলক প্ৰৱন্ধইহে ইয়াত ঠাই পাব।

পত্ৰিকা সম্পাদক

# জাননীৰ নিৰিখ

| | | |
|---|---|---|
| এপিঠিত | ৪০৲ | ( প্ৰতি সংখ্যাত ) |
| আধা পিঠিত | ২২৲ | ( " " ) |
| সিকি পিঠিত | ১২৲ | ( " " ) |
| বেটুপাত ৩য় পিঠিত | ৪৫৲ | ( " " ) |
| বেটুপাতৰ ৪ৰ্থ পিঠিত | ৫০৲ | ( " " ) |

শ্ৰীমহেশ্বৰ নেওগ
প্ৰধান সম্পাদক
অসম সাহিত্য সভা

# অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থসমূহ

১। অসম সাহিত্য সভাৰ ভাষণাৱলী (প্ৰথম ভাগ)—প্ৰথম ১২ জন সভাপতিৰ বহুমূলীয়া অভিভাষণ আৰু চমু চিনাকি। বেচ ৮৲ (সভাৰ কাৰণে ৬৲)।

২। অসম সাহিত্য সভাৰ ভাষণাৱলী (দ্বিতীয় ভাগ)—ত্ৰয়োদশ অধিবেশনৰ পৰা পঞ্চবিংশ অধিবেশনলৈ সভাপতিসকলৰ বহুমূলীয়া অভিভাষণ আৰু চমু চিনাকি। বেচ ৮৲ দুয়োখন একেলগে ১৪৲ (সভাৰ কাৰণে ৬৲, দুয়োখন একেলগে ১০৲)।

৩। অসম সাহিত্য সভা বাৰ্ষিকী (প্ৰথম ভাগ)—ত্ৰয়োবিংশ অধিবেশনৰ মূল সভা, শাখা সভা আৰু অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ আদিৰ বছেৰেকীয়া সংগ্ৰহ। বেচ ২৲ (সভাৰ কাৰণে আধা)।

৪। অসম সাহিত্য সভা বাৰ্ষিকী (দ্বিতীয় ভাগ)—চতুৰ্ব্বিংশ অধিবেশনৰ মূল সভা, শাখা সভা আৰু অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ আদিৰে বছেৰেকীয়া সংগ্ৰহ। বেচ ২৲ (সভাৰ কাৰণে আধা)।

৫। শ্ৰীশ্ৰীব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ—বলোৰাম দ্বিজ বিৰচিত। বেচ ১৲; সভ্যৰ কাৰণে আধা।

৬। সাত্বত তন্ত্ৰ—ভাগৱত মিশ্ৰ বিৰচিত। বেচ ‖৷৹, সভ্য কাৰণে আধা।

৭। লৱ-কুশৰ যুদ্ধ (সচিত্ৰ)—হৰিবৰ বিপ্ৰ ৰচিত আৰু ডাঃ মহেশ্বৰ নেওগ সম্পাদিত। বেচ ২৲ সভ্যৰ কাৰণে আধা।

৮। বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা (প্ৰথম ভাগ)—ডাঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত। বেচ ২৲ সভ্যৰ কাৰণে আধা।

৯। শ্ৰীশ্ৰীবনমালী দেৱৰ চৰিত্ৰ—ৰমাকান্ত দ্বিজ বিৰচিত। বেচ ৸৹, সভ্যৰ কাৰণে আধা।

১০। This is Assam—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী আৰু শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত ইংৰাজী গ্ৰন্থ। বেচ ২৲ (সভাৰ কাৰণে আধা)

১১। The Outlook on N. E. F. A.—শ্ৰীপৰাগ চলিহা সম্পাদিত। বেচ ২৲, সভাৰ কাৰণে আধা।

১২। সীমান্ত সন্দেশ—শ্ৰীপৰাগ চলিহা সম্পাদিত। বেচ ২৲, সভ্যৰ কাৰণে আধা।

১৩। নীলাচল পাঠ—(আওনগা-অসমীয়া পুথি) লেখক শ্ৰীমহেন্দ্ৰনাথ সভাপণ্ডিত। বেচ ১৲

১৪। আনন্দৰাম ঢেকিয়াল ফুকন (জীৱনী আৰু ৰচনা)—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সম্পাদিত। বেচ ।৵৹

১৫। অসমীয়া ভাষা—ডাঃ মহেশ্বৰ নেওগ অনূদিত। ঢেকিয়াল ফুকনৰ A few remarks on the Assamese Language পুথিৰ ভাঙনি বেচ ॥৹

১৬। অসমীয়া লোকগীতি সংগ্ৰহ—শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা সম্পাদিত—৬৲

১৭। কামিনী কান্তৰ চৰিত্ৰ—ডঃ প্ৰফুল্লদত্ত গোস্বামী সম্পাদিত—২৲

১৮। কবি চৌধাৰী আৰু চৌধাৰীদেৱৰ কবিতা—শ্ৰীকমলেশ্বৰ শৰ্ম্মা ৰচিত—২৲

১৯। পৱিত্ৰ অসম—ডঃ মহেশ্বৰ নেওগ সম্পাদিত, বেচ ১১৲

সৰহকৈ নিওঁতাক কমিচন দিয়া হয়।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট

প্ৰধান সম্পাদক
অসম সাহিত্য সভা

অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মাৰ দ্বাৰা কলিকতাৰ শ্ৰীকান্ত প্ৰেছৰ পৰা মুদ্ৰিত আৰু প্ৰকাশিত হল।